# সূত্ৰধাৰ

১-১৫ নবেম্বৰ ১৯৯১ ☐ ছয় টকা





# অসমৰ ভূগোল আৰু ভাষা







---


সূত্ৰধাৰ

তৃতীয় বছৰ ঊনবিংশ সংখ্যা
১-১৫ নবেম্বৰ, ১৯৯১

Vol. III No. 19
1-15 November, 1991

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰা: লি:-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: ☐ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491



ৰাজনীতি

## চোকোৰাহে স্বাধীন অসমৰ শাহ বেলেগ ১৯

আল্‌ফাৰ স্বাধীন অসমৰ দাবীৰ আঁৰত থকা 'ইণ্ডো-বাৰ্মা ফেডাৰেশ্যন'ৰ আঁচনি সম্পৰ্কে দুলাল বৰাৰ এক তথ্যপূৰ্ণ বিশ্লেষণ। লগতে আল্‌ফাৰ সৈন্যাধ্যক্ষ পৰেশ বৰুৱাৰ মানসিক সংঘাত আৰু অংগীকাৰৰ তথ্য সমৃদ্ধ দলিল- 'গ্ৰীটছাংকোৰ হত্যা আৰু আল্‌ফা সৈন্যাধ্যক্ষৰ মনৰ খবৰ' শীৰ্ষক এক প্ৰতিবেদন।

প্ৰচ্ছদ নিবন্ধ

## অসমৰ ভূগোল আৰু ভাষা ২১

'অসম' আৰু 'অসমীয়া'ৰ সংজ্ঞাৰ ওপৰত বিতৰ্কৰ ওৰ আজিও পৰা নাই। ইতিমধ্যে ভৌগোলিক ৰূপটোৱে মোট সলাই আহি বৰ্তমানে পুনৰ এক বিভাজনৰ গড়াত 'অসম' অৱতীৰ্ণ 'অসমীয়া'ৰো অনেক সংজ্ঞা হাজিৰ। এই সকলো দিশ সামৰি এক নিৰ্মোহ সমালোচনাৰ কাপেৰে যুক্তিনিষ্ঠ বিশ্লেষণ আগবঢ়াইছে বসন্ত কুমাৰ দলেই।

## বিশেষ নিবন্ধ ১৪

অসমত বিচ্ছিন্নতাবোধঃ তত্ত্ব, তথ্য আৰু ইতিহাস ☐ সনাতন সূত্ৰধাৰ

## সংবাদ প্ৰবাহ ১৮

বিসম্বাদী ৰাজনীতিত অভ্যস্ত কেশৰ গগৈৰ সৈতে কোন আছিল ☐ ত্ৰিনয়ন


### বিশেষ দ্ৰষ্টব্য

অহা সংখ্যা সূত্ৰধাৰৰ (১৬ নবেম্বৰ ১৯৯১) প্ৰচ্ছদ নিবন্ধৰ বিষয়ঃ 'স্বাধীন অসম কিয় বিচাৰো বা কিয় নিবিচাৰো।' এই বিশেষ প্ৰবন্ধমালা কেইবাজনো বিশিষ্ট বুদ্ধিজীৱীয়ে অসমৰ স্বাধীনতাৰ দাবীৰ সপক্ষে আৰু বিপক্ষে তেওঁলোকৰ সুচিন্তিত মতামত দাঙি ধৰিব।

ডিব্ৰুগড় বিশ্ববিদ্যালয় সম্পৰ্কীয় এক বিস্তৃত প্ৰতিবেদন যুগুত কৰি থকা হৈছে। নবেম্বৰ মাহতে এই আলোচনীৰ পাতত প্ৰকাশ কৰা হব।


**ৰাজনীতি ১৯**
দেশৰ জটিল পৰিস্থিতিৰ বাবে ৰাজনৈতিক দলৰ সংকটেই দায়ী
☐ হিতেন মহন্ত

**কবিতা**
অৰণ্যৰ গান
☐ নীলমণি ফুকন ২৭

**মুকলি মঞ্চ ২৯**
আল্‌ফা সমস্যাৰ সমাধান কেনেকৈ হোৱা উচিত
☐ বিভিন্ন ৰাজনৈতিক নেতাৰ দৃষ্টিভংগী

**বিশ্ববিদ্যালয়ৰ বাতৰি ৩৭**
ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ'ৰা
☐ স্বপ্না বেজবৰুৱা

**চিনেমা**
'অশান্ত প্ৰহৰ'-- এখন উপভোগ্য ছবি
☐ সবিতা লহকৰ ৬:

চিঠি ৪
সম্পাদকীয় ৫
ৰাজধানী সংবাদ ১০
উপন্যাস ৪১
ঘৰ জেউতি ৬৩
প্ৰাত্যহিক ৬৪


বেটুপাত: চম্পক বৰবৰা
বেটুপাতৰ ফটো: পদ্ম পাটৰ

## অসমৰ নতুন চৰকাৰ, বিজিত শইকীয়া আৰু উদ্যোগীকৰণ

১৬-৩১ আগষ্টত প্ৰকাশ পোৱা শ্ৰী প্ৰণব কুমাৰ হাজৰিকাৰ উক্ত শিৰোনামাৰ চমু আলচ পঢ়িলো। শ্ৰীহাজৰিকাৰ লগত মোৰ পৰিচয় নাই যদিও তেওঁৰ সহজ সৰল আৰু নিৰ্ভীক লেখাৰ লগত মই একমত। শ্ৰীশইকীয়াক মই বহু বছৰৰ পৰাই জানো, মোৰ পুত্ৰ বয়সী। বিভিন্ন আন্দোলনত তেওঁৰ নেতৃত্বই বিশেষ স্থান লাভ কৰিছিল। নিৰ্ভীক স্পষ্টবাদী এই যুৱক জনৰ মাজত নানা সম্ভাৱনাপূৰ্ণ আশা আকাংক্ষা আমি প্ৰত্যক্ষ কৰিছো। কিন্তু মন্ত্ৰীৰ সাফল্যৰ গুৰিতে ৰাইজ। ৰাইজ তথা উদ্যোগৰ প্ৰতি ৰাপ থকা যুৱক সকলৰ বাবে এটা সুযোগ আহি পৰিছে। নতুন মন্ত্ৰী সভাখনে কাম হাতত লওঁ নলওঁতেই এচাম ঈৰ্ষান্বিত ব্যক্তি আৰু বাতৰি কাকতে হকে বিহকে নানা দুৰ্নাম ৰতি চৰকাৰখনৰ ভাবমূৰ্ত্তি ৰাইজৰ আগত ম্লান কৰাৰ কথাই আমাক আমাৰ নীচাত্মিকা ভাবটো উদঙাই দিছে। আমি আশা কৰিছো অসমৰ যুৱ সমাজে সেই কাগজ আৰু সমালোচক সকলৰ কথাত কাণ নিদি অসমখন উদ্যোগী কৰণৰ প্ৰচেষ্টাত সহাৰি জনাই নিজেও উপকৃত হওক আৰু সমাজৰ কল্যাণ সাধক। মুখ্য মন্ত্ৰী শ্ৰী হিতেশ্বৰ শইকীয়া অতি দক্ষ আৰু কামৰ মানুহ। তেখেতে উদ্যোগ বিভাগটো এজন দক্ষ যুৱকৰ হাতত ন্যস্ত কৰিছে। আমি আশা কৰিছো বিজিত শইকীয়াই নিষ্ঠা সহকাৰে তেওঁৰ দায়িত্ব পালনত ব্ৰতী হ'ব।

আমি আশা কৰিছো সূত্ৰধাৰে উদ্যোগ সম্পৰ্কে এলানি আলোচনাৰ পথ মুকলি কৰি মন্ত্ৰী গৰাকীক পৰামৰ্শ আৰু নিবনুৱা যুৱক সকলক উপকৃত কৰক।

কুশ চন্দ্ৰ শৰ্মা,
তেজপুৰ

## শ্ৰীকুমুদ বৰুৱাৰ সমালোচনাৰ উত্তৰত

'সূত্ৰধাৰ'ৰ সাহিত্য শিতানত (১-১৫ ছেপ্টেম্বৰ, ১৯৯১) শ্ৰীকুমুদ বৰুৱাৰ এতিয়ালৈকে অসম্পূৰ্ণ প্ৰবন্ধ 'কবি নৱকান্ত বৰুৱাঃ মোৰ স্ববিৰোধৰ জড়তা আৰু গতিৰ কাহিনী'ৰ প্ৰসংগত এটা গুৰুত্বপূৰ্ণ কথা আঙুলিয়াই দিব খুজিছো।

উক্ত প্ৰবন্ধত মই 'সূত্ৰধাৰ'ত (১৬-৩০ জুন, ১৯৮৯) এসময়ত আগবঢ়োৱা নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' নামৰ কবিতাটোৰ নিৰ্বচনৰ (interpretation) ওপৰত কুমুদ বৰুৱাই কৰা সমালোচনা বহু দূৰ প্ৰসংগচ্যুত (decontextualized) আৰু নিতান্তই ভ্ৰমযুক্ত হৈছে। আত্মৰক্ষাৰ কাৰণে নহয়, কবি নৱকান্ত বৰুৱাৰ মূল্যায়নৰ কাৰণে গুৰুত্বপূৰ্ণ বুলিহে, সমালোচক বৰুৱালৈ আৰু 'সূত্ৰধাৰ'ৰ পাঠকৰ জ্ঞাতাৰ্থে এই প্ৰত্যুত্তৰ লিখাটো উচিত বুলিছো।

মোৰ নিৰ্বচনত ঠাই পোৱা এটা কেন্দ্ৰীয় ধাৰণাৰ আসোঁৱাহ ধৰি কুমুদ বৰুৱাই লিখিছে যে মোৰ বাক্যাংশ 'ক্ষয়িষ্ণু বস্তু জগত' – 'অভিজ্ঞ' আৰু ধাৰণাটো সভ্যতাৰ কাৰণে 'বিপজ্জনক'। 'অভিজ্ঞ' শব্দটোৱে মোৰ ৰচনাৰীতিৰ খুঁতলৈহে টোৱাই যদিও সভ্যতাৰ কাৰণে 'বিপজ্জনক' ধাৰণাটো সাঙুৰি দি শ্ৰীবৰুৱাই প্ৰকৃততে ক'ব খুজিছে যে বস্তু বা জড় জগতক ক্ষয়িষ্ণু বোলাটো উদ্ভট কথা আৰু ই ভ্ৰমযুক্ত, অসত্য ধাৰণা। স্পষ্টকৈ গুৰুত্ব সহকাৰে মই দোহাৰিছো যে 'ক্ষয়িষ্ণু বস্তু জগত'ৰ ধাৰণাটো 'ইয়াত নদী আছিল' নামৰ কবিতাটোৰ মূল বস্তু অৰ্থাৎ কেন্দ্ৰীয় ধাৰণা। এই ধাৰণাৰ অনুধাবনৰ পৰাই মোৰ উক্ত নিৰ্দেষি বাক্যাংশ ওলাই আহিছে।

ইয়াত নদী আছিল, এতিয়া নাই, শুকাই মৰু হেন হ'ল। সৃষ্টিৰ, জীৱন প্ৰবাহৰ এটা উৎস ধ্বংসপ্ৰাপ্ত হ'ল, ক্ষয় গ'ল। নৈখন যিহেতু ভূপৃষ্ঠত অৱস্থিত আৰু ভূপৃষ্ঠও বস্তু জগতৰে অংশ নিঃসন্দেহে যিহেতু হয়, গাতকে নৈখনৰ ক্ষয় বস্তু জগতৰেই ক্ষয়। এইটো সঁচা যে বিজ্ঞানৰ বিমূৰ্ত সামুদায়িক ধাৰণা মতে শক্তি নুটুটে, অৰ্থাৎ শক্তি অব্যয় নহ'লেও অক্ষয়; আৰু ঠিক তেনেকৈয়ে জড়স্তূপ (mass of matter) সামুদায়িক আয়তনত অক্ষয়। কিন্তু পদাৰ্থবিজ্ঞানৰ এই বিমূৰ্ত ধাৰণা সত্বেও তেলৰ পুঙৰ বাষ্প মিছাতে জ্বলি পুৰি নিঃশেষ হৈছে বুলিলে বা শিল ক্ষয় গৈছে, লোহা মামৰ হৈছে বুলিলে উদ্ভট অসত্য কথা কোৱা বুলি কোনো পদাৰ্থ বিজ্ঞানী জাঙুৰ খাই নুঠে – কিয়নো বিজ্ঞানৰ বিমূৰ্ত তত্ত্বকথা থকা সত্বেও নিতান্তই সঁচা ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা বস্তু জগতৰ ক্ষয়ৰ ধাৰণাটো শুদ্ধ, স্বীকাৰ্য, নিৰ্মম আৰু বিপজ্জনক সত্য। সাগৰ প্ৰদূষিত হৈছে, সাৰ থকা মাটি (top soil) পানীত উটি টুটিছে, বায়ুমণ্ডলৰ মংগলময় দিশ ক্ষয় গৈ অমংগলীয়া হৈছে, বন বিৰিখ তহিলং কৰা হৈছে – এইবোৰ – শ্ৰীকুমুদ বৰুৱাই সভ্যতাৰ আঁচোৰত সমৃদ্ধ হোৱা বুলি ভবা বস্তু জগততে সঁচাসঁচিকৈ হোৱা ক্ষয়। এইবোৰ অবৈজ্ঞানিক বাতুলৰ কল্পনা নহয়। এইবোৰ ঘটিছে সভ্যতাৰ আতিশয্যত, আৰু এনেবোৰ কথাত বিজ্ঞানৰো হয়বোলনৰ খবৰ আজিৰ মানুহে পাইছে। গতিকে নৈখন শুকাই মৰু হোৱা জাতীয় নৱকান্ত বৰুৱাৰ কবি-কল্পনাৰ সৈতে ব্যৱহাৰিক অভিজ্ঞতা আৰু আধুনিক বিজ্ঞানৰ ধ্যান-ধাৰণাৰ মুঠেই বিসংযোগ ঘটা নাই।

কবিৰ কল্পনাত জড় জগতৰ এনে অৱক্ষয় 'প্ৰায় অপ্ৰতিৰোধ্য যেন' (এয়া আছিল মোৰ প্ৰকৃত বাক্যাংশ) লাগিবলৈকো ব্যৱহাৰিক অভিজ্ঞতাৰ ভিত্তিত সঁচাসঁচি থল আছে। উন্মাদ লোভত এফালৰ পৰা তহিলং হৈ অহা বন বিৰিখৰ ক্ষয়, বায়ুমণ্ডলৰ ক্ষয়, মাটিৰ উৎপাদিকা শক্তিৰ ক্ষয়, জড়জগতৰ অন্যান্য আটক সম্পদৰ ক্ষয়, আমাৰ চিকিৎসালয়, বিদ্যালয় আদি অনুষ্ঠানবোৰত দুৰ্নীতি ভ্ৰষ্টাচাৰক আনুষ্ঠানিক মৰ্যাদা আৰু নিৰাপত্তা দিয়াৰ পৰা হোৱা মানুহৰ (মানুহ নিজেও কেৱল চেতনা নহয়, বস্তুসম্ভূতো) দেহ মনৰ ক্ষয় – এইবোৰৰ প্ৰতিৰোধৰ কাৰ্যকাৰিতা সঁচাকৈয়ে বৰ সন্তোষজনক নহয়। গতিকে 'ইয়াত নদী আছিল'ৰ নিচিনা কবিতাত ঠাই পোৱা ক্ষয়িষ্ণু বস্তু জগতৰ ধাৰণা অমূলক নহয়, প্ৰয়োজনীয় সকীয়নিহে। এনে ধাৰণাই আমাক নিৰাশাৰ পোতাশাললৈ নি কৰ্মবিমুখ কৰা নাই, কৰ্মসাধনত অভূতপূৰ্ব খৰধৰ কৰিবলৈহে সোঁৱৰাই দিছে। তৰাং আশাৰ ভেটিত নিৰাপদ অনুভৱ কৰি ভাল পোৱা লোকেহে এনে সকীয়নিক নিৰাশাৰ ৰোহঘৰলৈ আগ দুৱাৰ বুলি ভুল কৰে। জনাই কিন্তু জানে যে সামাজিক জীৱনৰ ভেটি কালৰ লগে লগে থানবান হৈ অহাত জড় আৰু চেতনা উভয়ৰে অৱক্ষয়ৰ প্ৰতিৰোধ দুঃসাধ্য হৈ আহিছে।

শ্ৰীকুমুদ বৰুৱাৰ মূল ওজৰটোৰ নৈৰ্ব্যক্তিক প্ৰত্যুত্তৰ দিয়েই মই সামৰিব খুজিছো। কিন্তু আৰু এটা কথা কোৱা ভাল। শ্ৰীবৰুৱাৰ আলোচনাত ঠাই পোৱা 'পক্ষপাতদুষ্ট', 'কবি-সুলভ', 'প্ৰতিক্ৰিয়া-শীল' আদি তিৰস্কাৰসূচক শব্দ আৰু অবৈজ্ঞানিক প্ৰত্যয়ৰ ওকালতি পঢ়ি মূল্যবান সময় বৰবাদ হোৱাৰ আক্ষেপ – এইবোৰ অসমীয়া সমাজ আৰু সাহিত্যৰ সমালোচকে প্ৰায়েই নিজৰ সমালোচনাত চিন্তা, অনুসন্ধান আৰু বিশ্লেষণৰ শূন্যতা পূৰাব খুজি ব্যৱহাৰ কৰা হাতিয়াৰ বাবে সেইবোৰৰ ওপৰত অধিক মন্তব্য নিদিওঁ।

কবীন ফুকন,
ইংৰাজী বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

## 'আল্ফাৰ ভৱিষ্যৎ'

সময় অস্থিৰ। সমুখত বহু দূৰণিলৈ অশান্তিৰ কদৰ্য আন্ধাৰ। স্পষ্টকৈ একো নেদেখি। আল্ফাৰ সন্ত্ৰাসবাদ আৰু ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদত ৰক্তাক্ত অসম ভূমি। বন্দুক-বাৰুদৰ ধোঁৱাৰে ধূসৰিত বহল আকাশ। আমি নিৰস্ত্ৰ সৰ্বসাধাৰণ জনগণে এতিয়া ভয়ত পেপুৱা লাগি মাটিত পেট পেলাই পৰি আছো। মূৰ তুলি চাব নোৱাৰো। ইফালে পেটত ভোকৰ কল কল শব্দ। সন্ত্ৰাসবাদীৰ বন্দুক বাৰুদৰ শব্দৰ প্ৰদূষণত, ধোঁৱাৰে প্ৰদূষিত বিষাক্ত বতাহত আমাৰ সাধাৰণ চিন্তা-চেতনাৰো নিৰ্মম ভাবে অৱসান ঘটিছে। আমি এতিয়া কথা ক'ব নোৱাৰো। দুই পক্ষ সন্ত্ৰাসবাদীৰ হিংসাত্মক জুইত আমাৰ মন-প্ৰাণ জ্বলি-পুৰি শেষ হোৱাৰ উপক্ৰম ঘটিছে। বাক্ স্বাধীনতা খৰ্ব হৈছে। হতাশা, নিৰাশা, অস্থিৰতাত দিন প্ৰতিদিন পাৰ হৈছে।

সন্ত্ৰাসবাদী 'আল্ফা'ই কয়, 'আমি জনগণৰ দ্বাৰা গঠিত জনগণৰ সংগঠন।' কিন্তু 'আল্ফা'ই জনসাধাৰণৰ বৃহত্তম স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ নিৰস্ত্ৰ নিৰপৰাধী জনক গুলিবিদ্ধ কৰি নিৰ্মম ভাবে হত্যা কৰি বহুজনৰ বুকু উকা কৰি কিহৰ ইংগিত দিব খোজে? ইমান অধীৰ হৈ, ইমান আৱেগিক হৈ তেওঁলোকে জনগণৰ মুক্তিৰ হিৰন্ময় স্বপ্ন ৰচিব পাৰিবনে? 'আল্ফা'ই গুলিৰ প্ৰত্যুত্তৰ গুলিৰে দিবলৈ গৈ সেই গুলিত নিমাখিত লোকৰ প্ৰাণ বায়ু নিৰুদ্ধ কৰে কিয়? ক'ত পালে 'আল্ফা'ই তেনে দানবিক অধিকাৰ?

'সূত্ৰধাৰ'ৰ সম্পাদক হোমেন বৰগোহাঞিয়ে 'সূত্ৰধাৰ'ৰ ১৬-৩০ ছেপ্টেম্বৰ '৯০-ৰ সংখ্যাৰ সম্পাদকীয়ত আল্ফাৰ ভৱিষ্যৎ সম্পৰ্কে নিৰ্ভীক সত্য মন্তব্য কৰি উত্তম সাহসিকতাৰ পৰিচয় দিছে। তেখেতে কোৱাৰ দৰে আল্ফাই যদি সামাজিক ইতিহাস আৰু মানুহৰ মনস্তত্ত্ব অধ্যয়ন নকৰাকৈ অন্ধভাবে সন্ত্ৰাসবাদ প্ৰয়োগ কৰিবলৈ চেষ্টা কৰে, তেন্তে তেওঁলোকৰ শেষ পৰিণতিও হ'বগৈ ষাঠিৰ দশকৰ ইন্দোনেছিয়াৰ কমিউনিষ্ট সকলৰ নিচিনা। এতিয়াই সৰ্বসাধাৰণ ৰাইজৰ মাজত আল্ফাক খতম কৰাৰ মনোভাব গঢ়ি উঠিছে। হোমেন বৰগোহাঞিৰ ভৱিষ্যদ্বাণী আংশিক ফলিয়াবলৈ আৰম্ভ কৰিছে।

হোমেন বৰগোহাঞিৰ সম্পাদকীয়টোত আৰু এটা কথা স্পষ্ট হৈ উঠিছে যে কমিউনিষ্ট ৰাষ্ট্ৰ ব্যৱস্থাই 'জনগণ' নামৰ এটা বিমূৰ্ত সংজ্ঞাৰ নামত 'ব্যক্তি'ৰ মৰ্যাদাৰ নিৰ্মম ভাবে লাঞ্ছিত আৰু অপমানিত কৰিছে। সঁচা কথা। কিন্তু বহু সময়ত ব্যক্তিৰ মৰ্যাদা ৰক্ষা কৰিবলৈ গৈ কোটি কোটি মানুহক অৰ্ধাহাৰ – অনাহাৰত তিল তিলকৈ মৃত্যু মুখলৈ ঠেলি দিয়াটোহে দুখৰ কথা। চহৰৰ পদপথত, ৰেলৱেৰ প্লেটফৰ্মত, গাঁৱৰ নৰা খেৰৰ জুপুৰিত খাবলৈ নোপোৱা উলংগ – অৰ্দ্ধউলংগ শিশুবোৰে ব্যক্তি মৰ্যাদা কি বুজিব পাৰেনে? হেজাৰ হেজাৰ দুখীয়া কৃষক-শ্ৰমিকে ভোকৰ হলাহল পিব লগা সময়ত ব্যক্তি মৰ্যাদাৰ কথা উপলব্ধি কৰিব পাৰেনে? তেওঁলোকৰ কাৰণে আহাৰ, পানী আৰু এডোখৰ কাপোৰেই জীৱনৰ আটাইতকৈ ডাঙৰ বস্তুটো নহয়নে? এচাম মানুহে নৰকৰ অসহ্য যন্ত্ৰণাক বুকুৰ মাজত আঁকোৱালি জীৱন কটাব আৰু এচামে গজ-দন্ত-মিনাৰৰ নিৰাপদ কক্ষত লাহ-বিলাহৰ জীৱন যাপন কৰিব – সেয়া কি মানবিক ধৰ্ম? তাত কি ধৰণৰ ব্যক্তি মৰ্যাদা ৰক্ষা পৰে? হোমেন বৰগোহাঞিৰ কলমত এবাৰো যদি ধৰা দিলেহেঁতেন যে ব্যক্তি মৰ্যাদা ৰক্ষা পৰা ভাৰত, আমেৰিকা আদি ৰাষ্ট্ৰত অনাহাৰত নিতে শ শ মানুহ মৃত্যু মুখত পৰিছে; কিন্তু চীন, ছোভিয়েত আদি ব্যক্তি মৰ্যাদা খৰ্ব হোৱা ৰাষ্ট্ৰত অন্ততঃ সেই মৃত্যু কিছু ওৰ পৰিছে – তেতিয়া তেখেতৰ চিন্তা-চেতনা আৰু অধিক আদৰণীয় হ'লহেঁতেন।

ডিম্বেশ্বৰ গগৈ, খোৱাং






# আল্ফাই উত্তৰ দিবনে?

অসম চৰকাৰে আল্ফাৰ বিৰুদ্ধে এই বুলি অভিযোগ আনিছে যে আল্ফাই তেওঁলোকৰ বিচ্ছিন্নতাবাদী সশস্ত্ৰ সংগ্ৰাম চলাবলৈ কেইখনমান বিদেশী ৰাষ্ট্ৰৰ সাহায্য গ্ৰহণ কৰিছে। এই অভিযোগৰ সমৰ্থনত চৰকাৰে কিছুমান নথি-পত্ৰও প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত বিশেষভাবে উল্লেখযোগ্য হ'ল আল্ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱাই নিজ হাতে লেখা ডায়েৰি এখনৰ কেইটামান পাত।

আল্ফাৰ মুখপাত্ৰ এজনে চৰকাৰৰ এই অভিযোগ সম্পূৰ্ণ ৰূপে অস্বীকাৰ কৰিছে। কিন্তু প্ৰকাশিত নথি-পত্ৰবোৰৰ সম্পৰ্কত তেওঁ নীৰৱতা অৱলম্বন কৰিছে। যদি চৰকাৰৰ অভিযোগ মিছাই হয়, তেন্তে আল্ফাৰ মুখপাত্ৰজনে স্পষ্টভাষাৰে এই কথা কোৱা উচিত আছিল যে অৰবিন্দ ৰাজখোৱাৰ ডায়েৰি বুলি যিবোৰ নথি-পত্ৰ প্ৰকাশ কৰা হৈছে সেইবোৰ আচলতে জাল, কাৰণ তাৰ আখৰবোৰ অৰবিন্দ ৰাজখোৱাৰ হাতৰ আখৰ নহয়। চৰকাৰক জালিয়াত বুলি প্ৰমাণ কৰিব পাৰিলে আল্ফাৰ এটা ডাঙৰ কৌশল-গত সুবিধা হ'লহেঁতেন। কিন্তু সেই সুবিধা গ্ৰহণ নকৰি আল্ফাই এই কথাকে প্ৰমাণ কৰিলে যে চৰকাৰৰ অভিযোগৰ নিশ্চয় এটা ভিত্তি আছে।

চৰকাৰৰ অভিযোগ যে ভিত্তিহীন নহবও পাৰে সেই ধাৰণা সুদৃঢ় কৰিছে আল্ফাৰ আন এটা উক্তিয়ে। তেওঁলোকে এহাতে বিদেশী সাহায্য গ্ৰহণ কৰাৰ অভিযোগ অস্বীকাৰ কৰিছে; কিন্তু আনহাতে একে উশাহতে তেওঁলোকে অভিযোগ কৰিছে যে ভাৰত চৰকাৰেও অন্যান্য দেশৰ বিদ্ৰোহী সকলক সহায় কৰাৰ প্ৰমাণ তেওঁলোকৰ হাতত আছে। এই কথা কৈ তেওঁলোকে প্ৰকাৰান্তৰে নিশ্চয় এইটোকে বুজাব খুজিছে যে আল্ফাই বিদেশী সাহায্য গ্ৰহণ নকৰিব পাৰে, কিন্তু তেনে সাহায্য গ্ৰহণ কৰাটো তেওঁলোকে নৈতিকভাবে দোষণীয় বা আপত্তিজনক বুলি নাভাবে। ভাৰতে যদি বাংলাদেশৰ শান্তিসেনা বা পাকিস্তানৰ মুজাহিৰ সকলক সহায় কৰিব পাৰে, তেন্তে আল্ফাই বাংলাদেশ বা পাকিস্তানৰ সাহায্য গ্ৰহণ কৰাত আপত্তিৰ কথা কি থাকিব পাৰে?


ওপৰৰ বিশ্লেষণ যদি নিৰ্ভুল হয় আৰু ৰাজ্য চৰকাৰে জালিয়াতি কৰা নাই, তেন্তে এই কথা মানি লবই লাগিব যে আল্ফাই তেওঁলোকৰ বিচ্ছিন্নতাবাদী সশস্ত্ৰ সংগ্ৰাম চলাবলৈ ভাৰতৰ প্ৰতি শত্ৰু ভাবাপন্ন বিদেশী ৰাষ্ট্ৰৰ সাহায্য গ্ৰহণ কৰিছে। এতিয়া প্ৰশ্ন হ'লঃ অসমৰ ৰাইজে আল্ফাৰ এই কাৰ্য সমৰ্থন কৰেনে? অসমক স্বাধীন কৰিবলৈ আল্ফাই ভাৰতৰ শত্ৰু-ৰাষ্ট্ৰৰ পৰা সাহায্য গ্ৰহণ কৰাত সঁচাকৈয়ে একো আপত্তিৰ কথা নাইনে?

বদনে মান আনি অসমক পৰাধীন কৰাৰ ইতিহাস আজি দুশ বছৰো পুৰণি হোৱা নাই। অথচ এই আত্ম-বিস্মৃত জাতিয়ে ইতিমধ্যেই সেই কথা পাহৰি গ'ল। আল্ফাই বিদেশী সাহায্য গ্ৰহণ কৰাৰ বিৰুদ্ধে আটাইতকৈ ডাঙৰ আপত্তিৰ কথা হ'ল এইটোৱেই যে (আল্ফাই কোৱা মতে) ভাৰতেও বিদেশৰ বিচ্ছিন্নতাবাদী বিদ্ৰোহী সকলক সহায় কৰিছে। ভাৰতে কি কেৱল স্বাধীনতাৰ বিশ্বজনীন আদৰ্শত উদ্বুদ্ধ হৈয়ে বাংলাদেশৰ মুক্তি-সংগ্ৰামক সমৰ্থন কৰিছিল আৰু সামৰিক সাহায্য দি সেই দেশৰ স্বাধীনতা সম্ভৱ কৰি তুলিছিল? তাতোকৈ ডাঙৰ কাৰণ এইটো নাছিল নে যে পাকিস্তানক দ্বি-খণ্ডিত কৰিব পাৰিলে ভাৰতৰ এটা চিৰকলীয়া আপদ দূৰ হব? এতিয়াও ভাৰতে বাংলাদেশৰ শান্তিসেনা বা পাকিস্তানৰ মুজাহিৰ সকলক সহায় কৰাৰ প্ৰধান উদ্দেশ্য সেই দেশ দুখনক এসেকা দিয়াটোৱেই নহয়নে? কোনোবা উন্মাদেও এনে কথা কল্পনা কৰিব পাৰেনে যে আমেৰিকাই কেৱল বিশ্বজনীন স্বাধীনতাৰ মহান আদৰ্শত উদ্বুদ্ধ হৈয়ে দক্ষিণ আমেৰিকা আৰু আফগানিস্তানৰ বিদ্ৰোহী সকলক অস্ত্ৰ-শস্ত্ৰ দি সহায় কৰিছে?

আচল সত্য হ'ল এইটোৱেই যে আজিৰ পৃথিৱীত কোনো দেশেই আন দেশৰ বিদ্ৰোহীক আদৰ্শৰ নামত সহায় নকৰে; কৰে কেৱল নিজৰ স্বাৰ্থত। অৰ্থাৎ তেওঁলোকে বিদেশৰ বিদ্ৰোহীসকলক নিজৰ স্বাৰ্থ-সিদ্ধিৰ কাৰণে হাতৰ পুতলাৰ দৰে ব্যৱহাৰ কৰে। বাংলাদেশৰ স্বাধীনতা অৰ্জনত আটাইতকৈ ডাঙৰ ভূমিকা লৈছিল ভাৰতে; কিন্তু মাত্ৰ কুৰি বছৰৰ ভিতৰতে বাংলাদেশে সেই উপকাৰৰ কথা সমূলি পাহৰি গৈ এতিয়া পদে পদে ভাৰতৰ শত্ৰুতাচৰণ কৰিবলৈ আৰম্ভ কৰিছে। এইটোৱেই হ'ল পৃথিৱীৰ নিয়ম। এনে স্থলত যদি কোনোবাই অসমক স্বাধীন কৰিবৰ কাৰণে বিদেশী সাহায্য গ্ৰহণ কৰিছে, অৰ্থাৎ মাত্ৰ দুটা শতাব্দীৰ ভিতৰতে দ্বিতীয়বাৰৰ কাৰণে মান অনা বদনৰ ভূমিকা লৈছে, তেন্তে তেওঁলোকতকৈ ডাঙৰ দেশদ্ৰোহী আন কোনো নাই।




OKDISCD



বাৰে বৰণীয়া ফুলেৰে পাতোঁ
আদৰৰ ফুলনিবাৰী ,
মিলি জুলি সবে গঢ়োঁ ভাৰতক
জাকত জিলিকা কৰি ।।
বিবিধ পখীৰ মধু কাকলিয়ে
আমাক দিয়ে জগাই ,
ধমনীতো শুনো অনেক পখীয়ে
একে সুৰে গীত গায় ।।
সেই সুৰতেই জাগে মোৰ দেশ
জননীৰ ৰূপ ধৰি ।।
কাবেৰী গংগা লুইতৰ পানী
একে সাগৰলৈ বয়,
ভিন্ন ভাষাৰ গীতে গীতে বাজে
একে সুৰ সমলয় ,
সেই সুৰে সুৰে মনে প্ৰাণে আজি
চেনেহৰ এনাজৰী ।।
বিধে বিধে আমি ৰুই যাওঁ ফুল ,
এখনি ফুলনি পাতি ,
বিধে বিধে আমি গাই যাওঁ গীত
একতাৰ মন্ত্ৰ মাতি ,
সকলোৱে আহাঁ আগবাঢ়ি যাওঁ
আমি হাতে হাতে ধৰি ।।

কণ্ঠসংযোগ ।। সংহতি সমিতি





# গ্ৰীটছাংকো হত্যা আৰু আল্‌ফা সৈন্যাধ্যক্ষৰ মনৰ কথা

দুলাল বৰা

"জানা সিদ্ধাৰ্থ, কলংক লৈ, মই হয়তু, জীয়াই থাকিবলৈ ইচ্ছা নাই। এদিন মই Suicide Team-ত সোমাই পৰাটো খাটাং হৈ পৰিছে। এনেবিলাক কলংক লৈ মই একেবাৰে জীয়াই ইচ্ছা নাথাকিলেও তোমালোকৰ অনুপ্ৰেৰণা ও সহায়-সহযোগ পাইহে জীয়াই আছো। প্ৰকৃত বিপ্লৱী আন্তৰিকতা অভাৱত জীয়াই থকাটো অসম্ভৱ। তুমি নিশ্চয়কৈ মোৰ মনৰ কথা বুজিছা। পাৰিলে সোণকালে পাক এটা মাৰিবা। বিশেষ নাই"– হুবহু এইদৰেই এখন চিঠিৰ শেষত আল্‌ফাৰ কমাণ্ডাৰ-ইন-চিফ পৰেশ বৰুৱাই প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনলৈ লিখিছিল। চিঠিখন আছিল যোৱা ১৫ জুলাইৰ। পণবন্দী সমস্যাৰ ভৰপকৰ মাজত। কথাখিনিৰ মাজত নেতা গৰাকীৰ মনৰ হতাশা আৰু বিষাদগ্ৰস্ততা স্পষ্ট।

একালৰ প্ৰখ্যাত ফুটবল খেলুৱৈ আৰু সম্প্ৰতি বে-আইনী বুলি ঘোষিত হোৱা আল্‌ফা সৈনিক সকলৰ সেনাধ্যক্ষ গৰাকীৰ মনৰ এনে অৱস্থা কিন্তু দিছপুৰলৈ হিতেশ্বৰ শইকীয়াৰ আগমন, বা অপাৰেচন বজৰঙৰ খুন্দাৰ বাবে হোৱা নাই। প্ৰচাৰ সচিব গৰাকীলৈ লিখা আন দুই এখন চিঠিত বৰং তেওঁ এনেদৰেহে কোৱা দেখা গৈছে– "হিতাই বেয়া policy গ্ৰহণ কৰিছে। হিতাই policy-ৰ লগত মুখামুখি হবলৈ হ'লে আমাৰ মুৰব্বী সকলে আলোচনা কৰি নতুন কৌশল প্ৰস্তুত কৰিব লাগিব" ............ "এইবাৰ হিতাইক ঘাম বাহিৰ কৰিহে এৰিম" ............ ইত্যাদি ইত্যাদি। কেউখন চিঠিয়েই জুলাই মাহৰ আৰু "হিতাই" বুলি কৰা উল্লেখেৰে যে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াকেই বুজাইছে সেই কথা অনুমান কৰিবলৈ সৰহপৰ নেলাগে। লগতে নেতা গৰাকীৰ যুঁজ কৰাৰ মনোবল যে ভাগি পৰা নাই সেই কথাও বুজা যায়। কিন্তু তথাপিও কিয় তেওঁ নিজে "কলংক" লৈ জীয়াই থকাতকৈ আত্মঘাতী বাহিনীত সোমাই পৰি মৃত্যুক সাবটি লোৱাই শ্ৰেয় বুলি ক্ষন্তেকৰ বাবে হ'লেও ভাবিব লগা হ'ল। আৰু কলংকৰ কথা যে উল্লেখ কৰিছে– সেয়া কিহৰ কলংক?

সৈন্য বাহিনীয়ে আল্‌ফাৰ বিৰুদ্ধে চলাই থকা অভিযানৰ ভিতৰতে আল্‌ফাৰ প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনৰ ব্যক্তিগত কাগজপত্ৰ আৰু লাম-লাকটুৰ বাকচ এটা উদ্ধাৰ কৰে। ৰাজ্য চৰকাৰৰ সূত্ৰৰ মতে, বাকচটো উদ্ধাৰ হৈছিল চৰকাৰী কৰ্মচাৰী আৰু জনাজাত কণ্ঠশিল্পী ভবেশ ঠাকুৰৰ বাস ভৱনৰ পৰা। শ্ৰীঠাকুৰক ইতিমধ্যে টাডা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰাৰ বাতৰি প্ৰকাশ হৈছে। সেই বাকচটোৰ ভিতৰতেই সৈন্য বাহিনীয়ে উদ্ধাৰ কৰে আল্‌ফাৰ সৰ্বাধিনায়ক পৰেশ বৰুৱাই সিদ্ধাৰ্থ ফুকনলৈ দিয়া ভালেসংখ্যক ব্যক্তিগত চিঠি। তাৰে দুখনমান চিঠিৰ বক্তব্যৰ ওপৰত ভিত্তি কৰিয়েই ৰাজ্য চৰকাৰে উদ্ধাৰ কৰিলে, পণবন্দী হিচাপে ধৰি নিয়া ছোভিয়েত ইঞ্জিনিয়াৰ ছেৰ্গেই গ্ৰীটছাংকোৰ মৃত্যু ৰহস্য। অতিথি ইঞ্জিনিয়াৰজন, আল্‌ফাই ব্যাখ্যা দিয়াৰ দৰে গুলীয়াগুলিত নিহত হোৱা নাছিল বৰং "অত্যন্ত ঠাণ্ডা মগজুৰে অত্যাচাৰ কৰিহে হত্যা কৰা হ'ল" বুলি চৰকাৰে দাবী কৰিব পৰা হ'ল।

সিদ্ধাৰ্থ ফুকনৰ ব্যক্তিগত পেৰাৰ পৰা উদ্ধাৰ কৰা বুলি কৰ্তৃপক্ষই দাবী কৰা দুই এখন চিঠিৰ বক্তব্য ইতিমধ্যে একাংশ কাকতত প্ৰকাশিত হৈছে। কেইখনমান চিঠিৰ প্ৰতিলিপি এই প্ৰতিবেদকৰ হাততো পৰিছেহি। কিছুসংখ্যক চিঠি জনা মতে, সৈন্য আৰু পুলিচ বাহিনীয়ে "অত্যন্ত গোপন" বুলি বিবেচনা কৰিছে। কিয়নো সেইবোৰত হেনো, বহু গুপ্তসূত্ৰ ওলাইছে, ভালেমান বিশিষ্ট লোকৰ নাম-ধাম সন্নিবিষ্ট হৈ আছে। তেনেকুৱা চিঠিবোৰ বাহিৰলৈ ওলাই অহা নাই বুলিয়েই ধাৰণা হয়। পুলিচৰ এক উচ্চপদস্থ সূত্ৰৰ মতে চিঠিবোৰত থকা উঁহৰ পম খেদি অনেক তথ্য উদ্ধাৰ হোৱাৰ আশা আছে।

যি কি নহওক, আল্‌ফা সেনানীৰ সৈন্যাধ্যক্ষ পৰেশ বৰুৱাৰ মনৰ ভিতৰত হোৱা সংঘাতৰ কাৰণ অনুধাৱন কৰিব পৰাৰ জোখাৰে সমল, এই প্ৰতিবেদকৰ হাতত পৰা চিঠি-পত্ৰৰ প্ৰতিলিপি সমূহত আছে। দেখা যায়, আল্‌ফাৰ ভিতৰত সৃষ্টি হোৱা আভ্যন্তৰীণ কন্দলেই ইয়াৰ একমাত্ৰ কাৰণ। ১২ জুলাই তাৰিখে দিয়া এখন চিঠিত শ্ৰীবৰুৱাই লিখিছে– "........... তপনৰ মনৰ পৰিবৰ্তন হোৱা নাই যেন অনুমান হৈছে। বোধহয় সিহঁতে বাংলাদেশেৰে বাহিৰলৈ যোৱা Programme কৰিব পাৰে। বিষয়টো মুনিনহঁতক কাণ চোৱাই থবা। আৰু ১০/১৫ দিনমান অপেক্ষা কৰিছো। তাৰ পিছত সাংবিধানিক ব্যৱস্থা লব লাগিব। মাননীয় সভাপতি মহোদয় আহি পালে পুনৰ আলোচনা কৰি জৰুৰী সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। একেখন চিঠিৰে পিছৰফালে পুনৰ লিখিছে– ............... $B_2$-ৰ কিবা বাতৰি পাইছা নেকি? $B_2$-ৰ পৰা মাধুৰ্য্য আহিলে তুমি যি কোনো প্ৰকাৰে মোৰ ওচৰলৈ পঠাই দিবা। তপনে মাধুৰ্য্যলৈ অপেক্ষা কৰি আছে B.L Link-টোৰ বাবে। পাৰিলে জ্যোতিকো সাৱধান কৰি দিবা। সিহঁতৰ লগত জনা মতে প্ৰায় ১০/১২ কোটিমান টকা আছে। সেইখিনি টকাৰে কিবাকিবি কৰিব পাৰে। সকলো এতিয়া সাৱধান হব প্ৰয়োজন হ'ল। শেহতীয়াকৈ হীৰক আৰু কিশোৰক লৈ ফুৰিছে। বোধহয় সিহঁত দুয়োটা তাৰ পালাত পৰিব যেন পাইছো ..........." ঠিক





OKDISCD

সভা নিয়ন্ত্ৰণ কক্ষ।
সাধাৰণ মুখ্য কাৰ্য্যালয়
উ. পূ. দা. ক্ষেত্ৰ।

-------------------------------

প. নং: ১১৪/ ০২৩৩/স১ ।
তাং: ৭ জুলাই ।

ডাঙৰীয়া

অভিনন্দন গ্ৰহণ কৰিব । তুমিবোৰৰ প্ৰেৰণ কৰা পণ বন্দী বিষয়ক পত্ৰখনি ইতিমধ্যে আমাৰ কাৰ্য্যালয়ত বিভাগীয়ভাৱে চৰ্চা কৰা হৈছে । সদ্য-হতে এই সম্পৰ্কত পূৰ্বঘোষিত ব্যৱস্থা সমূহেই আমাৰ [illegible] পৰা সম্পূৰ্ণৰূপে বাহাল থাকিব তথাপি বাছিয়ান অভিযানকাৰীৰ হত্যা কৰা বুলি বাতৰি প্ৰকাশ কৰিব নালাগে । তেনে কৰিলে আন্তৰ্জাতিক ক্ষেত্ৰত বাহিনীৰ ভাবমূৰ্তি অতি ম্লান হোৱাৰ সম্ভাৱনা আছে । সেয়েহে এই ক্ষেত্ৰত জৰুৰীভাৱে আমি ইতিমধ্যে আপোনাক অৱগত কৰা এনকাউণ্টাৰৰ কথাহে বাতৰি কাকত যোগে প্ৰকাশ কৰাৰ ব্যৱস্থা —— গ্ৰহণ কৰিব । আৰু যথা সম্ভৱ দেৰি ১০ তাৰিখৰ আগে আগে বাতৰি কাকত যোগে এই এন কাউণ্টাৰৰ কথা প্ৰকাশ কৰিব । সেইবে বেছি নিলিখো ।

ইতি
আপোনাৰ [illegible]
৭/৭/৯২

*পৰেশ বৰুৱাই দিয়া এখন চিঠিৰ প্ৰতিলিপি।*

তিনিদিনৰ পিছতে অৰ্থাৎ ১৫ জুলাই তাৰিখে দিয়া চিঠি এখনত পুনৰ পৰেশ বৰুৱাই লিখিলে– "......... সম্প্ৰতি operation পণবন্দী বিনিময়ৰ ওপৰত যাবতীয় দিহা পৰামৰ্শ আগবঢ়াবলৈ মই সকলো জিলা ও বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিছো। বৰ্তমানলৈকে কোনো দিহা পৰামৰ্শ আহি পোৱা নাই। চৰকাৰৰ আলোচনা প্ৰস্তাৱটোৰ ওপৰত আমি গম্ভীৰভাৱে চিন্তা কৰিব লগীয়া হৈছে। এইবাৰ তোমাৰ আৰু মোৰ মতামত লৈ আগবাঢ়িলে কিছু হলঠেকত পৰিব লাগিব। সেয়েহে আমি জৰুৰীভাৱে Meeting এখন আয়োজন কৰিব পৰা হ'লে ভাল আছিল। আগৰ সময়ছোৱাত ঘটি যোৱা ঘটনা বিলাকক লৈ মোকেই বেয়া ধৰণে জগৰীয়া কৰিছে একশ্ৰেণী আমাৰ সদস্যই। ইমান সততাই সংগঠন ও জাতিৰ কামত জড়িত হৈ পৰিছিলো, কিন্তু তাৰ বিনিময় এই এতিয়া পাইছো এসোপা কলংক। সম্প্ৰতি তপন দত্তই বেয়া ধৰণে অপপ্ৰচাৰ চলাই আছে গোটেই সংগঠনৰ বিষয়ববীয়া ওপৰত। ইয়াৰ পৰা তুমি মেধি মনোজ আদিকে সকলোৱে বাদ পৰি যোৱা নাই। তাৰ মনোবৃত্তি অতিশয় বেয়া হৈ পৰিছে। আৰু কেইদিনমান সময় অপেক্ষা কৰি আছো। তাৰ পিছত council পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। ............. $B_2$-ত তপনৰ কোনোবা মানুহ আছে। BL-ৰ পৰা সিহঁতে কিছুমান কথা জানিব পাৰিছে। ..........সিহঁতে $B_2$ Link-টো চেষ্টা চলাই আছে। সিদিনাখন মই সিহঁতৰ দুই এজনক লগ পাইছিলো। ওপৰত ঠিকেই আছে কিন্তু ভিতৰত সিমান ভাল নহয় যেন লাগিছে। যায় হওক সাৱধান হবা। মেধিক সাৱধান হবলৈ কবা। তেওঁৰ ওপৰতো বেয়া ধৰণে অপপ্ৰচাৰ চলাই আছে। অ' আৰু এটা কথা। $B_2$-ৰ পৰা নতুন ল'ৰা আহিলে যাতে তপন দত্তই লগ কৰিব নোৱাৰে তাৰ প্ৰতি সাৱধান হবা। এইফালে তোমাৰ চৰিত্ৰৰ ওপৰত বেয়া ধৰণে গুৱাহাটীকে আদি কৰি বহু ঠাইত অপপ্ৰচাৰ চলাইছে। তপনে এতিয়া চলিহা আৰু মণি গগৈ কথা লৈ বেছিকৈ প্ৰতিবাদ কৰি আছে ..............."

এইখন চিঠিৰেই সামৰণি মাৰিছিল আত্মঘাতী বাহিনীত যোগ দিয়াৰ সম্ভাৱনাৰ কথাৰে।

ৰাজ্য চৰকাৰৰ সূত্ৰই দাবী কৰা মতে চিঠিৰ বক্তব্যবোৰৰ পৰা, আল্‌ফাৰ ভিতৰত যে এক কন্দল চলিছে আৰু পৰেশ বৰুৱাৰ বিৰুদ্ধে তপন দত্তই একাংশৰ নেতৃত্ব গোপনে লৈছে সেইটো সহজে ঠাৱৰ কৰিব পাৰি। আল্‌ফাৰ মাজত বিৰোধ নাই বুলি ইতিপূৰ্বে দি থকা আল্‌ফাৰ বিবৃতিবোৰ এই চিঠিকেইখনে অসাৰ আৰু অসত্য বুলিয়েই প্ৰতিপন্ন কৰিলে বুলি সূত্ৰটোৱে কয়। কিন্তু তপন দত্ত কোন, ক'ৰ? সেই সম্পৰ্কে চোৰাংচোৱাৰ সকলো বিভাগ নিমাত। তেওঁলোকৰ হাতত এই সম্পৰ্কে অধিক তথ্য আছেনে নাই জনা নেযায়। অৱশ্যে এইটো ঠিক যে মেঘালয় পুলিচে জব্দ কৰা আল্‌ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱাৰ ডায়েৰিখনতো "তপন দত্তৰ নেতৃত্বত একাংশ ফাটি যাব খুজিছে বুলি এক উল্লেখ আছিল। যি কি নহওক তপন দত্ত আৰু তেওঁৰ সমৰ্থকৰ কাৰ্যকলাপে যে কমাণ্ডাৰ ইন-চিফ পৰেশ বৰুৱাক যথেষ্ট বিব্ৰত কৰি তুলিছে সেই বিষয়ে সন্দেহ নাই। বৰুৱা, মনোজ, মেধি আদিৰ বিৰুদ্ধে কি প্ৰচাৰনো চলিছে বা সিদ্ধাৰ্থ ফুকনৰ চৰিত্ৰৰ ওপৰত কি অপপ্ৰচাৰ চলাইছে সেইবোৰ জনাৰ উপায় নাই।

চোৰাংচোৱা মহলৰ মতে, উদ্ধাৰ হোৱা চিঠি-পত্ৰবোৰৰ মাজৰ পৰা, পণবন্দী ছেৰ্গেই গ্ৰীটছাংকোৰ হত্যা ৰহস্য উদ্ঘাটিত হোৱা ঘটনাই চৰকাৰক প্ৰভূত সহায় কৰাৰ লগে লগে আল্‌ফাকো যথেষ্ট বেকায়দাত পেলালে। কেনেকুৱা বেকায়দা বুলি ভাবে বুলি সোধা প্ৰশ্ন এটাৰ উত্তৰত সূত্ৰটোৱে কয় যে নিজকে সততাৰ ওপৰত প্ৰতিষ্ঠিত, অসমৰ ৰাইজৰ ওচৰত দায়বদ্ধ বিপ্লৱী বুলি অনবৰত ঘোষণা কৰি থকা আল্‌ফাই যে অসমৰ ৰাইজকে গোকাট ফাকি দিব পাৰে সেই কথা পোনপ্ৰথমবাৰৰ বাবে তথ্যসহকাৰে প্ৰমাণিত হ'ল।

জব্দ হোৱা চিঠিৰ প্ৰতিলিপিবোৰৰ পৰা দেখা যায় যে পণবন্দী হিচাপে ১ জুলাই তাৰিখে অপহৰণ কৰি নিয়া ছোভিয়েত খনি বিশেষজ্ঞ গৰাকীক আল্‌ফাৰ কৰ্মীয়ে ৭ জুলাইৰ আগতেই হত্যা কৰিলে। পৰেশ বৰুৱাই লিখা মতে অপাৰেচন দলটোৱে শিল বান্ধি মাৰ্ঘেৰিটাৰ ওপৰত দিহিং নৈৰ সোঁতত পেলাই দিলে। উল্লেখযোগ্য যে বৰুৱাৰ ব্যক্তিগত চিঠিবোৰৰ কতোৱেই ছোভিয়েত বিশেষজ্ঞজনৰ নামটো উচ্চাৰিত হোৱা নাই। বৰং "বগা মানুহটো" বুলিহে উল্লেখিত হৈছে। বিশেষজ্ঞজনক হত্যা কৰাৰ পিছত আন্তৰ্জাতিক ক্ষেত্ৰত আল্‌ফাৰ ভাবমূৰ্তি ম্লান হব বুলি শংকা কৰিহে সৈন্যাধ্যক্ষ গৰাকীয়ে গোটেই কথাটো গোপন কৰিবলৈ নিৰ্দেশ দিছিল পণবন্দী বিনিময়ৰ প্ৰথম পৰ্যায় পৰ্যন্ত। তাৰ পিছতহে "গুলীয়াগুলিত মৰিল" বুলি এক মনেসজা ব্যাখ্যা বিবৃতিৰ আকাৰত কাগজত প্ৰকাশ কৰিব লাগে বুলি প্ৰচাৰ সচিব গৰাকীক লিখিত নিৰ্দেশ দিছিল। (এই নিৰ্দেশৰ প্ৰতিলিপি প্ৰকাশ কৰা হৈছে) ঘটনা পুঞ্জীৰ পৰা দেখা যায় যে প্ৰচাৰ সচিবজনাই আখৰে আখৰে সৈন্যাধ্যক্ষৰ নিৰ্দেশ পালন কৰি এক মিছা কথাৰ বিবৃতি বাতৰি কাকতত দিছিল আৰু সেই মতে প্ৰকাশিত হৈছিল। তদুপৰি এইটোও ধৰা পৰে যে ৭ জুলাইৰ আগতেই বিদেশী বিশেষজ্ঞজনৰ মৃত্যু হোৱা সত্বেও আল্‌ফাই তেওঁক পণবন্দী হিচাপে ১০ জুলাই পৰ্যন্ত দাবী কৰি আছিল আৰু চৰকাৰৰ পক্ষৰ পৰা আল্‌ফাৰ সদস্য কেইগৰাকীক জেলৰ পৰা মুকলি কৰি দিয়াৰ পিছতহে মানুহজন মৃত বুলি ঘোষণা কৰিছিল। বিদেশী বিশেষজ্ঞজনক হত্যা কৰা হ'ল বুলি লগে লগেই আল্‌ফাই সত্য ঘোষণা কৰা হ'লে হয়তো যিমানখিনি 'ভাবমূৰ্তি' ম্লান হ'লহেঁতেন, তাতকৈ এতিয়া গোটেই ঘটনাটোৰ আঁৰত দিয়া মিছা বিবৃতিটোৱে সেই ভাবমূৰ্তি অধিকহে ম্লান কৰিব বুলি ৰাজ্যখনৰ পৰ্যবেক্ষক সকলৰ ধাৰণা।

সৈন্যাধ্যক্ষ বৰুৱাৰ চিঠিবোৰৰ পৰা ৰাজ্য চৰকাৰে এটা উমানো পাইছে যে সদৌ বড়ো ছাত্ৰ সংস্থা (আবছু)-ৰ মাজত সৃষ্টি হোৱা যি কোনো সংকটৰ সুযোগ লবলৈ আল্‌ফা তৎপৰ হৈ আছে। ৭ জুলাই তাৰিখৰ চিঠিখনত শ্ৰীবৰুৱাই লিখিছে– "......... ABSU যদি সঁচাকৈ Political আৰু Non–political ভিত্তিত ভাগ হৈছে, তেতিয়াহলে আমি এই সুযোগ গ্ৰহণ কৰিব লাগিব। তুমি ভাল ধৰণে অনুসন্ধান কৰি থাকিবা ..........."। আবছুৰ মাজত তেনে এক বিভাজন হব পাৰে বুলি সৈন্যাধ্যক্ষ গৰাকীলৈ প্ৰচাৰ সচিবজনেই সম্বাদ পঠাইছিল বুলি অনুমান কৰা সহজ।

চিঠিবোৰ উদ্ধাৰৰ সময়তেই অসমৰ কেতবোৰ প্ৰচাৰ মাধ্যমত বাতৰি ওলাল যে প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনক আল্‌ফাৰেই উগ্ৰপন্থী একাংশই প্ৰাণদণ্ড বিহিলে। ৰহস্যজনক ভাৱে এই চাঞ্চল্যকৰ বাতৰিটোৰ প্ৰতি আল্‌ফাৰ কেন্দ্ৰীয় কমিটিৰ পক্ষৰ পৰা কোনো ধৰণৰ বক্তব্য এতিয়ালৈকে নোলাল। ৰাজ্যখনৰ চোৰাংচোৱা মহলবোৰে অৱশ্যে শ্ৰীফুকনৰ প্ৰাণদণ্ডৰ বাতৰি পোনচাটেই অস্বীকাৰ কৰে। উক্ত মহলৰ মতে– এইটো উগ্ৰপন্থী সকলৰ এক পৰীক্ষিত কৌশলহে। শ্ৰীলংকাৰ তামিল টাইগাৰ (LTTE) বাহিনীয়েও কিছুকাল পূৰ্বে তেওঁলোকৰ নেতা প্ৰভাকৰণৰ হত্যা হ'ল বুলি মিছা প্ৰচাৰ চলাইছিল। কিন্তু সেই প্ৰভাকৰণৰে পুনৰ আৱিৰ্ভাৱ হ'ল। এনে ধৰণৰ কৌশলকে আল্‌ফাইও লৈছে বুলি উল্লেখ কৰি সূত্ৰটোৱে কয় যে প্ৰচাৰ সচিব গৰাকীয়ে নিজৰ চিঠিপত্ৰৰ বাকচটো চৰকাৰী কৰ্মচাৰীজনৰ ঘৰত আৰু অস্ত্ৰ-শস্ত্ৰৰ বাকচটো চিৰিয়াখানাৰ হৰিণাপহু থকা গড়ালটোত পুতি থৈ অসমৰ বাহিৰলৈহে সম্ভৱ গৈছে। উল্লেখযোগ্য যে চিৰিয়াখানাৰ পৰা অস্ত্ৰ-শস্ত্ৰৰ বাকচটোও ইতিমধ্যে সৈন্যই উদ্ধাৰ কৰিছে। সূত্ৰটোৱে, পৰেশ বৰুৱাই লিখা চিঠি এখনলৈও আঙুলিয়াই দিয়ে। ১২ জুলাই তাৰিখৰ সেই চিঠিখনৰ কাষত 'বিঃ দ্ৰঃ' বুলি লিখা আছিল যে– "ops. শেষ হ'লে দুয়ো pak ফালে যাত্ৰা কৰিম। যাবতীয় যা-যোগাৰ কৰি থবা। পাৰিলে বিৰাজক লৈ যাব লাগিব......" সেই যা-যোগাৰ কৰিবলৈকে প্ৰচাৰ সচিবজন অসমৰ বাহিৰলৈ গৈছে বুলি ৰাজ্য চৰকাৰৰ মহলবোৰে ধাৰণা কৰে।

যি কি নহওক, চেয়াৰমেন ৰাজখোৱাৰ ব্যক্তিগত ডায়েৰি, পৰেশ বৰুৱাৰ চিঠি আদি জব্দ হোৱাৰ ঘটনাৰ মাজেদি গেৰিলা-বাহিনীবোৰৰ ভালেমান নতুন দি উন্মোচন হৈছে যিবোৰৰ প্ৰভাৱ কেৱল মাত্ৰ বাহিনীৰ সেনানীৰ ওপৰতেই পৰি ৰৈ নেথাকে, অসমৰ ৰাজনৈতিক ঘটনাৱলীতো তাৰ ছাঁ পৰিবলৈ বাধ্য।

★ প্ৰতিবেদনত ব্যৱহৃত হোৱা উৰ্দ্ধকমাৰ ভিতৰৰ অংশবোৰৰ বানান, বাক্যবিন্যাস আদি চিঠিৰ প্ৰতিলিপিবোৰত যেনেদৰে আছে তেনেদৰেই ব্যৱহাৰ কৰা হৈছে। স্থানাভাৱত সকলোবোৰ প্ৰতিলিপি প্ৰকাশ কৰা অসম্ভৱ।

OKDISCD

# অসম কংগ্ৰেছত বিদ্ৰোহৰ বেলুন


হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন মন্ত্ৰী সভাখনে ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছতে যে আল্‌ফা সমস্যাটো সমাধান কৰাৰ গুৰুভাৰ বহণ কৰিব লাগিব, সেইটো পূৰ্ব নিৰ্ধাৰিত হৈ আছিল। নিৰ্বাচনী ইস্তাহাৰ যোগে কংগ্ৰেছ (ই) দলটোও এই ক্ষেত্ৰত ভোটাৰ ৰাইজৰ ওচৰত প্ৰতিশ্ৰুতিবদ্ধ আছিল। সকলোৰে ধাৰণা আছিল যে নতুনকৈ নিৰ্বাচিত হৈ অহা চৰকাৰটোৱে সমস্যাটো সমাধান কৰাৰ বাবে উদ্যোগ লব।

কিন্তু দেখা গ'ল উদ্যোগ লোৱাৰ আহৰিকে চৰকাৰটোৱে নেপালে! ক্ষমতাত বহাৰ পিছদিনাই আৰম্ভ হ'ল আল্‌ফাৰ অপহৰণ আৰু পণবন্দীৰ ৰুদ্ধশ্বাস নাটক। লগে লগে চলিল ৰাজ্য জুৰি সন্ত্ৰাসৰ বিভীষিকা। চৰকাৰী সূত্ৰৰ মতেই প্ৰথম আঢ়ৈটা মাহতে ১৬৬ জন নিৰপৰাধী লোকৰ হত্যা, ২৫৫টা অপহৰণ আৰু লেখ-জোখ নোহোৱাকৈ জবৰদস্তি টকা সংগ্ৰহ কৰাৰ ঘটনা। প্ৰায়বোৰ মহলতে চৰকাৰটো "অকৰ্মণ্য" বুলিও সমালোচনা আৰম্ভ হ'ল। নতুন দিল্লীত, শইকীয়া চৰকাৰক বৰ্খাস্ত কৰিব লাগে বুলি দাবী জনাই দুই এটা বিক্ষোভো সংগঠিত হ'ল। ইমান কম সময়ৰ ভিতৰতে অত্যন্ত জটিল বেহু এটাৰ মাজত চৰকাৰটো বন্দী হৈ পৰিব বুলি কোনেও সাধাৰণতে ভাবিব পৰা নাছিল।

এনে এক জটিল সময়ৰ মাজত আকৌ চৰকাৰটোৰ ভিতৰতে এক বিদ্ৰোহৰ সূচনা হব বুলি কংগ্ৰেছ (ই) দলৰ বিৰোধী শক্তিবোৰেও আনকি কল্পনাকে কৰিব পৰা নাছিল। কিন্তু সিয়েই ঘটিল। শইকীয়া মন্ত্ৰী সভাৰ প্ৰবীণ সদস্য কেশৱ গগৈয়ে বিদ্ৰোহৰ বাঁহী বজালে। অত্যন্ত স্বাভাৱিক ভাবেই কংগ্ৰেছ (ই) বিৰোধী পক্ষ উলাহত নাচি উঠিল। নিৰ্বাচনত ভোটাৰ ৰাইজে নগুৰ-নাগতি অৱস্থা কৰি পেলোৱা অ-কংগ্ৰেছ (ই) শিবিৰে কেশৱ গগৈকে হেৰোৱা মুকুতা বিচাৰি পোৱাদি পালে।

স্থানীয় দৈনিক কাকত এখনত এক সাক্ষাৎকাৰ দি কেশৱ গগৈয়ে মুখ্য মন্ত্ৰী শইকীয়াৰ ব্যক্তিগত জীৱন আৰু কৰ্ম পদ্ধতিৰ বিৰুদ্ধে কেতবোৰ অভিযোগ ৰাজহুৱাকৈ তুলিলে। শইকীয়াৰ নেতৃত্বত যে অসমৰ স্বাৰ্থ নিৰাপদ নহয়, সেই কথাও প্ৰকাৰান্তৰে সদৰি কৰিলে। ভু লৈ গম পোৱা মতে, এই অভিযোগবোৰ কংগ্ৰেছ (ই) দলৰ বিধায়িনী দলৰ বৈঠকবোৰত শ্ৰীগগৈয়ে কস্মিনকালেও তোলা নাছিল। বৰং মাত্ৰ তিনিটা মাহৰ আগতে অৰ্থাৎ নিৰ্বাচনত জিকি অহাৰ পিছত, কংগ্ৰেছ (ই) বিধায়িনী দলৰ প্ৰথমখন বৈঠকত দলপতি নিৰ্বাচনৰ প্ৰশ্নটো উঠোতে হিতেশ্বৰ শইকীয়াকেই দলপতি পাতিব লাগে বুলি প্ৰস্তাৱ উত্থাপন কৰা ব্যক্তি গৰাকীয়েই আছিল স্বয়ং কেশৱ গগৈ।





তেনেহলে প্ৰশ্ন উঠা স্বাভাৱিক যে তিনিটা মাহৰ ভিতৰতে এনে কি পৰিবৰ্তন হ'ল যে শ্ৰীযুত গগৈয়ে সম্পূৰ্ণ বিপৰীত সুৰৰ বাঁহী বজাব লগা হ'ল? ইয়াৰ উত্তৰ অৱশ্যে শ্ৰীগগৈৰ বিদ্ৰোহী সাক্ষাৎকাৰটোতেই স্পষ্ট। তেখেতে নিজেই কোৱা মতে মন্ত্ৰী সভাত তেওঁক বিত্ত দপ্তৰটোও দিয়া কথা আছিল, কিন্তু শইকীয়াই তেতিয়ালৈকে সেই দপ্তৰটোও নিদি একপ্ৰকাৰ একনায়কত্ববাদী ৰূপে শাসন ভাৰ চলাই আছে। ২ অক্টোবৰত গুৱাহাটীৰ জজ ফিল্ডৰ এখন সভাত মুখ্য মন্ত্ৰী শইকীয়াকো এই বুলি কোৱা শুনা গ'ল যে দলৰ প্ৰবীণ সদস্য গৰাকীক তেওঁ বিত্ত দপ্তৰটো দিম বুলি প্ৰতিশ্ৰুতি দিয়াৰ কথা সঁচা। কিন্তু গণ পৰিষদ চৰকাৰৰ দিনত, পৰিকল্পনাৰ ধন পৰিকল্পনা বহিৰ্ভূত শিতানত সোপাসোপে খৰচ কৰি যি বিত্তৰ খেলিমেলি লগাই থৈ গৈছে, সেই সকলোবোৰ ঠানথিত লগাই বাজেট উত্থাপন কৰাৰ পিছত সেই দায়িত্ব দিয়াৰ কথা ভাবিছিল। যদি সেয়েই সঁচা হয়, তেন্তে আল্‌ফা সৃষ্ট জটিল সমস্যা এটা চূড়ান্ত ধৈৰ্যেৰে মোকাবিলা কৰি থকাত মুখ্য মন্ত্ৰী গৰাকী ব্যস্ত থকা সময়তেই, গগৈৰ দৰে প্ৰবীণ ৰাজনীতিজ্ঞ এগৰাকী কেৱল মাত্ৰ বিত্ত দপ্তৰটোৰ বাবেই ইমান অধৈৰ্য হৈ পৰিব পাৰেনে?

চাবলৈ গ'লে, শইকীয়া মন্ত্ৰী সভাত দুগৰাকীকৈ প্ৰাক্তন মুখ্য মন্ত্ৰীও আছে। এগৰাকী চৈয়দা আনোৱাৰা টাইমুৰ আৰু আন গৰাকী কেশৱ গগৈ। মাত্ৰ ৬৬ দিনৰ বাবে হ'লেও মুখ্য মন্ত্ৰিত্বৰ সোৱাদ পোৱা শ্ৰীগগৈ ৰাজনৈতিক মহলবোৰত এক "টৰ্পেডো" বুলিয়েই পৰিচিত। কাৰণ মন্ত্ৰী সভাক তলহ তীয়া খুন্দা মাৰি বগৰাই দিয়েই তেওঁ ইতিপূৰ্বে মুখ্য মন্ত্ৰী হৈছিল। হিতেশ্বৰ শইকীয়াৰ দিনত, আল্‌ফাক মোকাবিলা কৰিবলৈ সৈন্য বাহিনীক অনা দেখি বহু পোতনহীন শিবিৰতেই ধাৰণা হৈছিল যে সমগ্ৰ অসমত এতিয়া শইকীয়া বিৰোধী ঢৌৰ সৃষ্টি হব। সম্ভৱতঃ তেনে এক ধাৰণা কৰিয়েই শ্ৰীগগৈয়েও ছেগ চাই কঠিয়াচাটি মাৰি পঠালে যাতে কল্পিত শইকীয়া বিৰোধী ঢৌত দলটো নহলেও অন্ততঃ তেওঁ জীপাল হৈ উঠিব পাৰে। পিছে ৰাজ্যখনত এতিয়ালৈকে তেনে ঢৌ উঠা দেখা নগ'ল। গতিকে, শ্ৰীগগৈৰ কঠিয়াত গাঁঠি লাগি পৰাটো স্বাভাৱিক।

কংগ্ৰেছ (ই) দলৰ ভিতৰ চ'ৰাৰ খবৰ মতে বিধায়িনী গোটটোৰ ভিতৰত শ্ৰীগগৈ সম্প্ৰতি এক নিঃসংগ ব্যক্তি। কথাটো অৱশ্যে বাহিৰৰ পৰাও স্পষ্ট। নহ'লেনো বিধায়িনী দলৰ সভাত গগৈৰ বিৰুদ্ধে ব্যৱস্থা লবৰ বাবে আটায়ে একেমুখে দলপতি শইকীয়াৰ হাতত খড়্গ তুলি দিয়েনে?

সঁচা অৰ্থত 'বিদ্ৰাহী' গগৈ এতিয়া শইকীয়াৰ হাতত থকা খড়্গৰ তলত। যি দুই এজন বিধায়কে ছেগা-ছোৰোকাকৈ গগৈক সংগোপনে লগ ধৰিছিল তেওঁলোকেও বোলে এতিয়া নিৰাপদ দূৰত্ব ৰাখিহে ফুৰা দেখা যায়। মন কৰিব লগীয়া যে যিবোৰ মহল আৰু প্ৰচাৰ মাধ্যমত 'শইকীয়াৰ বিৰুদ্ধে বিদ্ৰোহ তুংগত' বুলি বিৰামহীন প্ৰচাৰ চলি আছে, সেইবোৰৰো কোনেও স্পষ্টভাবে কেশৱ গগৈৰ সমৰ্থক বুলি এজন বিধায়কৰ নামো ক'ব পৰা নাই। শইকীয়াই ইতিমধ্যে কেশৱ গগৈৰ হাতৰ পৰা পৰিকল্পনা দপ্তৰটো আঁতৰাই আন এটা লঘু দপ্তৰ দিছে। অহা নবেম্বৰৰ শেষৰ ফালে মন্ত্ৰী সভাৰ সাল-সলনি হব পাৰে বুলি মুখ্য মন্ত্ৰী জনাই ইতিমধ্যে ইংগিত দিছে। সেই সাল-সলনিত, মন্ত্ৰী সভাৰ পৰা গগৈ বাদ পৰিলেও আচৰিত হব লগা একো নাই। আৰু অকস্মাৎ যদি ৰৈও যায় তেন্তে এইটোও বুজা যাব যে শইকীয়াৰ একমাত্ৰ কৃপাৰ ওপৰত ভৰসা কৰিয়েই তেওঁ বৰ্তি ৰৈছে।

নিৰপেক্ষ ভাবে চালে দেখা যায় যে শ্ৰীগগৈৰ বিদ্ৰোহৰ বেলুন দুই এখন কাকতেহে ফুৱাই ডাঙৰ কৰিছে। যিসকলে নিৰ্বাচনত কংগ্ৰেছ (ই) পৰাজিত হোৱাটো খাটাং বুলি ভৱিষ্যদ্বাণী কৰিছিল আৰু আনকি কংগ্ৰেছ (ই)-ৰ বিৰুদ্ধে মুকলিমূৰীয়াকৈ ৰণত নামিছিল সেই সকলোবোৰ শিবিৰৰ কৃপাতেই বেলুনটো শইকীয়া মন্ত্ৰী সভাৰ মজিয়াত ওপঙি আছে। কিন্তু বেলুন বেলুনেই। সমান্য খোঁচা এটাতেই সি ফুটি সাং হয়। কংগ্ৰেছ (ই)-ৰ ভিতৰতো এতিয়া এনেকুৱাই অৱস্থা। কেশৱ গগৈৰ তথাকথিত বিদ্ৰোহৰ লগে লগে তীব্ৰ উৎসাহী হৈ পৰা এজন বিশিষ্ট ব্যক্তিয়ে অলপতে ক'লে– 'বৰ বিপদ বুজিছে। গছত উঠিব জনা মানুহকহে গছত তুলিবলৈ ভাল। নজনাটোক দাঙি ধৰি যিমান ওপৰলৈকে তুলিব, সি সিমান ওপৰতেই ৰৈ থাকে। অধিক আগুৱাবলৈ সি অক্ষম।' "বলে নোৱৰা শিলক পৰি নমস্কাৰ কৰাই" শ্ৰী গগৈৰ একমাত্ৰ উপায়ৰ বাহিৰে সম্প্ৰতি তেওঁৰ অন্য গত্যন্তৰ পৰিলক্ষিত হোৱা নাই।

হৰেন বুঢ়াগোহাঞি





# চোকোৰাহে "স্বাধীন অসম" শাহ বেলেগ

দুলাল বৰা

দূচকুত "স্বাধীন অসম" প্ৰাতষ্ঠা কৰাৰ স্বপ্ন লৈয়েই সংযুক্ত মুক্তি বাহিনী অৰ্থাৎ আল্‌ফাৰ জন্ম হৈছিল। সম্প্ৰতি সুদীৰ্ঘ বাৰটা বছৰৰ পিছতো 'স্বাধীন অসম' প্ৰতিষ্ঠাৰ লক্ষ্য আৰু অংগীকাৰ সংগঠনটোৰ অটুট আছে। দেখা যায় বে-আইনী বুলি ঘোষিত হোৱাৰ পিছতো আৰু আনকি সৈন্য বাহিনীৰ অভিযানে দুবাৰকৈ মহতীয়াই থকাৰ পিছতো ঘোষিত লক্ষ্যৰ পৰা সংগঠনটো কিঞ্চিতমানো বিচ্যুত হোৱা নাই। বৰং শেহতীয়া ভাবে এইবুলিহে কোৱা দেখা গৈছে যে অকস্মাৎ চৰকাৰৰ সৈতে আলোচনাত বহিব লগা হ'লেও 'অসমৰ স্বাধীনতাৰ' প্ৰশ্নটোহে তেনে আলোচনাৰ প্ৰধান আৰু একমাত্ৰ কাৰ্যসূচী হব লাগিব। সংগঠনটোৱে বিশ্বাস কৰি আছে যে তেওঁলোকে নতুন দিল্লীৰ বিৰুদ্ধে আৰম্ভ কৰা সশস্ত্ৰ সংগ্ৰামত এদিন অসমৰ সমূহ ৰাইজে সমৰ্থন দিব আৰু অসমক তেতিয়া স্বাধীনতা প্ৰদান কৰিবলৈ নতুন দিল্লী বাধ্য হব। সন্দেহ নাই যে সংগঠনটোৰ কৰ্মীসকলে অত্যন্ত নিষ্ঠাৰে স্বাধীন অসমৰ প্ৰতিষ্ঠা সম্ভৱ বুলি বিশ্বাস কৰে।

ভাৰতৰ বুকুৰ পৰা বিচ্ছিন্ন হৈ অসমক সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাটো সম্ভৱ নে অসম্ভৱ, আল্‌ফাৰ চকুৰ পতাত এইটো স্বপ্ননে দুঃস্বপ্ন, সেয়া বিতৰ্কিত। কেতবোৰ মহলত সেই বিষয়ে ইতিমধ্যে কিছু বিতৰ্ক আৰম্ভও হৈছে। কিন্তু এতিয়াও আঁৰ হৈ থকা বিষয়টো হৈছে আল্‌ফাই বিচৰা স্বাধীনতাৰ স্বৰূপ। ইণ্ডো-বাৰ্মা ৰিভলিউশ্যনাৰী ফ্ৰন্ট, (সংক্ষেপে IBRF) নামৰ মৰ্চাত পৰিপূৰ্ণ ভাবে চামিল হৈ, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে সমিলমিলেৰে সংগ্ৰাম কৰি যি 'স্বাধীন অসম' প্ৰতিষ্ঠাৰ বাবে আল্‌ফা ব্ৰতী হৈছে সেয়া জানো সঁচা অৰ্থত 'স্বাধীনতা' বা সাৰ্বভৌমত্ব হব? নুলুকুৱালেও চলে যে ইণ্ডো-বাৰ্মা ৰিভলিউশ্যনাৰী ফ্ৰন্টত নিজৰ অৱস্থান, লেন-দেন বা বুজাপৰা সম্পৰ্কে অসমত আল্‌ফাই নিজেও সকলো কথা বেকত কৰা নাই। সেইবাবে 'স্বাধীন অসম'ৰ শ্লোগানত কিছু সন্দেহ নথকাৰো থল নাই।

ইণ্ডো-বাৰ্মা ৰিভলিউশ্যচনাৰী ফ্ৰন্ট (IBRF)-ৰ জন্ম হৈছিল ১৯৯০ চনত। জন্মক্ষণৰ প্ৰথম ঘোষণা পত্ৰতে স্বাক্ষৰ কৰিছিল নাগালেণ্ডৰ এন এছ চি এন-ৰ চেয়াৰমেন এচ এচ খাপলাউ, আল্‌ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱা আৰু মণিপুৰৰ ইউ এন এল এফ বাহিনীৰ সাধাৰণ সম্পাদক চানা য়েইমা-ই। দেখা যায় যে তিনিওটা সংগঠনেই যথেষ্ট পুৰণি। বেছ কিছু দিন ধৰি অঞ্চলটোত সশস্ত্ৰ কাৰ্যকলাপ চলাই থকাৰ পিছতহে আই বি আৰ এফ নামৰ উমৈহতীয়া মঞ্চটো গঠন কৰিছে।

আই বি আৰ এফ-ৰ প্ৰথমখন যুটীয়া ঘোষণা পত্ৰৰ মতে 'ভাৰত' আৰু ব্ৰহ্মদেশৰ মাজত থকা অঞ্চলটোৱেই হৈছে ভাৰত-বাৰ্মা অৰ্থাৎ ইণ্ডো-বাৰ্মা। এই অঞ্চলত সন্নিবিষ্ট হৈ আছে ভাৰতৰ "তথাকথিত উত্তৰ-পূৰ্বাঞ্চল আৰু ব্ৰহ্মদেশৰ (অৰ্থাৎ মানদেশ) "বৰ্তমান উত্তৰ পশ্চিম অঞ্চল।" পুৰাতন ঔপনিবেশিক ব্যৱস্থা পৃথিৱীৰ বুকুৰ পৰা ওফৰোৱা হ'ল যদিও আন এমুঠিমান ঠাইৰ লগতে ভাৰত-বাৰ্মা অঞ্চলটোও অন্যতম এক অঞ্চল যাক বিদেশী ঔপনিবেশিক শাসনমুক্ত কৰিবলৈ এতিয়াও বাকী। এই ভাৰত-বাৰ্মা অঞ্চলটোত বাস কৰা জনসাধাৰণ একে বৰ্ণগত (Racial) আৰু সাংস্কৃতিক গোটৰ অন্তৰ্ভুক্ত। অঞ্চলটোৰ বিভিন্ন জাতিসত্তা আৰু জনজাতীয় গোটৰ ভাষা আৰু লিপি ভিন ভিন হ'লেও, আস্থা আৰু বিশ্বাসৰ বিভিন্নতা থাকিলেও, যাউতিযুগীয়া

ঐক্যভাবে আটাইবোৰকে ঐতিহাসিক, সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক ভাবে বান্ধ খুৱাই ৰাখিছে। তেওঁলোকৰ ভাগ্য-ভৱিষ্যৎ, ইটোৰ সৈতে আনটোৰ লগত অংগাংগী ভাবে যুক্ত আৰু সেই হেতুকেই তেওঁলোকে এক স্বাধীন আৰু মুক্ত অথচ উমৈহতীয়া ভৱিষ্যতৰ বাবে হাবিয়াস কৰা দৰকাৰ। বিপ্লৱী গোটসমূহে তেওঁলোকৰ সংগ্ৰাম গাইগুটীয়া ভাবে চলাই থকা হেতুকে ভিন ভিন জাতি গোষ্ঠীৰ জাতীয় মুক্তিৰ সংগ্ৰামো বিশেষ দূৰলৈ আগুৱাব পৰা নাই, বৰং মিজোৰাম আৰু ত্ৰিপুৰাত ঘটাৰ দৰে ই আত্মসমৰ্পণৰ পৰ্যায়লৈহে পৰ্যবসিত হব ধৰিছে। এনে হোৱাৰ অন্যতম কাৰণেই হৈছে জাতিবাদৰ (ethnicism) ঐতিহাসিক সীমাবদ্ধতা যিটোৱে নেতাসকলক গোটেই অঞ্চলটোৰ সামগ্ৰিক সম্ভাৱ্য শক্তিৰ উমান লোৱাৰ ক্ষেত্ৰত ব্যৰ্থ কৰি তুলিলে। শত্ৰুপক্ষই বিশেষকৈ ভাৰতে এই দুৰ্বলতাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে, ভাগ কৰা অথবা ভস্ম কৰাৰ পুৰণি কিটিপ লৈছে, বুলি ঘোষণা পত্ৰখনত কোৱা হৈছে বুলি প্ৰকাশ।

তিনিওটা গেৰিলা সংগঠনৰ নেতা কেইগৰাকীয়ে ঘোষণাপত্ৰখনত এইবুলিও কৈছে– "স্বাক্ষৰকাৰী সকলে উপলব্ধি কৰে যে বিচ্ছিন্ন আৰু গাইগুটীয়া সংগ্ৰামে তেওঁলোকক অনিশ্চিত ভৱিষ্যতৰ ফালেহে লৈ যাব। এই অঞ্চলটোৰ সকলোবোৰ জাতিসত্তা (Nationality) আৰু সম্প্ৰদায়ৰ (Tribe) সন্মিলিত সংগ্ৰামৰ যোগেদিহে স্বাধীনতা অৰ্জন কৰিব পৰা যাব। অঞ্চলটোৰ সকলোবোৰ বিপ্লৱী গোটৰ ঐক্যবদ্ধ মৰ্চা এক ঐতিহাসিক প্ৰয়োজন বুলিয়েই স্বাক্ষৰকাৰী সকলে অনুভৱ কৰিছে। এনে বিশ্বাস আগত ৰাখিয়েই নাগালেণ্ডৰ এন এছ চি এন, মণিপুৰৰ ইউ এন এল এফ আৰু অসমৰ আলফাই ইণ্ডো-বাৰ্মা ৰিভলিউশ্যনাৰী ফ্ৰন্ট (IBRF) গঠন কৰিছে। নেতা কেইগৰাকীয়ে ইণ্ডো-বাৰ্মাৰ জনসাধাৰণক ঐতিহাসিক উমৈহতীয়া কৰ্তব্যৰ বাবে ঐক্যবদ্ধ হবলৈ আহ্বান জনাইছে। ঐক্যবদ্ধ সংগ্ৰাম হ'লেহে ভৱিষ্যতো উজ্জ্বল হব।"

ঘোষণাপত্ৰখনৰ পৰা এই কথা স্পষ্ট যে এন এছ চি এন, ইউ এন এল এফ আৰু আলফা প্ৰত্যেকেই গাইগুটীয়াভাবে চলোৱা সংগ্ৰামৰ ভৱিষ্যত অনিশ্চিত বুলি শংকা কৰিয়েই ঐক্যবদ্ধ মঞ্চ আই বি আৰ এফ গঠন কৰিছে। এন এছ চি এন-ৰ সৈতে আলফাৰ সম্পৰ্ক পূৰ্বৰে পৰা আছিল যদিও ১৯৯০ চনৰ পৰাহে সেই সম্পৰ্কই এক সংঘবদ্ধ ৰাজনৈতিক চৰিত্ৰ পৰিগ্ৰহ কৰিছে। অৰ্থাৎ ১৯৯০ চনৰ পৰা অসম, নাগালেণ্ড আৰু মণিপুৰত চলা আলফা, এন এছ চি এন আৰু ইউ এন এল এফ-ৰ সংগ্ৰামৰ মূল নিয়ন্ত্ৰক হিচাপেই আই বি আৰ এফ চলিছে।

ইতিমধ্যে উত্তৰ পূব অঞ্চলত সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী আন আন বিদ্ৰোহী গোটবোৰকো আই বি আৰ এফ-ৰ অন্তৰ্ভুক্ত কৰিবৰ বাবে প্ৰণালীবদ্ধ অভিযান চলোৱাৰ বাতৰি ওলাইছে। বড়োলেণ্ড নামৰ এখন সুকীয়া ৰাজ্য প্ৰতিষ্ঠাৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ প্ৰস্তুতি চলোৱা বড়ো ছিকিউৰিটি ফ'ৰ্চ (BSF) নামৰ সংগঠনটোৰ সৈতে এন এছ চি এন-ৰ সম্পৰ্ক মধুৰ আৰু পুৰণি। ইতিমধ্যে আলফাৰ লগতো বুজাপৰা স্থাপিত হৈছে। আনুষ্ঠানিক ভাবে আই বি আৰ এফ-ৰ ঘোষণাপত্ৰত সংগঠনটোৱে স্বাক্ষৰ কৰা নাই যদিও নিজৰ সংবিধানত কিন্তু স্পষ্টভাবেই ঘোষণা কৰিছে যে "ইণ্ডো-বাৰ্মা অঞ্চলটোৰ জাতীয় মুক্তিৰ বাবে অঞ্চলটোৰ অন্যান্য সকলো শোষিত খিলঞ্জীয়া জাতি সত্তাৰ বিপ্লৱী সংগঠনৰ সহযোগত সংগ্ৰাম কৰাটো" বি এছ এফ-ৰ অন্যতম উদ্দেশ্য। একেদৰে এন এছ চি এন-এ অতি সম্প্ৰতি উত্তৰ কাছাৰ আৰু মিজোৰামৰ উত্তৰাঞ্চলত সক্ৰিয় হৈ উঠি মাৰ জনজাতিৰ উগ্ৰপন্থী সংগঠন মাৰ পিপলছ কাউন্সিলৰ (HPC) সৈতেও ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছে আৰু একে লগে কাৰ্যকলাপ চলোৱাৰ বাতৰিও ওলাইছে। আনহাতে আলফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱাই বাংলাদেশলৈ গৈ বাংলাদেশী জাতীয়তা-বাদত বিশ্বাসী কেতবোৰ লোককো আই বি আৰ এফ-ত অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা চলাইছে। মেঘালয়ত গ্ৰেপ্তাৰ হোৱা আলফাৰ কৰ্মী মনোজ হাজৰিকাৰ পৰা চেয়াৰমেন ৰাজখোৱাৰ যিখন ব্যক্তিগত ডায়েৰি পুলিচে হস্তগত কৰিছে, সেই ডায়েৰিখন জাল বুলি কিন্তু আলফাই ক'ব নোৱাৰিলে। ডায়েৰিৰ বহু কথাই ইতিমধ্যে ভালেমান কাকতত প্ৰকাশিত হৈছে। উল্লেখযোগ্য যে সেই ডায়েৰিৰ ২৯ এপ্ৰিলৰ পৃষ্ঠাত আলফাৰ চেয়াৰমেন গৰাকীয়ে লিপিবদ্ধ কৰিছে যে "............ বজাৰলৈ গ'লো, অলপ ঘূৰি আহিলো। আলোচনাৰ পৰা আজি জানিব পাৰিলো– বাংলাদেশ জাতীয়তাবাদ আৰু বাংলা জাতীয়তাবাদৰ পাৰ্থক্য। –বাংলাদেশৰ বিভিন্ন জাতি গোষ্ঠীৰ উমৈহতীয়া উন্নয়নৰ বাবে গঢ়ি উঠিছে বাংলাদেশৰ জাতীয়তাবাদ– এই দলটোৰ কিছু লোকে বৰ্তমানে 'মুক্তি বাহিনী' অসমক সহায় কৰিব বিচাৰে। ভৱিষ্যতে স্বাধীন অসম আৰু IBRF-ৰ লগত ফেডাৰেচনত আহিব বিচাৰে। আমি IBRF-ৰ কাউন্সিলত প্ৰস্তাৱটো দিয়াৰ কথা দিছো।" আলফাৰ চেয়াৰমেন গৰাকীৰ এই টোকাখিনিৰ পৰা এইটোৱেই প্ৰতীয়মান হয় যে মণিপুৰ, অসম, নাগালেণ্ড আদিৰ উপৰিও সম্ভৱ হ'লে বাংলাদেশ আৰু ব্ৰহ্মদেশৰ পশ্চিম অঞ্চলক সামৰি "ইণ্ডো-বাৰ্মা" অঞ্চলটোত এখন স্বাধীন ৰাষ্ট্ৰ সমূহৰ ফেডাৰেচন গঢ়াই আই বি আৰ এফ-ৰ দীৰ্ঘম্যাদী কৌশল আৰু উদ্দেশ্য।

আই বি আৰ এফ-ৰ লগত আলফাৰ সম্পৰ্কৰ কিঞ্চিত ব্যাখ্যা কৰি কেন্দ্ৰীয় কমিটিৰ প্ৰচাৰ সচিব পদৰ দায়িত্বত কিছু দিন আগলৈকে কাৰ্যনিৰ্বাহ কৰা সিদ্ধাৰ্থ ফুকনে কৈছে যে আই বি আৰ এফ-ৰ অন্তৰ্ভুক্ত গোটসমূহে লোৱা যি কোনো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ভ্ৰাতৃপ্ৰতিম সংগঠন সমূহৰ মাজত হোৱা সৰ্বসন্মত সিদ্ধান্তৰ ভেটিতহে লোৱা হয়। আলফা হৈছে আই বি আৰ এফ-ৰ অন্তৰ্ভুক্ত গোট। আই বি আৰ এফ-ৰ সিদ্ধান্তই প্ৰতিফলিত কৰে সকলোবোৰ অন্তৰ্ভুক্ত গোটৰ ঐক্যমত। সেয়ে আলোচনাৰ মেজলৈ গ'লেও, আই বি আৰ এফ-ৰ পৰা আলফা ওলাই অহাৰ প্ৰশ্ন নুঠে (নতুন দিল্লীৰ পৰা প্ৰকাশিত 'চান' পত্ৰিকা ২৩ মাৰ্চ, ৯১)।

আই বি আৰ এফ-ৰ অন্তৰ্ভুক্ত গোটসমূহে ঘোষণা কৰা লক্ষ্য আৰু উদ্দেশ্যও লক্ষণীয়। ইউ এন এল এফ-এ স্বাধীন মণিপুৰৰ দাবীত, এন এছ চি এন-এ এখন স্বাধীন খৃষ্টান সমাজতান্ত্ৰিক নাগালেণ্ডৰ দাবীত আৰু আলফাই সমাজতন্ত্ৰৰ ভিত্তিত এক স্বাধীন অসম প্ৰতিষ্ঠাৰ দাবীত সংগ্ৰাম চলোৱাৰ কথা নিজৰ নিজৰ কাৰ্যসূচীত ঘোষণা কৰিছে। প্ৰস্তাৱিত ৰাষ্ট্ৰ কেইখনৰ গুণগত পাৰ্থক্য ইয়াত স্পষ্ট। তদুপৰি এন এছ চি এন আৰু আলফাৰ লগত বুজাপৰা ৰাখি সশস্ত্ৰ কাৰ্যকলাপ চলাই ৰখা বড়ো চিকিউৰিটি ফ'ৰ্চৰ (বি এছ এফ) আকৌ উদ্দেশ্য হৈছে, কৰ্মসূচীমতে, গণতান্ত্ৰিক, সমাজবাদী বড়োলেণ্ড প্ৰতিষ্ঠা কৰা। এই বাহিনীটোৰ চেয়াৰমেন ৰনচাইগ্ৰা নাব্‌লা দৈমাৰীয়ে স্থানীয় 'বুধবাৰ' কাকতৰ আগত দিয়া সাক্ষাৎকাৰ মতে আলফাৰ সৈতে বি এছ এফ-ৰ প্ৰথম যোগাযোগ মানদেশত অৰ্থাৎ ব্ৰহ্মদেশত। তেতিয়াৰ পৰাই দুয়োটা সংগঠনে নিয়মীয়া যোগাযোগ ৰক্ষা কৰি আহিছে। শেহতীয়াকৈ সৰ্বোচ্চ পৰ্যায়ত দুয়োটা সংগঠনৰ মাজত আলোচনাও হৈছে। "আলফাই আন্তৰিকতাৰে আমাৰ পৃথক ৰাজনৈতিক সত্তাৰ প্ৰতি স্বীকৃতি জনাইছে আৰু গতিকেই আমি এক উমৈহতীয়া সশস্ত্ৰ সংগ্ৰামৰ বুজাপৰাত উপনীত হৈছো।"

আলফা আৰু বি এছ এফ-ৰ মাজৰ মৈত্ৰীৰ পৰা এইটো ধাৰণা সহজে কৰিব পাৰি যে সশস্ত্ৰ সংগ্ৰামৰ যোগেদি যিখন 'স্বাধীন অসম' আলফাই প্ৰতিষ্ঠা কৰিব বিচাৰে তাৰ মানচিত্ৰ বৰ্তমান অসমৰ মানচিত্ৰতকৈ বেলেগ হব। "স্বাধীন অসমত প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ ভাষা সংস্কৃতিৰ বিকাশৰ সম-সুবিধা পাব। তাৰ উপৰি স্বাধীন অসমত প্ৰতিটো জনগোষ্ঠীৰ সুসম বিকাশৰ নিশ্চয়তাৰ বাবে ৰাষ্ট্ৰ দায়বদ্ধ থাকিব" বুলি আলফা নেতা সিদ্ধাৰ্থ ফুকনে (মাহেকীয়া আলোচনী 'আমি' অক্টোবৰ '৯১ সংখ্যা) কৈছে যদিও সুকীয়া বড়োলেণ্ড প্ৰতিষ্ঠাৰ বাবে অংগীকাৰবদ্ধ বি এছ এফ-ৰ লগত ইতিমধ্যেই বুজাপৰা হৈয়েই গৈছে, যি বুজাপৰাৰ অৰ্থ, বি এছ এফ-ৰ চেয়াৰমেনৰ ভাষাত, বড়ো সকলৰ "পৃথক ৰাজনৈতিক সত্তাৰ প্ৰতি" আলফাই স্বীকৃতি জনাইছে। গতিকে আলফাৰ দ্বাৰা প্ৰস্তাৱিত 'স্বাধীন অসম'ত বড়োলেণ্ড যে নেথাকিব সেই কথা স্পষ্টভাবে এতিয়াই আলফা-নেতাসকলে কিয় কৈ থোৱা নাই, সেই কথা প্ৰণিধানযোগ্য।

দ্বিতীয়তে আছে প্ৰস্তাৱিত ফেডাৰেচনৰ প্ৰশ্ন। উত্তৰ পূব অঞ্চলৰ ৰাজ্য সমূহে "স্বাধীন" হৈ উঠিব বুলি ধৰি ললেও কিন্তু এই কথা ইতিমধ্যে স্পষ্ট হৈ উঠিছে যে ইণ্ডো-বাৰ্মা অঞ্চলত উক্ত "স্বাধীন" ৰাষ্ট্ৰ সমূহৰ এখন ফেডাৰেচন গঢ়ি তোলাৰ পৰিকল্পনাও আছে। এইটোও জনা কথা যে ফেডাৰেচনৰ ভিতৰত সকলোৰে সম-অধিকাৰ আৰু সমমৰ্যাদা থাকিলেও, এক কৰ্তৃত্বও থাকিব। গতিকে ফেডাৰেচন হলেই তাৰ ৰাজনৈতিক-অৰ্থনৈতিক কৰ্তৃত্বৰ প্ৰশ্নও উঠিব। ভিন ভিন সামাজিক চৰিত্ৰ আৰু ব্যৱস্থাৰ ৰাষ্ট্ৰসমূহ ফেডাৰেচনৰ অন্তৰ্ভুক্ত হৈ থাকিলেতো কৰ্তৃত্বৰ প্ৰশ্নক লৈ প্ৰচণ্ড যুঁজ-বাগৰো হবলৈ বাধ্য। অঞ্চলটোত সম্প্ৰতি চলি থকা সশস্ত্ৰ কাৰ্যকলাপৰ গতিগোত্ৰবোৰলৈ লক্ষ্য কৰিলে ধাৰণা হয় যে আলফাতকৈ এন এছ চি এন বা ব্ৰহ্মদেশৰ কাচিন ইনডিপেণ্ডেন্ট আৰ্মি (KIA)-য়ে ইতিমধ্যেই অধিক কৰ্তৃত্ব ভোগ কৰি আছে। কাৰণ এই সংগঠন দুটাৰ ছত্ৰছাঁয়াতেহে আলফাৰ সশস্ত্ৰ বাহিনীটোৱে গঢ় লৈ উঠিছে।

উল্লেখ কৰা প্ৰয়োজন যে মণিপুৰৰ পি এল এ (PLA) নামৰ সক্ৰিয় বিদ্ৰোহী সংগঠনটোৱে এতিয়াও আই বি আৰ এফ-ৰ অন্তৰ্ভুক্ত হোৱা নাই। তথাপি আলফাৰ লগত সংগঠনটোৰ গাঢ় সম্পৰ্ক আৰু সহযোগিতা থকাৰ কথা জনাজাত। সংগঠনটোৰ ৰাজনৈতিক মঞ্চ আৰ পি এফ-ৰ বিত্ত সচিব জাৰ্মান নামৰ নেতা গৰাকীয়ে কোৱা মতে "কেতবোৰ অপৰিহাৰ্য ব্যৱহাৰিক কাৰণৰ বাবেই আমি আই বি আৰ এফ-ৰ গাঁথনিত অন্তৰ্ভুক্ত হব নোৱাৰিলো। কিন্তু ইয়াৰ স্পিৰিটটোৰ লগত আমি সম্পূৰ্ণ একেলগে আছো।" কোনো কোনো মহলৰ মতে মণিপুৰৰ ইউ এন এল এফ নামৰ সংগঠনটোৰ সৈতে থকা বিৰোধৰ বাবে আই বি আৰ এফ-ত পি এল এ-ই যোগ দিয়া নাই। কেতবোৰ মহলে আকৌ কয় যে ব্ৰহ্মদেশৰ সৈন্য বাহিনীৰ সৈতে পি এল এ বাহিনীয়ে প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিছে। আই বি আৰ এফ-এ প্ৰস্তাৱিত ফেডাৰেচনত যিহেতু ব্ৰহ্মদেশৰো পশ্চিমাঞ্চল সামৰি লৈছে, সেয়ে সেই মঞ্চৰ প্ৰতি ব্ৰহ্মদেশ অসন্তুষ্ট। গতিকে সেই মঞ্চত যোগ দি পি এল এ-ই ব্ৰহ্মদেশৰ সেনা বাহিনীক অসন্তুষ্ট কৰিব নোখোজে। উক্ত মহলটোৰ মতে ব্ৰহ্মদেশৰ সেনা বাহিনীৰ জনৈক কেপ্তেইনৰ সৈতে পি এল এ-ৰ যোগাযোগ ১৯৯০ চনৰ অক্টোবৰ মাহতেই স্থাপিত হয়।

উত্তৰ পূব অঞ্চলৰ বিদ্ৰোহীসকলৰ এই গতিবিধিবোৰৰ পৰা অসমৰ বাবে প্ৰকট হৈ উঠা সম্ভাৱনাটো হ'ল– আলফাৰ প্ৰস্তাৱিত "স্বাধীন অসম"ৰ লগতে ইণ্ডো-বাৰ্মা অঞ্চলত এক নতুন ফেডাৰেচনৰ কল্পনাও জড়িত হৈ আছে আৰু উক্ত "স্বাধীন অসম"ত "বড়োলেণ্ড" নামৰ প্ৰস্তাৱিত অঞ্চলটো নেথাকিব। ফেডাৰেল আৰ্হিৰ নামত থকা ভাৰতৰ সলনি যেনিবা আন এক ফেডাৰেচনৰ অন্তৰ্ভুক্ত হোৱাৰ প্ৰচেষ্টা। কিন্তু দুৰ্ভাগ্য যে আই বি আৰ এফ-এ কল্পনা কৰা ফেডাৰেচনতো অসমৰ কৰ্তৃত্ব সবল হৈ থাকিব বুলি ভবাৰ যুক্তিও নাই। হয়তো মান বা নগাসকলৰ কৰ্তৃত্বই অধিকভাবে থাকিব।

"স্বাধীন অসম" প্ৰতিষ্ঠাই একমাত্ৰ লক্ষ্য বুলি স্পষ্টভাবে ঘোষণা কৰিলেও আলফাৰ সাম্প্ৰতিক গতিবিধি আৰু কাৰ্যকলাপে সেই লক্ষ্যৰ আঁৰত আন এক দীৰ্ঘম্যাদী লক্ষ্যইও কাম কৰি থকাৰ ইংগিত পোৱা যায়। আলফা নেতৃত্বই তেওঁলোকৰ লগত আই বি আৰ এফ-ৰ সম্পৰ্ক আৰু উদ্দেশ্য লক্ষ্য স্পষ্টভাবে দাঙি নধৰাৰ ফলত ক্ষুদ্ৰ ইংগিতটোৱেই বিস্তৰ বিভ্ৰান্তিৰ জন্ম দিয়াটো খাটাং। এনে বিভ্ৰান্তিৰ ওৰ নপৰালৈকে, "আলফাৰ স্বাধীন অসম-বাস্তৱ নে বিভ্ৰম সেই সংক্ৰান্তত চলা বিতৰ্কত বন্ধ্যা হবলৈ বাধ্য।" সূ


## জোখ-মাখ বিভাগে আৰু কি কৰে?

বাণিজ্যিক দিশত জোখ-মাখৰ শুদ্ধা-শুদ্ধ নিৰূপনৰ হেতু অসম চৰকাৰৰ জোখ-মাখ বিভাগে বছৰি কেৱল জোখ-মাখৰ আহিলা পাতিত মোহৰাংকন কৰিয়েই ক্ষান্ত থাকে নে বিভাগটোৱে গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষাৰ হেতু পেকেট সামগ্ৰীকে ধৰি জোখ-মাখৰ অন্তৰ্গত অন্যান্য ক্ষেত্ৰলৈও মনোনিবেশ কৰে? হয় এই সকলো খিনি কৰাৰ উপৰিও বিভাগে অতিশয় কাৰিকৰী মান সম্পন্ন তেলশোধনাগাৰ, পেট্ৰোৰাসায়নিক-চক্ৰ, কাগজকে ধৰি নানা উদ্যোগৰ প্ৰকাণ্ড আধাৰ সমূহৰ পৰিমাণ নিৰ্ভুল ভাবে জুখি উলিয়ায় কেৱল ইমানেই নহয় যোৱা এটা দশকৰো আগৰে পৰা এই বিষয়ে বছৰি ইণ্ডিয়ান ইনষ্টিটিউট অৱ লিগেল মেট্ৰোলজিকে ধৰি ভাৰতৰ প্ৰায় আটাই কেইখন ৰাজ্যৰ বিভাগীয় বিষয়া সকলক অসম চৰকাৰৰ জোখ-মাখ বিভাগে প্ৰশিক্ষণ দি আহিছে।

অসম চৰকাৰৰ জোখ-মাখ বিভাগৰ প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত।

# অসমত বিচ্ছিন্নতাবোধঃ তত্ত্ব, তথ্য আৰু ইতিহাস

সনাতন সূত্ৰধাৰ

(১)

সাম্প্ৰতিক অসমৰ ৰাজনৈতিক মঞ্চৰ আটাইতকৈ বিতৰ্কিত আৰু বহু চৰ্চিত বিষয়টো হ'ল আল্‌ফা আৰু এই সংগঠনে উত্থাপন কৰা অসমৰ স্বাধীনতাৰ দাবী তথা প্ৰশ্ন আৰু তাৰ লগতে ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ভূমিকাৰে জড়িত হৈ আছে অসমৰ ভূতপূৰ্ব ৰাজ্যপাল দেবীদাস ঠাকুৰৰ "অপাৰেচন বজৰং' আৰু বৰ্তমানৰ কংগ্ৰেছ আইৰ মূখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ "অপাৰেচন ৰাইনো"।

বহুজাতিক বহু ভাষিক বহু ধৰ্মীয় ভাৰতবৰ্ষৰ অংগ ৰাজ্য ৰূপে বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে দীঘলীয়া এক সংগ্ৰামৰ জৰিয়তে সমগ্ৰ দেশৰ লগতে অসমে স্বাধীনতা লাভ কৰাৰ মাত্ৰ দুকুৰি চাৰি বছৰহে হৈছে। অৰ্থাৎ বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা সংগ্ৰামী সকলৰ দুঃখ ভাগৰ নৌ-মৰোতেই আৰু সেই সকলৰ বুজন সংখ্যকে মাটিত হাড় পেলাবলৈ বাকী থাকোতেই, স্বাধীনতা প্ৰাপ্তিৰ দুকুৰি চাৰি বছৰৰ ভিৰতেই অসমৰ বাবে পুনৰ স্বাধীনতাৰ দাবী পুনৰ স্বাধীনতাৰ প্ৰশ্ন। অইনৰ কথা বাদেই, অসমৰ চাবেক অসমীয়া মানুহখিনিৰ কাৰণেই কথাটো অবাস্তৱ অবান্তৰ যেন অনুভূত হোৱাটো পৰিলক্ষিত হৈছে।

স্বাধীনতাৰ প্ৰশ্নটোৰ সৈতে জন-সাধাৰণৰ সেই বিষয়ক মানসিক প্ৰস্তুতিৰ প্ৰশ্নটোও জড়িত হৈ আছে। জড়িত হৈ আছে ঐতিহাসিক সাংস্কৃতিক বৈশিষ্ট্য আৰু বৈচিত্ৰ্যৰে ঐতিহ্যমণ্ডিত সুপ্ৰাচীন আৰু স্বাধীন ভাৰতবৰ্ষৰ পৰা ওলাই আহি স্বাধীন অসম গঢ়িবলৈ জনসাধাৰণৰ প্ৰবণতা কিমান গভীৰ আৰু শক্তিশালী তাৰ সৈতেও।

নিজৰ দেশৰ প্ৰতি ভালপোৱা এক সৰ্বজনীন অনুভূতি। নিজৰ দেশৰ প্ৰতি ভালপোৱা আৰু দেশপ্ৰেমে যুগে যুগে মানুহক বলিয়া কৰি আহিছে, উদ্বাউল কৰি আহিছে নিজৰ প্ৰাণ দি হ'লেও দেশৰ অখণ্ডতা দেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ অনবৰত আৰু অবিৰতভাবে। বিশ্ববৰেণ্য নাট্যকাৰ ৰাজনীতি বৰ্জিত উইলিয়াম ছেক্সপিয়েৰেও আনকি মাতৃভূমি ইংলণ্ডৰ প্ৰতি তেওঁৰ অকৃপণ ভালপোৱা প্ৰকাশ কৰিছে। "কিং জন"ত (King John) পঞ্চম হেনৰীৰ সংলাপৰ মাধ্যমে তেওঁ গৰ্বেৰে কৈছে;

"Come the three corners of the world
in arms,
And we shall shock them. Nought
shall make us rue,
If England to itself do rest but true."

আমাৰ অসমীয়া কবি নলিনীবালা দেৱীয়েও "জনমভূমিত" কৈছে;

"মেলিলো প্ৰথম চকু তোমাৰ কোলাতে
আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু তোমাৰ কোলাতে আই
জীৱনৰ শেষ সন্ধিয়াত।
X X X
দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।"

(২)

দেশপ্ৰেমৰ দৰে স্বাধীনতাৰ ধাৰণাটোও সদায়েই সাৰ্বজনীন। কাজেই জনসমৰ্থন অবিহনে স্বাধীনতাৰ প্ৰশ্ন মীমাংসা বা স্বাধীনতাৰ দাবী বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱ নহয়। ব্যাপক জন সমৰ্থনৰ ভিত্তিতহে বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে সাফল্য লাভ কৰিছিল। বৃটিছে জাপি দিয়া পৰাধীনতাৰ গ্লানি তথা দাসত্বৰ কালিমা আৰু তাৰ বিপৰীতে ভাৰতীয় জনগণৰ মানৱীয় মৰ্যাদা আহৰণৰ আকাংক্ষা আৰু সাম্ৰাজ্যবাদী শোষণ মুক্তিৰ তীব্ৰ তাগিদাই ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনক এটি তাত্ত্বিক ভিত্তি প্ৰদান কৰিছিল। বৃটিছ আমোলত স্বাধীনতা আন্দোলনৰ তাত্ত্বিক ভিত্তি প্ৰস্তুতকৰণ আন্দোলনৰ সংগঠন আৰু অগ্ৰগতি আৰু জাতি গঠনৰ প্ৰক্ৰিয়া– এই সকলো বিলাক কামেই সমসাময়িক আৰু সমান্তৰাল ভাবেই আৰম্ভ হৈছিল, চলিছিল। কাজেই বৰ্তমানৰ যুগত জন্মসূত্ৰেই অসম ভাৰতৰ অন্যান্য ৰাজ্যৰ অভিন্ন ভগ্নী, সহোদৰা।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসৰ অধ্যয়নৰ পৰা এইটো পৰিস্ফুট হৈছে যে এই আন্দোলন মূলতঃ চাৰিটা প্ৰধান স্তৰৰ মাজেৰে আগবাঢ়িছিল; প্ৰথমটো আছিল ধৰ্মীয় জাতীয়তাবাদৰ স্তৰ, দ্বিতীয়টো অৰ্থনৈতিক জাতীয়তাবাদৰ স্তৰ, তৃতীয়টো বলপূৰ্বক জাতীয়তাবাদ (militant nationalism) আৰু চতুৰ্থ তথা সৰ্বশেষটো আছিল বুৰ্জোৱা জাতীয়তাবাদ। প্ৰথম স্তৰটো ৰাজা ৰামমোহন ৰায়ৰ পৰা মহাদেৱ গোবিন্দ ৰাণাডে লৈ, দ্বিতীয়টো দাদা ভাই নৌৰজীৰ পৰা উইলিয়াম ডিগ্‌বী ৰমেশ চন্দ্ৰ দত্ত লৈ (১৯০৫ চনলৈ), তৃতীয়টো ১৯০৫ চনৰ বংগভংগ বিৰোধী আন্দোলনৰ পৰা তিলকৰ মৃত্যুলৈ (১৯২০) আৰু চতুৰ্থটো ১৯২০-ৰ পৰা ১৯৪৭ চনলৈ।

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে শেষৰ স্তৰটোত মাৰ্ক্সীয় মতাদৰ্শ তথা সমাজবাদী আদৰ্শ আৰু ৰুচ বিপ্লৱৰ শিক্ষায়ো ভাৰতীয় স্বাধীনতা সংগ্ৰামক তাত্ত্বিক দিশত শক্তিশালী কৰি তুলিছিল। পিতা-পুত্ৰ মতিলাল-জৱাহৰলাল ৰুচ বিপ্লৱৰ দশম বাৰ্ষিকীত ৰুচ দেশত পদাৰ্পণ আৰু শেষৰজনে ৰুচ বিপ্লৱৰ সাফল্যৰ প্ৰতি আলোকপাত কৰি লিখা মন্তব্যই স্বাধীনতা আন্দোলনৰ উত্তৰণত বিশেষ অৰিহণা যোগাইছিল। আনহাতে প্ৰায় সমসাময়িক ভাবে (১৯৩০) কবিগুৰু ৰবীন্দ্ৰ নাথৰ "ৰাচিয়াৰ চিঠি"ত লিপিবদ্ধ ৰুচ বিপ্লৱৰ প্ৰশংসায়ো ভাৰতবৰ্ষত বৃটিছ বিৰোধী স্বাধীনতা সংগ্ৰামত লাগনি খৰি ৰূপে কাম কৰিছিল।

প্ৰথম বিশ্বযুদ্ধৰ সময়ৰ পৰাই বিপুল সম্পত্তিৰ তথা পুঁজিৰ অধিকাৰী হোৱা আৰু সেই বিলাকৰ বিনিয়োগৰ জৰিয়তে দেশৰ শিল্প আৰু বাণিজ্যত নিজ আধিপত্য বিস্তাৰৰ আকাংক্ষাত মত্ত হৈ পৰা ভাৰতীয় পুঁজিপতি শ্ৰেণীটোৱেও এই স্তৰটোতেই স্বাধীনতা আন্দোলনৰ শৰিকদাৰত পৰিণত হয়।

দেশৰ স্বাধীনতা কামী ভাৰতীয় জনগণৰ বৃটিছ সাম্ৰাজ্যবাদী শোষণ বিৰোধী মানসিকতা আৰু তৎ সৃষ্টি ৰাজনৈতিক চেতনা আছিল পৈণত আৰু তাত্ত্বিক দিশৰ পৰা আন্দোলনৰ/সংগ্ৰামৰ এক মহাস্ত্ৰ। বৃটিছ আমোলত ভাৰতীয় জাতীয়তাবাদ সাম্ৰাজ্যবাদ বিৰোধী হোৱাৰ লগতে ভাৰতৰ বিভিন্ন জাতি সত্তা সমূহৰ একত্ৰীকৰণৰ এক শক্তিশালী হাতিয়াৰ হিচাপেও কাম কৰিছিল; অৰ্থাৎ ই আছিল এক Strong unifying and integrating force.

(৩)

এইখিনিতে এটি কথা উল্লেখ কৰিব পাৰি যে প্ৰাক-স্বাধীন ভাৰতবৰ্ষৰ দৰে অসমৰ ভৌগোলিক-ৰাজনৈতিক মানচিত্ৰ-খনৰ স্ৰষ্টাও বৃটিছেই আছিল। আৰু ইয়াণ্ডাবু সন্ধি নামৰ ঐতিহাসিক সময়সীমা ৰেখা ডালৰ পূৰ্বে অসম যে সদায়েই স্বাধীন আছিল সেইটোও নহয়। বৃটিছে অসমৰ অধিকাৰ হস্তগত কৰাৰ প্ৰাক-মুহূৰ্তত ১৮১৯-২৬ চনৰ সময়ছোৱাত অসম তথা আহোম ৰাজ্যখন ব্ৰহ্মদেশৰ পদানত আছিল। ব্ৰহ্মদেশৰ বিৰুদ্ধে সামৰিক বিজয়ৰ জৰিয়তে বৃটিছে অসম তথা আহোম ৰাজ্যখনৰ ওপৰত নিজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিছিল।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইংৰাজ আৰু ব্ৰহ্মদেশৰ মাজত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুসাৰে তৎকালেই কাৰ্যকৰী হোৱাকৈ ব্ৰহ্মদেশে নিজ দেশৰ দুখন প্ৰদেশ আৰাকান আৰু টেনাছেৰিম বৃটিছক এৰি দিছিল, মণিপুৰক স্বাধীন দেশ ৰূপে স্বীকৃতি দিছিল আৰু আহোম ৰাজ্য (অসম) আৰু কাছাৰৰ ওপৰত থকা সিহঁতৰ অধিকাৰ প্ৰত্যাহাৰ কৰিছিল। অৰ্থাৎ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে 'punishment to the Vanquished and spoiles to the victor' এই নীতিকে সাব্যস্ত কৰা হৈছিল।

স্বাধীনোত্তৰ কালৰ অসমৰ গোৱাল-পাৰা জিলাখন পূৰ্বতে ১৬৩৯ চনৰ পৰাই পোনতে মোগলৰ অধীন 'বেংগল চুবা'ৰ আৰু পিছত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেংগল প্ৰেচিডেঞ্চীৰ অন্তৰ্ভুক্ত আছিল। প্ৰথম ইংগ-বৰ্মী যুদ্ধৰ (১৮২৪-২৬) প্ৰায় দহ বছৰ আগতেই (১৮১৬) ইংৰাজে গাৰো পাহাৰ অঞ্চল বেংগল প্ৰেচিডেঞ্চীৰ অংগত পৰিণত কৰিছিল। আৰু প্ৰথম ইংগ-বৰ্মী যুদ্ধৰ সময়ৰ পৰাই ইংৰাজে বেংগল প্ৰেচিডেঞ্চীৰ উত্তৰ-পূব সীমান্তত তেওঁলোকৰ ৰাজ্য বিস্তাৰ আৰু অধিগ্ৰহণৰ নীতি আৰু কাৰ্য অত্যন্ত নিয়াৰীকৈ আৰু সণ্চালনিকৈ চলাই গৈছিল। তেওঁলোকে পদানত কৰা জাতি জনগোষ্ঠী আৰু ৰাজ্যক্ষেত্ৰ সমূহ নিম্নৰূপ;

| | |
|---|---|
| নামনি অসম | ১৮২৪-২৬ |
| খাচি পাহাৰ | ১৮১৯-৬৬ |
| জয়ন্তীয়া পাহাৰ | ১৮৩২ |
| সদিয়া | ১৮৩৫ |
| উজনি অসম | ১৮৩৮ |
| মটক ৰাজ্য | ১৮৪২ |
| কাছাৰ | ১৮৩০-৫৩ |
| অৰুণাচল প্ৰদেশ, অঁকা | ১৮৪২ |
| অৰুণাচল প্ৰদেশ ডফলা | ১৮৫২-৭৫ |
| অৰুণাচল প্ৰদেশ আবৰ | ১৮৬২ |
| অৰুণাচল প্ৰদেশ নাগা | ১৮৩৫-৭৮ |
| উত্তৰ কাছাৰ পাহাৰ | ১৮১৯-৫৪ |
| কাৰ্বি আংলং (মিকিৰ পাৰাৰ) | ১৮৩৪ |
| মিজোৰাম (লুচাই পাহাৰ) | ১৮৪৯-৮৯ |

ইয়াৰ পৰা এইটো পৰিষ্কাৰ হৈ পৰিছে যে বৃটিছে ১৮২৪ চনৰ পৰা ১৮৮৯ চনৰ সময়ছোৱাত বৰ্তমানৰ ভাৰতবৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ এক আগ্ৰাসী নীতিৰে আহোম ৰাজ্য আৰু তাৰ আশে পাশে থকা সমুদায় ৰাজ্য আৰু জনগোষ্ঠী সমূহক পৰাভূত কৰি প্ৰথমতে বেংগল প্ৰেচিডেঞ্চীৰ তলতে এক বৃহৎ বৃটিছ ৰাজ্য ক্ষেত্ৰৰ সৃষ্টি কৰি লৈছিল। তেতিয়াৰ অসমৰ ভৌগোলিক আৰু বৃটিছ ৰাজনৈতিক পৰিক্ৰমাৰ ভিতৰত থকা এই ৰাজ্য ক্ষেত্ৰক নিশ্চয় 'বৃটিছ অসম' বুলি ক'ব পাৰি।

সি যি কি নহওক, ১৮৭৪ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে বৃটিছ-ভাৰত চৰকাৰে জাৰি কৰা এটি ঘোষণাৰ জৰিয়তে অসমক (বেংগল প্ৰেচিডেঞ্চীৰ পৰা নিলগাই আনি সেই চনৰে ১লা এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ) এখন চিফ কমিছনাৰৰ শাসনাধীন প্ৰদেশ ৰূপে পুনৰ গঠিত কৰা হয়। ঘোষণা মতে এই পুনৰ গঠিত চিফ কমিছনাৰৰ শাসনাধীন প্ৰদেশখনে সামৰি লোৱা জিলা/অঞ্চল সমূহ আছিল– গোৱালপাৰা, কামৰূপ, দৰং, নগাওঁ, শিৱসাগৰ, লক্ষ্মীমপুৰ, কাছাৰ, গাৰো পাহাৰ, খাচীয়া জয়ন্তীয়া পাহাৰ আৰু নাগা পাহাৰ। ইয়াৰ পৰবৰ্তী কালত অইন কেইটামান চৰকাৰী ঘোষণাৰ জৰিয়তে অন্যান্য জিলা তথা অঞ্চল কেইটামানো অসমৰ অন্তৰ্ভুক্ত কৰা হয়; যথা, ১৮৭৪ চনৰ ২২ ছেপ্তেম্বৰৰ ঘোষণা মৰ্মে শ্ৰীহট্ট, ১৮৯৫ চনৰ ৬ ছেপ্তেম্বৰৰ ঘোষণা মৰ্মে উত্তৰ লুচাই পাহাৰ আৰু ১৮৯৮ চনৰ ১লা এপ্ৰিল তাৰিখৰ ঘোষণা মৰ্মে দক্ষিণ লুচাই পাহাৰ আদি।

১৯০৩-০৫ চনৰ বৰলাট কাৰ্জনৰ বংগভংগ আঁচনি মৰ্মে সুবিশাল বেংগল প্ৰেচিডেঞ্চীৰ পৰা ১৫খন জিলা আঁতৰাই আনি অসমৰ সৈতে সাঙুৰি দি ১৯০৫ চনৰ ১৬ অক্টোবৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ "পূৰ্ববংগ আৰু অসম" নামেৰে এখন নতুন প্ৰদেশ গঠন কৰা হয়। অৰ্থাৎ এই আঁচনিৰ জৰিয়তে বৰ্তমানৰ পশ্চিম বংগৰ জলপাইগুৰি আৰু মালদহ জিলা দুখন সহ অধুনালুপ্ত পূৰ্ব পাকিস্তান তথা বৰ্তমানৰ স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ বাংলাদেশৰ সৈতে অসমক সাঙুৰি দি এই নতুন প্ৰদেশ "পূৰ্ববংগ আৰু অসম"ৰ সৃষ্টি কৰা হৈছিল। অৱশ্যে তীব্ৰ গণ বিক্ষোভ আৰু আন্দোলনৰ পৰিপ্ৰেক্ষিতত বৃটিছ চৰকাৰে ১৯১২ চনত এই ব্যৱস্থা বাতিল কৰাত বংগদেশ আৰু অসমে পূৰ্বৰ মৰ্যাদা পুনৰ লাভ কৰে।

১৯৪৭ চনৰ জুলাই মাহত অনুষ্ঠিত গণভোটত শ্ৰীহট্টৰ ৫৬.৬ শতাংশ লোকে পাকিস্তানৰ সৈতে অন্তৰ্ভুক্তিৰ সপক্ষে ভোট দিয়াত দেশে স্বাধীনতা পোৱাৰ লগে লগে শ্ৰীহট্ট (পূৰ্ব) পাকিস্তানৰ অংগীভূত হৈ পৰিল। গণভোটত শ্ৰীহট্টৰ ৪৩.৪ শতাংশ লোকে (অসমৰ) ভাৰতৰ সৈতে অন্তৰ্ভুক্তিৰ সপক্ষে ভোট দিছিল।

(৪)

বৃটিছৰ আমোলত অসমৰ ভৌগোলিক ৰাজনৈতিক সীমাৰেখা পৰিসীমাৰ ৰদ-বদল তথা সাল-সলনিয়ে আৰু সংযোজন-বিয়োজনে অসমৰ জন গাঁথনিক এক বিচিত্ৰতা দান কৰাৰ লগতে ইয়াক এক ৰাজনৈতিক সামাজিক জটিলতাও প্ৰদান কৰিছিল। এই ব্যৱস্থাই তথা প্ৰক্ৰিয়াই অসমৰ জনগোষ্ঠী কেন্দ্ৰিক ভাষিক সাংস্কৃতিক ধৰ্মীয় 'homogencity' বিধ্বস্ত কৰিছে। অৱশ্যে এইটো পুঁজিবাদৰ বিকাশৰ লগে লগে প্ৰায় সকলো দেশতেই হৈছে বা হৈছিল। বৃটিছ আমোলত তীব্ৰ সাম্ৰাজ্যবাদী শোষণত পিষ্ট-ক্লিষ্ট নিপীড়িত এই জাতি জনগোষ্ঠী সমূহৰ অৰ্থনৈতিক জীৱন ধাৰা সম্পূৰ্ণ ৰূপে বিধ্বস্ত হৈ পৰিছিল। স্বাধীনোত্তৰ কালত পুঁজিবাদী ব্যৱস্থাৰ অৱধাৰিত পৰিণতি স্বৰূপে এই সমুদায়

OKDISCD

অঞ্চলৰ জনসাধাৰণৰ আৰ্থ-ৰাজনৈতিক আৰু আৰ্থ-সামাজিক জীৱনবোধৰ কোনো গুণগত পৰিবৰ্তন নোহোৱাত আৰ্থ-সামাজিক আৰু আৰ্থ-ৰাজনৈতিক সংগঠন আৰু সংঘৰ্ষৰ পৰিসৰ আৰু তীব্ৰতা বৃদ্ধি পায়। ফলত ভাষিক সামাজিক গোষ্ঠীগত সংঘৰ্ষ স্বাধীনোত্তৰ অসমৰ সমাজ জীৱনৰ এক এৰাব নোৱৰা ঘটনা তথা পৰম্পৰাত পৰিণত হৈছে।

এই সমস্যা বিলাকৰ সমাধান বিচাৰি কেতিয়াবা পৃথক জিলা, কেতিয়াবা পৃথক ৰাজ্য আৰু কেতিয়াবা স্বাধীন দেশ তথা ৰাষ্ট্ৰৰ কথা ভবা হৈছে আৰু সেই দিশত ৰাজনৈতিক আন্দোলনো সংগঠিত কৰা হৈছিল আৰু এই প্ৰক্ৰিয়া এতিয়াও অব্যাহত ভাবে চলি আছে।

দেশে স্বাধীনতা লাভ কৰাৰ প্ৰায় দুবছৰমানৰ আগতে অসমৰ টাই আহোম মংগোলীয় জনগোষ্ঠী সমূহৰ কেইজনমান নেতাই ভাৰতবৰ্ষৰ পৰা বৃটিছৰ প্ৰত্যাবৰ্তনৰ পৰিপ্ৰেক্ষিতত অসমক পৃথকে স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ ৰূপে ৰখাৰ এটি সামান্য উকমুকনি চলাইছিল। সেই নেতা সকলে বিশেষকৈ এল খাৰিন, পদ্মেশ্বৰ গগৈ, মেকডোনাল্ড কোংগৰ, খোংফাই আদিয়ে ১৯৪৫ চনৰ মাৰ্চ মাহত তেতিয়াৰ বৃটিছ অসমৰ ৰাজধানী শ্বিলং চহৰত "Assam Tribes and Races Federadion" গঠন কৰিবলৈ পতা অভিবৰ্তনত অসমৰ স্বাধীনতাৰ প্ৰশ্নটো উত্থাপিত আৰু আলোচিত হৈছিল। পদ্মেশ্বৰ গগৈয়ে উত্থাপন কৰা প্ৰস্তাৱটোত কোৱা হৈছিল; "In view of the fact that the past history of Assam proper being never like that of the rest of India, this convention......... urge upon Government that Assam be separated from the rest of India, where, there are a number of divisions like, Pakistan, Hindustan, etc. and let Assam's destiny be guided by the people of Assam".

শ্বিলং অভিবৰ্তনত উত্থাপিত এই প্ৰস্তাৱৰ প্ৰতি সেই বছৰৰে এপ্ৰিল আৰু মে' মাহত যথাক্ৰমে মংগলদৈ আৰু শিৱসাগৰত অনুষ্ঠিত "সদৌ অসম ভৈয়াম জনজাতি লীগ" আৰু কছাৰী সন্মিলনে সমৰ্থন জনাইছিল। বিশেষকৈ এই দুই সংগঠনৰ নেতা যথাক্ৰমে ৰবিচন্দ্ৰ কছাৰী আৰু সীতানাথ ব্ৰহ্মচৌধুৰীয়ে এই দিশত বিশেষ ভূমিকা লৈছিল। কিন্তু পাহাৰ-ভৈয়ামৰ যুৱ ছাত্ৰ সকলে অসমক ভাৰবৰ্ষৰ পৰা আঁতৰাই বৃটিছ আমোলৰ পৰা স্বাধীন কৰাৰ নীতিৰ বিৰোধিতা কৰিছিল। "All Assam Hills and Plains Tribal Students' Sanmilan"ৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে যোগেন্দ্ৰনাথ হাজৰিকা আৰু ছত্ৰসিং টেৰণে ভাৰতৰ অংগৰাজ্য হিচাপেই অসমৰ স্বাধীনতাৰ দাবী কৰি স্বায়ত্ত শাসনৰ পোষকতা কৰিছিল।

দেশে স্বাধীনতা প্ৰাপ্তিৰ ঠিক দুবছৰৰ আগতে এইদৰে ভাৰতৰ পৰা পৃথকাই অসমৰ স্বাধীনতাৰ বাবে উত্থাপিত প্ৰশ্ন তথা দাবীৰ পৰিপ্ৰেক্ষিতত বুৰঞ্জীবিদ অধ্যাপক ৰমেশ কলিতাই লিখিছিল; "ভাৰতৰ পৰা অসমৰ ৰাজনৈতিক পৃথকীকৰণ তথা সুকীয়া ৰাষ্ট্ৰীয় সত্তাৰ বাবে এই সকল ব্যক্তিয়ে আগবঢ়োৱা যুক্তিৰ মূল ভিত্তি আছিল বৃটিছ আগমনৰ আগলৈকে অসমে লাভ কৰি থকা স্বাধীনতা। শ শ বছৰ ধৰি বিভিন্ন জাতি সত্তা তথা মানৱ গোষ্ঠীৰ মাজত সামাজিক আৰু সাংস্কৃতিক জীৱনধাৰা আৰু মানৱীয় মূল্যবোধৰ জৰিয়তে মহাভাৰত ৰামায়ণৰ যুগৰ পৰাই ভাৰতবৰ্ষৰ লগত অসমৰ যি সাংস্কৃতিক যোগসূত্ৰ তথা আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল তাক শতিকাজোৰা সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতাকামী জনতাৰ নিৰৱচ্ছিন্ন সংগ্ৰামে স্বাধীনতাৰ পথ সুগম কৰাৰ লগতে ভাৰতীয় মহাজাতীয় ঐক্য গঢ়ি তোলাতো সহায়ক ভূমিকা লৈছিল। এই সাম্ৰাজ্যবাদ বিৰোধী মহাজাতীয় ঐক্যইহে যে ভাৰতীয় নিপীড়িত জাতি সমূহৰ মুক্তিৰ পূৰ্বচৰ্ত তাক উপলব্ধি কৰিবলৈ নোৱাৰিহে খোংফাই-গগৈ সকলে মহা ভাৰতীয় মহাজাতীয় ঐক্যত ফাট মেলাবলৈ চেষ্টা কৰিছিল।"

এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে এই সময়ছোৱাতেই ভাৰতবৰ্ষত থকা বৃটিছ আমোলা বিষয়া সকলেও নিজৰ সাম্ৰাজ্যিক ঔপনিবেশিক স্বাৰ্থ অক্ষুণ্ণ ৰখাৰ অভিপ্ৰায়েৰে অসম আৰু ব্ৰহ্মদেশৰ পাৰ্বত্য এলেকা সমূহক সামৰি লৈ বৃটিছ ৰাজ মুকুটৰ প্ৰত্যক্ষ শাসনৰ তলতে এখন "ৰাজকীয় উপনিবেশ" (Crown Colony) গঢ়ি তোলাৰ চেষ্টা চলাইছিল। অৱশ্যে গগৈ খোংফাইহঁতৰ আঁচনিৰ দৰে এই আঁচনিও ব্যৰ্থতাত পৰ্যবসিত হৈছিল।

সি যি কি নহয়ক, স্বাধীনোত্তৰ কালত 'বৃটিছ অসম'ৰ ভিতৰতেই অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেন্ড, মিজোৰাম আদি নতুন নতুন ৰাজ্য সৃষ্টি কৰা হৈছে। ষাঠিৰ দশকৰ শেষ আৰু সত্তৰৰ দশকৰ আৰম্ভণিতে গঠিত হোৱা উজনি অসম টাই আহোম ৰাজ্য পৰিষদৰ যোগে উজনি অসমত এখন পৃথক আহোম ৰাজ্য গঠনৰ যো-জা চলাইছিল। তাৰ পাছত "Plains Tribal Council of Assam"ৰ ফালৰ পৰা নামনি অসমত "উদয়াচল" আৰু কোঁচ ৰাজবংশী সকলৰ দ্বাৰা "কমতাপুৰ" ৰাজ্য গঠনৰ দাবী আৰু আন্দোলন চেগাচোৰোকাকৈ চলি আহিছে। অসম আন্দোলনৰ মাজেৰেই সদৌ অসম ছাত্ৰ সংস্থা আৰু তাৰ সমগোত্ৰীয় সংগঠনৰ নেতা সকলে ১৯৮৫-ৰ ডিচেম্বৰৰ নিৰ্বাচনৰ যোগে দিছপুৰত ক্ষমতা দখল কৰাৰ পিছৰ পৰাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বড়োসকলৰ বাবে "বড়োলেন্ড" নামে এখন সুকীয়া গৃহভূমি আৰু কাৰ্বি আংলং আৰু উত্তৰ-কাছাৰ পাৰ্বত্য অঞ্চলক লৈ কাৰ্বি সকলৰ বাবে সুকীয়া গৃহভূমিৰ দাবীত পৃথক পৃথক ভাবে আৰু সুকীয়াকৈ জোৰদাৰ ৰাজনৈতিক কাম-কাজ আন্দোলন আদি চলি আহিছে। All Bodo Student's Union, Bodo Volunteer Force, Bodo people's Action Committee, Bodo Sahitya Sabha আদিয়ে বড়োলেন্ডৰ আৰু Autonomous State Demand Committee-য়ে কাৰ্বি সকলৰ বাবে সুকীয়া গৃহভূমি তথা অসমৰ পৰা পৃথক ৰাজ্য গঠনৰ দাবী কৰি ৰাজনৈতিক আন্দোলনৰ নেতৃত্ব দিছে আৰু বিগত অসম বিধান সভাৰ নিৰ্বাচনত (জুন, ১৯৯১) সেই দাবীৰ সমৰ্থনত প্ৰাৰ্থী থিয় কৰাই নিজ নিজ এলেকাত নিজৰ ৰাজনৈতিক স্থিতিৰ সাক্ষ্য প্ৰমাণ স্বৰূপে প্ৰাৰ্থী নিৰ্বাচিত কৰি অভিলেখ স্থাপন কৰিছে। এই জনগোষ্ঠী সমূহৰ পৃথকত্ববাদী দাবী তথা সুকীয়া ৰাজ্য গঠনৰ আকাংক্ষা যদি কেনেবাকৈ বাস্তৱায়িত হয় তেনেহলে অদূৰ ভৱিষ্যতত ইয়ান্ডাবু সন্ধিৰ চৰ্ত মতে বৃটিছে (১৮২৬-৩৮ চনৰ ভিতৰত) যিখন আহোম ৰাজ্য দখল কৰিছিল তাতকৈও অত্যন্ত ক্ষুদ্ৰাকৃতিৰ এখন ভূখন্ডহে 'অসমীয়া" সকলৰ হাতত তথা দখলত থাকিব। অদৃষ্টৰ কি কৰুণ পৰিহাস যে ইয়ান্ডাবু সন্ধিৰ জৰিয়তে বৃটিছে যিখন আহোম ৰাজ্য (অসম) সিও গোৱালপাৰা জিলাখনক বাদ দি লাভ কৰিছিল, (নাগালেন্ড, মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম পৃথক ৰাজ্য ৰূপে আঁতৰি যোৱাত) আজিও সেই ভূখন্ডই অসমীয়া সকলৰ দখলত সীমিত হৈ ৰৈছেগৈ।



অদ্য পৰিমিত স্বাধীনোত্তৰ কালৰ অসমৰ ৰাজনৈতিক ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো হ'ল আল্‌ফাৰ সাম্প্ৰতিক অভ্যুত্থান আৰু সেই সংগঠনৰ দ্বাৰা সাৰ্বভৌম স্বাধীন অসমৰ দাবী। অৱশ্যে অসম আন্দোলনৰ (১৯৭৯-৮৫) জন্ম লগ্নৰে পৰা আন্দোলনৰ একাংশ নেতাই অসমৰ পৰা প্ৰায় ৪৫-৭৭ লাখ বিদেশী বাংলাদেশী নেপালী প্ৰব্ৰজনকাৰীক বিতাড়ণ কৰাৰ দাবীৰ সমান্তৰাল ভাবেই আৰু খুব সংগোপনে অসমৰ স্বাধীনতাৰ আঁচনিকো কাৰ্যকৰী কৰাৰ চেষ্টা চলাই আহিছে বুলি বহুতে অভিযোগ কৰি অহাটো তাৎপৰ্যপূৰ্ণ কথা। এই ক্ষেত্ৰত তেওঁলোকৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ CIA-ৰ দ্বাৰা প্ৰস্তুত কৰা "Project Brahmaputra"-ৰ কথাও উল্লেখ কৰাটো আছিল এক বিশেষ গুৰুত্বপূৰ্ণ ঘটনা। ইয়াৰ লগতে ১৯৭৭ চনতে নিবাৰণ বৰাই উত্থাপন কৰা থিচিচ্ "দিল্লী বনাম দিছপুৰ আৰু ইছলামাবাদ বনাম ঢাকা"ৰ কথাও উনুকিয়াব পাৰি। ১৯৭৭ চনতে শ্ৰীযুত হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত "সাদিনীয়া নাগৰিক" কাকতত প্ৰকাশিত উক্ত প্ৰবন্ধ লানিৰ জৰিয়তে পাকিস্তানৰ কবলৰ পৰা বাংলাদেশ স্বাধীন হোৱাৰ আৰ্হিত ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰি অসমকো সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ ৰূপে সৃষ্টি কৰাৰ পোষকতা কৰা হৈছিল।

(৫)

সি যি কি নহওক, সাম্প্ৰতিক অসমৰ এই ৰাজনৈতিক জটিলতাৰ পৰিপ্ৰেক্ষিতত বিশ্ব ৰাজনীতিৰ দ্ৰুত পৰিবৰ্তনশীল ঘটনা প্ৰবাহ তথা দৃশ্য পৰ্বৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাটোও সমানেই প্ৰয়োজনীয়। দ্বিতীয় বিশ্ব মহাৰণৰ সামৰণিৰ প্ৰায় ৪৫ বছৰ পিছত যোৱা বছৰ (১৯৯০) পূব জাৰ্মানী আৰু পশ্চিম জাৰ্মানী পুনৰ একত্ৰিত হৈ পৰিছে। এই ঘটনাত বিশ্বৰ সমগ্ৰ পুঁজিবাদী দেশতে আনন্দৰ লহৰ বাগৰি গৈছিল, কাৰণ এই একত্ৰীকৰণৰ যোগে বিশ্বৰ পুঁজিবাদী সাম্ৰাজ্যবাদী দেশ সমূহৰেই বিজয় সূচীত হৈছিল। চলিত বছৰৰ মাজভাগত যেতিয়া ছোভিয়েত ৰাচিয়াও প্ৰায় ৭৪ বছৰৰ পাছত সমাজবাদৰ পথ পৰিত্যাগ কৰি পুঁজিবাদী পথ গ্ৰহণ কৰিলে তেতিয়াও দেখা গ'ল মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু গ্ৰেট বৃটেইনকে আদি কৰি বিশ্বৰ সমগ্ৰ পুঁজিবাদী-সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ আৰু দেশ উন্মত্ত উল্লাসত ফাটি পৰিছে। অৰ্থাৎ সেই দেশ সমূহ দুখন জাৰ্মানী এখন হোৱাতো আনন্দিত হৰ্ষোল্লাসত মত্ত আৰু সমাজবাদী চোভিয়েত ৰাষ্ট্ৰ দেশ ভাঙি থান-বান হোৱাতো আনন্দিত হৰ্ষোল্লাসত মত্ত। এই দুয়োটা ঘটনাতে পুঁজিবাদী সাম্ৰাজ্যবাদী স্বাৰ্থ নিহিত আছে।

এইখিনিতে আৰু এটি কথা উল্লেখ কৰিব পাৰি যে উপসাগৰীয় যুদ্ধৰ কিছু আগৰ পৰাই মাৰ্কিন যুক্তৰাষ্ট্ৰই আন্তৰাষ্ট্ৰীয় সংগঠন ৰাষ্ট্ৰসংঘক নিজৰ জমিদাৰীৰ পিয়দা-কটোৱাল চলোৱা দি চলাইছে। নিৰাপত্তা পৰিষদখনক নিজৰ দেশৰ আভ্যন্তৰীণ দপ্তৰ চলোৱা দি চলাইছে আৰু ফলস্বৰূপে অন্যান্য ক্ষুদ্ৰ আৰু অৰ্থনৈতিক ভাবে দুৰ্বল ৰাষ্ট্ৰ দুই এখনৰ প্ৰতিবাদো নিৰৰ্থক হৈ পৰিছে। দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ হিটলাৰৰ জাৰ্মানী আৰু এতিয়াৰ জৰ্জ বুশ্বৰ নেতৃত্বাধীন মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মইমতালি আৰু উদ্ধতালিৰ মাজত কোনো প্ৰাৰ্থক্য নোহোৱা হৈ পৰিছে। আনহাতে উপসাগৰীয় যুদ্ধ শেষ কৰি যোৱা মে' মাহৰ ভিতৰতে কেইবা হাজাৰো নৌ সেনাসহ মাৰ্কিন নৌবাহৰ এটি আহি চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ চট্টগ্ৰাম বন্দৰত থিতাপি লৈছেহি। ভাৰত মহাসাগৰৰ দিয়গো গাৰ্ছিয়াত ইতিমধ্যে ভালেমান বছৰৰ পৰাই এটি শক্তিশালী মাৰ্কিন সামৰিক ঘাটি আছেই।

কাজেই সাম্প্ৰতিক বিশ্ব ৰাজনীতিত মাৰ্কিন যুক্তৰাষ্ট্ৰকে আদি কৰি বিশ্বৰ পুঁজিবাদী সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ সমূহৰ আগ্ৰাসী তথা প্ৰভুত্বকাৰী ভূমিকাৰ পৰিপ্ৰেক্ষিতত অসমৰ স্বাধীনতাৰ দাবীয়ে অধিক জটিলতাৰ সৃষ্টি কৰিব পাৰে বুলি ভাবিবৰ যথেষ্ট অৱকাশ আছে। মনত ৰখা দৰ্কাৰ যে বিগত দেৰ/দুই বছৰৰ ভিতৰত অসম কেতিয়াও সাম্ৰাজ্যবাদী শক্তি সমূহৰ লুভীয়া দৃষ্টিৰ পৰা আঁতৰি যোৱা নাই। চাৰিওফালেৰে স্থল ভাগেৰে পৰিবেষ্টিত land locked অসমে যদি অদূৰ ভৱিষ্যতত কেতিয়াবা ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ ৰূপে পৰিগণিত হয়ও, তেনেহলে কেৱল সদায়েই আনৰ ওপৰত ভিক্ষাৰ জোলোঙা লৈহে জীয়াই থাকিব লাগিব।

(৬)

অসমৰ স্বাধীনতাৰ দাবীৰ পিছপিনে জনসমৰ্থন আছে যেন মনে নধৰে। থকা হ'লে স্বাধীনতাৰ দাবী তোলা সংগঠনটোৱে কেতিয়াও গুপ্ত হত্যা, অপহৰণ, সন্ত্ৰাস, বলপূৰ্বক ধন সংগ্ৰহৰ পথ বাছি নললেহেঁতেন। পৃথিৱীৰ কোনো দেশৰে স্বাধীনতা সংগ্ৰামীয়ে সেইটো কৰাৰ প্ৰমাণ ইতিহাসত নাই। কেৱল বাৰে বাৰে সামৰিক বাহিনীৰ ধৰ্ষণ কাৰ্য অত্যাচাৰ নিপীড়ন নিৰ্যাতনৰ কাহিনী– যিমানেই নিৰ্মম আৰু অমানৱীয় নহওক কিয় প্ৰচাৰ কৰি স্বাধীনতাৰ দাবীটো জনসাধাৰণৰ বাবে গ্ৰহণযোগ্য কৰিব পৰা নাযায়। ৰাজনৈতিক আন্দোলনৰ বাবে স্বাধীনতা সংগ্ৰামৰতো কথাই নাই– ব্যাপক জনসাধাৰণৰ সমৰ্থন লাখ লাখ মানুহৰ অংশ গ্ৰহণ নিতান্তই অপৰিহাৰ্য আৰু লাখ লাখ মানুহৰ অংশ গ্ৰহণৰ লগে লগেই ৰাজনীতিয়ে এটি গুৰুত্বপূৰ্ণ মোৰ লয়। ভিন্ন প্ৰসংগত ক'লেও লেনিনৰ এষাৰ কথা এইখিনিতে যথাৰ্থ ভাবেই প্ৰণিধানযোগ্য; "Politics begin where the masses are; not where there are thousands, but where there are millions, that is where serious politics begin."

নেতা সৰ্বস্ব দল বা ৰাজনৈতিক আন্দোলন আৰু সন্ত্ৰাসবাদে জনসাধাৰণৰ মনত সংশয়ৰ সৃষ্টি কৰে আৰু তাৰ দ্বাৰা তেওঁলোকক ৰাজনৈতিক কাম-কাজৰ প্ৰতি অনীহা নিৰাসক্ত কৰি তোলে। অসমৰ ব্যাপক জনসাধাৰণে অসমৰ স্বাধীনতা বিচাৰিছে নে নাই সেই কথাটো বিচাৰ বিশ্লেষণ নকৰাকৈ নতুবা ব্যাপক জনসাধাৰণে ভাৰতৰ পৰা অসমৰ স্বাধীনতা বিচাৰিছে বুলি "ধৰি"লৈ আন্দোলন বা সংগ্ৰাম কৰিলে হব পৰা বিপদ বা ক্ষতি সম্পৰ্কে ১৯৪৮-৫১ চনৰ ভাৰতৰ অবিভক্ত কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত চলা Telangana People Struggle আৰু সেই সময়তেই অসমত RCPI আৰু CPI-ৰ নেতৃত্বত চলা অসমৰ কৃষক বিদ্ৰোহ আৰু শেহতীয়াকৈ ১৯৬৬-৭২ চনৰ নক্সাল আন্দোলনৰ ইতিহাসে সুন্দৰকৈ দেখুৱাই থৈ গৈছে; এই ক্ষেত্ৰত ফিজোৰ নেতৃত্বত চলা নাগালেন্ডৰ আৰু লালদেংগাৰ নেতৃত্বত চলা মিজোৰামৰ স্বাধীনতা সংগ্ৰামৰ ব্যৰ্থ ইতিহাসৰ কথা নকলোৱেইবা।

পৰিশেষত, খ্যাতনামা ইতিহাসবিদ Edward Hellett Carr-ৰ এষাৰ কথাৰে এই নিবন্ধৰ সামৰণি মাৰিব বিচাৰিছো; "All effective movements have few leaders and a multitude of followers; but this does not meant that the multitude in not essential to their success. Numbers count in history." ■

# বিসম্বাদী ৰাজনীতিত অভ্যস্ত কেশৱ গগৈৰ সৈতে কোন আছিল?

হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছী মন্ত্ৰী সভাৰ চাৰিমাহ পূৰ নোহওঁতেই বিসম্বাদে গা কৰি উঠে। প্ৰায় অকলশৰীয়াকৈ এই বিসম্বাদৰ নেতৃত্ব দিয়ে বিসম্বাদ ৰাজনীতিত অভ্যস্ত বুলি জনাজাত মন্ত্ৰী কেশৱ চন্দ্ৰ গগৈয়ে।

এখন স্থানীয় দৈনিক ইংৰাজী কাকতৰ জৰিয়তে গগৈয়ে শইকীয়াৰ বিৰুদ্ধে ৰাজহুৱা ভাবে কেইবাটাও গুৰুতৰ অভিযোগ আনে। মুখ্য মন্ত্ৰী এজনৰ বিৰুদ্ধে নিজৰেই মন্ত্ৰী সভাৰ সতীৰ্থ এজনে এনেদৰে ৰাজহুৱা ভাবে অভিযোগ অনাটো কংগ্ৰেছী ৰাজনীতিত বিৰল ঘটনা। গগৈৰ মূল অভিযোগটো এয়ে আছিল যে শইকীয়াই স্বৈৰতান্ত্ৰিক নীতিৰে কেবিনেট মন্ত্ৰী সভাৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰে। কেবিনেট সিদ্ধান্তবোৰ লোৱাৰ আগে আগে তেওঁ কাৰো সৈতে এই বিষয়ে আলোচনা নকৰে। আনকি অসমত সেনা বাহিনী নিয়োগ কৰাৰ সন্দৰ্ভতো শইকীয়াই কেবিনেট মন্ত্ৰী সভাৰ সৈতে আলোচনা কৰা নাছিল।

কেবিনেট মন্ত্ৰী সভাৰ সদস্য এজনে মুখ্য মন্ত্ৰীৰ বিৰুদ্ধে এনেবোৰ ৰাজহুৱা ভাবে অভিযোগ উত্থাপন কৰাৰ লগে লগে স্বাভাৱিকতে ৰাজনৈতিক মহলত হৈ চৈ লাগি পৰে। বহুতেই ৰাজ্যখনৰ সংকটজনক পৰিস্থিতিত এই ঘটনাক কেন্দ্ৰ কৰি মন্ত্ৰী সভাখন ভাঙি পৰাৰ সম্ভাৱনা সম্পৰ্কে কোৱা-মেলা কৰে।

এক সংখ্যক কংগ্ৰেছী নেতাও এই ঘটনাক কেন্দ্ৰ কৰি উৎফুল্লিত হৈ উঠিছিল। জানিব পৰা মতে কংগ্ৰেছী বিধায়ক হিৰণ্য বৰা, ৰামেশ্বৰ ধানোৱাৰ আদিয়ে শইকীয়াৰ পতন অৱশ্যম্ভাৱী বুলি ধৰি লৈছিল। কেবিনেট মন্ত্ৰী গোলোক ৰাজবংশী, আনোৱাৰা টাইমুৰেও হেনো ভিতৰি ভিতৰি সন্তুষ্টি লাভ কৰিছিল। আচলতে অতি নগণ্য সংখ্যক কংগ্ৰেছী বিধায়কে শইকীয়াক নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে সুযোগ বিচাৰি আছিল। কিন্তু কোনেও প্ৰকাশ্যে শইকীয়াৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিবলৈ সাহস কৰিব পৰা নাছিল। কিন্তু এই কেইজন বিধায়কে মন্ত্ৰী কেশৱ গগৈ শইকীয়াৰ ওপৰত বিতুষ্ট বুলি জানিব পাৰে। জানিব পৰা মতে গগৈক বিত্ত দপ্তৰৰ দায়িত্ব নিদিয়াৰ বাবেই শইকীয়াৰ ওপৰত প্ৰধানতঃ বিতুষ্ট হৈছিল। সেয়ে এই কেইজন নেতাই হেনো গগৈক সমৰ্থন জনাব বুলি আশ্বাস দিছিল। সেই আশ্বাসৰ ভিত্তিতেই গগৈয়ে শইকীয়াক নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে আঁচনি প্ৰস্তুত কৰিছিল। এই আঁচনি অনুসৰি বিসম্বাদী নেতা কেইজনে গোপনে কেন্দ্ৰীয় মন্ত্ৰী ৰাজেশ পাইলট, তৰুণ গগৈৰ সৈতে হেনো যোগাযোগ কৰিছিল। সংসদী সদস্য কিৰিপ চলিহাইও এই আঁচনিৰ প্ৰতি সমৰ্থন জনাইছিল। মুঠতে শইকীয়াক নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে দিল্লীত এটা চক্ৰ গঢ়ি উঠিছিল।

কিন্তু দিল্লীত শইকীয়াক নেতৃত্বৰ পৰা আঁতৰ কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিলেও বেছি সংখ্যক বিধায়কৰে এই আঁচনিৰ প্ৰতি সমৰ্থন নাছিল। মূলতঃ কেশৱ গগৈৰ ওপৰত বেছি সংখ্যক বিধায়কৰ আস্থা নথকাৰ হেতুকেই এই আঁচনিয়ে কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে। আনকি কংগ্ৰেছী বিধায়িনী দলত বিসম্বাদ গঢ়ি উঠাৰ বাবে বিৰোধী পক্ষও উৎফুল্লিত হব পৰা নাছিল। কিয়নো গগৈৰ সামৰ্থ্য ওপৰত বিশ্বাস সকলোৰে নাছিল। আনহাতে সৰহসংখ্যক কংগ্ৰেছী বিধায়কে এটা কথাত দৃঢ় ভাবে বিশ্বাস কৰে যে গগৈয়ে বিসম্বাদৰ সৃষ্টি কৰি মন্ত্ৰী সভাৰ পতন ঘটাব পাৰিব। কিন্তু গঢ়িব নোৱাৰে। কিয়নো ৰাজনৈতিক মহলত এটা কথা বদ্ধমূল ভাবে প্ৰতিষ্ঠিত হৈছে যে গগৈয়ে ১৯৭৯ চনত উজনি অসমৰ মদৰ মহলদাৰ ত্ৰিবেণী সিঙৰ লগ লাগি গোলাপ বৰবৰাৰ নেতৃত্বৰ জনতা দলৰ চৰকাৰৰ পতন ঘটাইছিল। ত্ৰিবেণী সিঙৰ স্বাৰ্থতেই গগৈয়ে বিসম্বাদী ৰাজনীতিৰে জনতা দলৰ চৰকাৰৰ পতন ঘটাইছিল। ইয়াৰ পিছৰ পৰিণতিৰ কথা সকলোৱেই জানে। ত্ৰিবেণী কাহিনীটো আছিল এয়ে যে সেই সময়ত উজনি অসমৰ প্ৰায় ৪২টা মদৰ মদলৰ পাৰ্মিট তেওঁ বিভিন্ন বেনামত চৰকাৰৰ পৰা লাভ কৰিছিল। এক কথাত ক'বলৈ গ'লে সিঙে সেইটো আদায় কৰিছিল। মদৰ মহল চলাই সিঙে প্ৰচুৰ টকা অৰ্জন কৰিছিল। কিন্তু অসমত জনতা দলৰ চৰকাৰ শাসন ক্ষমতালৈ অহাৰ পিছতেই গোলাপ বৰবৰাই বে-নামত সিঙৰ মদৰ মহলৰ পাৰ্মিট দিবলৈ ৰাজী নহ'ল। ইয়াৰ পৰিৱৰ্তে তেওঁ থলুৱা লোকক এই পাৰ্মিট দিবলৈ সিদ্ধান্ত কৰিলে। সেই মৰ্মে উপায়ুক্ত সকলক যথোচিত নিৰ্দেশ দিলে। সিঙে বহু চেষ্টা কৰিও বৰবৰাক তেওঁৰ সিদ্ধান্তৰ পৰা লৰ চৰ কৰিব নোৱাৰিলে। ফল স্বৰূপে সিঙে পূৰ্বৰ দৰে বে-নামত মদৰ মহলৰ পাৰ্মিট নাপালে। ইয়াৰ পিছতেই সিঙে বৰবৰাক শাসনৰ পৰা আঁতৰাবলৈ আঁচনি প্ৰস্তুত কৰিলে। এই আঁচনিৰ প্ৰতি হেনো গোলাপ বৰবৰাৰ দিনৰ বিত্ত মন্ত্ৰী হিচাপে থকা কেশৱ গগৈয়ে সহযোগিতা আগবঢ়ালে। গগৈৰ চেষ্টাতেই জনতা বিধায়িনী দলত বিসম্বাদৰ সৃষ্টি হ'ল। ফলস্বৰূপে অসমত জনতা দলৰ মন্ত্ৰী সভাৰ পতন ঘটিল।

দিল্লীৰ কংগ্ৰেছ হাইকমান্ড গগৈৰ এই ৰাজনীতিৰ বিষয়ে অবগত। সেয়ে হাইকমান্ডে গগৈৰ এই পদক্ষেপৰ প্ৰতি মুঠেই সঁহাৰি নিদিলে। বৰং দিল্লীৰ হাইকমান্ড গগৈৰ ওপৰত অসন্তুষ্টহে হ'ল। আনহাতে দিল্লীৰ হাইকমান্ডৰ সমৰ্থন নেদেখি আৰম্ভণিতে গগৈক সমৰ্থন দিব বুলি আশ্বাস দিয়া সকলেও নিতাল মাৰিলে। আনহাতে ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ বিৰোধী পক্ষৰ বিধায়ক হৈ থকাৰ সময়তো গগৈয়ে কোনো ধৰণৰ ভূমিকা পালন কৰিব পৰা নাছিল।

ইফালে বিসম্বাদী ৰাজনীতি কৰি এইবাৰ গগৈৰ স্থিতি পূৰ্বতকৈ অৱনমিতহে হ'ল। মন্ত্ৰী সভাৰ সামান্য সাল-সলনিৰ জৰিয়তে গগৈক পৰিকল্পনা আৰু উন্নয়ন দপ্তৰৰ তুলনাত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নিচিনা এটা লঘু দপ্তৰৰ দায়িত্বহে দিয়া হ'ল। জানিব পৰা মতে শইকীয়াই গগৈক স্ব-ইচ্ছাৰে পদত্যাগ কৰাৰ বাবেই হেনো এনে এটা বিশেষ গুৰুত্ব নথকা দপ্তৰৰ দায়িত্ব দিছে।







## চি বি আইৰ তালিকা

ৰাজ্যখনৰ একাংশ আই এ এছ আৰু আই পি এছ বিষয়াৰ ওপৰত কেন্দ্ৰীয় চোৰাংচোৱা বাহিনী বিশেষকৈ চি বি আইয়ে চোকা দৃষ্টি ৰাখিছে। অলপতে এটা বাতৰি প্ৰকাশ পাইছিল যে ৰাজ্যখনৰ একাংশ আই এ এছ আৰু আই পি এছ বিষয়াৰ সৈতে আল্ফাৰ ঘনিষ্ঠ সম্পৰ্ক আছে।

মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই এই বাতৰিটো অস্বীকাৰ কৰিলেও কেন্দ্ৰীয় গৃহ দপ্তৰ এই বিষয়ত পতিয়ন যাব পৰা নাই। কেন্দ্ৰীয় চোৰাংচোৱা বাহিনীৰ এটা বিশ্বস্ত সূত্ৰৰ মতে ৰাজ্যখনৰ একাংশ আই এ এছ আৰু আই পি এছ বিষয়াই ভয়তে সামান্য পৰিমাণে হ'লেও আল্ফাক সহায় সহযোগ আগবঢ়াইছিল। কেন্দ্ৰীয় চোৰাংচোৱা বাহিনীয়ে এই বিষয়টোৰ ওপৰত আগৰে পৰাই দৃষ্টি দি ৰাখিছিল। জানিব পৰা মতে চি বি আইয়ে এই সন্দৰ্ভত কেইজনমান আই এ এছ আৰু আই পি এছ বিষয়াৰ এখন তালিকা প্ৰস্তুত কৰি থৈছে।

## বিত্ত মন্ত্ৰীৰ নিৰ্বাচনৰ বিৰুদ্ধে একাংশ কংগ্ৰেছীৰ ষড়যন্ত্ৰ!

বিত্তমন্ত্ৰী ড° মনমোহন সিং অসমৰ পৰা ৰাজ্য সভালৈ নিৰ্বাচিত হৈ যোৱাৰ ক্ষেত্ৰত বাধা দিয়াৰ উদ্দেশ্যে একাংশ কংগ্ৰেছী নেতা উঠি পৰি লাগিছিল।

উল্লেখযোগ্য যে বিত্ত মন্ত্ৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত সাংবিধানিক নিয়ম অনুসৰি তেওঁ যে কিছুদিনৰ পৰা অসমৰ বাসিন্দা সেইটোও তথ্যপাতি সহ দাখিল কৰিছিল। মুখ্য মন্ত্ৰীৰ পত্নীৰ মাৰফৎ তেওঁ ঠিকনা দাখিল কৰিছিল।

এই নথি পত্ৰকে ৰাজহুৱা ভাবে প্ৰকাশ কৰি বিত্ত মন্ত্ৰীয়ে অসমৰ বাসিন্দা নহয় সেইটো প্ৰমাণ কৰিবলৈ উঠি পৰি লাগিছিল। কিন্তু এই নথি পত্ৰ উলিয়াওৱাত তেওঁলোকৰ পলম হ'ল। ইতিমধ্যে বিত্ত মন্ত্ৰী ৰাজ্য সভালৈ নিৰ্বাচিত হৈ গুচি হ'ল। ফলস্বৰূপে বাতৰি কাকতত প্ৰকাশ পোৱাৰ ক্ষেত্ৰত বিষয়টোৱে গুৰুত্ব নাপালে।

উল্লেখযোগ্য যে ভাৰতৰ যি কোনো নাগৰিকে যি কোনো ঠাইৰ পৰা ৰাজ্য সভা বা লোক সভালৈ সংবিধান অনুসৰি নিৰ্বাচিত হোৱাত কোনো বাধা নাই।

ত্ৰিনয়ন

# দেশৰ জটিল পৰিস্থিতিৰ বাবে ৰাজনৈতিক দলৰ সংকটেই দায়ী

হিতেন মহন্ত

অৱশেষত যোৱা ১২ অক্টোবৰত প্ৰাক্তন প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীৰ পত্নী ছোনিয়া গান্ধীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি আনুষ্ঠানিক ভাবে ঘোষণা কৰাৰ লগে লগে সমগ্ৰ দেশৰ সচেতন আৰু শুভবুদ্ধি সম্পন্ন লোকে স্বস্তিৰ নিশ্বাস পেলালে। কিয়নো ৰাজীৱ গান্ধীৰ মৃত্যুৰ পিছতেই একাংশ কংগ্ৰেছী নেতাই নিজ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে ছোনিয়া গান্ধীক কেন্দ্ৰ কৰি পুনৰ যি এক ধামাধৰা ৰাজনীতিৰ গঢ় দিব বিচাৰিছিল, ছোনিয়াৰ সিদ্ধান্তই তাত চেঁচা পানী ঢালিলে।

আচলতে বিগত মে' মাহৰ পৰাই অৰ্থাৎ দশম সাধাৰণ নিৰ্বাচনৰ সময়ৰ পৰাই ছোনিয়া গান্ধীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি একাংশ কংগ্ৰেছী লোকে জোৰ প্ৰচাৰ চলাইছিল। তেওঁলোকৰ প্ৰচাৰৰ মূল শ্লোগানটো এয়ে আছিল যে ছোনিয়া গান্ধী লোকসভালৈ নিৰ্বাচিত হৈ অহাৰ পিছতেই দেশৰ প্ৰধান মন্ত্ৰীৰ দায়িত্ব তেওঁ গ্ৰহণ কৰিব। তেওঁলোকে প্ৰচাৰ চলাইছিল যে মিছেছ গান্ধীয়ে নেতৃত্বলৈ আহিলে কংগ্ৰেছ দলৰ শক্তি বাঢ়িব। তেওঁলোকে এইটোও প্ৰচাৰ চলাইছিল যে ছোনিয়া গান্ধীয়েই প্ৰধান মন্ত্ৰীৰ দায়িত্ব লোৱাৰ বাবে একমাত্ৰ যোগ্য ব্যক্তি। কিন্তু আটাইতকৈ মজাৰ কথাটো আছিল এয়ে যে একাংশ কংগ্ৰেছী লোকে (ক'টেৰী বুলি জনাজাত) ছোনিয়াৰ সন্দৰ্ভত এইদৰে জোৰ প্ৰচাৰ চলাই থকাৰ সময়তো তেওঁ সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিছিল। সেয়ে দিল্লীস্থ এখন দৈনিক ইংৰাজী কাকতত এটা কাৰ্টুন অঁকা হৈছিল। কাৰ্টুনত ছোনিয়া গান্ধীক ছোনিয়ালিচা হিচাপে সজোৱা হৈছিল। ছোনিয়ালিচা হিচাপে এই কাৰণেই সজোৱা হৈছিল যে লিওনাৰ্দো দা ভিন্সিৰ সুবিখ্যাত মনালিচা ছবিখনৰ ৰহস্যজনক হাঁহিটোৰ কাৰ্টুনটোৰ ছবিখনত ছোনিয়া গান্ধীয়েও কেৱল এটা হাঁহি মাৰি আছিল। কিন্তু সেই হাঁহিয়ে আনন্দ নে বেদনাৰ ইংগিত বহণ কৰিছে কোনেও একো ধৰিব নোৱাৰে। অৰ্থাৎ প্ৰায় পাঁচ মাহ ধৰি একাংশ কংগ্ৰেছী লোকে জোৰ প্ৰচাৰ চলাই থকাৰ পিছতো ছোনিয়া গান্ধী যে সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰি যি ৰহস্যজনক ভূমিকা পালন কৰিছিল সেইটোকে বুজাবলৈ কাৰ্টুনটো অঁকা হৈছিল। কিন্তু যোৱা ১২ অক্টোবৰত সেই সকলো ৰহস্যৰ ওৰ পৰিল।

আচলতে একাংশ স্বাৰ্থন্বেষী কংগ্ৰেছী লোকে গান্ধীৰ পৰিয়ালৰ যি কোনো এজনক শিখণ্ডী হিচাপে লৈ কেৱল কংগ্ৰেছ দলৰেই নহয়, সমগ্ৰ দেশৰ চাবি-কাঠি তেওঁলোকৰ হাতত ৰাখিব বিচাৰে। নিজৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যেই এই সকল কংগ্ৰেছী নেতাই সমগ্ৰ দেশখনৰ নীতি নিৰ্ধাৰণ কৰিব বিচাৰে। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁলোকে কংগ্ৰেছ দলৰ নেতৃত্বৰ পৰা প্ৰধান মন্ত্ৰী

নৰসিংহ ৰাওক আঁতৰাবলৈ উঠি পৰি লাগিছিল। এইসকল নেতাই বৰ্তমান দেশৰ পৰিবৰ্তিত ৰাজনীতিক মানি লব পৰা নাই। গণতন্ত্ৰৰ সকলো নীতি নিয়ম জলাঞ্জলি দি তেওঁলোকে এতিয়াও একছত্ৰী হিচাপে দেশখনক শাসন কৰিব বিচাৰে। কেৱল কংগ্ৰেছ দলৰ বাবেই নহয়, সমগ্ৰ দেশখনৰ জনসাধাৰণৰ বাবে এইটো এটা অতি বিপদজনক সংকেত।

দেশৰ বৰ্তমান পৰিবৰ্তিত ৰাজনীতিৰ ধাৰাটো হ'ল এয়ে যে কোনো ৰাজনৈতিক দলেই এতিয়া পূৰ্বৰ দৰে বিৰোধী পক্ষক সম্পূৰ্ণৰূপে অৱহেলা কৰি নিজৰ খেয়াল-খুচি মতে শাসন চলাব নোৱাৰে। সেয়ে কেন্দ্ৰত এখন সংখ্যালঘু চৰকাৰ বৰ্তি আছে। কেন্দ্ৰত সংখ্যালঘু চৰকাৰ বৰ্তি থকাটো হ'ল দেশৰ জনসাধাৰণৰ ৰায়। দেশৰ শাসন ব্যৱস্থাত যি কোনো এটা ৰাজনৈতিক দলৰ সম্পূৰ্ণ আধিপত্য নোহোৱাটো গণতন্ত্ৰৰ বাবে শুভ লক্ষণ বুলিয়েই কব লাগিব। কিয়নো চৰকাৰখনৰ যি কোনো নীতি নিৰ্দেশনাৰ ক্ষেত্ৰত লেকাম ধৰিব পৰা ক্ষমতা এতিয়া সামগ্ৰিক ভাবে বিৰোধী পক্ষৰ হাতত আছে। অৰ্থাৎ শাসনাধিষ্ঠ দলটোৱে এতিয়া দেশৰ স্বাৰ্থৰ সৈতে জড়িত যি কোনো সিদ্ধান্ত নিজ খেয়াল-খুচি মতে গ্ৰহণ কৰিব নোৱাৰে। প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৱে দেশৰ জনসাধাৰণৰ এই ৰায় মানি চলিয়েই বহু বিষয়ত সিদ্ধান্ত লোৱাৰ আগেয়ে অন্ততঃ বিৰোধী পক্ষৰ নেতাৰ সৈতে আলোচনাত বহা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে প্ৰধান মন্ত্ৰী ৰাওৱে কিছু জনপ্ৰিয়তাও অৰ্জন কৰিছে। কিন্তু ৰাওৰ বিৰোধিতা কৰা আৰু ক'টেৰী বুলি পৰিচিত সকলে এইটো সহ্য কৰিব পৰা নাই। সেয়ে ৰাওক নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে তেওঁলোকে অহৰহ চেষ্টা চলাই আছে। কংগ্ৰেছ দলৰ সংকট ইয়াতেই নিহিত হৈ আছে।

কিন্তু কেৱল যে কংগ্ৰেছ দলতেই সংকটে দেখা দিছে এনে নহয়, দেশৰ অন্যান্য বিৰোধী ৰাজনৈতিক দলৰ মাজতো এতিয়া সংকট বিদ্যমান। দেশৰ অন্যতম বিৰোধী ৰাজনৈতিক দল জনতা দলৰ জ্যেষ্ঠ নেতাসকলে এতিয়া ইজনৰ বিৰুদ্ধে সিজনে ৰাজহুৱা ভাবে বোকা ছটিয়াব ধৰিছে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিত নেতা সকলৰ মাজত দেখা দিয়া হতাশাই যে ইয়াৰ মূল কাৰণ সেই বিষয়ে কোনো সন্দেহ নাই। ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ পিছতেই জনতা দলৰ জ্যেষ্ঠ নেতাসকলৰ মাজত হতাশাই দেখা দিয়ে। এই হতাশাই এনে এটা পৰ্যায় পায়গৈ যে অজিত সিঙৰ দৰে জ্যেষ্ঠ আৰু প্ৰভাৱশালী নেতাই জনতাদল ত্যাগ কৰাৰ হুমকি দিয়ে। সেই দৰে জৰ্জ ফাৰ্ণাণ্ডেজৰ দৰে জনপ্ৰিয় নেতাই দলৰ ৰাষ্ট্ৰীয় মন্ডলীৰ দায়িত্বৰ পৰা অব্যাহতি বিচাৰে। তৃণমূল পৰ্যায়ত দল বিলাকৰ শক্তিশালী সংগঠন নোহোৱাৰ হেতুকে আৰু দল বিলাক কেৱল নেতা সৰ্বস্ব হোৱাৰ বাবেই এনে বিপৰ্যয় নামি আহিছে। অপ্ৰিয় হলেও এটা কথা সত্য যে এই দলবিলাকৰ ৰাজ্যিক শাখা বা আঞ্চলিক শাখাৰ মতামতৰ প্ৰতি জ্যেষ্ঠ নেতাসকলে কোনো ধৰণৰ গুৰুত্ব নিদিয়ে। ইয়াৰ পৰিবৰ্তে এটা নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰি দলৰ নেতা সকলে সমগ্ৰ নীতি-নিৰ্দেশনা নিৰ্ধাৰণ কৰে। ফলস্বৰূপে দেশৰ যি কোনো এখন ৰাজ্যৰ সমস্যাৰ সন্দৰ্ভত দল বিলাকে এতিয়া সমাধানৰ পথ দেখুৱাব নোৱাৰে। অসম, পাঞ্জাৱ, কাশ্মীৰৰ সমস্যা সমাধানৰ পৰিবৰ্তে প্ৰতিদিনে জটিলতাৰ ফালে গতি কৰাৰ এইটোৱেই মূল কাৰণ। কেৱল সেয়ে নহয়, বহু সময়ত দেখা যায় যে ৰাষ্ট্ৰীয় দল বিলাকৰ যি কোনো সমস্যাৰ সন্দৰ্ভত ৰাজ্যিক শাখাৰ নেতৃবৰ্গ আৰু কেন্দ্ৰীয় নেতৃবৰ্গই পৰস্পৰ বিৰোধী বক্তব্য দাঙি ধৰে। আনহে নেলাগে যি সময়ত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই আল্‌ফাৰ সৈতে আলোচনা হব পাৰে বুলি ঘোষণা কৰিছিল, সেই সময়তে কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চবনে ঘোষণা কৰিলে যে অসমত সামৰিক বাহিনী থকা পৰ্যন্ত আল্‌ফাৰ সৈতে আলোচনা সম্ভৱ নহয়।

সেইদৰে চি পি আই দলৰ অসম শাখাই ৰাজ্যখনত সামৰিক বাহিনী নিয়োগৰ তীব্ৰ প্ৰতিবাদ কৰে। কিন্তু লোকসভাত এই দলৰ নেতাসকলে প্ৰকাৰান্তৰে ৰাজ্যখনত সামৰিক বাহিনী নিয়োগৰ প্ৰতি সমৰ্থনহে জনায়। চি পি আই দলৰ অসম শাখাৰ নেতৃবৰ্গই ৰাজ্যখনত সামৰিক বাহিনী নিয়োগৰ প্ৰতিবাদত সদন ত্যাগ কৰে। কিন্তু চি পি আই দলৰ কেন্দ্ৰীয় নেতৃবৰ্গই ৰাজ্যখনত সামৰিক বাহিনী নিয়োগৰ প্ৰতিবাদত কোনো ধৰণৰ সবল প্ৰতিবাদ কৰা নাই বা আন্দোলন কৰা নাই। ৰাজনৈতিক দল বিলাকৰ এই পৰস্পৰ বিৰোধী নীতিয়ে সৰ্বসাধাৰণ ৰাইজক বিবুদ্ধিত পেলোৱাই নহয়, দেশৰ ৰাজনৈতিক ব্যৱস্থাত হতাশাৰ সৃষ্টি কৰিছে। সামগ্ৰিক ভাবে এই কাৰণেই দেশৰ সৰ্বসাধাৰণ ৰাইজে ৰাজনৈতিক ব্যৱস্থাটোৰ ওপৰত থকা আস্থা হেৰুৱাই পেলাইছে।

গণতন্ত্ৰৰ প্ৰকৃত ধ্যান-ধাৰণাৰ পৰা আঁতৰি গৈ ৰাজনৈতিক দল বিলাক কেৱল ক্ষমতাৰ বাবে খোৱা-কামোৰাত ব্যস্ত। শাসনত থাকিলে এটা ৰাজনৈতিক দলক অন্যবোৰ ৰাজনৈতিক দলে কেৱল বিৰোধিতা কৰাৰ নামতেই বিৰোধিতা কৰা দেখা গৈছে। ৰাইজৰ প্ৰতিনিধি সকলে বিধান সভা বা সংসদলৈ গৈ ৰাইজৰ স্বাৰ্থ জড়িত বিষয়ৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। এই ক্ষেত্ৰত অজস্ৰ উদাহৰণ দিব পাৰি। বিগত অসম বিধান সভাৰ অধিবেশনৰ কালছোৱাত কেৱল আইন-শৃংখলা বিষয়টোক অস্ত্ৰ হিচাপে লৈ বিৰোধী পক্ষই শাসনাধিষ্ঠ কংগ্ৰেছ (ই) দলক শলঠেকত পেলাবলৈ চেষ্টা কৰে। এই বিষয়টোক কেন্দ্ৰ কৰিয়েই বিৰোধী পক্ষই চৰকাৰ পক্ষক আৰু চৰকাৰ পক্ষই পূৰ্বে শাসন ক্ষমতাত থকা অগপ দলৰ ওপৰত বোকা ছটিওৱাৰ প্ৰতিদ্বন্দ্বিতাত নামি গ'ল। কিন্তু কোনো এটা পক্ষই ৰাইজৰ প্ৰতিনিধি হিচাপে নিজ দায়িত্ব মূৰ পাতি লৈ ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি স্বাভাৱিক কৰাৰ উদ্দেশ্যে গঠনমূলক পদক্ষেপ লব নোৱাৰিলে। যোৱা কেইবাটাও মাহ ধৰি কথা ক'লেও কোনো এটা ৰাজনৈতিক দলেই সমাধানৰ সূত্ৰ আগবঢ়াব নোৱৰাটো প্ৰণিধানযোগ্য। সেয়ে অসমৰ বৰ্তমানৰ পৰিস্থিতিৰ কেনেদৰে আৰু কেতিয়া উপশম ঘটিব সেই বিষয়ে এতিয়া প্ৰায়বোৰ ৰাজনৈতিক দল নিমাত। বাতৰি কাকতৰ জৰিয়তে দুই এটা বিবৃতি দিয়াৰ বাহিৰে তেওঁলোকৰ কৰিব লগীয়া যেন একোৱেই নাই।

ৰাজনৈতিক দল বিলাকৰ ভিতৰ চ'ৰাত দেখা দিয়া সংকটৰ বাবেই আজি দেশৰ সংকটময় পৰিস্থিতিত নেতৃবৰ্গ দিশহাৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়তেই হওক বা ৰাজ্যিক পৰ্যায়তেই হওক ৰাজনৈতিক দলবোৰৰ কাম-কাজত জড়তাই দেখা দিছে। গতানুগতিক দুই এটা প্ৰতিবাদ, আন্দোলনৰ বাহিৰে ৰাজনৈতিক দলবোৰে দেশৰ জ্বলন্ত সমস্যাবোৰৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা লোৱা পৰিলক্ষিত হোৱা নাই। ■







# অসমৰ ভূগোল আৰু ভাষা

বসন্ত কুমাৰ দলে



কাৰ্বি যুৱতী

ফটোঃ জনসংযোগ

আজি কিছু বছৰ ধৰি 'অসম' আৰু 'অসমীয়া'ৰ সংজ্ঞাক লৈ বিতৰ্কৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। ই নিঃসন্দেহে এটা শুভ লক্ষণ। কাৰণ, যুক্তিনিষ্ঠ, বিজ্ঞানসন্মত আৰু সৰ্বজনগ্ৰাহ্য সংজ্ঞাৰ সন্ধানত বিতৰ্ক অপৰিহাৰ্য। সিদ্ধান্ত সূচক সুস্থ বিতৰ্ক এই ক্ষেত্ৰত সকলোৰে আদৰণীয় আৰু কাম্য। এই চমু আলোচনাটি তেনে এক উদ্দেশ্যৰে এটা সামান্য প্ৰচেষ্টা যদিও ই সৰ্বজন গ্ৰাহ্য সিদ্ধান্ত হোৱা উচিত বুলি দাবী কৰাৰ ধৃষ্টতা নাই।

## ০০১ঃ তিনিটা পৰ্যায়ত অসমৰ অস্তিত্বঃ

'অসমৰ অস্তিত্ব' প্ৰসংগত এই কথা প্ৰথমেই পৰিষ্কাৰ কৰি দিয়াটো উচিত হ'ব যে এই আলোচনাত 'অসমৰ অস্তিত্ব' বোলোতে ভৌগোলিক অস্তিত্বৰ কথাহে কোৱা হৈছে। উল্লেখযোগ্য যে ইতিহাসৰ বিভিন্ন সময়ত তিনিটা ভিন ভিন পৰ্যায়ত অসমৰ ভৌগোলিক অস্তিত্ব অনুভৱ কৰা যায়। প্ৰথম পৰ্যায়ৰ অসমখন হ'ল আহোম ৰাজতন্ত্ৰৰ অসম। 'সৌমাৰৰ নোহোৱা নাইবা উত্তৰ কূলৰ সমভূমিত নথকা মানুহৰ দ্বাৰাই দেশখন শাসিত হোৱা বাবে তেওঁলোকৰ নামেৰেই ইয়াৰ নামো হ'ল আ-সম বা অসম।'[১]


দ্বিতীয় পৰ্যায়ৰ অসমখন পোৱা যায় বৃটিছ আগমনৰ কালৰে পৰা ১৯৬০ চনৰ পূৰ্বৰ সময়ছোৱাত। এই পৰ্যায়ৰ অসমক আকৌ দুভাগত ভগাব পাৰি – বৃটিছ ৰাজ বা প্ৰাক্‌স্বাধীনতা কালৰ অসম আৰু স্বাধীনোত্তৰ অসম। আহোম ৰাজতন্ত্ৰত গঢ় লোৱা অসমৰ ভৌগোলিক পৰিসীমা ১৮২৬ চনৰ পৰা ১৯৪৭ চনৰ এই এশ একৈশ বছৰীয়া কালছোৱাতে পূৰ্ণভাবে বিকশিত হয়। এই কালছোৱাতে মণিপুৰ আৰু ত্ৰিপুৰাক বাদ দি উত্তৰ-পূব ভাৰতৰ সমগ্ৰ পাহাৰীয়া অঞ্চলবোৰো অসমৰ ভৌগোলিক মানচিত্ৰখনৰ অন্তৰ্ভুক্ত হয়। কিন্তু প্ৰশাসনিক ভাবে প্ৰাদেশিক চৰকাৰৰ অন্তৰ্ভুক্ত হোৱা নাছিল। এই কালছোৱাত বিকাশ লাভ কৰা অসমৰ ভৌগোলিক সীমা স্বাধীনোত্তৰ তেৰ বছৰলৈকে অবিকল ৰয়।

১৯৬০ চনৰ পৰবৰ্তী কালৰ অসমখন হ'ল তৃতীয় পৰ্যায়ৰ অসম। দ্বিতীয় পৰ্যায়ত বিকশিত অসমৰ ভৌগোলিক মানচিত্ৰখন এই পৰ্যায়ত ক্ষয়িষ্ণু হবলৈ ধৰে। "The State of Assam in 1960 comprised not only of the existing political boundaries of Assam, but also included Nagaland, Meghalaya and Mizoram. Due to some unseen forces working behind the scene a separatist movement was brewing for the

formation of separate states in Shillong, Kohima and Arunachal."[২] ফলত প্ৰতিখন পাহাৰীয়া জিলা বা অঞ্চলেই একোখন পৃথক ৰাজ্যৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয়। 'নগাভূমি'ৰ পৰা নগালেণ্ড ৰাজ্য, লুচাই পাহাৰ জিলাৰ পৰা মিজোৰাম ৰাজ্য, উত্তৰ-পূব সীমান্ত অঞ্চল (NEFA)ৰ পৰা অৰুণাচল প্ৰদেশ ৰাজ্য আৰু খাচীয়া জয়ন্তীয়া পাহাৰ জিলাৰ পৰা মেঘালয় ৰাজ্যৰ সৃষ্টি সেই দৰেই হ'ল। অৱশিষ্ট যি অংশ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত ৰ'ল সিয়েই আজিৰ অসম। ষাঠিৰ দশকৰ পৰা আজি পৰ্যন্ত – এই পৰ্যায়ৰ অসমৰ ইতিহাস হ'ল বিভাজনৰ ইতিহাস।

## 00২ঃ অসমীয়াঃ

'অসমীয়া' ধাৰণাৰ ভিত্তি মূলতঃ দুটা। এটা ভৌগোলিক আৰু আনটো ভাষিক। অৰ্থাৎ 'অসম' নামৰ ভৌগোলিক সীমাৰে আগুৰা ঠাইত জন্ম গ্ৰহণ কৰি বসবাস কৰাৰ কাৰণেও অসমীয়া বুলি পৰিচিত হ'ব পাৰি আৰু অসমীয়া ভাষা মাতৃ ভাষা হিচাপে ব্যৱহাৰ কৰাৰ কাৰণেও অসমীয়া হ'ব পাৰি। এই দুটাৰ কোনোটো ভিত্তিয়েই সৰ্বজনগ্ৰাহ্য বা বিজ্ঞান সন্মত নহয় যেন লাগে। কাৰণ, প্ৰথমটো ভিত্তি গ্ৰহণ কৰিলে এটা প্ৰশ্ন উঠে। সেইটো হ'ল – অসমত বসবাস কৰা লোকজনকে যদি অসমীয়া বুলি কোৱা হয় তেন্তে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা ব্যৱসায়িক স্বাৰ্থত অসমত বসবাস কৰি অস্থাৱৰ-স্থাৱৰ সম্পত্তিৰ অধিকাৰী হোৱা ৰাজস্থানী, বঙালী, বিহাৰী, মদ্ৰাজী আদি লোক সকল অসমীয়া হয় নে? আনহাতে দ্বিতীয়টো ভিত্তি গ্ৰহণ কৰিলে তেতিয়াও আন এটা জটিল প্ৰশ্নৰ উদয় হয়। সেইটো হ'ল অসমীয়া যাৰ মাতৃভাষা সিহে যদি অসমীয়া হয় তেন্তে বড়ো, মিচিং, কাৰ্বি, তিৱা, ৰাভা, ডিমাছা, দেউৰী, ফাকিয়াল আজি যিবোৰ জনগোষ্ঠীৰ মাতৃভাষা অসমীয়া নহয় সেইবোৰ জনগোষ্ঠীৰ লোক সকল অসমীয়া নহয় নেকি? এতিয়া সন্মুখত ৰৈ যায় দুটা প্ৰশ্ন এটা 'হয় নে?' আৰু আনটো 'নহয় নে?' এই আলোচনাত 'হয় নে?'ৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। এইটো অপ্ৰিয় সত্য যে 'হয় নে?'ৰ অৰ্থটোৱেই হৈছে নহয়। হব লগা হলে এটা বিধিগত বা সামাজিক ভাবে স্বীকৃত প্ৰণালী বা ব্যৱস্থাৰ প্ৰয়োজন। অতএব আমাৰ আলোচনা 'নহয় নে?' (অৰ্থাৎ যিটোৰ অৰ্থ হৈছে আচলতে হয়)ৰ আধাৰতহে কৰা হৈছে। প্ৰকৃতপক্ষে আমাৰ অগ্ৰজ সকলে 'অসমীয়া' শব্দৰ ব্যৱহাৰ বহুক্ষেত্ৰত সংকীৰ্ণ অৰ্থত বলপূৰ্বক ভাবেই কৰিছিল বুলিব পাৰি। কিন্তু দুৰ্ভাগ্যজনক কথা এই যে আমাৰ অগ্ৰজ সকলে কৰি যোৱা ভুলৰ বহুত বিহফল লাভ কৰাৰ পাছতো আমি একে পৰম্পৰা ৰক্ষাতহে বেছি উদ্যোগী।



এটি টিৱা নৃত্য

ফটোঃ পদ্ম পাটৰ

## 00৩ঃ 'অসমীয়া'ৰ ভুল ব্যাখ্যাঃ

'অসমীয়া' শব্দৰ তিনিটা ক্ষেত্ৰ ভিত্তিক অৰ্থ হ'ব পাৰে। স্থানগত, ভাষাগত আৰু জাতিগত। আমি আগতে স্থানগত আৰু ভাষাগত অসমীয়া সম্পৰ্কে আলোচনা কৰি আহিছো। এতিয়া প্ৰশ্ন হ'ল – অসমীয়া জাতিক লৈ। প্ৰাক্ আহোম যুগত 'অসমীয়া জাতি'ৰ প্ৰশ্নই উঠিব নোৱাৰে। আহোম যুগৰ পৰা বৃটিছ আগমনৰ সময়লৈকে এই সুদীৰ্ঘ কাল ছোৱাতো 'অসমীয়া জাতি' বুলি কোনো একক জাতিৰ অস্তিত্ব অনুভৱ কৰিব পৰা নাযায়। কিন্তু যি নামেৰেই কোৱা নহওক কিয় প্ৰাক্ আহোম যুগৰ পৰাই অৰ্থাৎ খ্ৰীষ্টিয় ষষ্ঠ-সপ্তম শতিকাৰ পৰাই অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত হোৱাৰ কথা পণ্ডিত সকলে কৈছে। সেই ভাষাটোৰ নাম বোধ হয়, আহোম ৰাজতন্ত্ৰতে 'অসমীয়া' হ'ল। সেয়েহে এই কথা নিঃসন্দেহে কব পাৰি যে 'অসমীয়া জাতি'ৰ ধাৰণাটো ভাষা ভিত্তিক।

আধুনিক 'অসমীয়া জাতি'ৰ ধাৰণাটো যদিও শ্ৰীমন্ত শংকৰদেৱে গঢ়ি যোৱা সমাজৰ ভিত্তিত গঢ় লৈ উঠা বুলি কোৱা হয় তথাপি ই প্ৰকৃতপক্ষে ঊনবিংশ শতিকাত গঢ় লোৱা ধাৰণাহে। এচাম নগৰীয়া শিক্ষিত কলিকতা প্ৰবাসী অসমৰ ছাত্ৰই অসমীয়া ভাষাক ন্যায্য আসনত প্ৰতিষ্ঠা কৰাৰ সংকল্প লৈ যি জাতীয়তাবাদ প্ৰচাৰ কৰিছিল সিয়েই অসমীয়া জাতিৰ ধাৰণা গঢ় দিয়াত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। পাশ্চাত্য সভ্যতা, বংগৰ নৱজাগৰণ আৰু অসমীয়া ভাষাৰ ঠাইত অসমত বঙলা ভাষাৰ প্ৰচলন – এই তিনিটা পৰিঘটনাই আধুনিক অসমীয়া জাতিৰ ধাৰণা গঢ়ি তোলাত ছাত্ৰ সকলক অসীম প্ৰেৰণা দান কৰিছিল।

সেই সময়ৰ সমকালীন সমাজত প্ৰতিষ্ঠিত 'অসমীয়া ভাষাটো বঙলা ভাষাৰেই উপভাষা' ধাৰণাৰ পৰিবৰ্তে 'অসমীয়া ভাষাও বঙলা ভাষাৰ দৰেই এটা পৃথক ভাষা' ধাৰণা প্ৰতিষ্ঠা কৰাটো হৈ পৰিছিল প্ৰধান কৰ্তব্য। তাকে কৰিবলৈ যাওঁতে বহু সময়ত বঙলা ভাষা আৰু বঙালী আমোলাৰ বিৰুদ্ধে ঐতিহাসিক প্ৰয়োজনতেই হয়তো বিষোদগাৰ কৰিব লগা হৈছিল। কিন্তু তাৰ অৰ্থ এইটো নহয় যে যুক্তি আৰু বিবেকক জলাঞ্জলি দি সেই বিদ্বেষকেই উত্তৰাধিকাৰ সূত্ৰে লালন-পালন কৰি থাকিব লাগে। আনকি ঊনবিংশ শতিকাৰ শেষাৰ্ধত বলি নাৰায়ণ বৰাইও সেই ধাৰণাৰ প্ৰতিবাদ কৰিছিল এইদৰে– 'অসমীয়া ভাষাৰ বদলি বঙালি ভাষা পঢ়াশালিত আৰু কচাৰিত চলিত নহয় এনে অসমীয়াৰ ইচ্ছা। নিজে স্বাধীন জাতি নিজৰ ভাষা স্বাধীন ইয়াকে দেখুৱাব পাৰিলেই অসমীয়াৰ গৌৰব।'[৩] তেওঁৰ ধাৰণা আছিল এনে ধৰণৰ – '.......অসমীয় আৰু বাঙালি ভাষাত যিমান বিভিন্নতা, তাতোকৈ সৰহ বিভিন্নতা থাকা ভাষা নানা কাৰণ গতিকে একেলগ হই যোৱাৰ উদাহৰণ জগতৰ ইতিহাসত ভালে মান পোৱা যায়, আৰু সেই ঐক্যৰ গুণে বিজাতীয় ভাব মাৰ গই ভিন ভিন জাতি লগ লাগি একোটা জাতি হই পৃথিৱী শাসন কৰিব লাগিছে.....'[৪] কিন্তু দুৰ্ভাগ্যৰ কথা এই যে ঊনবিংশ শতিকাতে ৰোপিত সাম্প্ৰদায়িক বিদ্বেষক আজিও পুহি ৰখা হৈছে। কিছু ক্ষেত্ৰত সেই আবেগক পূৰ্বতকৈ অধিক শক্তিশালী কৰাহে দেখা যায়।

১৮৭২ চনত অসমীয়া ভাষা আৰু বঙলা ভাষাৰ মাজত সৃষ্টি হোৱা বিতৰ্কৰ পৰিণতি স্বৰূপে কলিকতা প্ৰবাসী অসমৰ ছাত্ৰ সকলে অসমীয়া জাতি আৰু ভাষাৰ প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা বাৰুকৈ উপলব্ধি কৰিলে। ১৮৮৮ চনত গঠন কৰা হ'ল 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'। কলিকতাৰ আৰ্হিতে গুৱাহাটীতো ১৯০৩ চনত ASLC প্ৰতিষ্ঠা কৰা হয়। '১৯১৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে গুৱাহাটী নগৰত অসম এচোছিয়েচনৰ সভামণ্ডপত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনী'ৰ প্ৰথম অধিবেশন বহিল।'[৫] 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনী' নামৰ ঠাইত নতুন নাম হ'ল 'অসম ছাত্ৰ সন্মিলন।'

তাৰ পিছৰ বছৰত ১৯১৭ চনত অসম সাহিত্য সভাৰ জন্ম হয়। এই অনুষ্ঠান সমূহ অৰাজনৈতিক সাহিত্য-সংস্কৃতিৰ জাতীয় অনুষ্ঠান হিচাপে সকলোৰে পৰিচিত। অসমীয়া ভাষাৰ সৰ্বতো প্ৰকাৰৰ বিকাশৰ বাবে এই অনুষ্ঠান সমূহে জন্ম লগ্নৰে পৰাই নিৰলস প্ৰচেষ্টা চলাই আহিছে। ১৯১৬ চনৰ 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনী'ৰ পৰা 'অসম ছাত্ৰ সন্মিলন' তথা বৰ্তমানৰ সদৌ অসম ছাত্ৰ সংস্থালৈকে আৰু ১৯১৭ চনত জন্ম লভা 'অসমীয়া সাহিত্য সভা'[৭]ৰ পৰা বৰ্তমানৰ অসম সাহিত্য সভালৈকে এই অনুষ্ঠান সমূহে অসমীয়া ভাষা-সাহিত্য বিকাশত আপোচ বিহীনভাবে সংগ্ৰাম চলাই আহিছে। কিন্তু সেই সংগ্ৰামবোৰে বহুভাষিক জনগোষ্ঠীৰ অসমৰ জন গাঁথনিত অতি স্বাভাৱিক ভাবেই বিৰূপ প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰি আহিছে। পূৰ্বত উল্লেখ কৰি অহা দ্বিতীয় পৰ্যায়ৰ অসমত বিশেষকৈ এই শতিকাৰ প্ৰথমাৰ্ধত 'অসম সাহিত্য সভা' আৰু 'অসম ছাত্ৰ সন্মিলনে' অসমৰ জাতীয় জীৱনত প্ৰতিষ্ঠা আৰু আস্থা লাভ কৰিবলৈ সক্ষম হয়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত শ্ৰেণীয়ে নিজা নিজা জনগোষ্ঠীৰ মাজত জনগোষ্ঠীগত জাতীয় সংগঠন গঢ়ি তোলাৰ প্ৰেৰণাও উক্ত অনুষ্ঠান আৰু স্বাধীনতা সংগ্ৰামৰ পৰাই লাভ কৰে। মিচিং সমাজত 'অসম মিৰি সন্মিলন', সামগ্ৰিক ভাবে জনজাতীয় সমাজত 'জনজাতীয় লীগ' (Tribal League) গঠিত হয়। অসমৰ জাতীয় অনুষ্ঠান আৰু অসমীয়া ভাষাৰ প্ৰতি থকা বিভিন্ন জনগোষ্ঠীৰ স্বাভাৱিক আনুগত্যৰ ওপৰত উক্ত অনুষ্ঠান সমূহে স্বাধীনোত্তৰ কালছোৱাত বিশেষকৈ ষাঠিৰ দশকৰ পৰা কৰ্তৃত্ব সুলভ আচৰণ প্ৰদৰ্শন কৰে।

১৯৬০ চনৰ ৰাজ্য ভাষা আইনৰ দাবীত হোৱা আন্দোলনটো আপাততঃ প্ৰশংসনীয় যেন লাগিলেও প্ৰকৃততে সি আছিল সেই জাতীয় অনুষ্ঠান সমূহৰ উগ্ৰ অসমীয়াবাদৰ বৰ্হিপ্ৰকাশ যিয়ে অসমৰ জাতীয় জীৱনলৈ নমাই আনিলে বিভাজনৰ কাৰুণ্য। "It may be incidentally noted that the Assam Official Language Bill which became an Act in 1960 declaring Assamese as the state language of Assam produced a mixed reaction of joy and resentment in the state. Non-Assamese speaking communities of Cachar, Khasi-Jayantya hills and people of some other areas resented the Act, but the Assamese people generally welcomed it. Thus the Act was also responsible for creating a rift between Assamese and some other communities."[৮] এই আইনখনে অসমৰ পাহাৰীয়া অঞ্চলবোৰত লগতে অনা-অসমীয়া ভাষী জনগোষ্ঠী সমূহৰ মাজত সন্দেহ আৰু সংশয় গঢ়ি তুলিলে। কিন্তু তাতে ক্ষান্ত নাথাকি ১৯৭২ চনত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবীত আকৌ আন্দোলন গঢ়ি উঠিল। ষাঠিৰ দশকত গঢ় লোৱা সন্দেহ আৰু সংশয় পাহাৰীয়া অঞ্চলবোৰত আন্দোলনৰ ৰূপত সংগঠিত হ'ব ধৰিলে। ফলত আগেয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পৰিচালিত পাহাৰীয়া অঞ্চলৰ মহাবিদ্যালয় সমূহেও ভাৰতৰ অন্যান্য ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ অধীনলৈ স্থানান্তৰ কৰি ললে। এইদৰে এদেও দুদেও কৰি ভৌগোলিক ভাবেই বিচ্ছিন্ন হোৱাৰ দাবী আৰম্ভ হ'ল। কাৰণ, 'নগালেণ্ডত নাগামিজ' উত্তৰ-পূব সীমান্ত অঞ্চলত (NEFA) 'নেফামিজ' স্বীকৃত হলেও সিয়ে অসমীয়া ভাষিক সম্প্ৰসাৰণবাদৰ ইংগিত ৰূপে বিবেচিত হ'ল। অৰ্থাৎ অসমীয়া ভাষাক পাৰ্বত্য জনগোষ্ঠীৰ ওপৰত কৌশলেৰে জাপি দিব বিচাৰিছে – এই মানসিকতা গঢ় লৈ উঠিল।'[৯] ফলত নগালেণ্ড গ'ল, মিজোৰাম গ'ল, মেঘালয় গ'ল আৰু অৰুণাচল গ'ল অসমৰ বুকুৰ পৰাই ফাটি ফাটি।

১৯৭৪ চনত বড়ো সকলে তেওঁলোকৰ ভাষা-লিপিৰ কাৰণে আন্দোলন কৰিলে। সেই আন্দোলনটোক অসমৰ কোনো জাতীয় অনুষ্ঠানেই অসমৰ জনগোষ্ঠীৰেই অসমৰ ভাষাৰ কাৰণে কৰা আন্দোলন হিচাপে ভাবিব নোৱাৰিলে। সেয়া সেই জাতীয় অনুষ্ঠানবোৰৰ শোচনীয় ব্যৰ্থতা আৰু সমগ্ৰ অসম বাসীৰ কাৰণেই দুৰ্ভাগ্যজনক অধ্যায়। আনকি অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ ভূমিকা এই ক্ষেত্ৰত চৰম আত্মঘাতীকৰ। ফলত বড়ো সকলৰ মনত 'অসমীয়া বিৰোধী' প্ৰৱণতা গঢ় লৈ উঠিল। সেই দৰে মিচিং ভাষাৰ স্বীকৃতিৰ সময়তো অসম সাহিত্য সভাই যি ভূমিকা গ্ৰহণ কৰিলে সি নিন্দনীয় নহয় যদিও প্ৰতাৰণামূলক আৰু সন্দেহজনক। মিচিং ভাষাক ৰোমান লিপিত স্বীকৃতি দিয়াৰ 'অপৰাধতেই' (?) হয়তো অসম সাহিত্য সভাই স্বীকৃতিৰ সময়ত ধন্যবাদ সূচক প্ৰস্তাৱ এটা কবলৈকো আহৰি নাপালে।

প্ৰকৃতপক্ষে বিভিন্ন জনগোষ্ঠীৰ ভাষা স্বীকৃতি দিলে অসমীয়া ভাষাৰ শক্তি কম হৈ পৰিব বুলি যি সকলে ভাবে সেই সকলে অসমৰ গাঁৱৰ মুখ দেখিছে বুলি আমি নেভাবো। নগৰীয়া সুসজ্জিত ড্ৰইংৰুমত অসমীয়া ভাষাৰ ভৱিষ্যত ৰচনা কৰোতে সহজাত কপটতা ভাষানীতিত মিহলাই



ডিমাছা গাভৰু

ফটো: জনসংযোগ

দিয়াৰ কাৰণেহে যে অসমীয়া ভাষাৰ বিস্তৃতি ক্ৰমাৎ সংকুচিত হৈ যাব পাৰে তাক হয়তো সেই সকলে কোনো কালেই স্বীকাৰ কৰি নলব। কিন্তু এই কথা চিৰন্তন সত্য যে কোক্ৰাঝাৰৰ এজন লোকে গুৱাহাটীত আহি বড়ো ভাষাত কিনা-বেচা নকৰে; অসমীয়া ভাষাতহে কৰিব লাগে সি যিমানেই উগ্ৰ বড়ো ভাষাপ্ৰেমী নহওক। আনকি সি মিচিং অঞ্চলত কিনা-বেচা কৰোতেও অসমীয়া ভাষাৰ মাধ্যমতে কৰিব। কাৰণ, বড়োৱে মিচিং ভাষা নুবুজে মিচিঙেও বড়ো ভাষা নুবুজে। অৰ্থাৎ যি ভাষাৰ মাধ্যমত জীৱন-জীৱিকাৰ প্ৰয়োজনখিনি পূৰণ কৰি লব পাৰে সেই ভাষাটো জনসাধাৰণে নিশিকিবলৈ আইন কৰিলেও শিকিব। এই সাধাৰণ অথচ তাৎপৰ্যপূৰ্ণ সত্যটোকে অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানে নুবুজাৰ দৰে চতুৰালি কৰাৰ ফলত আজি অসমৰ জাতীয় জীৱন বিদীৰ্ন হ'ল। প্ৰকৃতপক্ষে 'অসমীয়া' শব্দৰ অৰ্থৰ ভুল ব্যাখ্যা আন বহুতো অনুষ্ঠানতকৈ অসম সাহিত্য সভাই কৰিছে সৰ্বাধিক বুলি কলে জগৰ লাগিব নিশ্চয়। কিন্তু অতি সাধাৰণ অৰ্থতেই 'অসম সাহিত্য সভা' হবলৈ হলে অসমৰ সকলো জনগোষ্ঠীৰ সাহিত্য সভা হ'ব লাগিব। অৰ্থাৎ বড়ো, মিচিং, টাই, কাৰ্বি, ৰাভা, দেউৰী, তিৱা আদি ভাষাৰ লিপি আৰু স্বীকৃতি, বিকাশ আদিৰ বাবে অসম সাহিত্য সভাইহে আন্দোলন কৰিব লাগিছিল। এই দিশৰ পৰা চালে অসম সাহিত্য সভাই অসমীয়া ভাষাক জীয়াই ৰাখিছে সঁচা; কিন্তু অসমীয়া জাতিক ক্ষত-বিক্ষত কৰিছে।

## ০০৪: চিৰ চেনেহী মোৰ ভাষা জননী:

বহু ভাষিক জন গাঁথনিৰ বাসভূমি অসমত ভাষাক আবেগ মুক্ত বৈজ্ঞানিক দৃষ্টিভংগীৰে চাব নোৱাৰিলে সমাজত দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সৃষ্টি হোৱাটো একো অস্বাভাৱিক নহয়। বৈজ্ঞানিক দৃষ্টিৰে চালে ভাষা হৈছে মনৰ ভাব প্ৰকাশ কৰাৰ এটা মাধ্যম মাত্ৰ। "......Language is the most important means of human discourse."[১০] 'মাতৃ-ভাষা' মানে জন্মৰ পাছতে শিশুৱে মাতৃৰ মুখৰ পৰা শুনি প্ৰথমে শিকা ভাষা।[১১] বোবাৰ মাতৃ-ভাষা নাথাকে। অতএব, 'মাতৃ-ভাষা' হে 'ভাষা-মাতৃ' নহয়। এতেকে ভাষা শিশুৰ মাতৃ বা জননী নহয়। ভাষাৰ প্ৰসংগতহে এটা ভাষা আন এটাৰ মাতৃ বা জননী হ'ব পাৰে। যেনে – বৈদিক ভাষাটো অসমীয়া ভাষাৰ মাতৃ-ভাষা বা জননী ভাষা। কিন্তু 'চিৰ চেনেহী মোৰ ভাষা জননী'ত এনে এটা আবেগ সোমাই আছে যি ভাষাৰ বিজ্ঞান সন্মত দৃষ্টিক সম্পূৰ্ণভাবে অস্বীকাৰ কৰি পেলায়। 'মাতৃ-ভাষা'ৰ পৰিবৰ্তে 'ভাষা-মাতৃ'ৰ তত্ত্বহে প্ৰচাৰ কৰা হৈছে। সিয়ে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মনতো ভাষাৰ প্ৰতি আবেগ বিহ্বলতা জগাই নোতোলাকৈ থকা নাই। আনহাতে অসমৰ সকলো জনগোষ্ঠীৰ ভাষাৰ ক্ষেত্ৰত সেই 'ভাষা-মাতৃ' বা 'ভাষা জননী'ৰ সমতাও ৰক্ষা কৰা হোৱা নাই। অসমীয়া ভাষীয়ে অসমীয়া ভাষাক যেনেকৈ 'চিৰ চেনেহী মোৰ ভাষা জননী' ভাল পাব পাৰে তেনেকৈ এজন বড়ো ভাষীয়েও বড়ো ভাষাক 'চিৰ চেনেহী মোৰ ভাষা জননী' বুলি ভাল পাব পাৰে। এজন অসমীয়া ভাষীয়ে যিদৰে কোনো পৰিস্থিতিতে অসমীয়া ভাষাৰ অপমান সহ্য কৰিব নোৱাৰে সেই দৰে এজন বড়ো ভাষীয়েও বড়ো ভাষাৰ অপমান কোনো পৰিস্থিতিতে সহ্য কৰিব নোৱাৰে। তাৰ কাৰণ হৈছে ভাষা এনেয়ে এটা স্পৰ্শকাতৰ বিষয়; তাতে আবেগ বৰ্দ্ধক, উত্তেজক আৰু উত্তপ্ত ধ্বনি দিলে ভাতৃঘাতী সংঘৰ্ষ আৰু ভুল বুজাবুজিৰ সৃষ্টি হোৱাটো অনিবাৰ্য।

## ০০৫: ভাষাৰ স্থিতি আৰু বিস্তৃতিত বজাৰ:

ভাষাৰ স্থিতি আৰু বিস্তৃতিত বজাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। "......the requirements of economic exchange will always compel the nationalities living in one state (as long as they wish to live togather) to study the language of the majority."[১২] মানুহৰ জীৱন-জীৱিকাৰ লগত সম্পৰ্ক নথকা এটা ভাষা মানুহে দ্বিতীয় ভাষা হিচাপে কেতিয়াও নিশিকে। অসমীয়া অসমৰ বজাৰৰ ভাষা। দৈনন্দিন জীৱনৰ প্ৰয়োজনখিনি পূৰাবৰ বাবে অসমৰ যি ভাষী লোকেই নহওক কিয় অসমীয়া ভাষাটো শিকিবই। প্ৰথম পৰ্যায়ৰ অসমত বজাৰ আছিল অতিশয় সীমিত। সামন্তীয় অনুন্নত সেই উৎপাদন ব্যৱস্থাত ৰাহি উৎপাদন হলেও এঠাইৰ পৰা আন ঠাইলৈ পৰিবহণ কৰা সম্ভৱ নাছিল। ফলত অসমৰ সমতলীয় অধিবাসী আৰু পাহাৰীয়া লোকৰ মাজত কিছুমান নিৰ্দিষ্ট স্থানতহে পণ্য বিনিময়ৰ মাধ্যমত সীমিত বজাৰ গঢ়ি উঠিছিল। "The economy of its plains was very much integrated with that of the hills. Raw cotton, forest products, oranges, rock salt and iron from the hills were bartered for rice, dried fish, silk and cotton cloth from the plains. This symbiotic relationship was maintained through a chain of foot hill marts and fairs where both sides met."[১৩] এনে ধৰণৰ বজাৰবোৰৰ ভাব বিনিময়ৰ মাধ্যম আছিল অসমীয়া আৰু ইয়াৰ থলুৱা ভাষা সমূহ। অসমীয়া ভাষী লোকৰ বাহিৰেও সাধাৰণতে অনা-অসমীয়া ভাষী দুজন লোকৰ মাজত বিনিময় হ'ব লগা হলে অসমীয়া ভাষাতে বিনিময় হৈছিল লাগে সি পাহাৰীয়াই হওক বা সমতলীয়ই হওক। উদাহৰণ স্বৰূপে মিচিং আৰু নগা, মিচিং আৰু খামতি, মিচিং আৰু বড়োৰ মাজত বিনিময়ৰ মাধ্যম অসমীয়া আছিল। কিন্তু মিচিং আৰু গালং, মিঞং, পাদাম আদিৰ লগত মিচিং ভাষাতেই বিনিময় হৈছিল। কাৰণ মিচিং ভাষাটো দুয়ো পক্ষৰে বোধগম্য ভাষা। যিহেতু প্ৰথম পৰ্যায়ৰ অসমত যোগাযোগ, যাতায়াত, পৰিবহণ ব্যৱস্থা উন্নত নাছিল, গতিকে সেই পৰ্যায়ত বজাৰবোৰৰ বিস্তৃতি অনুসৰিয়েই অসমীয়া ভাষাৰ বিস্তৃতিও সীমিত ভাবে হৈছিল।

বৃটিছ অহাৰ লগে লগে অসমৰ আৰ্থ-সামাজিক জীৱনত এক অভূতপূৰ্ব পৰিবৰ্তনৰ সূচনা হ'ল। ঔপনিবেশিক লুণ্ঠন চলাই যোৱাৰ স্বাৰ্থত উৎপাদন ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধিলে। কৃষিখণ্ডক ব্যৱসায়িক উদ্দেশ্যত ৰাহি উৎপাদন কৰিব পৰাকৈ নিয়োজিত কৰাৰ কথা চিন্তা কৰিলে। "The traditional self-sufficient no surplus production economy did not bring much profit to the British. The government of Bengal instructed the authorities in Assam to encourage production of cash crops and articles of export, particularly opium."[১৪] তাৰ উপৰি মৰাপাটৰ খেতিৰ বাবে দক্ষ খেতিয়কক পূৰ্ব বাংলাৰ পৰা অনা হ'ল। কাৰণ সেই সময়ত অসমত মৰাপাটৰ খেতি কৰা হোৱা নাছিল। "Assam was not a jute producing area until then. Hence, the introduction of jute in Assam was linked to the immigration of peasants from Eastern Bengal who were expert jute cultivators."[১৫]

আনহাতে ১৮২৩ চনত বনত আৱিষ্কৃত চাহৰ খেতি ত্ৰিশৰ দশকত পৰীক্ষামূলক খেতি হিচাপে কৰা হয় যদিও পঞ্চাশৰ দশকত কোম্পানীয়ে অভিলেখ পৰিমাণৰ ৫৪৪,৭৫৬,৭৪২ কিলোগ্ৰাম চাহ উৎপাদন কৰি বিপুল অৰ্থ আয় কৰিবলৈ সক্ষম হয়।[১৬] লগে লগে পৰিবহণৰ কাৰণে যাতায়াত ব্যৱস্থাৰ উন্নতি কৰণৰ প্ৰয়োজনীয়তা আহি পৰে। ব্ৰহ্মপুত্ৰই দি ভাপ নাও প্ৰচলনৰ ব্যৱস্থা কৰে। "The increasing importance of the Assam economy demanded that it be linked with the world market. Hence a steamer service was introduced in 1847 on the Brahmaputra."[১৭]

সিফালে পথ, ৰেল, আদিৰো উন্নতি সাধিত হ'ল। উদ্যোগ যাতায়াত, শিক্ষা আদিৰ বিকাশৰ লগে লগে অসমৰ বাহিৰৰ পৰা বিভিন্ন কাৰণত অসমলৈ অনা-অসমীয়া ভাষী লোকৰ আগমন হ'ব ধৰিলে। 'এতিয়া কলিকতাৰ পৰা বেপাৰি লোকে অহা জোআ কৰি বা কেৱল বস্তু অনা নিয়া




মিচিং সকলৰ উৎসৱ আলি আয়ে লৃগাং

কৰি, অসম দেসত বেহা কৰিবলৈ বৰ ভাল হৈছে......।'[১৮] "The Marwaris who entered Assam along with the British, penetrated deep into Assam. They were marchants, speculators and shop keepers. The Marwaries were found in every important village. They sold salt, cotton-twists and piece goods like brass-metals, undrained sugar, etc. in exchange for money or paddy, rice, mustard and silk."[১৯] সেইদৰে "Demand for trading, clerical, skilled and even unskilled services invited migration of suitable personnel belonging to non-indigenous ethnic groups, such as the Marwari traders and Bengali professionals who had dependents at home to support."[২০] অসমলৈ হোৱা এই অনা-অসমীয়া ভাষী লোকৰ এই প্ৰব্ৰজনে অসমৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনলৈ এটা নতুন সোঁত কঢ়িয়াই আনিলে। অসমৰ বিকাশমান নগৰাঞ্চলত ব্যৱসায়-বাণিজ্যৰ দিশটো সম্পূৰ্ণভাবে সেই শ্ৰেণী লোকৰ হাততে কেন্দ্ৰীভূত হ'ব ধৰিলে আৰু সেই শ্ৰেণীটোৱে স্বাধীনোত্তৰ কালত হিন্দী ভাষা ৰাষ্ট্ৰ ভাষাৰ মৰ্যাদা লাভ কৰাৰ লগে লগে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰখনৰ ভাষাও হিন্দী কৰাৰ প্ৰচেষ্টা চলালে। ফলত অতি স্বাভাৱিকভাবেই পাৰ্বত্য অঞ্চলৰ জনগোষ্ঠী সমূহে অসমীয়া ভাষাৰ পৰিবৰ্তে হিন্দী ভাষাৰ প্ৰতি অধিক আকৰ্ষিত হ'ব ধৰিলে। অসমীয়া ভাষাৰ বিস্তৃতি আৰু স্থিতি অসমতে দুৰ্বল হোৱাৰ মূলতে হ'ল অসমতে গঢ়ি উঠা বজাৰখন অসমৰ থলুৱা লোকে দখল কৰিব নোৱাৰাটো। কোনো আইন-কানুনৰ যোগেদি হেঁচা প্ৰয়োগ কৰি নহয়, থলুৱা লোকৰ দ্বাৰা এখন বজাৰৰ বিকাশ ঘটাইহে ভাষাৰ প্ৰচলন বিস্তৃত কৰা সম্ভৱ। সেই বজাৰ অৰ্থনৈতিক, বৌদ্ধিক আদি যি কোনো ধৰণৰে হ'ব পাৰে।

## 006ঃ সামৰণি

বিভিন্ন সময়ত বিভিন্ন ব্যক্তি, শ্ৰেণী, সংগঠন আদিয়ে কৰি যোৱা ভুলৰ কাৰণে আজি অসমৰ ভৌগোলিক পৰিসীমাৰ লগতে জাতিগত পৰিসৰো সংকুচিত হ'ব ধৰিছে। পাহাৰীয়া জিলা আৰু অঞ্চলবোৰ ফাটি যোৱাৰ পাছত সমতল ভূমিতো একে প্ৰৱণতা গা কৰি উঠিছে। মিচিং আগম



বড়ো গাভৰু ফটোঃ পদ্ম পাটৰ

কোবাঙে অসম সাহিত্য সভাক সন্দেহ কৰে; বড়ো সাহিত্য সভাই কৰে, ৰাভা সাহিত্য সভাই কৰে ইত্যাদি। এই সন্দেহ বাঢ়ি গৈ থাকিলে এদিন এনে এক পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে য'ত 'নিজৰ' বুলিবলৈ একোৱেই নাথাকিব। এই জনগোষ্ঠীবোৰে যিমানেই অসম সাহিত্য সভাৰ বিৰুদ্ধে মাত নামাতক কিয়, যিমানেই অসমীয়া ভাষাৰ বিৰুদ্ধে হুংকাৰ নিদিয়ক কিয় তেওঁলোক অসমৰ জনগোষ্ঠী। তেওঁলোকৰ ভাষা-সংস্কৃতিৰ বিকাশ বুলিলে অসমৰে ভাষা-সংস্কৃতিৰ বিকাশ। অসমীয়া জাতিৰ বিকাশ। অসমীয়া জাতি যদি শৰীৰ হয়; বাকী জনগোষ্ঠী যদি শৰীৰৰ অংগ-প্ৰত্যংগ হয় তেন্তে সেই শৰীৰটোক সুস্থ ৰখাৰ স্বাৰ্থতে অংগ-প্ৰত্যংগবোৰো সুস্থ ৰাখিব লাগিব। এটা আঙুলি আঘাতপ্ৰাপ্ত হোৱাৰ কাৰণে সৰ্বশৰীৰটোৱেই অসুস্থ হৈ পৰিব পাৰে। এতেকে অসমীয়া জাতিৰ গঠনৰ ব্যাহত হৈ পৰা প্ৰক্ৰিয়াত স্বাভাৱিক গতি দানৰ স্বাৰ্থতে তলৰ ব্যৱস্থাৱলীৰ প্ৰয়োজনীয়তা অনুভৱ কৰা যায়।

১। অসম সাহিত সভাৰ নাম 'অসমীয়া সাহিত্য সভা' ৰখা উচিত হ'ব।

২। বিভিন্ন জনগোষ্ঠীৰ সাহিত্যানুষ্ঠানৰ পৰা গণতান্ত্ৰিক ভাবে নিৰ্বাচিত সদস্যেৰে গঠিত এখন সাহিত্যানুষ্ঠান ৰাখিব লাগে আৰু তাৰ নামহে 'অসম সাহিত্য সভা' ৰাখিব লাগে। 'অসমীয়া সাহিত্য সভা'ৰ পৰা নিৰ্বাচিত সদস্য উক্ত সভাতো থাকিব।

৩। যিবোৰ জনগোষ্ঠীৰ সাহিত্যানুষ্ঠান এতিয়াও গঢ়ি উঠা নাই সেই জনগোষ্ঠী সমূহৰ মাজত 'অসম সাহিত্য সভা'ই সাহিত্যানুষ্ঠান প্ৰতিষ্ঠা কৰি নিৰ্বাচিত সদস্য সভালৈ মনোনীত কৰি আনিব লাগে।

৪। অসমৰ সকলো জনগোষ্ঠীৰ ভাষাকে চৰকাৰী স্বীকৃতি দিয়াৰ ব্যৱস্থা অসম সাহিত্য সভাই কৰিব লাগে।

### প্ৰসংগ নিৰ্দেশিকাঃ–


১। শৰ্মা, বেণুধৰঃ দূৰবীণঃ পৃঃ ৪

২। Sarma, Satyendra Nath: "A Short History of the Assam Academy for Cultural Relations" appeared in Modern Assamese Life and Culture: AACR, Guwahati (ed) by Dr. Birendranath Datta et al, 1985. pp (supplement) 1-2.

৩। শৰ্মা, সত্যেন্দ্ৰনাথ সম্পাদিত 'মৌ' (দ্বিতীয় সংখ্যা, ১৮৮৭)ঃ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮০ঃ পৃঃ ৪৩

৪। শৰ্মা, সত্যেন্দ্ৰনাথ সম্পাদিত 'মৌ' (দ্বিতীয় সংখ্যা, ১৮৮৭)ঃ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮০ঃ পৃঃ ১১০

৫। হাজৰিকা, অধ্যাপক অতুল চন্দ্ৰ সংকলিত আৰু সম্পাদিত ভাষণমালাঃ প্ৰকাশন পৰিষদ, অসম, গুৱাহাটী, ১৯৬০ ভূমিকা দ্ৰষ্টব্য।

৬। হাজৰিকা, অধ্যাপক অতুল চন্দ্ৰ সংকলিত আৰু সম্পাদিত ভাষণমালাঃ প্ৰকাশন পৰিষদ, অসম, গুৱাহাটী, ১৯৬০ ভূমিকা দ্ৰষ্টব্য।

৭। হাজৰিকা, অধ্যাপক অতুল চন্দ্ৰ সংকলিত আৰু সম্পাদিত ভাষণমালাঃ প্ৰকাশন পৰিষদ, অসম, গুৱাহাটী, ১৯৬০ পৃষ্ঠা ৩৭।

৮। ২নংত উক্ত গ্ৰন্থঃ পৃঃ ১-২

৯। অশান্ত জনজাতিঃ বসন্ত কুমাৰ দলেঃ পৃঃ ৩২

১০। Lenin on Language: Radugu Publishers Moscow quoted in p. 19

১১। বোবা মাতৃৰ সন্তানে পিতৃ বা পৰিয়ালৰ আন সদস্যৰ পৰাই ভাষা শিকে। তেনেস্থলতো সেইটোৱেই শিশুটোৰ মাতৃ ভাষাৰূপে পৰিগণিত হয়।

১২। ১০ নংত উক্ত গ্ৰন্থঃ পৃঃ ১০৭

১৩। Guha, Amalendu: Medieval and Early Colonial Assam; Society Polity Economy: Centre for Studies in Social Sciences, Calcutta: p. 23

১৪। Nag, Sajal: Roots of Ethnic Conflict: Nationality Question in North-East India: Manohar, 1990: p. 39.

১৫। Ibid p. 40

১৬। Ibid

১৭। Ibid

১৮। দ্বিতীয় বছৰঃ নৱম সংখ্যাঃ অৰুণোদয়ঃ অসম প্ৰকাশন পৰিষদঃ পৃঃ ৬৯

১৯। ১৪ নংত উক্ত গ্ৰন্থঃ পৃঃ ৪১

২০। ১৩ নংত উক্ত গ্ৰন্থঃ পৃঃ ১৯৬






# অৰণ্যৰ গান


নীলমণি ফুকন

এই কবিতাকেইটা এলউইন প্লেফেয়াৰ এছ চি ৰয়, কে পি বাহাদুৰ আৰ্চাৰ গৌতমশংকৰ ৰয় এল চি দাস কে বি মহাপাত্ৰৰ ইংৰাজী অনুবাদৰ অৱলম্বনত অসমীয়া কৰা হৈছে।

## হো

১
নৈখনৰপৰা যেতিয়া তই
আহি থাক
পথাৰখনৰ মাজেদি যেতিয়া তই
আহি থাক
ধানৰ থোকৰ দৰে তই
হালি-জালি আহ

২
তই চন্দন গছ এজোপা ৰুইছ
তোৰ চোতাল ? এজোপা চন্দন গছ
চন্দনজোপাই ছাঁ পেলায়
গোটেই ডোখৰ ঠাইতে ছাঁ
পূব বা পছিমৰপৰা যেতিয়া বতাহ বলিব
তোৰ চন্দন গছৰ ফুলবোৰ আছাৰখাই
ইপিনে সিপিনে পৰিব



জোৱাঙ ভীনাছ। কাঠৰ খোদাই। উৰিষ্যা।

## জোৱাঙ

১
ৰঙা আৰু সেউজীয়া
মৌৰাবোৰৰ পাখি
দীঘল নেজীয়া মৌৰাটোৱে
যেতিয়া নাচে
সি তাৰ ছাঁটো চায়
কোনটো নাচে অ' ছোৱালী
কঁকালত তোৰ ধৰে

## গাৰো

১
নিটোল লাওটোৰ দৰে তই লনি
শুৱনি তোৰ স্তন
জিম্বাৰী গছৰ গাৰ দৰে বগা তোৰ উৰু
অ' মোৰ সোণ
মন্ডল গছৰ ফুলৰ দৰে তোৰ ওঁঠ
অ' মোৰ সোণ
বাঁহপাতৰ দৰে তোৰ চকুৰ পাহি
অ' মোৰ সোণ

## চাওতাল

১
কেনেকৈ মহুৱা ফুলৰপৰা
ৰস নিগৰে
কেনেকৈ মহুৱা ফুলৰপৰা
তেল নিগৰে
এটাৰ ল'ৰা
এটাৰ ছোৱালী
কেনেকৈ হয় সিহঁতৰ
হৃদয়ৰ মিলন

২
জোন উঠি আহিলেই
সি কলনীখনৰ মাজলৈ যায়
বেলি ওলালেই
ৰঙা ফুলবোৰ জঁয় পৰে

## চত্তিছগড়ী

১
নৈৰ তলিখন শুকান
যা হে'ৰ ফুল-তোলা ছোৱালী
আনগৈ মোলৈ পানী
জলাশয়টো শুকান
সেই কাৰণেই তাত এপাহো পদুম নাই
সবাতোকৈ ৰূপহী ছোৱালীজনী শুকান
কাৰণ তাইৰ প্ৰেমিক নাই
যা হে'ৰ ফুল-তোলা ছোৱালী
আনগৈ মোলৈ পানী




OKDISCD

## ওৰাণ

১


কিন্‌কিনীয়া বৰষুণত ফুলবোৰ আলফুলকৈ
ধুলিলৈ সৰে
কোনোবা প্ৰিয়জনলৈ বুলি ছোৱালীজনীয়ে
ফুলবোৰ বোটলে
আৰু নাদটোলৈ যায়
প্ৰিয়জনক লগ পোৱাৰ পিছতো
কিয় ভিতৰ নোসোমাই
কিন্‌কিনীয়া বৰষুণত তিতি তাই
চোতালত থিয় দি আছে

২

সুমথিৰা জোপা সুমথিৰাৰে ভৰা
নিজম চিক্‌মিকীয়া সুমথিৰা
পকা আধাপকা কেঁচা
পকাবোৰ বৰ মিঠা
কেঁচাবোৰ খুব টেঙা
আধাপকাবোৰ সুন্দৰ টেঙা-মিঠা

৩

মোৰা পাখি এটাৰ দৰে
ঘৰখন মই শুৱাই আছিলোঁ
মোক যদি এতিয়া বিয়া দিয়
ঘৰখন উৰুঙা হৈ নেযাবনে
উৰুঙা হৈ



*চাওতালী চেৰেজাৰ শীৰ্ষ ভাগ। কাঠ। চাওতাল পৰগনা। উৰিষ্যা।*

ফুলেৰে সাজি-কাচি পলাশ জোপাই
জক্‌মকায়
মাহুলে মেলিছে কোমল কুঁহিপাত
সঁচাকৈয়ে মাঘা আকৌ আহিব
তইহে ক'লৈ গলিগৈ
প্ৰিয় প্ৰিয় সখা মোৰ


২

তোৰ ভৰিত আল্‌তা
হাতৰ তলুৱাত হালধি
কোনখন আল্‌তাৰ পথাৰলৈ
গৈছিলি তই
কাৰ হালধিৰ পথাৰলৈ
গৈছিলি তই
সঁচাকৈয়ে ক'চোন চেনেহী
সোমাইছিলি নেকি বাৰু তই
এটা হালধিৰ ঘৰত

## বাইগা

১

জোনটোৰ দৰে তোৰ ঘোঁৰাটো
বিজুলীছাটিৰ দৰে চিকমিকাই তোৰ চোৱাৰি
সূৰ্যৰ দৰে উজ্জ্বল তোৰ শৰীৰ
তোৰ প্ৰেমৰ কাৰণে উচুপে মোৰ হৃদয়ে



*বাইগা কাঠখোদাই। বিলাসপুৰ। মধ্যপ্ৰদেশ।*

অ' মোৰ চেনেহৰ দেউতা

৪

একেলগে আমি টিকো নৈ লৈ যাম
অ' মোৰ চেনেহী
নাইবা পাত বুটলিবলৈ আমাৰ পছন্দৰ
এখন হাবিলৈ
মাছ ধৰিবলৈ আমি টিকো নৈ লৈ যাম
অ' মোৰ চেনেহী

## মুণ্ডা

১

আকৌ আহিবলৈ মাঘা আহে
আৰু যায়
আমি জানো তেনে
মাঘা আকৌ আহিব
তইহে ক'লৈ গলিগৈ সখা মোৰ

২

মাটিত সিঁচৰতি হৈ আছে তাইৰ
গোটেইকোছা দীঘল চুলি
মই ফুল চিঙিবলৈ যাওঁ
গধূলি বেলিকা তাইৰ গোটেইকোছা দীঘল চুলি
মাটিত সিঁচৰতি হৈ থাকে
মই ফুল চিঙিবলৈ যাওঁ
শুৱৰ বেলিকা তাইৰ গোটেইকোছা দীঘল চুলি
মাটিত সিঁচৰতি হৈ থাকে
মই চিঙিলো এপাহ কিনো মৰম লগা ফুল





# আল্‌ফা সমস্যাৰ সমাধান কেনেকৈ হোৱা উচিত

আল্‌ফা সমস্যাৰ সমাধান কেনেকৈ হোৱা উচিত? অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্নটোক আলোচনাৰ বিষয় হিচাপে গণ্য কৰি হ'লেও আল্‌ফাক আলোচনালৈ নিমন্ত্ৰণ কৰাটো উচিত হবনে? অসমৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিত এই দুয়োটা প্ৰশ্নই আটাইতকৈ জৰুৰী আৰু গুৰুত্বপূৰ্ণ হৈ দেখা দিছে। প্ৰশ্ন দুটাৰ উত্তৰ বিচাৰি সূত্ৰধাৰৰ প্ৰতিনিধি **সবিতা লহকৰে** কেইজনমান শীৰ্ষস্থানীয় বিৰোধী নেতা আৰু এজন ছাত্ৰ নেতাৰ কাষ চাপিছিল। তলত তেওঁলোকৰ উত্তৰবোৰ দিয়া হ'ল।

### শৰৎ চন্দ্ৰ সিংহ

প্ৰাক্তন মুখ্য মন্ত্ৰী আৰু
সভাপতি অসম ৰাজ্যিক কমিটি,
কংগ্ৰেছ (এছ)

১ বহু বছৰ ধৰি একেৰাহে ৰাজনীতিত থাকিলে একধৰণৰ প্ৰজ্ঞাৰ জন্ম হয়। ইয়েই ৰাজনৈতিক বিচক্ষণতা, যাক ইংৰাজীত কোৱা হয় equiment. অসমত আজি আটাইতকৈ বেছি প্ৰয়োজন হৈছে এই বিচক্ষণতাৰ। আল্‌ফাৰ সমস্যাটো সৈন্য বাহিনী বা পুলিচৰ দ্বাৰা সমাধান কৰিব পৰা নাযায়। পৃথিৱীৰ দেশে দেশে বহুবাৰ এই সত্যটো প্ৰমাণিত হৈছে। সৈন্য বাহিনীক শত্ৰুৰ পৰা কেনেকৈ দেশখন ৰক্ষা কৰিব তাৰহে প্ৰশিক্ষণ দিয়া হয়। অধিকৃত দেশ বা শত্ৰুৰ দেশৰ জনসাধাৰণৰ প্ৰতি কেনে আচৰণ হব তাৰ কোনো প্ৰশিক্ষণ নাথাকে। গতিকে তেওঁলোকৰ জনসাধাৰণৰ প্ৰতি কোনো দায়-দায়ত্ব নাই। আনহাতে পুলিচৰ দায়িত্ব হ'ল আভ্যন্তৰীণ শান্তি-শৃংখলা ৰক্ষা কৰা। ৰাইজৰ লগত কেনে ব্যৱহাৰ কৰিব সেইটো তেওঁলোকৰ প্ৰশিক্ষণৰ অন্তৰ্গত। পুলিচ বাহিনীয়ে কিন্তু প্ৰতিৰক্ষাৰ কাম কৰিব নোৱাৰে। কিন্তু ভাৰতবৰ্ষৰ বাবে অত্যন্ত দুৰ্ভাগ্যৰ কথা যে সময়ে সময়ে ইয়াত সৈন্য বাহিনীক আভ্যন্তৰীণ শান্তি-শৃংখলা ৰক্ষাৰ কামত নিয়োগ কৰা হৈছে। ইয়াৰ বাবে লোকসভাত আইনো কৰি লোৱা হৈছে।

কিন্তু যিহেতু প্ৰশিক্ষণৰ বেলিকা তেওঁলোকক দেশীয় নাগৰিকৰ প্ৰতি কেনে ব্যৱহাৰ কৰিব তাৰ কোনো প্ৰশিক্ষণ আদি দিয়া নহয়, সেয়ে শত্ৰু দেশৰ নাগৰিকৰ প্ৰতি কৰা ব্যৱহাৰকেই সৈন্যসকলে আপোন দেশৰ মানুহৰ প্ৰতি কেতিয়াবা কৰি পেলায়। গতিকে সৈন্য বাহিনী নমোৱাৰ লগে লগেই অত্যাচাৰ-অতিচাৰৰ প্ৰসংগ উত্থাপন হয়েই। এই সমগ্ৰ অস্বাভাৱিক অৱস্থা আঁতৰ কৰাৰ বাট কিন্তু আলাপ-আলোচনাতে আছে। মেজ এখনৰ দুয়োকাষে দুয়োটা পক্ষই বহি কথাবোৰ পাতিলেই তাক আলোচনা কৰা বুলি নকয়। এই মেজত বহি আলোচনা কৰাৰ আগৰ পৰ্যায় কিছুমানো আছে। কৌশলেৰে সেই পৰ্যায়সমূহ অতিক্ৰম কৰাৰ পিছতহে আলোচনাৰ প্ৰশ্নটো আহিব। এই কৌশলখিনি স্থিৰ কৰাৰ বাবেই ৰাজনৈতিক বিচক্ষণতাৰ প্ৰয়োজন। নিৰ্দিষ্ট কোনো সংজ্ঞাৰে ৰাজনৈতিক বিচক্ষণতাক বান্ধিব পৰা নেযায়। সৰু উদাহৰণ এটাৰে এই কথাটো ব্যাখ্যা কৰিব পাৰি– বাঘে মানুহ খায়, কিন্তু সেই বাঘকে মানুহে ধৰে। বন্দুক বহুত মানুহৰ হাততে থাকে, কিন্তু কোনো চিকাৰীয়েহে বাঘটোক ধৰিব পাৰে। যি বিশেষ গুণৰ দ্বাৰা চিকাৰী এজনে বাঘটো পিঞ্জৰাত বন্ধ কৰে, সেইটোৱে তেওঁৰ বিচক্ষণতা। চিকাৰীজনৰ এই গুণ বা কৌশলটো কিন্তু ব্যাখ্যা কৰিব নোৱাৰি।

২ ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বই অসমৰ সাৰ্বভৌমত্ব। এই বিষয়ত আলোচনা চলোৱাৰ এক্তিয়াৰ অসম চৰকাৰৰ কিয়, ভাৰত চৰকাৰৰো নাই। যিহেতু সাৰ্বভৌমত্বৰ প্ৰশ্নটোৱেই অসাংবিধানিক। ভাৰতীয় সংবিধান মতে সাৰ্বভৌমত্বৰ প্ৰশ্নটো আলোচ্য বিষয় হবই নোৱাৰে। নগা, মিজো আদি আন্দোলনেও সাৰ্বভৌমত্বৰ প্ৰশ্ন তুলিছিল, কিন্তু

ODISCD

আলোচনাৰ মেজত এই প্ৰশ্নটো কেতিয়াও আলোচ্য বিষয় হোৱা নাছিল। সাৰ্বভৌমত্বৰ প্ৰশ্নটো বাদ দি আন বিষয়ত আলোচনা কৰাৰ ইচ্ছা ভাৰত চৰকাৰে প্ৰকাশ কৰিছে। আনহাতে আল্‌ফাই কৈছে যে সাৰ্বভৌমত্বৰ প্ৰশ্নটো আলোচনাৰ বিষয় বস্তু নকৰিলে আলোচনাত নবহে। এতিয়া কি কৌশল প্ৰয়োগৰ দ্বাৰা এই পৰস্পৰ বিপৰীত দুটা পক্ষক আলোচনাৰ বাবে সন্মত কৰাব পাৰি তাক ঠিক কৰিব পাৰিব সমস্যাটোৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত সকলেহে। ইয়াৰ বাবে প্ৰয়োজন কূটনৈতিক বিচক্ষণতা। সমস্যাটোৰ সমাধান সম্পৰ্কত স্থূলভাৱে ক'বলৈ হ'লে ক'ব লাগিব–

(১) আল্‌ফাৰ ওপৰত সৈন্য বাহিনী প্ৰয়োগ কৰিব নোৱাৰিব;

(২) আলাপ-আলোচনা কৰিব লাগিব।

কিন্তু সূক্ষ্মভাৱে ব্যাখ্যা কৰিব খুজিলে ক'ব লাগিব, সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত সৰ্বাগ্ৰে প্ৰয়োজন হ'ল ৰাজনৈতিক পাৰদৰ্শিতাৰ।

## গোলাপ বৰবৰা

**প্ৰাক্তন মুখ্য মন্ত্ৰী আৰু নেতা, জনতা দল**

১ মই সাধাৰণতে দ্বিধা জড়িত উত্তৰ দিব নিবিচাৰো। ৰাজনৈতিক বা অন্যান্য যিকোনো ক্ষেত্ৰৰে প্ৰশ্নত দুয়োটা পক্ষকে সুখী কৰি মতামত দিয়াৰ অভ্যাস মোৰ নাই। গতিকে প্ৰথমেই কৈ লৈছো, মোৰ বক্তব্য মই পোনপটীয়া ভাৱেই দাঙি ধৰিম।

প্ৰথম কথা হ'ল, কংগ্ৰেছ (আই) চৰকাৰে নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগিব। কংগ্ৰেছ (আই)-ৰ নিৰ্বাচনী ইস্তাহাৰৰ এটা গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি আছিল এই যে সকলো টাডা বন্দীকে মুক্তি দিব। গতিকে নিৰ্বাচিত হৈ চৰকাৰ গঠন কৰাৰ পিছত এই ক্ষেত্ৰত তেওঁলোক দায়বদ্ধ। কিন্তু পৰৱৰ্তী সময়ছোৱাত এনে এটা অৱস্থা আহিল যে এই টাডা বন্দীসকলৰ কিছু সংখ্যকক মুক্তি দিয়াৰ ক্ষেত্ৰত অসুবিধাই দেখা দিলে। সেয়ে আমি ভাবো এনে ধৰণৰ প্ৰতিশ্ৰুতি নিৰ্বাচনী ইস্তাহাৰত নিদিয়াই যুগুত। যদি দিয়াই হয়, তেনেহলে তাক কাৰ্যত পৰিণতো কৰা উচিত।

দ্বিতীয়তে, এনেকুৱা সশস্ত্ৰ বিপ্লৱ আগতেও হৈছে। তেনেবোৰ ক্ষেত্ৰত আলাপ-আলোচনাও হৈছে। পুলিচ মিলিটাৰীৰে সমস্যাৰ সু-সমাধান সম্ভৱ নহয়। কিন্তু আলাপ-আলোচনাৰ প্ৰতি দুয়ো পক্ষৰে আগ্ৰহ থাকিব লাগিব। অসম চৰকাৰে এই ক্ষেত্ৰত নিজৰ দায়িত্ব এৰাই থৈছে। তেওঁলোকে কেতিয়াবাই ঘোষণা কৰিছে যে আলোচনাত বহিবলৈ তেওঁলোক ইচ্ছুক। কিন্তু তেওঁলোকৰো উদ্দেশ্য সম্পৰ্কে বৰ্তমানে সন্দেহৰ সৃষ্টি হৈছে। কাৰণ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মতদ্বৈধতা দেখা গৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অলপতে কৈছে যে অপাৰেচন ৰাইন' শেষ নোহোৱালৈ কোনো আলোচনা নহয়। আনহাতে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীয়েও কৈছে যে অসমত সামৰিক বাহিনী প্ৰয়োগ কৰাটো উচিত হোৱা নাই। এইখিনিতে আন এটা দিশলৈকো আমি দৃষ্টি দিব লাগিব। অসম পুলিচৰ অস্ত্ৰ-শস্ত্ৰ অত্যাধুনিক নহয়; উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত পুলিচ বাহিনীৰো অভাৱ অসম পুলিচৰ আছে। আনহাতে আল্‌ফাৰ যুৱক সকল অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত আৰু উন্নত ধৰণৰ প্ৰশিক্ষণপ্ৰাপ্ত। এনে ক্ষেত্ৰত অকল পুলিচ বাহিনীৰে তেওঁলোকৰ মুখামুখি হোৱা অসম্ভৱ। সেই বাবেই বোধকৰো চৰকাৰে সামৰিক বাহিনীৰ সহায় ললে।

আমাৰ এটা প্ৰৱণতা হৈছে যে আমি অসম চৰকাৰক কেন্দ্ৰৰ পৰা নিলগাই চাওঁ। কিন্তু আমি পাহৰি যাব নালাগিব যে দুয়োখন চৰকাৰ চলাইছে একেটা দলেই। হিতেশ্বৰ শইকীয়া কেন্দ্ৰৰ প্ৰতিনিধিহে। সেয়েহে হিতেশ্বৰ শইকীয়া বেয়া, কেন্দ্ৰীয় চৰকাৰ ভাল এই ধৰণৰ ভ্ৰান্তিমূলক অৱস্থান লোৱা উচিত নহয়। প্ৰকৃততে কেন্দ্ৰইহে সকলোখিনি নিয়ন্ত্ৰণ কৰি আছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ সাম্প্ৰতিক বিসংগতিপূৰ্ণ কথা-বাৰ্তাই স্বাভাৱিকতে আমাক চিন্তাত পেলাইছে। মই ভাবো, এনেবোৰ প্ৰশ্নত কোনো দলীয় দৃষ্টিভংগী নলৈ বা ৰাজনৈতিক সুবিধা আদায়ৰ স্বাৰ্থক আগত নাৰাখিহে আগবঢ়া উচিত।

২ সাৰ্বভৌমত্বৰ দাবী আৰু আলোচনা আচলতে একে সময়তে সম্ভৱ নহয়। কিন্তু আমি মনত ৰাখিব লাগিব যে নগা, মিজো আদি আন্দোলনেও সাৰ্বভৌমত্বৰ দাবী কৰি থকা সময়তেই আলোচনা চলিছিল। তাৰো আগতে তামিলনাডুত তাহানিৰ ডি কে দলেও সাৰ্বভৌমত্বৰ দাবী লৈয়েই আন্দোলন চলাইছিল। তেওঁলোকে ভাৰতীয় সংবিধান দাহ পৰ্যন্ত কৰিছিল। কিন্তু তেওঁলোকৰ লগতো ভাৰত চৰকাৰে আলোচনা কৰিছিল। গতিকে আল্‌ফাৰ সৈতে আলোচনাৰ ক্ষেত্ৰত সাৰ্বভৌমত্বৰ দাবীটো অন্তৰায় হব নালাগে। এই ক্ষেত্ৰত মধ্যস্থতাকাৰীৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। নিজৰ প্ৰচাৰৰ বাবে আলোচনাৰ মাজত নোসোমাই যিকোনো প্ৰকাৰে আলোচনা অনুষ্ঠিত কৰাটোহে মধ্যস্থতাকাৰীৰ লক্ষ্য হব লাগে। কাৰণ আলোচনা অনুষ্ঠিত হোৱাত বিলম্ব হ'লে অন্যান্য নানা ধৰণৰ জটিলতা অহাৰ সম্ভাৱনা আছে। যিকোনো আত্মগোপনকাৰী বা বিপ্লৱী সংগঠনেই বিচাৰে যাতে সাধাৰণ মানুহৰ ওপৰত প্ৰশাসনৰ অত্যাচাৰ বেছি হয়। তেওঁলোকে ভাবে ইয়াৰ ফলত বেছি বছিকৈ মানুহ বিক্ষুব্ধ হব আৰু তেওঁলোকক সমৰ্থন কৰিব। সাধাৰণ মানুহৰ ওপৰত হোৱা অত্যাচাৰ-অতিচাৰৰ ফলত মানুহে আনকি হত্যাৰ দৰে কাৰ্যকো সমৰ্থন কৰিবলৈ লয়। সেই বাবেই হয়তো ৰঞ্জু শৰ্মাৰ মাকৰ চকুলোত ব্যাকুল হোৱা লোকে গোলাঘাটৰ সেই মুছলমান যুৱক যাক ৰঞ্জু শৰ্মাই হত্যা কৰা বুলি অভিযোগ কৰা হৈছে, তেওঁৰ বিধৱা মাকৰ দুখত ব্যথিত নহয়। সেয়ে অতি সোনকালে আলোচনা হোৱাটোৱেই সকলো পক্ষৰে মংগল সাধন কৰিব বুলি মই ভাবো।

## প্ৰমোদ গগৈ

**সম্পাদক, অসম ৰাজ্যিক কমিটি, চি পি আই**

১ আমি এতিয়াও ভাবো যে আল্‌ফা সমস্যাৰ সমাধান, আলোচনাৰ যোগেদি মীমাংসা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগে। এই সমস্যাৰ লগত ৰাজনৈতিক, অৰ্থনৈতিক প্ৰশ্নসমূহ জড়িত। এই বিষয়ৰ মীমাংসা কৰিব পাৰে ভাৰত চৰকাৰেহে। গতিকে ভাৰত চৰকাৰে এই ক্ষেত্ৰত অৰ্থাৎ আলোচনাৰ বাবে উদ্যোগ গ্ৰহণ কৰা নিতান্তই প্ৰয়োজন বুলি আমি বিবেচনা কৰো। অৰ্থনৈতিক বিষয় বিলাকত নতুনকৈ গুণাগঁথা হোৱা উচিত। যেনে অসমত ব্যৱসায় বাণিজ্য কৰি ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে যি লাভ উপাৰ্জন কৰে, তাৰ উপযুক্ত এটা অংশ ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ বাবে পুনৰ্নিয়োগ কৰাটো অতি প্ৰয়োজন। অসমত ব্যৱসায়-বাণিজ্য কৰা ৰাজহুৱা আৰু ব্যক্তিগত উদ্যোগ সমূহৰ প্ৰধান বা আঞ্চলিক কাৰ্যালয় সমূহ ৰাজ্যখনৰ ভিতৰলৈ স্থানান্তৰ কৰাৰ প্ৰশ্নটোও ইয়াৰ লগত জড়িত। এই বিষয় বিলাক সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰাৰ অধিকাৰ ভাৰত চৰকাৰৰ আছে। ৰাজনৈতিক প্ৰশ্ন বিলাক সম্পৰ্কেও অৰ্থাৎ ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদান কৰাৰ বাবে সংবিধানৰ প্ৰয়োজনীয় সংশোধন কৰাৰ আৱশ্যক হৈ পৰিছে। আমি ভাবো ৰাজ্য সমূহক অধিক ক্ষমতা হস্তান্তৰ কৰি যুক্তৰাষ্ট্ৰীয় (ফেডাৰেল) ভিত্তিত ভাৰতীয় সংবিধান সংশোধন কৰাৰ বাহিৰে অন্য বিকল্প নাই। ভাৰতবৰ্ষৰ সকলো পক্ষই এই বিষয়টো সম্পৰ্কত চিন্তা কৰিছে। ভাৰত চৰকাৰে কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক বিবেচনা কৰিবৰ বাবে 'চাৰকাৰীয়া কমিছন' নিয়োগ কৰিছিল। কিন্তু 'চাৰকাৰীয়া কমিছন'ৰ পৰামৰ্শাৱলী যথেষ্ট নহয় বুলি পিছত বিবেচিত হৈছে। ভাৰতবৰ্ষৰ ঐক্য-সংহতি ৰক্ষা কৰাৰ বাবেও ৰাজ্য সমূহক অধিক ক্ষমতা হস্তান্তৰ কৰি প্ৰকৃতাৰ্থত যুক্তৰাষ্ট্ৰীয় নীতিৰে সংবিধান সংশোধন কৰাৰ বাহিৰে বৰ্তমান সময়ত অন্য কোনো পথ নাই।

২ আল্‌ফা সমস্যা সমাধানৰ বাবে পূৰ্বচৰ্ত নোহোৱাকৈ আলোচনা আৰম্ভ কৰা সম্ভৱপৰ আৰু উচিত। আমি বৰ্তমান অৱস্থাত স্বাধীন অসম সম্ভৱপৰ বুলি বিবেচনা কৰা নাই। কিন্তু আলোচনাৰ ক্ষেত্ৰত এই প্ৰশ্ন বা বিষয়টো অন্তৰায় হোৱা উচিত নহয়। কাৰণ, মিজো নেচনেল ফ্ৰন্টেও স্বাধীন মিজোৰামৰ দাবীত ২০ বছৰ ধৰি ভাৰত চৰকাৰৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম কৰিছিল। এই দাবী উত্থাপন কৰা সত্ত্বেও ভাৰত চৰকাৰে মিজো নেচনেল ফ্ৰন্টৰ লগত প্ৰত্যক্ষ-পৰোক্ষ আলোচনা কৰি অৱশেষত ১৯৮৫ চনত মিজো চুক্তি স্বাক্ষৰিত কৰিলে। যাৰ ফলত বৰ্তমানে মিজোৰামলৈ শান্তি ঘূৰি আহিছে। গতিকে স্বাধীনতাৰ বিষয়টো উত্থাপিত হ'লেই আলোচনা কৰিব নোৱাৰো বুলি যিবিলাকে মন্তব্য কৰা হৈছে, সি প্ৰকৃততে আলোচনাৰ বাবে সহায়ক নহয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে যোৱা ২ ফেব্ৰুৱাৰীত সংযুক্ত মুক্তি বাহিনীয়ে ৰাজ্যপাললৈ দিয়া চিঠিত সকলো বিলাক বিষয়ে মুকলি ভাবে আলোচনা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। ভাৰত চৰকাৰে সংগঠনটোৰ এনে সঁহাৰি পোৱা সত্ত্বেও ৰাজনৈতিক হেঁচাত আলোচনাৰ পথত আগ নাবাঢ়িল। আমাৰ বিশ্বাস ভাৰত চৰকাৰে সেই সময়ত আলোচনাৰ উদ্যোগ গ্ৰহণ কৰা হ'লে স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পূৰ্ণ সম্ভাৱনা আছিল। বৰ্তমান পৰিস্থিতিত জটিলতা থাকিলেও আলোচনাৰ বাহিৰে অন্য কোনো বিকল্প নাই। অপাৰেচন ৰাইন' বা তেনে ধৰণৰ ব্যৱস্থাৰ দ্বাৰা এই সমস্যা সমাধান কৰা সম্ভৱপৰ নহয়। ভাৰত চৰকাৰে অৱস্থা অতি জটিল হোৱা সত্ত্বেও এতিয়া পৰ্যন্ত জম্মু-কাশ্মীৰ আৰু পাঞ্জাৱত সামৰিক বাহিনী নিয়োগ কৰা নাই। অসমত সামৰিক বাহিনী নিয়োগ কৰাটো এক গণতন্ত্ৰ বিৰোধী প্ৰক্ৰিয়া আৰু ইয়াক প্ৰত্যাহাৰৰ বাবে অসমৰ সকলো দল আৰু সংগঠনে ঐক্যবদ্ধ ভাবে প্ৰচেষ্টা কৰা প্ৰয়োজন। আমি নাগৰিক সকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিয়াটো বিচাৰো। তাৰ বাবে পুলিচ আৰু অৰ্ধসামৰিক বাহিনীয়েই যথেষ্ট।

## ড০ আনন্দেশ্বৰ বৰঠাকুৰ

**নেতা, ভাৰতীয় জনতা পাৰ্টি, অসম শাখা**

১ আল্‌ফা সমস্যাটোৰ সমাধান ৰাজনৈতিক ভাৱে আৰু আলাপ-আলোচনাৰ মাধ্যমতে সমাধা হোৱাটো আমি বিচাৰো। কিন্তু এইখিনিতে আল্‌ফা সমস্যাটো সৃষ্টিৰ কাৰণবোৰো বিশ্লেষণ কৰি চোৱা দৰ্কাৰ। এতিয়ালৈকে অসমে ন্যায্য প্ৰাপ্যৰ ক্ষেত্ৰত সদায়েই আন্দোলন কৰিব লগীয়া হৈ আছে। ৰিফাইনেৰী, ব্ৰহ্মপুত্ৰৰ দল, বিশ্ববিদ্যালয় আদি আটাইবোৰ ক্ষেত্ৰতে অসমে আন্দোলন কৰিব লগীয়া হৈছিল। এতিয়াও গেচ ক্ৰেকাৰ, কেন্দ্ৰীয় বিশ্ববিদ্যালয় আদিৰ বাবে আন্দোলন কৰিব লগীয়া হৈছে। এইবোৰ কাৰণতে অসমীয়া মানুহে, বিশেষকৈ মধ্যবিত্ত শ্ৰেণীয়ে নিজকে শোষিত, বঞ্চিত বুলি অনুভৱ কৰি আহিছে। স্বাভাৱিকতে এই অনুভৱৰ পৰাই ক্ষোভৰ জন্ম হৈছে। অসমীয়া মধ্যবিত্তৰ এই ক্ষোভক ভিত্তি কৰিয়ে আল্‌ফাৰ সৃষ্টি। কিন্তু আল্‌ফাক সমৰ্থন দিয়াৰ ক্ষেত্ৰত এই মধ্যবিত্ত চামেই আকৌ দোদুল্যমানতাত ভুগিছে। তেওঁলোকে মনে প্ৰাণে আল্‌ফাৰ বিচ্ছিন্নতাৰ দাবী মানি লব পৰা নাই। কাৰণ ভাৰতীয় সংস্কৃতি-ঐতিহ্যৰ সৈতে অসমীয়া সংস্কৃতিৰ বন্ধন অবিচ্ছেদ্য। শংকৰদেৱে যি বৃহত্তৰ অসমীয়া সমাজ গঠন কৰি থৈ গৈছে সেই সমাজৰ আধাৰ ভাৰতীয় সংস্কৃতি। অসমীয়া মধ্যবিত্তই তীৰ্থ কৰাৰ সপোন দেখে গয়া, কাশী, বৃন্দাবনত। গয়াত মৃতকৰ অস্থি বিসৰ্জন দিয়াটো অসমীয়া মধ্যবিত্ত (হিন্দু) সমাজে পুণ্যৰ কাম বুলি গণ্য কৰে। এই দ্বিধাগ্ৰস্ত মনোভাবৰ বাবেই শ্ৰীলংকা বা পাঞ্জাৱৰ উগ্ৰপন্থী সকলৰ দৰে দৃঢ় ভিত্তি আল্‌ফাই অসমত পোৱা নাই। অসমীয়া মধ্যবিত্ত সমাজৰ যি মানসিক দ্বিধাগ্ৰস্ততা পূৰ্বৰ পৰা আছিলেই, তাক বঢ়াই তুলিছে সাম্প্ৰতিক কিছু উদ্ঘাটনে। বাংলাদেশ, চীন বা বাৰ্মা আদি দেশৰ সৈতে থকা আল্‌ফাৰ সংযোগে মধ্যবিত্ত শ্ৰেণীক বিব্ৰত কৰিছে।

সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত প্ৰথম অৱস্থাত হিতেশ্বৰ শইকীয়া চৰকাৰে কিছু বুজাবুজিৰ মনোভাৱ দেখুৱাইছিল যদিও, এতিয়া পুনৰ স্ব-ৰূপ ধাৰণ কৰিছে। পুলিচ-মিলিটাৰী কেতিয়াবা প্ৰয়োগ কৰিব লগীয়া হব পাৰে; কিন্তু সাধাৰণতে পুলিচে এটা নিৰ্দিষ্ট সীমা ৰক্ষা কৰি চলে, যিটো সামৰিক বাহিনীয়ে নকৰে। ফলত সামৰিক বাহিনীৰ প্ৰয়োগে অত্যাচাৰ মাতি আনিবই। হয়তো প্ৰচাৰতকৈ কিছু কম হব পাৰে। কিন্তু গণতান্ত্ৰিক ব্যৱস্থাত সামান্য অত্যাচাৰো হোৱা উচিত নহয়। প্ৰশাসনৰ এই ধৰণৰ ব্যৱহাৰে সাধাৰণ মানুহৰ মনত তিক্ততা বঢ়াবহে।

২ আলোচনা আৰম্ভ হব লাগে কোনো পূৰ্বচৰ্ত নোহোৱাকৈ। কোনো খোকোজা নথকাকৈ দুয়োপক্ষ আগবাঢ়ি আহিব লাগে। আলোচনা আৰম্ভ কৰাৰ লগে লগে চৰকাৰে অসমৰ অন্যান্য কিছু দিশতো চকু দিয়াটো প্ৰয়োজন। অসমৰ সৈতে ভাৰতৰ বাকী অংশৰ যোগাযোগ ব্যৱস্থা আৰু উন্নত হব লাগে। জলসম্পদ, খনিজ আৰু বনজ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰ তৈয়াৰ কৰিব লাগে। উদ্যোগীকৰণৰ প্ৰয়োজনত শিক্ষিত আৰু অৰ্ধশিক্ষিত যুৱক-যুৱতী সকলক কাৰিকৰী প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মানৱ শক্তি পৰিকল্পিত ভাবে ব্যৱহাৰ কৰিব পৰা আঁচনি প্ৰস্তুত কৰা প্ৰয়োজন।

আল্‌ফাৰ সাৰ্বভৌমত্বৰ দাবীয়ে জনসাধাৰণক বিশেষ আকৃষ্ট কৰিব পৰা নাই। কাৰণ, তেওঁলোকে কোনো অৰ্থনৈতিক আঁচনি দাঙি ধৰিব পৰা নাই। ভৱিষ্যতৰ অসমত ৰাজহ আদিৰ ক্ষেত্ৰত

কেনে ব্যৱস্থা গ্ৰহণ কৰা হব বা ভূমি সমস্যা আদি কেনেদৰে সমাধান কৰা হব তাৰ কোনো স্পষ্ট সিদ্ধান্ত আল্‌ফাই দিব পৰা নাই। কেৱল ক্ৰমাগতভাৱে সাৰ্বভৌমত্বৰ দাবী কৰি গৈ থাকিলেই ৰাইজে সমৰ্থন দিব বুলি ভবাটো ভুল।

অসমৰ বৰ্তমানৰ এই শ্বাসৰুদ্ধ পৰিবেশৰ পৰা উদ্ধাৰৰ বাবে জনমত গঠন কৰাৰ সৰ্বাধিক দায়িত্ব সাংবাদিক সকলৰ বুলি মই ভাবো। অসমৰ সাৰ্বভৌমত্বৰ প্ৰশ্নটোৰ পক্ষে-বিপক্ষে মুকলি বিতৰ্কৰ অৱতাৰণাৰ যোগেদি সৰ্বসাধাৰণ ৰাইজৰ মতামত জানিবলৈ চেষ্টা কৰা দৰ্কাৰ। সাংবাদিক সকলে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ ওপৰতে অসমৰ ভৱিষ্যত বহুলাংশে নিৰ্ভৰ কৰিছে। কাৰণ গণতন্ত্ৰত জনমতেই আচল মত আৰু জনমত প্ৰকাশৰ মাধ্যম হ'ল সংবাদপত্ৰ আৰু সাংবাদিক সকল।

◆

## হীৰেণ গগৈ

**সম্পাদক মণ্ডলীৰ সদস্য,**
**অসম ৰাজ্যিক কমিটি,**
**চি পি আই (এম)**

১ আল্‌ফা সমস্যা সমাধান ৰাজনৈতিক ভাৱেই হোৱা উচিত বুলি আমি ভাবো। কাৰণ, এই সমাধানৰ কোনো বিকল্প পথ নাই। কেৱল সেনা বাহিনীৰ দ্বাৰা এই সমস্যাৰ সমাধান অসম্ভৱ। উত্তৰ পূৰ্বাঞ্চলৰ এনে সশস্ত্ৰ আন্দোলনৰ ইতিহাস নাইবা পাঞ্জাৱ আৰু কাশ্মীৰৰ অভিজ্ঞতাই দেখুৱায় যে বিচ্ছিন্নতাবাদ কেৱল সামৰিক বা প্ৰশাসনিক সমস্যা নহয়। এইবিলাকৰ লগত সদায় এনে কিছুমান জাতীয় তথা ৰাজনৈতিক বিষয় জড়িত হৈ থাকে, যিবিলাকক কেৱল বলেৰে দমন কৰিবলৈ গ'লে তাৰ পৰিণতি মাৰাত্মক হবলৈ বাধ্য। অসমতো অপাৰেচন বজৰংগে যি কাম কৰিব নোৱাৰিলে, সেই কাম অপাৰেচন ৰাইনোৱে সমাধা কৰিব পাৰিব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। আল্‌ফাৰ অধিকাংশ নেতা তথা অস্ত্ৰ-শস্ত্ৰ সেনা বাহিনীয়ে জব্দ কৰিব পৰা নাই আৰু বোধকৰো নোৱাৰেও। তাৰ বিপৰীতে সেনা বাহিনীৰ আতিশয্যহে বাঢ়ি গৈছে। নাৰী ধৰ্ষণ আৰু নিৰপৰাধী লোকৰ হত্যাৰ দৰে ঘটনাও সেনা বাহিনীয়ে সংঘটিত কৰিছে। তেন্তে সেনা বাহিনী প্ৰয়োগৰ পৰা লাভ কি হৈছে? বৰং সন্ত্ৰাসবাদ দমনৰ নামত বাৰে বাৰে সেনা বাহিনী প্ৰয়োগ কৰিলে সিও এক প্ৰহসনতহে পৰিণত হব। সেনা বাহিনীৰ ওপৰত জনসাধাৰণৰ আস্থাও কমি যাব, অসমৰ মানুহ আৰু বেছিকৈ বিক্ষুব্ধ হব আৰু আল্‌ফাৰ জন সমৰ্থনো আকৌ বাঢ়িবহে। দেশ বা জনগণৰ বাবে সি কেতিয়াও কাম্য নহয়।

আইন-শৃংখলা বা নাগৰিকৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ নিশ্চয় আছে। আল্‌ফাৰ হত্যাকাণ্ড, ধন সংগ্ৰহ, অপহৰণ আৰু ভয়-ভাবুকিয়ে ৰাজ্যখনৰ আইন-শৃংখলা একেবাৰে ধ্বংস কৰিছিল। সেয়ে তেনেবোৰ ক্ৰিয়া কৰ্মৰ পৰা, হিংসা আৰু সন্ত্ৰাসৰ পৰা, জনসাধাৰণক ৰক্ষণাবেক্ষণ দিয়াৰ সাংবিধানিক আৰু নৈতিক দায়িত্ব ৰাজ্য চৰকাৰে নিশ্চয় পালন কৰিব লাগিব। গণ পৰিষদ চৰকাৰে ইচ্ছাকৃতভাৱে সেই দায়িত্বৰ পৰা মুৰ পোলোকা দিছিল। এতিয়াৰ কংগ্ৰেছ(ই) চৰকাৰে যদি সেই দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহে, সি নিশ্চয় ভাল কথা। কিন্তু প্ৰশাসনিক ব্যৱস্থা মানেই বাৰে বাৰে সেনা বাহিনীৰ প্ৰয়োগ নহয়। ৰাজ্য চৰকাৰৰ হাতত নিজৰ এটা পুলিচ বাহিনী আছে। আইন শৃংখলা ৰক্ষাৰ দায়িত্বও সাধাৰণতে সেই বাহিনীৰ ওপৰতেই ন্যস্ত। কিন্তু ৰাজ্যখনৰ আৰক্ষী বাহিনীয়ে সেই কাম কিয় কৰিব পৰা নাই, নাইবা সেই কামত তেওঁলোকক কিয় নিয়োগ কৰিব পৰা নহ'ল, সেই কথাৰ জবাবো ৰাজ্য চৰকাৰে দিব লাগিব। অসমত পুলিচ বিভাগ আৰু প্ৰশাসনৰ মনোবল আৰু বিশ্বাসযোগ্যতা যদি হ্ৰাস পাইছে, তেন্তে তাক ভালকৈ বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। চৰকাৰৰ নিজৰে বিশ্বাসযোগ্যতা আৰু সদিচ্ছা যদি নোহোৱা হয়, তেন্তে চৰকাৰী কৰ্মচাৰী সকলেই বা মনোবাল পায় ক'ৰ পৰা?

আমাৰ সন্দেহ হ'লে অন্য ধৰণৰ। হিতেশ্বৰ শইকীয়াৰ চৰকাৰে আল্‌ফা সমস্যাৰ স্থায়ী সমাধান নিবিচাৰে। বৰং আল্‌ফা আৰু সেনা বাহিনী দুয়োটাকে লৈয়ে হিতেশ্বৰ শইকীয়াই গাদী ৰক্ষা কৰিব বিচাৰিছে। ৰাজ্যখনলৈ শান্তি আৰু গণতন্ত্ৰ ঘূৰি আহিলে তেওঁলোকৰ বিপদ। গতিকে ত্ৰিপুৰাত লোৱা কায়দাৰে অসমতো কংগ্ৰেছ(ই)-ৰ চৰকাৰ স্থায়ী কৰিব বিচাৰিছে। আলফাও থাকিব, সেনাবাহিনীও থাকিব, অগণতান্ত্ৰিক আইন-কানুনো থাকিব আৰু কংগ্ৰেছ (ই) চৰকাৰো চলি থাকিব। সেনা বাহিনীয়ে নিৰ্বাচন আদিও চলাই দিব। গতিকে আল্‌ফা সমস্যাৰ স্থায়ী, ৰাজনৈতিক সমাধান এই চৰকাৰে সঁচাকৈ বিচাৰে নে নিবিচাৰে, সি সন্দেহৰ কথা। বৰং আল্‌ফাক বেচা-কিনা কৰি কাম চলাব পাৰিলেই শইকীয়াৰ লাভ হয় সৰ্বাধিক। এনে কামত তেওঁৰ পাৰ্গতালিও ঈৰ্ষাৰ বস্তু। কিন্তু এনে কায়দা-কৌশলে দেশ আৰু জাতিৰ বাবে ভয়ানক বিপদহে মাতি আনিব।

চৰকাৰে আইন-শৃংখলা ৰক্ষা কৰক, ৰাইজৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰক, পণবন্দীক উদ্ধাৰ কৰক। তাৰ বাবে প্ৰয়োজনীয় প্ৰশাসনিক ব্যৱস্থা যিকোনো চৰকাৰেই গ্ৰহণ কৰিব লাগিব। কিন্তু প্ৰশাসনিক ব্যৱস্থাৰ উদ্দেশ্য চৰকাৰৰ দলীয় স্বাৰ্থসিদ্ধি হোৱা উচিত নহয়। আল্‌ফা সমস্যাক কেৱল আইন-শৃংখলাৰ সমস্যা, কেৱল হত্যাকাণ্ড আৰু ডকাইতি বুলি ধৰি ললেও ভুল হব। সেয়ে কেৱল সেনা বাহিনী মেলি দিলেই আল্‌ফা শেষ নহয়।

সেয়ে আমি আল্‌ফা সমস্যাৰ ৰাজনৈতিক সমাধান দাবী কৰিছো। তাৰ বাবে একাধিক দিশত চৰকাৰে প্ৰচেষ্টা চলাব লাগিব। এফালে আল্‌ফাক আলোচনাৰ মেজলৈ অনাৰ বাবে নিৰলস প্ৰচেষ্টা চলাব লাগিব। আনফালে, যদি আল্‌ফা আলোচনালৈ নাহেও, তথাপি ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন তথা জনসাধাৰণৰ আস্থা আদায়ৰ বাবে একপক্ষীয় ভাৱে কিছু পৰিকল্পনা আৰু কাম আৰম্ভ কৰিব লাগিব। এই দুয়ো ক্ষেত্ৰতে সমস্ত ৰাজনৈতিক দলক চৰকাৰে আস্থাত লব লাগিব।

আল্‌ফা সমস্যা সমাধা কৰিবলৈ যাওঁতে বিচ্ছিন্নতাবাদী উগ্ৰতাৰ আৰ্থ-সামাজিক তথা ঐতিহাসিক কাৰণবোৰ বিচাৰ বিশ্লেষণ কৰি চাব লাগিব। কেন্দ্ৰই অন্যান্য ৰাজ্যৰ দৰে অসমকো ৰাজহ, শিল্পায়ন, বান পানীৰ দৰে সমস্যাৰ সমাধান আদিৰ ক্ষেত্ৰত অন্যায়ভাৱে বঞ্চনা কৰি আহিছে। কিন্তু এই কথা আল্‌ফাই আলোচনাৰ মেজত কলেহে অসম চৰকাৰে জানিব নেকি? যদি সেয়ে হয়, তেন্তে চৰকাৰ ক্ষমতাত থকাৰ কোনো অধিকাৰ নাই। আজিলৈকে অসমৰ কোনো ৰাজ্য চৰকাৰেই কেন্দ্ৰৰ বৈষম্যমূলক নীতি আৰু বঞ্চনাৰ বিৰুদ্ধে কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক সৰ্লান কৰাৰ বাবে প্ৰবল দাবী উত্থাপন কৰিব বা আন্দোলনৰ নেতৃত্ব দিব নোৱাৰিলে: প্ৰতিটো চৰকাৰেই কেন্দ্ৰৰ ঋণ আৰু পৰিকল্পনাৰ টকা কেইটা হজম কৰাৰ চিন্তাতহে মগ্ন থাকিল। এতিয়াতো কাৰ্যতঃ ডাঙৰ ঠিকাদাৰ সকলেহে অসমখন চলাই আছে। গতিকে অসমৰ উন্নতি বা তাৰ পৰিকল্পনা হয় ক'ৰ পৰা? ৰাজ্য চৰকাৰৰ এই ব্যৰ্থতা কিছু পৰিমাণে হ'লেও মেৰামতি কৰিব নোৱাৰিলে আল্‌ফাৰ বিৰুদ্ধে যুঁজ কৰাও সম্ভৱ নহয়।

আল্‌ফাই দাবী কৰিছে যে তেওঁলোকে অসমৰ মানুহৰ কেন্দ্ৰ বিৰোধী ক্ষোভ প্ৰতিবাদক নেতৃত্ব দিবলৈ ওলাই আহিছে। তাৰ বাবে ৰাজ্যখনৰ স্বাধীনতাক তেওঁলোকে লক্ষ্য হিচাপে ঘোষণা কৰিছে। এই ক্ষেত্ৰত চৰকাৰৰ কৰণীয় কি? প্ৰথমতে, চৰকাৰ আৰু অন্যান্য গণতান্ত্ৰিক শক্তিবোৰে অসমৰ ৰাইজক পতিয়ন নিয়াব লাগিব যে অসমত কোনো বিশেষ জাতিৰ ঔপনিবেশিক শোষণ চলা নাই। চলিছে বৃহৎ বুৰ্জোৱা তথা কেন্দ্ৰৰ অতিকেন্দ্ৰীক বঞ্চনা আৰু বৈষম্যহে। অসমত চলা শোষণৰ ৰূপো সেয়ে ঔপনিবেশিক নহয়, শ্ৰেণীগততহে। স্বাভাৱিকতে অসমৰ মানুহেও বৃহৎ বুৰ্জোৱাৰ শোষণ-শাসন দূৰ কৰা আৰু ভাৰতবৰ্ষক প্ৰকৃততে এখন সমতাপূৰ্ণ যুক্তৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবেহে যুঁজিব লাগিব, অসমক 'স্বাধীন' কৰাৰ বাবে নহয়। কেন্দ্ৰ বিৰোধী গণতান্ত্ৰিক যুঁজখনত অসমৰ মানুহ অকলশৰীয়া নহয়। গতিকে দেশৰ বিৰুদ্ধে অস্ত্ৰ লোৱাৰো প্ৰয়োজন নাই। এই কথা অসমৰ মানুহক বুজাব লাগিব। কংগ্ৰেছ (ই) চৰকাৰে সেই কাম কৰিবনে?

দ্বিতীয়তে, চৰকাৰে যদি ৰাজ্যখনৰ মানুহক শাসন কৰিব বিচাৰিছে তেন্তে আল্‌ফাৰ পৰামৰ্শলৈ ৰৈ থাকিব নেকি? বৰং অসম চৰকাৰ তথা বিধান সভাই (য'ত সকলো দল আৰু অংশৰে প্ৰতিনিধি আছে) অসমৰ জনসাধাৰণৰ অবদমিত ক্ষোভ আৰু দাবীবোৰৰ প্ৰতিকাৰৰ বাবে গণতান্ত্ৰিক সংগ্ৰামৰ নেতৃত্ব দিবলৈ ওলাই আহিব লাগিব। অসমৰ ন্যায্য ৰাজহৰ ভাগ, কেঁচা সামগ্ৰীৰ উচিত ৰয়েল্টি, ঘোষিত শিল্প-উদ্যোগবোৰৰ স্থাপন, অধিক কেন্দ্ৰীয় সাহায্য, কৃষি অৰ্থনীতিৰ আধুনিকীকৰণ, বানপানী সমস্যাৰ স্থায়ী সমাধান আদি জৰুৰী বিষয়বোৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু কেন্দ্ৰৰ বিৰুদ্ধে গণতান্ত্ৰিক সংগ্ৰাম সংগঠিত কৰিবলৈ অসম চৰকাৰ আগবাঢ়ি নাহে কিয়? এই পথেৰেহে অসমৰ জনসাধাৰণৰ ঐক্য-সংহতি, সমগ্ৰ দেশৰ ঐক্য-সংহতি আৰু দেশৰ উমৈহতীয়া গণতান্ত্ৰিক সংগ্ৰামৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা যাব। অসম চৰকাৰে মনত ৰখা উচিত যে কেন্দ্ৰৰ মুখাপেক্ষী কোনো ৰাজ্য চৰকাৰে ৰাজ্যৰ বা দেশৰ জনগণৰ ঐক্য-সংহতি ৰক্ষা কৰিব নাইবা বিচ্ছিন্নতাবাদী সন্ত্ৰাসৰ ভাবুকি প্ৰতিৰোধ কৰিব নোৱাৰে।

বিচ্ছিন্নতাবাদী তথা সন্ত্ৰাসাদৰ বিৰুদ্ধে ৰাজ্যখনৰ জনসাধাৰণক সচেতন আৰু সংগঠিত কৰাত অন্যান্য গণতান্ত্ৰিক দল আৰু সংগঠনবোৰৰ ভূমিকাও গুৰুত্বপূৰ্ণ। কিন্তু আল্‌ফা সমস্যাটোৰ ৰাজনৈতিক সমাধানৰ উদ্যোগ চৰকাৰেই লব লাগিব। অন্যান্য দল বিলাকৰ আস্থা আৰু সহযোগিতাও চৰকাৰে আদায় কৰিব পাৰিব লাগিব। আল্‌ফাক আলোচনাৰ মাজেৰে চৰকাৰৰ কথাবোৰ মানি লবলৈ সৈমান কৰোৱাৰ চেষ্টা আৰু ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ বাবে একপক্ষীয় কৰ্ম প্ৰচেষ্টা– দুয়োটা দিশেৰে চৰকাৰ আগবাঢ়িব লাগিব।

২ আলাপ-আলোচনাৰ ক্ষেত্ৰত আমি বিশ্বাস কৰো যে চৰকাৰ বা আল্‌ফা কোনো পক্ষই কোনো চৰ্ত আৰোপ কৰা উচিত নহয়। চৰ্ত আৰোপ কৰিবলৈ গ'লে আলোচনাৰ চেষ্টাই হয়তো ব্যৰ্থ হব পাৰে। গতিকে আলোচনাৰ বাবে সদিচ্ছা থাকিলে চৰ্তহীন ভাৱে আলোচনাত বহাই হ'ল একমাত্ৰ পথ। আমি ভাবো যে আল্‌ফায়ো আলোচনাৰ বাবে অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্নটোক চৰ্ত হিচাপে লোৱা উচিত নহয়। তদুপৰি অসমৰ জনসাধাৰণক সেনা বাহিনীৰ মুখত অনিৰ্দিষ্ট কাললৈ এৰি দিয়াৰ অধিকাৰো আলফাৰ নাই।

তথাপি আমাৰ পাৰ্টিয়ে আল্‌ফাৰ শেহতীয়া চৰ্ত সম্পৰ্কে নিজৰ দলগত মতামত প্ৰয়োজন সাপেক্ষে নিশ্চয় ঘোষণা কৰিব। কিন্তু পাৰ্টিয়ে আগৰে পৰা কৈ আহিছে যে আল্‌ফাৰ সতে আলোচনাই যদি অসমৰ জনসাধাৰণৰ বাবে শান্তি আৰু নিৰাপত্তা কঢ়িয়াই আনিব পাৰে তেন্তে সি নিশ্চয় আনন্দৰ কথা। কিন্তু এনে আলোচনাৰ নামত দেশৰ জনগণৰ ঐক্য-সংহতিক বিসৰ্জন দিয়াৰ পক্ষপাতী আমি নহওঁ। তেনে আলোচনা ফলপ্ৰসূও হব নোৱাৰে। পাৰ্টিয়ে গভীৰ ভাৱে বিশ্বাস কৰে যে বিশ্বৰ সাম্ৰাজ্যবাদী আগ্ৰাসনৰ সমুখত দেশৰ জনগণৰ আৰ্থ-ৰাজনৈতিক প্ৰগতি আৰু স্বাধীনতাৰ নিশ্চয়তা হ'ল এই ঐক্য-সংহতি। বৃহৎ বুৰ্জোৱাই এই ঐক্য-সংহতি ৰক্ষা কৰাত ব্যৰ্থ হৈছে। জনগণে এই ঐক্য-সংহতি সুস্থিৰ আৰু স্থায়ী কৰাৰ বাবে এটা দীঘলীয়া আৰু কষ্টকৰ পথ অতিক্ৰম কৰিব লাগিব। কিন্তু তাৰ কোনো মংগলজনক বিকল্পও আমাৰ হাতত নাই। ভাৰতবৰ্ষৰ জনগণৰ ঐক্য-সংহতি জনগণৰ ওপৰত কোনেও জোৰ কৰি জাপি দিয়া নাছিল। সি গঢ়ি উঠিছিল ভাৰতীয় জনগণৰ হাজাৰ হাজাৰ বছৰ জোৰা সাংস্কৃতিক পৰম্পৰা আৰু তাৰ পিছৰ সাম্ৰাজ্যবাদ বিৰোধী ঐক্যবদ্ধ সংগ্ৰামৰ ঐতিহাসিক পটভূমিতহে। আমি সেই ঐক্য সংহতিৰ পৰম্পৰাক ৰক্ষা আৰু দৃঢ় কৰাৰ বাবেহে প্ৰতিশ্ৰুতিবদ্ধ।

◆

## থানেশ্বৰ বড়ো

**ভাৰপ্ৰাপ্ত সভাপতি,**
**অসম গণ পৰিষদ**

১ মই ভাবো অসম চৰকাৰে আল্‌ফা সমস্যা সমাধানৰ বাবে কোনো নীতিয়েই লোৱা নাই। এতিয়ালৈকে এইটো দিশত চৰকাৰ পক্ষৰ পৰা যি যি কৰা হৈ আছে, সেইবোৰক কিছুমান কৌশল বুলিহে ক'ব পাৰি।

আলাপ-আলোচনাৰ ক্ষেত্ৰত মই ক'ব খোজা কথাটো হ'ল সাৰ্বভৌমত্বৰ দাবী ফালৰি কাটিও আলোচনাত বহিব পাৰি। আল্‌ফাৰ দাবী যিহেতু ৰাজনৈতিক আৰু উচ্চ পৰ্যায়ৰ, গতিকে ৰাজ্য চৰকাৰৰ এই সম্পৰ্কত আলোচনা কৰাৰ এক্তিয়াৰ নাই। এই ৰাজনৈতিক দাবীৰ এটা উপযুক্ত ৰাজনৈতিক সমাধান কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰাহে সম্ভৱ। লালডেংগাই মিজো জিলাক ৰাষ্ট্ৰ কৰিব খুজি ২0 বছৰে যুঁজি মিজোৰাম ৰাজ্য পালে; নগাসকলেও ফিজোৰ নেতৃত্বত জিলাখনক ৰাষ্ট্ৰ হিচাপে পাব খুজি নগাৰাজ্য পালে, গতিকে আল্‌ফাইও তেওঁলোকৰ ত্যাগ বা আন্দোলনৰ মূল্য পাব লাগিব। অন্ততঃ এতিয়াতকৈ অধিক উন্নত ব্যৱস্থা এটা অসমৰ ক্ষেত্ৰত পাব লাগিব। অসমৰ বাবে সাংবিধানিক ৰক্ষণাবেক্ষণৰ দৰে কিবা ব্যৱস্থা এটা হ'লেও পাব লাগিব।

২ আলাপ-আলোচনাৰ ক্ষেত্ৰত দুয়ো পক্ষই কোনো পূৰ্বচৰ্ত ৰাখিব নেলাগে। সাৰ্বভৌমত্বৰ দাবী থকা সত্ত্বেও যেনেদৰে মিজো, নগা আদিৰ লগত আলোচনা সম্ভৱ হ'ল, একেদৰে আল্‌ফা সমস্যাৰ ক্ষেত্ৰতো যথাসম্ভৱ সোনকালে আলাপ-আলোচনা আৰম্ভ হব লাগে। ইয়াতে আন এটা কথালৈ আমি দৃষ্টি দিব পাৰো, আল্‌ফাৰ পক্ষৰ পৰাও আনুষ্ঠানিক (formal) ভাৱে কোনো স্মাৰক পত্ৰাদি ভাৰত চৰকাৰক দিয়া হোৱা নাই। গতিকে স্মাৰক পত্ৰাদি দিয়াৰ যোগেদি আল্‌ফাৰ পক্ষৰ পৰা আলোচনালৈ আহিব পৰা যায়। আল্‌ফাই অপাংক্তেয় বিবেচনা কৰা ব্যক্তিক আলোচনাৰ পৰা বাহিৰত

ৰাখিব লাগে। আনহাতে ভাৰত চৰকাৰেও আল্ফাৰ স্মাৰক পত্ৰৰ দাবী সমূহ পৰীক্ষা কৰি চাই পূৰণ কৰিব পৰা হ'লে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ক্ষেত্ৰত অসমীয়া মানুহৰ ক্ষোভৰ উৎস ক'ত তাক বিচাৰি চাই নিৰ্মূল কৰাৰ আন্তৰিক প্ৰচেষ্টা ভাৰত চৰকাৰে গ্ৰহণ কৰিব লাগে। আল্ফাৰ দাবী অসাংবিধানিক বুলি কোৱা হৈছে কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মনত যি নিৰাপত্তাহীনতাৰ জন্ম হৈছে তাক আঁতৰাবলৈ কিন্তু সংবিধান সংশোধনৰো আনকি প্ৰয়োজন নাই। সংবিধানত থকা ব্যৱস্থা সমূহৰ সঠিক প্ৰয়োগৰ দ্বাৰাই অসমৰ প্ৰভূত উন্নতি সাধন কৰিব পাৰি। এই ক্ষেত্ৰত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নম্বৰ ২৬৩, ৩৭১ (ক) আৰু ২৪৬-ৰ প্ৰয়োগেৰে অসমৰ বৰ্তমানৰ চেহেৰাকে সলাই দিব পৰা যায়। ২৬৩ অনুচ্ছেদ মতে উত্তৰ-পূৰ্বাঞ্চলে সম্পূৰ্ণ সাংবিধানিক ৰক্ষণাবেক্ষণ পায়। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, কলিকতাৰ পৰা চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয় স্থানান্তৰ বা অন্যান্য কাৰ্যালয় স্থানান্তৰৰ দাবী অসমৰ বিভিন্ন সংগঠন আৰু আল্ফাইও তুলি আহিছে। ইয়াৰ ফলত অসমীয়া-বঙালী বিদ্বেষো কম হোৱা নাই। কিন্তু এটা মূল কথা মনত ৰাখিব খোজা নাই যে সেই তাহানিতে ভাৰতবৰ্ষখনক ৰাজনৈতিক ভাবে ৫টা মণ্ডল (Zone)-ত ভাগ কৰা হৈছিল। ইয়াৰে এটা প্ৰধান বিশেষত্ব এই যে প্ৰত্যেক মণ্ডলৰে সদৰ স্থানতহে মাণ্ডলিক কাৰ্যালয় (Zonal Head Office) সমূহ থাকিব। সেই মতে অসম, বংগ, বিহাৰ আৰু উৰিষ্যাক লৈ গঠিত হোৱা পূব মণ্ডল (Eastern Zone)-ৰ সদৰ ঠাই কলিকতাতে চাহ ব'ৰ্ডকে আদি কৰি সকলো অফিচৰে মাণ্ডলিক অফিচ সমূহ স্থাপন হ'ল। গতিকে কলিকতাত ইতিমধ্যেই স্থাপিত হোৱা অফিচ সমূহ স্থানান্তৰৰ প্ৰশ্ন তুলি বঙালী-অসমীয়া বিদ্বেষক সাৰ-পানী দিয়াতকৈ আমি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে নতুনকৈ উত্তৰ-পূব মণ্ডল ঘোষণা কৰাৰ দাবীহে তুলিব পাৰো। তেতিয়া স্বাভাৱিক ভাবেই মাণ্ডলিক কাৰ্যালয় সমূহ গুৱাহাটীত স্থাপন কৰিব পৰা হব। সংবিধানৰ ২৬৩ নং অনুচ্ছেদ মতে ৰাজনৈতিক দল সমূহে যদি বিচাৰে নতুন মাণ্ডলিক পৰিষদ (Zonal Council) গঠন কৰিব পাৰে। আনহাতে চাৰকাৰীয়া কমিছনেও এই ধৰণৰ ব্যৱস্থা গ্ৰহণত অনুমোদন জনাইছে। চাৰকাৰীয়া কমিছনৰ পৰামৰ্শ মতে এই ধৰণৰ নতুন কাউন্সিল গঠন হ'লে মাণ্ডলিক মুৰব্বী হব পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ মুখ্য মন্ত্ৰী সকল সলন্য-সলনিকৈ। তেতিয়া নিজ নিজ কাৰ্যালয়ত প্ৰত্যেকজনে নিজৰ ৰাজ্যৰ বাবে কাম কৰিব পাৰিব।

আকৌ, ৩৭১ (ক) অনুচ্ছেদ মতে নগালেণ্ডত মাটিৰ স্বত্ব, স্বত্ব হস্তান্তৰ, সম্পদ অধিকাৰ আদি ক্ষেত্ৰত কেন্দ্ৰই হস্তক্ষেপ কৰিব নোৱাৰে। এইবোৰ বিষয়ত ৰাজ্যিক বিধান সভাই সৰ্বেসৰ্বা। অসমকো একেটা অনুচ্ছেদৰ অন্তৰ্গত কৰি ললে বহুত সমস্যাৰ উদ্ভৱেই নহব।

২৪৬ নং অনুচ্ছেদৰ কিছু সংশোধন ঘটোৱাৰ যোগেদিও বহুত সমস্যাৰ সমাধান কৰিব পৰা যায়। এই অনুচ্ছেদত থকা উমৈহতীয়া তালিকাৰ বিলোপ সাধন কৰিব লাগে। কাৰণ উমৈহতীয়া তালিকাৰ যোগেদি মানুহক আভুৱা ভাৰিবলৈ সহজ। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ উভয়েই ক্ষমতা প্ৰয়োগ কৰিব পৰা বিষয় সমূহত সাধাৰণতে দেখা যায় যে নামতহে ৰাজ্য চৰকাৰৰ অধিকাৰ বৰ্তি থাকে। সেয়ে একেবাৰে স্পষ্টভাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় তালিকা বুলি দুভাগতে অধিকাৰ বা ক্ষমতা সমূহ ভাগ হব লাগে।

এনে ধৰণৰ কিছু ব্যৱস্থা গ্ৰহণ কৰিলে কোনো মানুহেই বিৰোধিতা নকৰে। অথচ অসমীয়া যুৱক-যুৱতী বা মধ্যবিত্ত ৰাইজৰ ন্যায্য ক্ষোভৰো উপশম ঘটাব পৰা যাব।

◆

## পুলকেশ বৰুৱা
সভাপতি, নতুন অসম গণ পৰিষদ

## ভৃগু কুমাৰ ফুকন
কাৰ্যকৰী সভাপতি
নতুন অসম গণ পৰিষদ

১ আল্ফা সমস্যাটো হৈছে এটা ৰাজনৈতিক সমস্যা। ৰাজনৈতিক সমস্যাৰ সৃষ্টিৰ লগে লগে বিশ্বৰ বিভিন্ন ঠাইত অস্ত্ৰ প্ৰয়োগ হোৱাটো আমি লক্ষ্য কৰিছো। আল্ফাৰ ক্ষেত্ৰতো সেয়ে হৈছে। এইটো এটা স্বীকৃত সত্য যে ৰাজনীতিয়েহে অস্ত্ৰক নিয়ন্ত্ৰণ কৰে কিন্তু অস্ত্ৰই কেতিয়াও ৰাজনীতিক নিয়ন্ত্ৰণ কৰিব পৰা নাই। আমাৰ কাৰণে এইটো হৈছে ইতিহাসৰ শিক্ষা। সেয়ে আমাৰ দৃঢ় বিশ্বাস যে– আল্ফাই সৃষ্টি কৰা ৰাজনৈতিক সমস্যাৰ মীমাংসাৰ পথ আলোচনাৰ মেজতহে, বন্দুকৰ নলীৰে কেতিয়াও নহয়।

২ বিদেশী আক্ৰমণৰ পৰা দেশক সুৰক্ষা দিবৰ কাৰণেহে সেনা বাহিনীক ব্যৱহাৰ কৰিব লাগে। ই হৈছে সংবিধানৰ ব্যৱস্থা। কিন্তু অসমৰ ক্ষেত্ৰত আল্ফাৰ সদস্য সকলক ধৰাৰ নামত সৰ্বসাধাৰণ ৰাইজৰ ওপৰত সেনা বাহিনীৰ অত্যাচাৰ আৰু নিৰ্যাতনৰ বিভীষিকা আনি দিয়া হৈছে। ইতিমধ্যে সেনা বাহিনীৰ হাতত বহুতো নিৰপৰাধী মানুহৰ মৃত্যু হৈছে। অলেখ চিৰদিনৰ বাবে পংগু হৈছে আৰু ৰাজু বৰুৱাৰ দৰে বহুতো অসমীয়া গাভৰু ধৰ্ষিতা হৈছে। এনেবোৰ ঘটনা সেনা বাহিনীৰ দ্বাৰা ঘটিব পাৰে বুলি ভাৰতীয় সংবিধানৰ কতো লিখা নাই, কিন্তু অসমৰ ক্ষেত্ৰত সেইটো ঘটিছে। সেয়ে আজি আল্ফাৰ দ্বাৰা স্বাধীনতা বা সাৰ্বভৌমত্বৰ দাবী কিয় উত্থাপিত হৈছে তাক আলোচনা কৰাত বাধা থাকিব নেলাগে। কাৰণ উক্ত প্ৰশ্ন আলোচনা কৰিলেই স্বাধীনতা বা সাৰ্বভৌমত্বৰ দাবীক মানি লোৱাতো নুবুজাই, কিন্তু অসমৰ ডেকা ল'ৰাই কিয় হাতত বন্দুক তুলি ললে তাৰ উত্তৰ বিচাৰি পোৱা যাব। এনে প্ৰশ্ন আহুকলীয়া হ'লেও তাৰ সন্মুখীন হব লাগিবই, সমস্যাৰ গভীৰতা অনুধাৱন কৰিবই লাগিব। নহ'লে ওপৰে ওপৰে চাই গতানুগতিকতাৰে কথা কৈ থাকিলে আল্ফাই সৃষ্টি কৰা সমস্যাৰ মীমাংসাৰ পথ উন্মুক্ত নহয়।

◆

## পবিন্দ্ৰ ডেকা
সভাপতি, জনশক্তি সংগ্ৰাম পৰিষদ

১ আল্ফা সমস্যা সমাধান সম্পৰ্কে জনশক্তি সংগ্ৰাম পৰিষদে বহুবাৰ দলীয় মতামত ৰাজহুৱা ভাবে ব্যক্ত কৰিছে।

আল্ফাই এক ৰাজনৈতিক দাবী উত্থাপন কৰিছে। দাবীটো সৰ্বজন সমাদৃত হয় নে নহয় সেইটো আন এক বিতৰ্কৰ বিষয়। কিন্তু বাস্তৱতা এই যে দাবীটোৱে তুমুল বিতৰ্কৰে সৃষ্টি কৰিছে। ৰাজ্য আৰু দেশখনত ই এক ৰাজনৈতিক সমস্যা ৰূপে চিহ্নিত হৈছে, চিহ্নিত কৰা হৈছে। সেয়ে দাবীটোৰ ফলত সৃষ্টি হোৱা এই ৰাজনৈতিক সমস্যাটোৰ ৰাজনৈতিক মীমাংসা এটা কৰাটো অতীব প্ৰয়োজন হৈছে। তাৰ বাবে ৰাজনৈতিক ভাবে আলোচনা হোৱাৰ ঔচিত্য সকলোৱে স্বীকাৰ কৰিছে আৰু দাবী কৰিছে। আনকি আল্ফাইও আলোচনাৰ পোষকতা কৰিছিল যোৱা ফেব্ৰুৱাৰী মাহত– তেতিয়াৰ অসমৰ ৰাজ্যপালক এক পত্ৰও দিছিল– অস্ত্ৰও সম্বৰণ কৰিছিল। কিন্তু নতুন দিল্লীয়ে কথাবোৰ হয় পলমকৈ বুজে বা বুজিও ক্ষমতাৰ প্ৰতিযোগিতাৰ বাবে সমস্যাবোৰ জীয়াই থকাটো বিচাৰে–তেহেলৈ ৰাইজৰ যিয়েই নহওক কিয়। অতএৱ আলোচনা নহ'ল। তেতিয়াই আলোচনাৰ পাতনি অন্ততঃ তৰাহেঁতেন সমস্যাৰ ব্যাপকতা এতিয়ামানে কিছু শাম কাটিলেহেঁতেন বুলি বিশ্বাস কৰাৰ থল আছিল। বিভিন্ন কলা আইন আৰু সামৰিক বাহিনীৰ দ্বাৰা সমস্যাটো সমাধান কৰাৰ মধ্যযুগীয় কৌশল আৰু পদ্ধতিহে নতুন দিল্লীয়ে অবলম্বন কৰিছে। ফলত সমস্যাটোৰ জটিলতা কমাব নোৱাৰিলে-বাঢ়িল। নোৱৰাটোৱেই আছিল অতি স্বাভাৱিক।

আপুনি পুৰণা প্ৰশ্ন এটা নতুনকৈ সুধিছে। উত্তৰ একেটাই। যি কথা আমি বাৰম্বাৰ কৈ আহিছো সেই কথা পুনৰ দোহাৰিছো। চৰকাৰে অলপো সময় খৰচ নকৰি আল্ফাৰ লগত আলোচনাৰ পাতনি মেলিব লাগে। চৰকাৰে আল্ফাৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লব লাগে, আল্ফাৰ টাডা, ৰাষ্ট্ৰীয় নিৰাপত্তা আদি আইনত গ্ৰেপ্তাৰ কৰা বন্দীক মুক্তি দিব লাগে, সেনা অপসাৰণ কৰি কলা আইনবোৰ উঠাই এক সুস্থ পৰিবেশ সৃষ্টি কৰিব লাগে। আল্ফাইও অস্ত্ৰ সম্বৰণ কৰি হত্যা, অপহৰণ বন্ধ কৰিব লাগে আৰু ইতিমধ্যে অপহৰণ কৰি পণবন্দী হিচাপে ৰখা সকলো পণবন্দীক মুক্ত কৰি দি আলোচনাৰ মেজত বহিব লাগে– ই হ'ল সমস্যাটো সমাধানৰ প্ৰাথমিক স্তৰ। এই স্তৰ আৰম্ভ কৰিব লাগে।

২ অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্নটোক আলোচনাৰ বিষয় হিচাপে গণ্য কৰিলে মহাভাৰতখন অশুদ্ধ হব বুলি আমি নাভাবো– সংবিধানখনো চুৱাপাতত পৰিণত হব বুলি ধাৰণা কৰা অনুচিত। এতিয়ালৈকে সংবিধানখনৰ পৱিত্ৰতা কেৱল এমুঠি শাসকৰ কায়েমী স্বাৰ্থ পূৰণৰ শ্লোগানহে হৈ আছে। কিয়নো ইতিমধ্যে কেন্দ্ৰত শাসনৰ গাদীত বহা বিভিন্ন দলে সংবিধানখন নিজৰ স্বাৰ্থ পূৰণৰ বাবে ৭৯ বাৰ সংশোধন কৰিছে। ক'তা এনেকৈ সংবিধানখন সংশোধন কৰি ইয়াক লঘু কৰা কাৰ্যটো অপৱিত্ৰ বুলি গণ্য কৰা হোৱা নাই। সংবিধানখন জনগণৰ ব্যৱেহে–কেইজনমান শাসকৰ স্বাৰ্থ পূৰণৰ বাবে নহয়। ইয়াক ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰাৰ হাতিয়াৰ হিচাপেহে ব্যৱহাৰ কৰিব লাগে–এমুঠি শাসকৰ কায়েমী স্বাৰ্থ পূৰণৰ বাবে নহয়।

আল্ফাইনো কিয় অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্ন উত্থাপন কৰিছে তাকেই নতুন দিল্লীয়ে আল্ফাৰ পৰা শুনক–আল্ফাৰ যুক্তি, ব্যাখ্যা, বিশ্লেষণ মেজত বহি শুনক– শুনিলেই সংবিধানখন চুৱাপাত, কঁচুপাত হব বুলি আমি নাভাবো। চৰকাৰেও যুক্তি, ব্যাখ্যা, বিশ্লেষণ আগবঢ়াওক। আল্ফাক যুক্তিনিষ্ঠাৰে পতিয়ন নিয়াওক যে স্বাধীন অসমৰ দাবী সমৰ্থনযোগ্য নহয়। আমি বিশ্বাস কৰো যে আলোচনাৰ আঁত আৰম্ভ হ'লে কথাবোৰে নতুন মোৰ লোৱাৰ সম্ভাৱনা আছে। কেৱল 'সংবিধান' 'সংবিধান' বুলি সামৰিক বাহিনী, কলা আইন, হত্যা, ধৰ্ষণ আদিৰে সমস্যা সমাধান হব বুলি যদিহে নতুন দিল্লীয়ে ভাবিছে তেনেহলে হয় তেওঁলোকে সমকালীন বিশ্বৰ প্ৰান্তে প্ৰান্তে ঘটা ঘটনাৰাজিৰ পৰা শিক্ষা লবলৈ অসমৰ্থ, অনিচ্ছুক বা শাসনৰ গাদীত বৰ্তি থাকিবলৈ "কলা-বোবা কণা হৈ থকা থকাটো ভাল" এনে ধাৰণাৰ বন্দী হৈ আছে।

সেয়ে আমি পুনৰ উভয় পক্ষকে আহ্বান জনাওঁ যে বিষয়টো মৰ্যাদাৰ বিষয় বুলি গণ্য কৰাৰ পৰিবৰ্তে সহনশীলতা আৰু যুক্তিৰ আধাৰত সমাধানৰ পথ প্ৰশস্ত কৰি তোলক। আলোচনাৰ পাতনি তৰক। বন্দুকৰ গুলিৰে এজন মানুহক হত্যা কৰিব পাৰি– কিন্তু মানুহজনৰ আদৰ্শ আৰু প্ৰতিষ্ঠিত সত্তাক হত্যা কৰিব নোৱাৰি– আপুনিও জনে- আমিও জানো- সকলোৱে জানে- বুজে।

◆

## সমুজ্জ্বল ভট্টাচাৰ্য
সাধাৰণ সম্পাদক,
সদৌ অসম ছাত্ৰ সংস্থা

১ সমস্যাৰ স্থায়ী সমাধানৰ বাবে সমস্যা সমূহৰ সৃষ্টিৰ কাৰণবোৰৰ ওপৰত পৰ্যালোচনা হব লাগিব। তেনে সঠিক পৰ্যালোচনাৰ ভিত্তিত ৰাজনৈতিক ভাবে আলোচনাৰ মাধ্যমেৰেহে সমস্যাৰ সমাধান সম্ভৱ হব। কেন্দ্ৰীয় চৰকাৰে আলোচনা অনুষ্ঠিত কৰাত আগভাগ লব লাগিব। হিংসা প্ৰতিহিংসাৰ বিপৰীতে ৰাজ্যখনত এটা হিংসা বৰ্জিত পৰিবেশ সৃষ্টি হব লাগিব।

অসম চুক্তিৰ জৰিয়তে দীঘলীয়া অহিংস গণতান্ত্ৰিক 'অসম আন্দোলন'ৰ সামৰণি পৰিছিল। কিন্তু চৰকাৰে অসম চুক্তি কাৰ্যকৰী নকৰাৰ ফলত অসমৰ এচাম ছাত্ৰ-যুৱকৰ মনত অহিংস গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি বিশ্বাসৰ প্ৰশ্নই ঠাই পাইছে আৰু অসমবাসীৰ মনত প্ৰচণ্ড ক্ষোভৰ সৃষ্টি হৈছে। অসমক কেৱল সম্পদ শোষণৰ থলী হিচাপে ব্যৱহাৰ কৰা কেন্দ্ৰীয় চৰকাৰে অসমবাসীৰ মনত পুঞ্জীভূত ক্ষোভৰ কাৰণ উপলব্ধি কৰিব পাৰিব লাগিব। অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কৰি অহা অৰ্থনৈতিক শোষণ আৰু ৰাজনৈতিক অবিচাৰৰ অন্ত পৰিব লাগিব। ক'লা আইন আৰু সেনা বাহিনীৰ হতুৱাই অসমৰ এটা প্ৰজন্মক নিঃশেষ কৰি দিয়াৰ আঁচনি ইন্দিৰা কংগ্ৰেছ দলৰ চৰকাৰে পৰিহাৰ কৰিব লাগিব। দেশৰ চাৰিসীমাৰ ভিতৰতে সংবিধানৰ আমূল পৰিবৰ্তনৰ জৰিয়তে অসমত উদ্ভৱ হোৱা সমস্যা সমূহৰ সমাধান সম্ভৱপৰ। দেশৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰতে অসম তথা দেশৰ আন ৰাজ্যৰ জনসাধাৰণৰ আত্মনিয়ন্ত্ৰণৰ চিন্তা-চৰ্চাক প্ৰতিফলিত কৰিব পৰাকৈ ভাৰতবৰ্ষৰ সংবিধানৰ গাঁথনিৰ আমূল পৰিবৰ্তনৰ জৰিয়তে প্ৰকৃত ফেডাৰেল গাঁথনিৰ প্ৰবৰ্তন হব লাগিব। দেশৰ চাৰিসীমাৰ ভিতৰতে থাকি অসমৰ আত্মবিকাশৰ পথ অসমবাসীয়ে নিজে নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰিবলৈ পাব লাগিব। ছাত্ৰ সংস্থাই অসমৰ জনসাধাৰণক এই দিশত সচেতন কৰি আগবাঢ়িবলৈ আত্মনিয়োগ কৰিব।

২ অসমৰ জনসাধাৰণে আজি ৰাজ্যখনত এটা হিংসাবৰ্জিত পৰিবেশ বিচাৰিছে আৰু সমস্যা সমূহৰ স্থায়ী সমাধান হোৱাটো বিচাৰিছে। সমস্যাৰ স্থায়ী সমাধানৰ বাবে সমস্যা সমূহৰ সৃষ্টিৰ কাৰণবোৰৰ ওপৰত সঠিক পৰ্যালোচনা হব লাগিব আৰু ৰাজনৈতিক ভাবে আলোচনাৰ মাধ্যমেৰে সমস্যাৰ সমাধান কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে পোনপটীয়াকৈ চৰ্তহীন তেনে আলোচনা অনুষ্ঠিত কৰিবলৈ আগভাগ লব লাগিব। কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা তেনে আলোচনালৈ এটা স্থায়ী সমাধানৰ বাবে আল্ফাই সঁহাৰি জনোৱা উচিত হব।

★ উগ্ৰপন্থীয়ে সমগ্ৰ ৰাজ্যখনত হত্যাকাণ্ড, অপহৰণ, বলপূৰ্বক ধন সংগ্ৰহ কৰি নাগৰিকৰ জীৱনলৈ আনিছে চৰম বিপৰ্যয়।

★ কুমলীয়া শিশু, বিদেশী ৰাষ্ট্ৰৰ অতিথি স্বৰূপ খনি বিশেষজ্ঞক হত্যা কৰি, কত মাতৃৰ বুকু শূদা কৰি কত নাৰীৰ কপালৰ ৰঙা সেন্দুৰ মচি, উগ্ৰপন্থীয়ে ত্ৰাসৰ সৃষ্টি কৰি ৰাজ্যখনত কাৰ বাবে কি কৰিব বিচাৰিছে?

★ এনে অৱস্থাত চৰকাৰ নীৰৱ দৰ্শক হৈ থাকিব নোৱাৰে। শান্তি-শৃংখলা ঘূৰাই অনাত পুলিচ, অৰ্দ্ধ সামৰিক আৰু সামৰিক বাহিনী নিয়োগ কৰিছে। কাৰণ -- শান্তি লাগে সমাজৰ বাবে, আৰু লাগে হাজাৰ হাজাৰ দুখীয়া নিচলাৰ বাবে – যাৰ বাবে চৰকাৰে যুগুত কৰিছে দৰিদ্ৰতা মোচনৰ জনহিতকৰ ভালেমান আঁচনি। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মদিনত। এনেবোৰ আঁচনি ৰূপায়ণৰ বাবে লাগে শান্তিৰ পৰিবেশ।

★ সমাজ বিৰোধী কাৰ্যকলাপ, অপৰাধ দমনত, অপৰাধীক ধৰা পেলোৱাত সুনাগৰিকৰ দায়িত্ব পালন কৰক। ৰাজ্যখনত শান্তিৰ পৰিবেশ ঘূৰাই অনাত আহক! 'অসম পুলিচ'ৰ লগত সহযোগিতাৰ হাত বঢ়াওক।

অসম পুলিচ



# ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ'ৰা

স্বপ্না বেজবৰুৱা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জন্ম লাভে অসমৰ শিক্ষা জগতৰ ইতিহাসত এক নতুন অধ্যায়ৰ পাতনি মেলিলে। স্বাধীনোত্তৰ কালত শদিয়াৰ পৰা ধুবুৰীলৈকে বৰ্ধিত হাৰত বৃদ্ধি পোৱা স্নাতকৰ সংখ্যাই ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰখন যথেষ্ট গধুৰ কৰি তুলিছিল। সেয়ে লুইতৰ পাৰৰ জিলিকনি অধিক উজ্বলাই তুলিবৰ মানসেৰে বহুতো আশা আকাংক্ষাৰে ডিব্ৰুগড়ত স্থাপন কৰা হ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়। ১৯৬৫ চনত স্থাপিত হোৱা অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ দ্বিতীয়খন বিশ্ববিদ্যালয়ে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। পঁচিশটা বছৰ গৰকি অহা এই বিশ্ববিদ্যালয়খন এতিয়াও এটা অপৈণত শিশুৰ দৰেই হৈ আছে। আচলতে এনে অৱস্থাক পঁয়া লগা বুলিয়েই কয়।

এখন মুকলি ঠাইৰ দূৰণিত কেইটামান ধুনীয়া ঘৰেই এখন বিশ্ববিদ্যালয় নুবুজায়। এখন বিশ্ববিদ্যালয় প্ৰকৃততে এটা জাতিৰ কমাৰশাল। জাতি গঠন প্ৰক্ৰিয়াত এই বিশ্ববিদ্যালয়ে আগবঢ়োৱা বৰঙণি নিশ্চয় আছে। কিন্তু আঙুলিৰ মূৰত লিখিব পৰা কেইটামান উদাহৰণৰ বাহিৰে ইয়াক ডিগ্ৰী তৈয়াৰ কৰা যন্ত্ৰ বুলিয়েই ক'ব পাৰি।

বিশ্ববিদ্যালয় বুলিলে শিক্ষা, সাহিত্য, সংস্কৃতিৰ সমন্বয়ত যি পৰিবেশ গঢ়ি উঠিব লাগে তেনে পৰিবেশ বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নাই বুলিয়েই বিশ্ব-বিদ্যালয়ৰ বহু সংখ্যক আবাসীয়ে অভিযোগ কৰে। অভিযোগকাৰী সকলৰ মতে– ডিব্ৰুগড় বিশ্ববিদ্যালয়খন বৰ্তমান এচাম স্বাৰ্থান্ধ বিষয়াৰ দুৰ্নীতিৰে আবৰি পেলাইছে। ইয়াত জাতি গঢ়াৰ আঁচনিতকৈ বিষয়াৰ নিজৰ ভেটি গঢ়াৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হয়। এতিয়া বিশ্ববিদ্যালয়ত ডিগ্ৰীৰ দৰ দাম হয়। একবিংশ শতিকাৰ প্ৰাক্ দশকতো মাত্ৰ ১৮টা







OKDISCD

বিষয়তেই পাঠদান কৰি থকাটোৱেই বিশ্ববিদ্যালয়খনৰ পঁয়া লগা অৱস্থাৰ জ্বলন্ত উদাহৰণ। গুৱাহাটী বিশ্ববিদ্যালয়ত নথকা দুই এটা বিষয়ত স্নাতকোত্তৰ বিষয় এই বিশ্ববিদ্যালয়ত আছে যদিও ভালে সংখ্যক গুৰুত্বপূৰ্ণ বিষয়ৰে স্নাতকোত্তৰ শ্ৰেণী নাই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয় সমূহতো অ'তি সীমিত সংখ্যক বিষয়তহে গুৰু বিষয় (major) হিচাপে লব পৰা ব্যৱস্থা আছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ত যথেষ্ট সংখ্যক আসনৰ সৈতে থকা বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী বিশ্ববিদ্যালয়খনত নাই। আনহাতে গুৱাহাটী বিশ্ববিদ্যালয়েও শতকৰা ২০খন (সংৰক্ষিত আসনৰ সৈতে) আসনহে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে দিয়ে। ফলত সেই বিষয়বোৰত উচ্চ শিক্ষা লোৱাৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়ৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বঞ্চিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শিক্ষা শাস্ত্ৰ (education)-ৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ৰে স্নাতকোত্তৰ শ্ৰেণী নথকাটো দুৰ্ভাগ্যজনক। আকৌ সমাজ-তত্ত্বৰ (sociology) দৰে বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী আছে যদিও মহাবিদ্যালয় পৰ্যায়ত এই বিষয়টোত যথেষ্ট কম গুৰুত্ব দিয়া হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এখন বৃহৎ মহাবিদ্যালয় জগন্নাথ বৰুৱা মহাবিদ্যালয়তে সমাজ-তত্ত্ব, শিক্ষা-শাস্ত্ৰ আদিৰ দৰে বিষয় খোলা হোৱা নাই। এইদৰে দেখা যায় শৈক্ষিক দিশত কিছু বিসংগতি চলি আছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীখনো মন কৰিব লগীয়া। পূৰ্বতে ইয়াৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পৰীক্ষা, ফলাফল ঘোষণা আৰু নতুন পাঠ্যক্ৰম আৰম্ভ ঠিক সময়তেই অনুষ্ঠিত কৰি সুনাম অৰ্জন কৰি আহিছিল। কিন্তু আজি কেইবছৰমানৰ পৰা এই তিনিওটা বিষয়তে এনে ধৰণৰ খেলিমেলিৰ সৃষ্টি হবলৈ ধৰিলে যে পৰীক্ষা বিষয়লৈ অৱশেষত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যই পদত্যাগ কৰিব লগা অৱস্থা পালেগৈ। অন্যহাতে স্নাতক পৰ্যায়তো পৰীক্ষা সমূহ অনুষ্ঠিত হোৱাৰ পাছত ফলাফল ঘোষণা কৰিবলৈ বিশ্ববিদ্যালয়খনক ছমাহ সময় লাগে। ফলত অন্য বিশ্ববিদ্যালয়ত পঢ়িবলৈ ইচ্ছা থকা সকলৰ যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। আজি কেইবছৰ মানৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণী সমূহো



বিতৰ্কিত উপাচাৰ্য বাস ভৱন

আগষ্টৰ পৰাহে আৰম্ভ হৈছে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত নতুন পাঠ্যক্ৰম আৰম্ভ হয় মে' মাহত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এখন সঠিক দিনপঞ্জী নথকাটোৱেই পৰীক্ষা, পাঠ্যক্ৰম আৰু ফলাফলত দেখা দিয়া বেমেজালিৰ মূল কাৰণ। মাত্ৰ কেইমাহমানৰ আগতে খৰখেদাকৈ এখন দিনপঞ্জী তৈয়াৰ কৰি উলিয়াইছে। কিন্তু সেইখন বিশ্ববিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ গ্ৰহণযোগ্য নহ'ল। জানিব পৰা মতে শৈক্ষিক দিনপঞ্জীখনত যথেষ্ট আসোঁৱাহ ৰৈ গৈছে। ১৯৮৯ চনত বিশ্ববিদ্যালয়খনত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰী সকলৰ পাঠ্যক্ৰম আৰম্ভ হোৱালৈ চাই তেওঁলোকৰ পৰীক্ষা নৱেম্বৰৰ দ্বিতীয় সপ্তাহৰ পৰাহে আৰম্ভ হব লাগিছিল। কিন্তু ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধা অসুবিধালৈ লক্ষ্য নকৰি কৰ্তৃপক্ষই অক্টোবৰত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱাত স্নাতকোত্তৰ শেষান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকল অসন্তুষ্ট হৈ পৰিল। ইয়াৰ উপৰিও প্ৰাৰম্ভিক বৰ্ষৰ পৰীক্ষা শেষ হোৱাৰ দুমাহৰ পাছতহে শেষান্ত বৰ্ষৰ পৰীক্ষা অনুষ্ঠিত কৰিব লাগে কিন্তু শেষান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এই বিষয়টিতো গুৰুত্ব নিদি পৰীক্ষাৰ দিন ঘোষণা কৰিছিল। শেষান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলে এই কাৰ্যত গভীৰ অসন্তুষ্টি প্ৰকাশ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সংস্থা আৰু কৰ্তৃপক্ষৰ ওচৰ চাপিছিল। কিন্তু কোনেও ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধাৰ কথা সহানুভূতিৰে বিবেচনা নকৰাৰ ফলতে যোৱা ছেপ্তেম্বৰ মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত এক হুলস্থূলীয় পৰিবেশৰ সৃষ্টি হবলৈ পালে। পৰীক্ষা পিছুওৱাৰ দাবীৰ বাবে এখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই পদত্যাগ কৰিব লগা ঘটনা কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাবেই নহয় সমগ্ৰ অসমৰ শিক্ষা জগতৰ বাবে দুৰ্ভাগ্যজনক কথা বুলি ক'ব লাগিব। এই ঘটনাই বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পৰিবেশত যথেষ্ট পৰিমাণে বিঘিনি ঘটালে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই পদত্যাগ কৰাৰ ঘটনাটো পৰীক্ষা পিছুওৱাৰ দাবীৰ বাবেই ঘটিল বুলিয়েই প্ৰচাৰ মাধ্যমত ঢাক ঢোল বজোৱা হ'ল যদিও ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈ বাসিন্দা সকলৰ লগত কথা পতাৰ পাছত অন্য কিছু কথাও পোহৰলৈ আহিছে। প্ৰকৃততে উপাচাৰ্যৰ পদত্যাগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুৰ্বলতাকহে উদঙাই দেখুৱালে। পৰীক্ষা পিছুওৱাৰ দাবীত উপাচাৰ্যই পদত্যাগ কৰিব লগা হোৱাটো যিমান দুৰ্ভাগ্যজনক সেইদৰে এজন উপাচাৰ্যই এনে এটা সৰু সমস্যা সমাধান কৰিব নোৱাৰি পদত্যাগ কৰাটোও সিমানেই দুৰ্ভাগ্যজনক। এই ক্ষেত্ৰত স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ সংস্থাৰ দুৰ্বল ভূমিকাও শৈক্ষিক পৰিবেশ নষ্ট হোৱা দায়ৰ পৰা সাৰি যাব নোৱাৰিব। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ সংস্থাক আস্থা আৰু বিশ্বাসত লব নোৱাৰিয়েই নিশ্চয় প্ৰত্যক্ষ ভাবে উপাচাৰ্যক ঘেৰাও কৰিবলৈ বাধ্য হ'ল। অন্যহাতে এনে অৱস্থাত উপাচাৰ্য জনেও এখন নিৰ্বাচিত ছাত্ৰ সংস্থাৰ সহযোগ নিবিচাৰি প্ৰত্যক্ষ ভাবে ছাত্ৰ-ছাত্ৰী সকলৰ মুখামুখি হোৱাত দুপক্ষই নিজৰ নিজৰ যুক্তি প্ৰতিষ্ঠা কৰিবলৈ যোৱাতেই এক অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি হ'ল। সেই মুহূৰ্তত কেৱল পৰীক্ষা পিছুওৱাৰ দাবীৰ উপৰিও বিশ্ববিদ্যালয়খনত চলি থকা বিভিন্ন দুৰ্নীতিৰ ধ্বনিয়েও স্থান পাইছিল। এই ধ্বনিবোৰে উপাচাৰ্যকো বাৰুকৈয়ে স্পৰ্শ কৰিছিল। সেই সময়ত পৰিৱেশটো কিছু উত্তপ্ত আছিল বুলিও ক'ব পাৰি। এনে অৱস্থাত উপাচাৰ্যজনে পৰীক্ষা পিছুৱাই দি পদত্যাগ কৰিলে। প্ৰকৃততে পদত্যাগৰ সিদ্ধান্তৰ বাবে উপাচাৰ্যৰ মনত কিহে বেছি ক্ৰিয়া কৰিলে সেইটো সন্দেহৰ বিষয়।


পৰীক্ষা পিছুওৱাৰ ঘটনাটো সাময়িক আছিল। এতিয়া বিশ্ববিদ্যালয়খনত সেই ঘটনাৰ গইনা লৈ উদং হৈ পৰা দুৰ্নীতিৰ অভিযোগবোৰহে বেছি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ১৯৮৭ চনৰ পৰাই বিভিন্ন কাকতে পত্ৰই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত চলি থকা দুৰ্নীতিৰ বিষয়ে প্ৰকাশ হৈ আছে। সাদিনীয়া বাতৰি ১৯৮৭ চনৰ ১২ আগষ্টত, ১৯৮৮ চনৰ ১৩ এপ্ৰিল, ২ নৱেম্বৰৰ সংখ্যাত; ১৯৮৯ চনত ছেপ্তেম্বৰ, অক্টোবৰ, ডিচেম্বৰ আৰু ১৯৯০ চনৰ মাৰ্চ আৰু এপ্ৰিলৰ 'সূত্ৰধাৰ' আলোচনীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চলি থকা দুৰ্নীতিবোৰ বিস্তৃত ৰূপত প্ৰকাশ হৈ আহিছে। শেহতীয়া ভাবে 'পূৰ্বাচল' বাতৰি কাকততো নিযুক্তি সম্পৰ্কে দুৰ্নীতিৰ বাতৰি প্ৰচাৰ হৈ আহিছে। কিন্তু কৰ্তৃপক্ষৰ ফালৰ পৰা কোনো ধৰণৰ স্পষ্টীকৰণ আজিলৈকে দিয়া হোৱা নাই। সেয়ে এই সকলো কথাই সঁচা বুলি ধৰিবলৈ বিশ্ববিদ্যালয়ৰ বাসিন্দা সকলৰ লগতে অসমৰ জনসাধাৰণ বাধ্য হৈছে। ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সংস্থাই দুৰ্নীতিৰ প্ৰতিবাদত আৰু এইবোৰৰ বিচাৰ আৰু নিৰ্মূলৰ দাবীত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। দেৱাল লিখন, ক'লাবেজ পৰিধান কৰা কাৰ্যসূচীৰ পাছত ৮ অক্টোবৰত প্ৰশাসনৰ উচ্চ পদবীধাৰী বিষয়াক ঘেৰাও কাৰ্যসূচীও সম্পূৰ্ণ কৰিছে। কিন্তু এতিয়ালৈকে কৰ্তৃপক্ষৰ ফালৰ পৰা কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। ছাত্ৰসকলে বিশ্ববিদ্যালয়খনত চলি থকা দুৰ্নীতিবোৰৰ তদন্তৰ বাবে এখন উচ্চ পৰ্যায়ৰ তদন্ত কমিটি গঠন কৰাৰ দাবী কৰিছে।

বিশ্ববিদ্যালয়খনত শিক্ষক নিযুক্তি আৰু প্ৰমোচনৰ ক্ষেত্ৰত গুৰুতৰ অনিয়মৰ অভিযোগ আজি বহুদিনৰ পৰাই উঠি আহিছে। শিক্ষক সকলক প্ৰফেচাৰৰ পৰা ৰীডাৰলৈ প্ৰমোচন দিয়াৰ ক্ষেত্ৰত অনিয়ম আৰু স্বজনপ্ৰীতি চলি আহিছে। ফলত বঞ্চিত শিক্ষক সকলৰ পাঠদানত অমনোযোগিতাৰ সৃষ্টি হয়। ইয়াৰ ফল ছাত্ৰ-ছাত্ৰী সকলেও বাৰুকৈয়ে ভোগ কৰিব লগা হয়।

১৯৮৮ চনত বিশ্ববিদ্যালয়খনৰ ৫জন শিক্ষকক প্ৰশাসনে মিছা অভিযোগেৰে শাস্তিমূলক ব্যৱস্থা প্ৰদান কৰা ঘটনাই যথেষ্ট বেমেজালিৰ সৃষ্টি কৰিছিল। অৱশেষত আদালতৰ কাষ চপাত উচ্চ ন্যায়ালয়ে শিক্ষক কেইজনৰ সপক্ষে ৰায় দিয়ে। কিন্তু কৰ্তৃপক্ষই এই ৰায় সম্পূৰ্ণৰূপে আজিলৈকে মানি লোৱা নাই। ফাৰ্মাচিউটিকেল চাইয়েন্সত দুজন শিক্ষক নিযুক্তি সম্পৰ্কে চলা আদালতৰ ৰায়ত কৰ্তৃপক্ষ হাৰিব লগা হৈছে। যোৱা বছৰত অসমৰ এজন প্ৰাক্তন মুখ্য মন্ত্ৰীৰ ভ্ৰাতৃক দিয়া নিয়োগৰ ক্ষেত্ৰতো অনিয়ম কৰাৰ বাতৰি প্ৰকাশ পাইছিল। শিক্ষকৰ পদত নিযুক্তি, উন্নীতকৰণ আৰু ম্যাদ বৃদ্ধিৰ ক্ষেত্ৰত দুৰ্নীতি আৰু স্বজনপ্ৰীতিয়ে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পৰিবেশত যথেষ্ট ক্ষতি কৰিছে। এই বিষয় লৈ ১৯৮৯ চনৰ ২০ ছেপ্তেম্বৰত All India Federation of University and College Teacher's organaization-ৰ ফালৰ পৰাও উপাচাৰ্যলৈ পত্ৰ প্ৰেৰণ কৰিছিল।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এজন বিতৰ্কিত বিষয়া হ'ল শৈক্ষিক উপ-পঞ্জীয়কজন। জানিব পৰা মতে এই বিষয়াজন পি টি আই বাতৰি প্ৰতিষ্ঠানৰ উপৰিও কেইবাটাও প্ৰচাৰ মাধ্যমৰ লগত জড়িত। সেয়ে তেওঁ প্ৰায়েই বিশ্ববিদ্যালয়ৰ দুৰ্নীতি সম্পৰ্কে বাতৰি প্ৰকাশ নকৰিবৰ বাবে হস্তক্ষেপ কৰে। আৰু কেতিয়াবা প্ৰকৃত সত্য ঢাকি ৰাখি কিছুমান বাতৰি প্ৰকাশ কৰে। উদাহৰণ স্বৰূপে যোৱা ছেপ্তেম্বৰ মাহৰ ঘটনাকে ক'ব পাৰি। উপাচাৰ্যৰ পদত্যাগৰ পাছত ছাত্ৰ সকলক গৰিহণা দি বিভিন্ন প্ৰচাৰ মাধ্যমেদি প্ৰকাশ কৰা হ'ল। কিন্তু প্ৰকৃততে ছাত্ৰ সংস্থা বা শিক্ষক সংস্থাৰ দ্বাৰা কোনো গৰিহণা প্ৰকাশ কৰা হোৱা নাছিল। এই সম্পৰ্কে দিয়া স্পষ্টীকৰণো আমি দেখিবলৈ পাইছো। এই বিষয়াজনে প্ৰকৃততে শৈক্ষিক দিশত গুৰুত্ব আৰোপ নকৰি প্ৰচাৰ মাধ্যমৰ কামতহে অধিক গুৰুত্ব দিয়ে। আৰু প্ৰশাসনৰ অন্যান্য দিশতহে সোঁহাত বাওঁহাত কৰি থাকে। ফলত দিনে দিনে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক দিশত অৱনতি ঘটিবলৈ ধৰিছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয় এক্টখনেই বৰ্তমান বহু বিতৰ্কিত। বিশ্ববিদ্যালয়ৰ আইনখন ৰাজ্য চৰকাৰৰ আইন বিভাগে প্ৰকাশ কৰে। এখন কিতাপ বা পত্ৰিকা প্ৰকাশ কৰিবলৈ হ'লে তাত প্ৰকাশক আৰু ছপা কৰোতাৰ নাম, প্ৰকাশৰ চন তাৰিখ স্থান আদি থাকিব লাগে। অৰ্থাৎ Book registration act-খনে বান্ধি দিয়া নীতি নিয়ম সমূহ অনুসৰণ কৰিব লাগে। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ পাছত সংশোধিত এক্টখনত এই নীতি সমূহ পালন কৰা নাই। তাত কোনো চিল মোহৰ প্ৰকাশক ছপা কাৰক আদি একোৰে নাম নাই। গতিকে এইখনক ভুৱা বুলি কোৱাৰো



দুৰ্গীয়া - মডেল স্কুলৰ একাংশ।

থল আছে। ইয়াৰ উপৰিও ইয়াত সংশোধন কৰা ধাৰাবোৰো বিতৰ্কিত। ১৯৭৫ চনত সংশোধনী বৰ্তমান বিশ্ববিদ্যালয়খনত মানি চলা হোৱা নাই। উদাহৰণ স্বৰূপে কৰ্ট সম্পৰ্কে কৰা সংশোধনী মানি চলা নাই

ডিব্ৰুগড় বিশ্ববিদ্যালয়খন পিছ পৰি থকাৰ এটা অন্যতম কাৰণ হ'ল অৰ্থৰ অপ-প্ৰয়োগ আৰু আত্মসাৎ। ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনাতে আৰম্ভ কৰা বিভিন্ন গৃহ নিৰ্মাণ কাৰ্য আজিও অসম্পূৰ্ণ হৈ আছে। টকাৰ মূল্য হ্ৰাস আৰু বস্তুৰ মূল্য বৃদ্ধিৰ বাবে নিৰ্মাণ কাৰ্যত অন্যান্য উন্নয়ন আঁচনিৰ টকা আনি কাম কৰিব লগা হৈছে। পৰিকল্পনাতে নিৰ্মাণৰ অনুদান অহা অৰ্থনীতি আৰু বাণিজ্য, গণিত আৰু পৰিসংখ্যা বিজ্ঞান বিভাগ আজিকোপতি হৈ নুঠিল। ফলত এই বিষয় বিলাকত পাঠদানৰ যথেষ্ট অসুবিধা হয়। বাৰিষা বতৰত শ্ৰেণী বন্ধ ৰাখিব লগাও হয়গৈ। এনে বিষয় বিলাকত বহুতো মেধাবী ছাত্ৰ-ছাত্ৰী শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে। কাৰণ স্থানৰ অভাৱত আসনৰ সংখ্যা বঢ়াব পৰা নাই। অৰ্থনীতি বিভাগ, বাণিজ্য বিভাগ আদি কেইটামান বিভাগ এতিয়াও পুৰণি চাহ বাগিচাৰ ঘৰতে চলি থাকিব লগা হৈছে। মফিজুদ্দিন আহমদ হাজৰিকা ছাত্ৰাবাসটোও আধৰুৱা হৈ আছে। আনহাতে অতি নিম্ন মানদণ্ডৰ নিৰ্মাণ ব্যৱস্থা আৰু কাৰিকৰী ভুলৰ বাবে ছাত্ৰাবাসটোৰ নিৰ্মাণ কাৰ্য শেষ নহওঁতেই ধ্বংস হবলৈ আৰম্ভ হৈছে। জানিব পোৱা মতে এই ছাত্ৰাবাসৰ নিৰ্মাণ আঁচনিৰ বাবে কেইবা লাখ টকা খৰচ কৰা হৈছিল।

আজি কেইবা বছৰৰ পৰা এই বিশ্ববিদ্যালয়খনত ছাত্ৰাবাস ছাত্ৰী নিবাসৰ সমস্যাই দেখা দি আহিছে। বিশ্ববিদ্যালয়ৰ পৰা যথেষ্ট দূৰত ভাৰা ঘৰ লৈ বিশ্ববিদ্যালয়ে নিবাসৰ ব্যৱস্থা কৰিছে যদিও ইয়াৰ বাবদ বিশ্ববিদ্যালয়ৰ বহু হেজাৰ টকাৰ অপব্যয় হৈছে যিয়ে বিশ্ববিদ্যালয়ত অৰ্থ সংকটৰ সৃষ্টি কৰাত সহায় কৰিছে। আজি কেইবছৰ মানৰ আগতে ৰাজ্য চৰকাৰৰ অনুদানেৰে আৰম্ভ কৰা প্ৰেক্ষাগৃহটোও বৰ দুখ লগাকৈ আধৰুৱা হৈ পৰি আছে। অনুদানতকৈ অধিক টকা খৰচ হোৱাকৈ আঁচনি কৰি বিৰাট প্ৰেক্ষাগৃহ এটা বনাবলৈ গৈ অসম্পূৰ্ণ কৰি ৰাখিব লগা হৈছে। প্ৰকৃততে এনে এটা প্ৰেক্ষাগৃহৰ প্ৰয়োজন আছে নে নাই সেয়া বিচাৰ্যৰ বিষয়। বৰ্তমান এটা কুকুৰা ফাৰ্মৰ গড়ালৰ দৰে এটা ঘৰত প্ৰেক্ষাগৃহৰ কাম চলোৱা হয়। এই অৱস্থাই সাহিত্য সংস্কৃতি চৰ্চাৰ পৰিবেশ দিব পৰা নাই।

বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই সকলোবোৰৰ গুৰিতে বিশ্ববিদ্যালয়খনৰ আৰ্থিক সংকট বুলি ক'বলৈ বিচাৰে যদিও ইয়েই একমাত্ৰ কাৰণ নহয়। কৰ্তৃপক্ষৰ অদূৰদৰ্শিতা আৰু অধিক ব্যয়ৰ মানসিকতাই ইয়াৰ কাৰণ। অৰ্থ বিষয়ক উচ্চ বিষয়াজন সেই বিষয়ৰ বিশেষজ্ঞ নহৈ ৰাজনীতি বিষয়ৰ অধ্যাপক এজনকহে নিযুক্তি দিয়া হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত থাকোতে ড° শৈলধৰ গগৈদেৱে উপাচাৰ্যৰ বাস ভৱন নিৰ্মাণৰ বাবে অহা ইউ জি চি-ৰ অনুদানেৰে শিক্ষকৰ বাস ভৱন কেইটামানহে বনাই দিছিল। তেওঁ উপাচাৰ্যৰ চলিত বাস ভৱনেই উপযুক্ত বুলি বিবেচনা কৰিছিল। কিন্তু বৰ্তমান এটা বিৰাট ইলাহী কাৰবাৰেৰে এই বাস ভৱন সম্পূৰ্ণ কৰা হৈছে। এতিয়া বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকটৰ দিনত এই বাস ভৱনটো যথেষ্ট বিতৰ্কিত হৈ পৰিছে। জানিব পৰা মতে এই বাস ভৱনটো ৩৫ লাখ টকা খৰচ কৰি নিৰ্মাণ কৰা হৈছে। যদি বিশ্ববিদ্যালয়ত শ্ৰেণী কোঠা বনাবলৈ অৰ্থৰ অভাৱ তেনেহলে ৩৫ লাখ টকা ব্যয় কৰি উপাচাৰ্যৰ বাস ভৱন বনাবলৈ টকা ক'ৰ পৰা ওলাল সেয়া এক ৰহস্য। আনহাতে বিশ্ববিদ্যালয় চৌহদৰ মাজ মজিয়াত থকা কণ কণ শিশুবোৰে পঢ়া মডেল স্কুলখনৰ অৱস্থা তথৈবচ। স্কুলখনৰ একাংশ এতিয়াও খেৰী ভগা ঘৰ এটাতেই চলি আছে। বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় উচ্চ বিষয়া সকলৰ বাস ভৱনো চৌহদৰ ভিতৰত নাই। উপাচাৰ্যজনো বিভিন্ন কাৰণত প্ৰায়েই চৌহদৰ বাহিৰত থাকিব লগা হোৱাত বিশ্ববিদ্যালয়খনৰ বাসিন্দা সকলে নিৰাপত্তাহীনতা অনুভৱ কৰে।

বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰায়েই পৰীক্ষাৰ ক্ষেত্ৰত শিক্ষা পৰিষদৰ (Board of Study)-ৰ নিয়ম ভংগ কৰে। পৰীক্ষাৰ্থীৰ স্বাৰ্থ ৰক্ষা হোৱাকৈহে পৰীক্ষক নিয়োগ কৰে। পৰীক্ষাৰ্থীৰ স্বাৰ্থ মানে হ'ল কুকৰ্ম কৰাৰ সুযোগ পোৱা। প্ৰশাসনীয় বিষয়া কিছুমানৰ লগত ছাত্ৰ-ছাত্ৰী ভালেৰে থাকিলেই বিশ্ববিদ্যালয়ত ডিগ্ৰী কিনিব পাৰি বুলি অভিযোগ উঠিছে। তাকে নকৰি যদি ছাত্ৰ-ছাত্ৰীয়ে কোনোবা শিক্ষক বা বিষয়াৰ বিৰুদ্ধে মাত মাতে তেনেহ'লে তেওঁলোকৰ ভৱিষ্যতৰ বাটত হুল পুতি লোৱাৰ দৰেই হয়। সেয়ে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ পৰীক্ষাৰ বহীখনৰ নম্বৰৰ কথা ভাবিয়েই বিশ্ববিদ্যালয়ৰ সকলো দুৰ্নীতি, অন্যায় নীৰৱে সহ্য কৰিব লগাত পৰে। দেশৰ প্ৰথম শ্ৰেণীৰ নাগৰিকৰ বাবে ইয়াতকৈ আৰু কি দুখৰ কথা হব পাৰে!

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল কোনো দিনেই ৰাজনৈতিক ঢৌত উঠি ভাহি যোৱা নাই যদিও তলে তলে এটা তুঁহ জুইৰ উত্তাপ বিৰাজ কৰি থাকে যেন অনুমান হয়। শিক্ষক আৰু প্ৰশাসনীয় বিষয়া সকলেও বহু সময়ত নিজস্ব ৰাজনৈতিক আদৰ্শ ৰাখিবলৈ যাওঁতে বিশৃংখলতাৰ সৃষ্টি নোহোৱা নহয়। ছাত্ৰ ছাত্ৰী সকলেও শিক্ষক সকলৰ ৰাজনৈতিক ভাবধাৰা বুজি লৈ তাল মিলাই চলিলেহে উপকৃত হব পাৰে বুলি শুনিবলৈ পোৱা যায়। সেয়ে নহ'লে কেতিয়াবা ছাত্ৰ-ছাত্ৰীও ৰাজনীতিৰ বলি হব লগা হয়। অৱশ্যে ব্যক্তি মাত্ৰেই ৰাজনৈতিক ভাবধাৰা থকাটো স্বাভাৱিক। কিন্তু শৈক্ষিক দিশত ইয়াৰ প্ৰভাৱ পৰাটো দুৰ্ভাগ্যজনক। এইটো কথা স্বীকাৰ কৰিব লাগিব যে ডিব্ৰুগড় বিশ্ববিদ্যালয় কোনো বিশেষ সংগঠনৰ একছত্ৰী সাম্ৰাজ্য নহয়। কোনো সংগঠনেই নামভৰ্তি কৰণৰ পৰা নিয়োগলৈকে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। কিন্তু প্ৰশাসনীয় বিষয়াই নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত বিভাগীয় পৰিচালনা সমিতিৰ ওপৰত হস্তক্ষেপ কৰা দেখা যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাসিন্দা সকলে কোনো সংগঠনৰ লগত জড়িত নহয় বুলি যিমানেই বগা পোছাক পিন্ধিবলৈ যত্ন নকৰক কিয় আজি কেইবছৰমানৰ আগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মূল প্ৰবেশ দ্বাৰতে সৌৰভ জ্যোতি বৰাৰ হত্যাকাণ্ডই প্ৰকৃত ছবিখন দাঙি ধৰে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক, অৰ্থনৈতিক, ৰাজনৈতিক কেউটা দিশতেই বৰ্তমান আলোচনা সমালোচনাৰ যথেষ্ট থল আছে। এটা অনুষ্ঠান সুস্থ গঠনমূলক সমালোচনাৰ অবিহনে নিকা হৈ থকাটো সম্ভৱ নহয়। প্ৰতিটো কথাই জনসাধাৰণক জনাব লাগিব আৰু জনসাধাৰণৰ সমালোচনা আৰু পৰামৰ্শ নিশ্চয় লাগিব। এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ, বাসিন্দাসকল আৰু জনসাধাৰণৰ গধুৰ দায়িত্ব আছে।

ফটো: স্বপ্না বেজবৰুৱা





# ডিকৃটৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰুৱা

বেমাৰ পিঠিৰ বোজা তেনেই পাতল। ৰেকছেক্‌টোত এখন ৰাগ, এখন বাৰ্মিজ টাৱেল, এসাজ কাপোৰ, টুথব্ৰাছ এডাল আৰু নতুন কেমী চাবোন এটুকুৰা। তাৰ বাওঁ বাহুটোও পাতল। ষ্টেনগানটো নাই। কঁকালৰ বেল্টত মাত্ৰ সৰু ছুৰি এখন। তাৰ প্ৰতি খোজত গাঢ় সবুজ পেন্টটোৰ ওপৰত ছুৰিখন নাচি নাচি গ'ল।

তাৰ ৰ'দে পোৰা মুখ, দীঘল চুলি আৰু দাড়ি, মূৰৰ ফ্লেট্ হেট্‌টোৰ পৰা ভৰিৰ জাংগল বুটযোৰলৈকে সবুজ পোচাক। তাৰ আগে-পিছে, সোঁৱে-বাঁৱে তাৰ দৰেই অজস্ৰ গৰিলা—অস্ত্ৰবিহীন। কিছুমানে ক'লে সিহঁত সংখ্যাত এহেজাৰ। আন কিছুমানে ক'লে ছশহে।

ৰেমাই ফ্লেট্হেট্টো হাতেৰে ঠিক কৰি চাৰিওফালে চালে। তাৰ বাহু দুটা চৌদিশৰ একত্ৰিত গিৰিপ গাৰাপ খোজৰ লগত খন্তেক দোলি ৰ'ল। সিহঁতৰ খোজত পিচ্ দিয়া ৰাস্তাটোৰ পৰাও আগষ্ট মাহত ধূলি উৰিবলৈ ধৰিলে। তাৰ মাজেৰে সি দেখিলে এই গৃহাভিমুখী যাত্ৰাত প্ৰত্যেকৰে মুখত আশা আৰু আনন্দৰ মিশ্ৰণ।

দুই আগষ্ট, ১৯৮৬ চন।

জেমাব'কৰ পৰা সিহঁতে সদলবলে যাত্ৰা কৰিছে। একত্ৰিত খোজেৰে। সিহঁত বীৰ-জাতীয় বীৰ। সিহঁতে জাতিগত আৰু গোষ্ঠীগত বৈশিষ্ট্য ৰক্ষাৰ বাবে কুৰি বছৰ যুঁজ দিলে। তাৰ স্বাক্ষৰ হিচাপে অতি কষ্টেৰে আটোমটোকাৰিকৈ আনিছে প্ৰায় পঞ্চাশটা কফিন। তাৰ কোনোবাটো হয়তো কাৰোবাৰ পুত্ৰ-সন্তানৰ, কোনোবাটো হয়তো কাৰোবাৰ ভাতৃৰ আৰু কোনোবাটো হয়তো কাৰোবাৰ বন্ধুৰ। একত্ৰিত খোজেৰে কফিন কঢ়িয়াই আনোতেও সিহঁতৰ বুকু উচ্ছ্বসিত, চকুত আশা আৰু মুখত আনন্দ।

কেঁকুৰি এটা ঘূৰিয়েই সিহঁতৰ চকুত পৰিল পাঁচ কিলোমিটাৰমান দূৰৰ বৃহৎ পাহাৰ এটাৰ পূব দিশৰ ঢালটোত হাজাৰ বিজাৰ শাৰী শাৰী ঘৰ। ব'ঙ ক'ণ, লাইপুআং, ছান্দমাৰী, মেক্‌ডনেল্ড হিল্, ব-ৰ বজাৰ, আসাম ৰাইফলছ, মিচনভেং, থাক্‌থিং, বেথেল্‌হেম, আৰ্মভেং। মাজে মাজে ওখ চূড়াৰে গিৰ্জা। বেলিৰ পোহৰত পাহাৰৰ গোটেই অংশটো জিকমিকাই উঠিল। লগে লগে সিহঁত বহুতৰ মুখেৰে বাগৰি গ'ল– অ' আইজ'ল। আমাৰ ধুনীয়া আইজ'ল।

জেমাব'কৰ পৰা আইজ'ল আঠ কিলোমিটাৰৰ পথ। প্ৰায় গোটেই পথছোৱাৰ দুয়ো পাৰে মানুহৰ ভিৰ। পথছোৱাৰ বেছি অংশৰ একাষে মানুহৰ ঘৰ বা দোকান। সিহঁত যিমানেই আইজ'লৰ ওচৰ চাপি আহিল ঘৰবোৰৰ মহলাও বাঢ়ি আহিল। লগে লগে বাঢ়িল মানুহৰ ভিৰ– ৰাস্তাৰ কাষত আৰু ওপৰ মহলাবোৰৰ বাৰান্দা আৰু খিৰিকিত। মানুহবোৰৰ মুখত আশ্বৰ্য আনন্দৰ হাঁহি। সিহঁতে বাৰে বাৰে চাপৰি বজাইছে আৰু মুখেৰে আনন্দৰ শব্দ কৰিছে। ক'ৰবাত হঠাতে কোনোবাই মুখবোৰ কাৰোবাৰ সন্ধানত পৰীক্ষা নিৰীক্ষা কৰিছে।

ৰেমাই কিছুদূৰ লীয়ানা বোলা গৰিলা এটাৰ কফিন কঢ়িয়াই আনিছিল। সি কাষৰ আন এটাৰ কান্ধত কফিনৰ মূৰটো তুলি দি ফ্লেট্হেট্টো ঠিক কৰি ল'লে।

ৰাস্তাৰ দাঁতিত ৰৈ থকা মানুহ কিছুমানে সিহঁতৰ মাজৰ গৰিলা দুই এটাক সাবটি ধৰিলে। কিছুমানে যিমান পাৰে সিমানক কৰমৰ্দন কৰি গ'ল। কিছুমানে আপোনজনক বিচাৰি পাইছে। ঘৰৰ ওপৰ মহলাৰ পৰা চিঞৰি মাতিছে। ৰেমাইঁতৰ সমদলৰ পৰা কোনোবাই হাত বাউল দিছে আৰু চিঞৰি কিবা ক'বলৈ চেষ্টা কৰিছে।

– উ ৰেম! উ- ৰেম!!

মানুহৰ মাজৰ পৰা কোনোবা তিৰোতা এজনীয়ে বাৰে বাৰে ৰেমাক চিঞৰি মাতিলে। ৰেমাই তিৰোতাজনীলৈ কিছুসময় চাই থকাৰ পাছতহে বুজি পালে তাই তাৰ ভনীয়েক ময়ীহে। ময়ীয়ে চিঞৰি চিঞৰি তাইৰ কাষত থিয় দি থকা ডেকা এটাক তাইৰ গিৰিয়েক বুলি চিনাকি কৰি দিলে। সিহঁতে ভিৰৰ মাজেৰে হাত আগুৱাই হেন্ডছেক কৰিলে। কিন্তু থিৰেৰে থাকিব নোৱাৰিলে। মানুহৰ হেঁচাত সিহঁত আঁতৰি গ'ল। পিছৰ পৰা অহা গৰিলাবোৰৰ বাবেও ৰেমা আগুৱাই যাবলৈ বাধ্য হ'ল।

ছান্দমাৰীৰ পৰা ব-ৰ বজাৰলৈকে খালি মানুহ, মানুহ আৰু মানুহ। তাৰ মাজেৰে ৰেমাইঁতৰ ফ্লেট-হেট'ৰ এটা সোঁত লাহে লাহে আগুৱাই গ'ল। সিহঁতৰ খোজৰ গতি মন্থৰৰ পৰা মন্থৰতৰ হৈ পৰিল।

ব-ৰ বজাৰৰ মূল ব্যৱসায়িক কেন্দ্ৰৰ বহল ৰাস্তাটোৰ এমূৰৰ পৰা আন মূৰলৈ সিহঁতক আদৰিবলৈ কুৰিখনমান ট্ৰাক জোৰা দি তাৰ ওপৰত সাময়িক মঞ্চ তৈয়াৰ কৰা হৈছিল। তাৰ ওপৰত ছাত্ৰনেতা কেইজনমানে মিজো নেচনেল ফ্ৰন্টৰ নেতা কেইজনমানক মালা পিন্ধালে। লগে লগে মানুহবোৰে কাষৰ গৰিলাবোৰক মালা আৰু মাজৰ বোৰলৈ ফুল আৰু মালা দলিয়াই দিলে। ছাত্ৰ নেতা কোনোবা এজনে মাইকত কিবা ক'বলৈ ধৰিলে–

ছাত্ৰ নেতাৰ ভাষণ মঞ্চৰ দুয়োকাষে থকা চাৰি পাঁচ মহলীয়া ঘৰবোৰৰ পৰা প্ৰতিধ্বনিত হবলৈ ধৰিলে। দৃশ্যটো চাবলৈ মানুহবোৰ ঘৰবোৰৰ খিৰিকি আৰু বাৰান্দাত ওলমি পৰিল।

ৰ'থানপুইয়া তিনি মহলাৰ বাৰান্দাত বহি তললৈ চাই আছিল। তেওঁৰ কাষত দুজনমান ব্যৱসায়ী বন্ধু আৰু ল'ৰা-ছোৱালী দুটামান। ভিতৰৰ শোৱা কোঠাৰ পৰা ৰ'থানপুইয়াৰ শাহুৱেক লাখুটি এডাল লৈ লাহে লাহে বাৰান্দালৈ ওলাই আহিল। তেওঁ সুধিলে–আহিল নেকি?

নাতি-নাতিনীহঁত তললৈ ওলমি ওলমি মানুহবোৰ চাই ব্যস্ত হৈ আছিল। সিহঁতৰ কোনোৱে বুঢ়ীৰ কথা নুশুনিলে। বুঢ়ীয়ে পুনৰ ডাঙৰকৈ সোধাত তাৰ মাজৰ পৰাই কোনোবা এটাই মূৰটো ঘূৰাই বুঢ়ীয়ে শুনিব পৰাকৈ জোৰেৰে চিঞৰি ক'লে– আহিল।

বুঢ়ীয়ে কেটেৰেক্‌ৰ চামনি পৰা চকুৰ চছমাযোৰ ঠিক কৰি কৰি তললৈ চাবলৈ চেষ্টা কৰিলে। ক'ৰবাত কিজানি সেই তাহানিতেই হেৰাই যোৱা পুতেক লীয়ানাক দেখা পায়েই। সি প্ৰথমতে আছিল বাৰ্মিজ আৰ্মিত। তাৰ পিছত এম এন এফ-ৰ আন্দোলনৰ আয়োজন হৈ থাকোতেই সি আহি তাত যোগ দিছিল। ঘৰ দুৱাৰৰ লগত তাৰ সম্পৰ্ক সৰুৰে পৰা আছিল তেনেই ক্ষীণ। ঘৰ দুৱাৰবোৰ যেন ৰাতি-বিয়লি থাকিবৰ বাবেহে। নহ'লে সি পাহাৰে পৰ্বতে বনে-জংঘলে চিকাৰ কৰি ঘূৰি ফুৰিছিল।

বুঢ়ীয়ে তলৰ মানুহৰ মূৰবোৰৰ বাহিৰে আৰু একো নেদেখিলে। এনেকুৱা দৃশ্য তাই জীৱনত কেতিয়াও দেখা নাই। তাই সুধিলে– এইবোৰেই নেকি?

– অ'। – নাতিটোৱে চিঞৰি উত্তৰ দিলে। বুঢ়ীৰ মুখেৰে হুমুনিয়াহ এটা ওলাই আহিল। তাই তললৈ চাই আশাৰে ক'লে– হওক তেও, অৱশেষত সিহঁত আহিল।

সিহঁতৰ বাবে চৰকাৰে স্থাপন কৰা কেম্পটোৰ নাম– ৰেমনা-ৰুণ। অৰ্থ-শান্তিৰ আবাস। লোৱাংমোৱালৰ এই কেম্পটোৰ অ'ত ত'ত সিঁচৰতি হৈ থকা টিনৰ ঘৰবোৰত কিছুমানে পৰিয়াল লৈ বাস কৰিছে। পৰিয়াল নথকাবোৰ হল ঘৰত আছে। সিহঁতৰ আনন্দ স্ফূৰ্তিৰ অন্ত নাই। সিহঁত আহি পাওঁতেই চৰকাৰে দুহেজাৰকৈ টকা দিছিল। যুৱালাই তাৰে বাৰশ' টকা খৰচ কৰি বিদেশী জোতা এযোৰ কিনিছিল। সি জোতাযোৰ পিন্ধি পিন্ধি ক'লে– চা, সৰুৰে পৰা এই প্ৰায় একুৰি ওঠৰ বছৰ বয়সলৈকে এই ভৰি হালক কিমান যে কষ্ট দিলো। তাৰ উপৰি যোৱা কুৰি বছৰে জংঘলৰ ওখোৰা মোখোৰা শিল গৰকি কম শাস্তি দিলোনে? এতিয়া অলপ সুবিধা পাইছো, অলপ আৰামত থাকক দে ভৰিহাল।

কথাযাৰ কওঁতে তামোলৰ সেলেঙী লগা তাৰ দাঁত দুপাৰি প্ৰায় ওলাই পৰিল।

ৰেমা আৰু ভ্ৰুৱাঙাই কিবা কিবি কিনিলে যদিও বজাৰৰ পোহাৰ আৰু প্ৰাচুৰ্য দেখিয়েই ভোল গ'ল। তাৰ উপৰি মানুহৰ সিহঁতৰ প্ৰতি উৎসুকতা, এম এন এফ বুলি জানি কৰা কৰমৰ্দন আৰু আনন্দেৰে প্ৰকাশ কৰা আস্থা সিহঁতৰ বাবে আছিল আপুৰুগীয়া। যুৱালাই কিন্তু জোতা যোৰৰ লগতে মদৰ বটল দুটা বুকুত সাবটি লোৱাংমোৱাললৈ উলটিল। এসময়ত যে সিহঁতেই যু বনোৱা, খোৱা আদি নিষেধ বুলি আইন প্ৰয়োগ কৰিছিল তাক ভ্ৰুৱাঙাই সোঁৱৰাই দিয়াতো নামানিলে। নিশা এপৰত সি এহাতত বটল আৰু আনটো হাতত গিলাচটো লৈ কোঠাৰ পৰা ওলাই আহিল। ভিতৰৰ যুৱালাৰ উচটনিত পৰি মদ ভৰাই লোৱা গিলাচ এটা আগত লৈ ৰেমা বহি থাকিল। ভ্ৰুৱাঙাই সিহঁতক মদ খোৱা দেখি কেতিয়াবাই বাহিৰৰ শিল এচপৰাত বহি আছিলহি। তেতিয়ালৈ কোঠাই কোঠাই হাঁহি আৰু স্ফূৰ্তি বিয়পি পৰিল। তাৰ উচ্ছ্বাস দৰজা খিৰিকিৰে বৈ বৈ সৰকি আহিছিল। পাঁচ কিলোমিটাৰমান দূৰত গোটেই আইজ'ল চহৰখন এমূৰৰ পৰা আন মূৰলৈ হাজাৰ বিজাৰ বিজুলী বাতিৰ পোহৰত জক্‌মকাই আছিল। যুৱালাই সেইফালে চাই চিঞৰিবলৈ ধৰিলে–ফ্ৰি'ডম্– হেই ড্ৰি'ডম্, হেই ফ্ৰি আইজ'ল। তোমাক মই জিলিকাই তুলিম– আৰু জিলিকাম–

ৰেমাৰ লগৰবোৰে এই কেইমাহ লগত অনা কফিন কেইটা গাঁৱে ভূঞে কবৰ দিয়াৰ কামকে কৰি ফুৰিছিল। ৰেমাই মাত্ৰ লীয়ানাৰ কফিনটোলৈহে ব্যস্ত আছিল। লীয়ানা মৰাৰ পাছত ৰেমাহঁতে তাক আৰাকানতে কবৰ দিছিল। কিন্তু আহিবৰ সময়ত সিহঁতে সেইটো খান্দি দেহাৰ অৱশিষ্টখিনি কফিনটোত ভৰাই আনিছিল। কফিনটো এনিশা ৰ'থানপুইয়াৰ ঘৰত ৰখা হ'ল। লীয়ানাৰ মাকে পঁচিশ বছৰে পুতেকটোৰ ছাঁটোও দেখা নাই। বুঢ়ীয়ে তাৰ বিষয়ে বহুতো জল্পনা কল্পনা কৰিছিল। তাই সি উভতি আহিব বুলি কৰা আশা বাদ দিয়া নাছিল। কিন্তু পঁচিশ বছৰৰ মূৰত তাৰ কফিনটোহে আহিল। বুঢ়ীয়ে বেজাৰ পালে। হ'লেও বুঢ়ীৰ চিন্তাৰ যতি পৰিল।

নিশা এপৰলৈকে নাম-গুণ গাই মানুহবোৰে মৃতকৰ আত্মাৰ শান্তি কামনা কৰিলে। তাৰ পিছ দিনাই কফিনটো লীয়ানাহঁতৰ গাঁৱলৈ লৈ যোৱা হ'ল। ৰেমা আৰু যুৱালাও কফিনটোৰ লগে লগে গ'ল। গাঁওখনত মানুহবোৰ কফিনটো আদৰিবলৈ ৰৈ আছিল। সিহঁতে কফিনটো আৰু লগতে লগত যোৱা এম এন এফ-ৰ মানুহবোৰক বেচ আদৰ-সাদৰ কৰিলে। তাতো এদিন এনিশা প্ৰাৰ্থনা কৰাৰ পাছত লীয়ানাৰ কফিনটো কবৰ দিয়া হ'ল। তাত পুতি দিয়া এপিটাফখনত লিখা হ'ল– এম এন এফ-ৰ এজন প্ৰকৃত যুঁজাৰু।

উভতি অহাৰ পথত ৰেমাইঁতৰ জীপখন না-থীয়ালত ৰ'ল। ৰেমা ছা-ঙীৰ দোকানলৈকে গ'ল। ছা-ঙীৰ দোকান চিনিবই নোৱাৰি। দোকান ঘৰটো পকী, দুমহলা পাহাৰৰ দাঁতিৰে তললৈ, আন দুমহলা মটৰ চলা ৰাস্তাটোৰ পৰা ওপৰলৈ। ওপৰ মহলাটোত তাই থাকে। ৰাস্তাৰ সমান মহলাটোত তাইৰ দোকান। তাইৰ দোকানো দুভাগত ভগোৱা। এটা ভাগত চাহ-ভাতৰ হোটেল। আনটো ভাগত ঠাহ খাই থকা বিভিন্ন ৰংচুৱা পোচাক, জোতা, ভেনিটি বেগ আদিৰে তিৰোতাৰ বিভিন্ন সামগ্ৰী। তাৰ মাজত ছা-ঙী নিকা আৰু উজ্জ্বল কাপোৰ-কানিৰে বহি আছিল। তাই আগতকৈ শকত হৈছে। মুখখন যেন আগতকৈ বগাহে হৈছে। তাইৰ চুলি সুন্দৰকৈ ফণিওৱা। কান্ধত বুকুৰে পাৰ কৰি ওলোমাই লোৱা চকুত লগা ডাঙৰ এটি ভেনিটি বেগ।

ৰেমাক দেখি হাঁহি হাঁহি তাই দৌৰি অহাদি আহিল। – তোক দেখি বৰ ভাল লাগিছে। অৱশেষত তহঁত আহিলি!

ৰেমাই খবৰ বাতৰি লৈ ৰ'ছাঙাৰ কথা সুধিলে। ছা-ঙীৰ মুখৰ উজ্জ্বলতা কমি গ'ল। তাই ক'লে– আছে আৰু! হোটেলখন তাক চলাবলৈ দিছো। সি তাতে আছে।

ৰ'ছাঙা হোটেলখনৰ কাউন্টাৰত বহি আছিল। তাৰ মুখখন অস্বাভাৱিক ভাবে ফুলি পৰিছে। সি চিৰ'ছিকত ভুগিছে। চুলিবোৰো পকিছে। সি জুপি জুপি কাৰোবাৰ পৰা পইছা গণি লৈছে। তাৰ হাত দুখন বৰ থিৰেৰে থকা নাই। ৰেমাৰ তাক দেখি বেয়া লাগিল। সি ৰ'ছাঙাক মতাত ওপৰলৈ মূৰটো দাঙি অলপ সময় চাই ৰ'ল। তাৰ মুখত কোনো আশ্বৰ্য প্ৰকাশ নাপালে। ৰেমাক যেন সি সদায় লগ পায় তেনেদৰে সি সুধিলে– অ', তই আহিলি? ভালনে?

তাৰ পাছত ক'লে– বহ- বহ- চাহ একাপ খাই যা।

তাৰ যেন আৰু সুধিব লগা কথা নায়েই। ৰ'ছাঙাই বাহিৰলৈ চাই ৰ'ল।

সেই তাহানিৰ ৰ'ছাঙা! থানম'মাৰ ঘনিষ্ঠ সহচৰ। সিহঁত চেঙেলীয়া মথাৰ এম এন এফ-ত যোগ দিয়াৰ প্ৰেৰণা! তাৰ অৱস্থা দেখি ৰেমাই মনে মনে বেজাৰ পালে। সি কিবা ক'ব খুজিলে, কিন্তু ৰ'ছাঙাই আন ফালেহে চালে। দোকানৰ কোনোবা এটাক কিবা এটা ক'লে। ছা-ঙীয়ে ৰেমাক মাতি লৈ গ'ল– ইয়াক লৈ মোৰ মহা বিপদ। ই জেলৰ পৰা ওলোৱা ছবছৰ মানেই হ'লহি। তেতিয়াৰে পৰা সি খুব মদ খাবলৈ লৈছে। হকা-বধা কৰিলেও নামানে। মদ খাই এঁতিয়া গোটেই দেহাটোকে সি নষ্ট কৰিলে।

বহা কোঠাটো আহল-বহল আৰু ধুনীয়া। বহিবলৈ দুযোৰা চোফা আছে। সিহঁত তাত বহাৰ অলপ পিছতেই গাভৰু এজনীয়ে তলৰ মহলাৰ পৰা চিৰিয়েদি চাহ লৈ আহিল। চাহ খাই থাকোতে ছা-ঙীয়ে ৰেমাইঁতক ক'লে–তহঁত আহিলি, বৰ ভাল হ'ল। এতিয়া কিবা কৰাৰহে কথা। সকলোৱে লাগি ভাগি কামবোৰ কৰিলেহে আমাৰ উন্নতি হব।

যুৱালাও সিহঁতৰ লগত আছিল। সি ক'লে– মই কিন্তু ৰাজনীতি কৰিম বুলিহে ভাবিছো।

ছা-ঙীয়ে ক'লে– এটা কথা; ৰাজনীতি কিন্তু ব্যৱসায় নহয়। তহঁতে পু লম্‌কিমাৰ কথা জান। তেওঁ কেইবছৰমান মিনিষ্টাৰো আছিল। তেওঁৰ সা-সম্পত্তি দেখি তহঁতে হয়তো ভাবিব পাৰ যে ৰাজনীতি কৰিলেই পইছা। প্ৰকৃততে মই যি বুজো পইছা থাকিলেহে ৰাজনীতি কৰিব পাৰি। পু-লম্‌কিমাৰ এই সা-সম্পত্তি এদিনীয়া নহয়। বাপেকো চীফ্ আছিল। নিজেও বহু বছৰে ঠিকা-ঠুকলি কৰিছে। হয়তো মিনিষ্টাৰ হোৱাৰ বাবে অলপ বাঢ়িছে।

অলপ ৰৈ ছা-ঙীয়ে পুনৰ ক'লে– আৰু এটা কথা। ৰাজনীতি কৰা সকলোবোৰতো আৰু মিনিষ্টাৰ নহয়!

যুৱালাই ছা-ঙীলৈ চাই ৰ'ল। তাই আকৌ ক'লে– তহঁতে স্বাধীনচিতীয়া আন কিবা কৰিলেও ইচ্ছা কৰিলেই ৰাজনীতি কৰিব পাৰিবি। গতিকে প্ৰথমতে কিবা কৰাৰহে কথা।

ছা-ঙীৰ কথাৰ ওপৰত ৰেমাহঁতৰ কোনেও এষাৰো কথা ক'ব নোৱাৰিলে।

ৰেমাৰ বাবে মানুহ তিনিটা ৰৈ আছিল। ৰেমাহঁত নামি অহাৰ লগে লগে সিহঁতে তাক ঘেৰি ধৰিলে। মানুহকেইটা

আংপুইৰ। ৰেমাইঁতৰ গাঁৱৰ। গাঁৱলৈ যাবলৈ বাছৰ কাৰণে ৰৈ আছে। ৰেমাই গাঁৱলৈ বাছ চলে বুলি জানি আচৰিত হ'ল। বাছ দিনটোত এখনেই যায়। আহেও এখন।

সিহঁতে ৰেমাক দেখি বেছ আনন্দ পালে। স্ফূৰ্তিত যেন থিৰেৰে থিয় দি নাথাকিবই। সিহঁতে ৰেমাক ক'লে– তই এম এন এফ-ত ইমান নাম কৰা শুনিছো। গাঁৱলৈ নাযাৱ জানো? গাঁৱৰ মানুহবোৰে তোক লগ পাবলৈ ৰৈ আছে। তাতে বাপেৰেও হাতৰ কামৰ বাবে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পাইছে।

ৰেমা আংপুইলৈ যাবলৈ উচ্ছ্বসিত হৈ পৰিল। সি যুৱালাক ক'লে– ব'ল, আমাৰ গাঁৱলৈ যাওঁ। আজি যাম আৰু কালিলৈ উভতি আহিম।

যুৱালাহঁত মান্তি হ'ল। সিহঁত মুঠতে চাৰিটা। ৰেমাৰ সৈতে তিনিটা আগত বহিল। ৰেমাই গাঁৱৰ মানুহ তিনিটাক জীপখনৰ পিছৰ চিটত বহিবলৈ ক'লে। সিহঁতৰ বজাৰ কৰা বস্তু অনেক। জীপখনৰ হুদটো খুলি বজাৰৰ টোপোলাবোৰ পথালি চিট দুটাৰ মাজত জাপি সিহঁত কেউটা তাত বহি ল'লে। ৰেমাইঁতৰ লগৰ আনটো সিহঁতৰ লগতে পিছত উঠিল।

গাঁওবোৰ তেনেই সলনি হ'ল। হস্পিটেল থকা গাঁওখনলৈ পথ চোৱা পকী হ'ল। হস্পিটেলখনো ডাঙৰ হ'ল। ৰেমাইঁত পঢ়া স্কুলখন থকা গাঁও ভেঙ নোৱামখনলৈকে ৰাস্তা ডোখৰত পাথৰ আৰু শিলগুটি পেলাই পকী কৰিবলৈ লাহে লাহে সাজু কৰা হৈছে। তাৰ পিছৰ সাত মাইল খালি মাটিৰ। পাহাৰ কাটি ট্ৰাক যাব পৰা ৰাস্তা বনোৱা হৈছে। ৰেমাই এইডোখৰ পথত জীপৰ পিছফাললৈ গৈ থিয় দি চাৰিওফালে চাই চাই গ'ল। আগৰ লুংলুঙীয়া পথটোৰ চিন চাবেই নাই। জুৰিটোৰ ওপৰত এখন কাঠৰ দলং হৈছে। তাৰে তলৰ ক'ৰবাত ৰেমা স্কুললৈ আহোতে যাওঁতে পিঠি দি শোৱা শিলচটা হয়তো এতিয়াও পৰি আছে। তাতে শুই শুই সি পাৰৰ গছবোৰৰ কাষে কাষে উৰি ফুৰা পখিলাবোৰ চাইছিল আৰু পী-লীয়ানীয়ে কোৱা য'লপলা আৰু তুৱালভুঙী পখিলা হোৱাৰ সাধু মনত পেলাইছিল। ৰেমাই জীপখনৰ পিছফালৰ পৰা চিঞৰি চিঞৰি যুৱালাহঁতক কথাবোৰ কৈ গ'ল।

গাঁও পোৱাৰ আগৰে পৰা দুটা বস্তু ৰেমাৰ চকুত পৰিল– এটা জীয়ালুংখাম-চৰাইৰ ঠোঁটৰ দৰে এতিয়াও জিলিকি



আছে। আনটো গিৰ্জাৰ ওখ চূড়াটো। পাহাৰটোৰ ওপৰত ওখ টিলাটো ডাঙৰ আৰু ওখকৈ বনোৱা। গিৰ্জাটোৰ টিনৰ চালিৰ পৰা আবেলিৰ ৰ'দৰ চিক্‌মিকনি দূৰৰ পৰাই সিহঁতৰ চকুত পৰিল। ৰেমাইঁতৰ জীপখন অকোৱা পকোৱা ৰাস্তাটোৰে পাহাৰৰ ওপৰলৈ থকা আংপুই গাঁওখনলৈ উঠিবলৈ ধৰিলে। সিহঁত এডোখৰ বহল ঠাইত ৰ'লগৈ। তাৰ সন্মুখতে টিনৰ চালিৰ এটা দীঘল স্কুলঘৰ। তাত লিখা আছে– মোৱাকা মেমৰিয়েল হাইস্কুল। নামটো দেখি ৰেমাৰ ভাল লাগিল। নিশ্চয় ৰ'থানপুইয়াইঁতৰ কোনোবাই দান বৰঙণি দি ঘৰটো বনাই দিছে।

ৰেমাইঁতৰ লগত অহা গাঁৱৰ মানুহ কেইটাৰ কোনোবা এটাই ক'লে– এই ঠাইডোখৰৰ অলপ সোঁফাললৈ পু-মোৱাকাৰ ঘৰ আছিল।

সিহঁত জীপৰ পৰা নামি গা-মূৰৰ ধূলিবোৰ জোঁকাৰিবলৈ ধৰিলে। ৰেমাই মূৰৰ টুপিটো খুলিবলৈ ধৰোতে গাঁৱৰ ডেকা-বুঢ়া কেইটামানে সিহঁতৰ জীপখন বেৰি ধৰিলেহি। সিহঁতৰ পৰিচয় পাই উচ্ছ্বাস আৰু আনন্দত মানুহবোৰৰ মুখ নধৰা হ'ল।

কিয়েনল'ভা তেনেই বুঢ়া হ'ল। গাল-মুখবোৰ সোতোৰা সোতোৰ। চুলিবোৰো তেনেই পকিল। এটা হাতত লাখুটি এডাল আৰু আনটো হাতত বাঁহৰ পাইপ এটা লৈ বুঢ়া কমাৰশাল থকা খেৰী ঘৰটোৰ পৰা ওলাই আহিল। এতিয়াও বোলে বুঢ়া দুই-তিনি ঘণ্টাকৈ কমাৰশালত বহে। বুঢ়া ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লবলৈ বোলে নগ'ল। আন কোনোবাইহে বুঢ়াৰ হৈ পুৰস্কাৰটো ল'লে। এই পুৰস্কাৰ-তুৰস্কাৰ লৈ কি হব? মোৰ কাম কিবা সলনি কৰিব পাৰিবনে?

ৰেমাৰ কাষলৈ আহি বুঢ়াই তাক এবাৰ চালে। তাৰ লগৰ কেউটাৰ ওচৰলৈ গৈ মুখবোৰ চাই বুঢ়া কিয়েনল'ভাই ক'লে– তহঁত আহিলি বৰ ভাল হ'ল। এতিয়া কিবাকিবি কাম-বনত লাগ। নিজেও দুকঠা খা আৰু ওচৰ চুবুৰীয়াকো দুমুঠি দি সহায় কৰ।

বুঢ়া সিহঁতৰ কাষলৈ যেনেকৈ আহিছিল তেনেকৈয়ে আঁতৰি গ'ল। ৰেমাই বুজি পালে তাৰ বাপেকটো একেই আছে। একেবাৰে সলনি হোৱা নাই। সি গম পালে মানুহটো না-থীয়াল গ্ৰুপ চেন্টাৰত অলপ অসুখী আছিল। আংপুই গাঁৱলৈ উলটি হয়তো আগৰ দৰেই কৰ্মব্যস্ত আৰু ৰঙীয়াল হৈ পৰিছে। মাত্ৰ গিৰ্জাটো সজাই লোৱাৰ পিছত ওপা ৰ'ছিয়ামা লগতে ঘৈণীয়েক বিয়াকভেলী ঢুকোৱাত বুঢ়া অলপ অকলশৰীয়া হৈছে।

অস্ত্ৰ সম্বৰণৰ পাছত আংপুইলৈ এম এন এফ-ৰ মানুহ এই প্ৰথম আহিছে। সকলোৰে মুখত আনন্দ, উচ্ছ্বাস আৰু কৌতূহল। গাঁৱৰ মানুহ জাকে জাকে ৰেমাইঁতক লগ পাবলৈ আহিয়েই আছে। সিহঁতৰ প্ৰায়বোৰেই ৰেমাইঁতক দেখি গৌৰৱান্বিত। সিহঁতৰ গাঁৱৰ উন্নতি ৰেমাই কল্পনা কৰিব নোৱৰাকৈ হৈছে। তথাপি বেছিভাগ মানুহেই তাক আহি ক'লেহি– তয়েই যদি গাঁৱৰ কাৰণে কিবা কৰ আৰু!

সি গৰ্বত গালৰ কটা দাগটো মোহাৰিবলৈ ধৰিলে।

*(ক্ৰমশঃ)*





# কেইটামান আহুকলীয়া প্ৰশ্নৰ উত্তৰ বিচাৰি

কৃষ্ণ খাটনিয়াৰ

আজি কিছুদিনৰ পৰা এই লেখক গ্ৰামাঞ্চলৰ একাংশ সমাজ সচেতন লোকৰ কিছু প্ৰশ্নৰ সততে সন্মুখীন হ'ব লগা হৈছে। যদিও এই লেখক উক্ত প্ৰশ্ন সমূহৰ লগত পোনপটীয়া ভাবে কোনো পধ্যেই জড়িত নহয়, তৎসত্ত্বেও সমাজৰ এজন হিচাপে উক্ত প্ৰশ্ন সমূহৰ পৰা কোনোমতেই গা-এৰা দিব নোৱাৰি এই শিতানত সেইবোৰৰ উল্লেখ কৰিব লগা হ'ল। লগে লগে এই আশা কৰা হৈছে যে ৰাজ্যখনৰ বুদ্ধিজীৱী, ৰাজনীতিবিদ, সমাজ সচেতন ব্যক্তি সকলকে প্ৰমুখ্য কৰি বিজ্ঞ সকলে ইয়াৰ উত্তৰ প্ৰশ্নকৰ্তা অসমবাসীক যথাস্থানত দিব। আৰম্ভণীতে বিনম্ৰভাবে উল্লেখ কৰি থব বিচাৰিছো যে এই লেখকৰ পুতৌ লগা জ্ঞানেৰে এই প্ৰশ্ন সমূহৰ উত্তৰ দিয়া মুঠেও সম্ভৱ নহয়। মাত্ৰ বিভিন্ন সময়ত বিভিন্ন জনৰ মুখত শুনা আৰু জনা বিষয় কেইটিমানহে ইয়াত উল্লেখ কৰিম।

এই লেখক সন্মুখীন হোৱা প্ৰশ্ন সমূহঃ–

১। ভাৰতৰ বাওঁপন্থী দল সমূহৰ এটাৰ (নামটো ইচ্ছা কৰিয়েই উল্লেখ কৰাৰ পৰা বিৰত থাকিলো) অসমৰ শাখাটোৱে ১৯৮৫ চনত আঞ্চলিক দলটো ৰাজ্যখনৰ ক্ষমতালৈ অহাৰ পাছৰ পৰা এতিয়ালৈকে উগ্ৰপন্থীৰ সন্দৰ্ভত লোৱা ভূমিকা সঁচাই কম্যুনিষ্ট-সদৃশ হৈছেনে?

২। ভাৰতবৰ্ষৰ এচাম উগ্ৰ কম্যুনিষ্টে বন্দুক-বাৰুদেৰে ভাৰত চৰকাৰৰ বিৰুদ্ধে কৰা বিদ্ৰোহক এটা সময়ত সমৰ্থন নজনাই সেইবোৰক অতি বিপ্লৱী কাৰ্যকলাপ বুলি আখ্যাদি অহাৰ পাছত এতিয়া অসমৰ বন্দুক-বাৰুদত আস্থা ৰখা এচামৰ ক্ষেত্ৰত লোৱা নমনীয় দৃষ্টি-ভংগীৰ উদ্দেশ্য কি?

৩। সেই দলটোৱে অসমৰ এজন (প্ৰধান) নেতাই অলপতে ৰাজ্যখনৰ ক্ষমতাৰ পৰা অপসাৰিত হোৱা আঞ্চলিক দলটোৰ মুখ্য মন্ত্ৰী জন আৰু দলটোৰ লগত সনা-পিটিকা কৰাৰ চেষ্টা কৰাই নহয়, তেওঁলোককো চেৰ পেলাই স্মাৰক পত্ৰ, বিবৃতি, ধৰ্ণা আদি দিবলৈ লোৱাৰ ৰহস্য কি?

শ্ৰদ্ধেয় পাঠক সকল, এই লেখকে সন্মুখীন হোৱা প্ৰশ্ন সমূহ ইমানেই। এইবোৰৰ উত্তৰৰ বাবে বিজ্ঞ সকলৰ মুখলৈ চাই এই লেখকো অধীৰ অপেক্ষাত থাকিম। এতিয়া কিছু অপ্ৰাসংগিক যেন লাগিলেও মানুহৰ মুখত শুনা কথাখিনি ইয়াত উল্লেখ কৰিলো–

১। কম্যুনিষ্ট আন্দোলনৰ পীঠস্থান ছোভিয়েত ৰুছিয়াত গ্লাষ্টনষ্ট আৰু পেৰেষ্ট্ৰইকাৰ জৰিয়তে সমাজবাদী ৰাষ্ট্ৰখনৰ আমূল পৰিবৰ্তন (?) কৰাৰ পৰিপ্ৰেক্ষিতত অসমৰ এই কম্যুনিষ্ট সকলেও সময়ৰ আহ্বানত বাধ্য হৈ (?) কম্যুনিষ্ট আন্দোলনক আগুৱাই নিয়াৰ স্বাৰ্থতে নতুন কৌশল অৱশ্যে লব লগা হ'ল। গতিকে কম্যুনিষ্টৰ জাত-শত্ৰু কংগ্ৰেছৰ লগত সনা-পিটিকা কৰিলে আকৌ ১৯৭৭ চনৰ জৰুৰীকালীন সময়ৰ পাছৰ অৱস্থা হোৱাৰ সম্ভাৱনা। এতেকে এইবাৰ নতুন কৌশল কৰি 'শত্ৰুৰ শত্ৰু আমাৰ মিত্ৰ' নীতি লব লগা হৈছে। এই সূত্ৰৰ আঁত ধৰি তেওঁলোকে অসমত বৰ্তমানে ধনী আঞ্চলিক দলটোৰ পিছ লব লগা হৈছে।

২। কম্যুনিষ্ট দলটোৰ ৰাজ্যিক পৰ্যায়ৰ নেতাৰ লগত ওচৰ সম্বন্ধ থকা আঞ্চলিক পৰ্যায়ৰ নেতাই এই লেখকৰ ওচৰত অতি গৌৰৱেৰে দাবী কৰা মতেই তেওঁলোকৰ এসময়ৰ যুৱ আৰু ছাত্ৰ সংগঠনৰ বহু সংখ্যক প্ৰতিভাৱান নেতা আৰু কৰ্মী উগ্ৰপন্থী সংগঠনটোৰ সদস্যভূক্ত হৈ হাতত বন্দুক তুলি লৈছে। গতিকে তেওঁলোকৰ একালৰ যুৱ সতীৰ্থ সকল থাকোতেই সংগঠনটোক নিজৰ নিয়ন্ত্ৰণত ৰখাৰ এটা সুযোগ আছে। সেই কাৰণে এওঁলোকৰ লগত ভাই-ককাইৰ সম্বন্ধ এটা ৰক্ষা কৰাই সময়োচিত ব্যৱস্থা হ'ব।

৩। অসম বিধান সভাৰ শেহতীয়া নিৰ্বাচনৰ সময়তে শুনা কাহিনী এটা এনেধৰণৰঃ বিধান সভাৰ এই নিৰ্বাচনত কংগ্ৰেছ (ই) দলৰ প্ৰশ্নই নাই, আন কোনো এটা দলেই একক ভাবে চৰকাৰ গঠন কৰিব পাৰিব বুলি কোনো এটা ৰাজনৈতিক দলেই কল্পনাই কৰিব পৰা নাছিল। সকলো দলেই ভাবিছিল অসমত সংযুক্ত চৰকাৰেই হ'ব। গতিকে সংযুক্ত চৰকাৰৰ নেতৃত্ব লোৱাৰ কথাটো নিৰ্ভৰ কৰিব কোনটো দলে কিমান প্ৰাৰ্থী জিকাই আনিব পাৰিব তাৰ ওপৰতে। বৰকৈ আলোচনা কৰিলে আসন এৰা ধৰাৰ প্ৰশ্নত নিশ্চিত (?) **আসন অন্য দলক এৰি** দিব লগাৰ ভয়ত এই কম্যুনিষ্ট দলটোৱে আলোচনাত নবহি একক ভাবে ততাতৈয়াকে নিজ দলৰ অধিক সংখ্যক প্ৰাৰ্থী দি 'নিৰ্বাচনৰ পাছতহে মৰ্চা গঠনৰ কথা আলোচনা কৰা হ'ব' বুলি ঘোষণা কৰিলে। এই দলটোৰ বোলে বিশ্বাস আছিল যে তেওঁলোকে ৩০ জনতকৈ অধিক এম এল এ জিকাই আনি মৰ্চা চৰকাৰৰ নেতৃত্ব লব। তেওঁলোকে এই আশা কৰিছিল এই ভাবিয়েই যে অপাৰেচন বজৰঙে কংগ্ৰেছ (ই) দলৰ শেষ আশা কণো ধূলিস্যাৎ কৰিলে। কলেংকাৰিৰ অভিযোগত অগপ-ৰ অৱস্থা নাই। বাকী থাকিল জনতা, কংগ্ৰেছ (এছ), ন-অগপ, সংখ্যালঘু মৰ্চা, চি পি এম আদি সৰু সৰু দল সমূহ। এইবোৰৰ বহুতৰে সংগঠন দুৰ্বল। গতিকে এওঁলোকৰ যি দুজন-এজন জিকি আহিব সেইবোৰে তেওঁলোকক সমৰ্থন দিয়াৰ বাহিৰে গত্যন্তৰ নাই। অসমৰ ৰাইজ যিহেতু আঞ্চলিক দলৰ প্ৰতি আকৃষ্ট হৈছে, তেওঁলোকেও আঞ্চলিক দলৰ ভূমিকা পালন কৰিছেই। লগে লগে অসম প্ৰেমী দল বুলি উগ্ৰপন্থী সংগঠনৰ পৰা প্ৰমাণ পত্ৰও আদায় কৰি থৈছে। গতিকে উগ্ৰপন্থী সংগঠনটোৱে নিৰপেক্ষ ভূমিকা লব বুলি ঘোষণা কৰিলেও এওঁলোকৰ দলক গোপনে সহায় কৰিব বুলি আশা কৰিছিল। সেই আশাতেই তেওঁলোকৰ নেতা এজনৰ নামকৈ অসমৰ ভাবি মুখ্য মন্ত্ৰী বুলি দলটোৰ সাধাৰণ সমৰ্থকক উৎসাহ দিছিল।

শ্ৰদ্ধেয় পাঠক সকল, এই লেখকে শুনা আৰু জনা কথাখিনি ইমানেই। প্ৰশ্নকৰ্তা শ্ৰদ্ধেয় ৰাইজক বিজ্ঞ সকলে উত্তৰ দিবই বুলি আশা কৰা নিশ্চয় ভুল নহ'ব।

অসম চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগঃ গুৱাহাটী

অসম চৰকাৰৰ অন্তৰ্গত আভ্যন্তৰীণ জল পৰিবহণ বিভাগ ক্ৰমান্বয়ে এক বিশেষ বিভাগ হৈ পৰিছে। এই বিভাগে ব্ৰহ্মপুত্ৰ নদীত কেইবাটাও প্ৰধান পাৰঘাট নিয়ন্ত্ৰণ কৰাৰ উপৰিও ব্ৰহ্মপুত্ৰ আৰু উপনদী সমূহত যাত্ৰী আৰু মালবস্তুসহ বাণিজ্যিক পদ্ধতিৰে পাৰা-পাৰ কৰিব পৰা প্ৰাৰম্ভিক ব্যৱস্থা ইতিমধ্যে কৰিছে। ইয়াৰ উপৰিও গুৱাহাটী উত্তৰগুৱাহাটী গুৱাহাটী ৰজাদুৱাৰ আৰু যোগীঘোপা গোৱালপাৰা পঞ্চৰত্ন পাৰঘাটৰ নৈশ খেপৰ ব্যৱস্থাও আছে। এই বিভাগে বৰাক নদী আৰু উপনদী সমূহত যাত্ৰী আৰু মালবস্তু পাৰাপাৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ কাছাৰ জিলাৰ শিলচৰত এটি সংমণ্ডল স্থাপন কৰিছে।

আলিবাট আৰু ৰেলৰ পদ্ধতিতকৈ সুন্দৰ ভাবে ভাড়াৰ সস্তীয়া নিৰিখত আমি ইতিমধ্যে বাণিজ্যিক সেৱা আগবঢ়াইছো।

ব্ৰহ্মপুত্ৰ নদীৰ পাৰ অঞ্চলত নিৰাপদ সুদক্ষতা আৰু মিতব্যয়ী ভাবে জাহাজেৰে পাৰাপাৰ কৰিবলৈ হলে অনুগ্ৰহ কৰি মুখ্য কাৰ্যস্থান বা সংমণ্ডল অথবা উপ-সংমণ্ডলৰ গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট আৰু গোৱালপাৰা বাণিজ্যিক বিষয়াৰ ওচৰত যোগাযোগ কৰক।

অসম চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত



# লৰেন্সৰ জীৱন আৰু তেওঁৰ প্ৰধান বিশ্বাস সমূহ

কুমুদ বৰুৱা



(যোৱা সংখ্যাৰ পাছৰ পৰা)

মানুহৰ জ্ঞান লাভৰ স্পৃহাৰ ক্ষেত্ৰতো লৰেন্সৰ স্পষ্ট বক্তব্য মন কৰিব লগীয়া। ব্যক্তি আৰু তেওঁৰ পাৰিপাৰ্শ্বিক জগতৰ আলোচনালৈ আহিলে, আমি যদি জ্ঞান লাভৰ (Knowledge) কথাটো চিন্তা কৰি চাওঁ– ব্যক্তি আৰু জগতৰ মাজৰ এটা ঐক্য বা সমতা তেতিয়াহে সম্ভৱ যেতিয়া জ্ঞান লাভৰ প্ৰক্ৰিয়াটো এটা লক্ষ্য (end) নহৈ, মধ্যম পন্থা বা কাৰ্যসিদ্ধিৰ এটা উপায়হে (means) হয়। জ্ঞান লাভৰ প্ৰক্ৰিয়াক লক্ষ্য হিচাপে ললেই শৰীৰ আৰু মনৰ মাজত বিভেদ সৃষ্টি কৰি জীৱন আৰু জগতৰ মাজত সৌহাৰ্দ্যৰ ঠাইত মৃত্যুক নিমন্ত্ৰণ কৰাটোহে সূচায়। জ্ঞান লাভৰ কোনো শেষ নাই আৰু সেয়ে লৰেন্সে বিশ্বাস কৰিছিল যে জ্ঞান লাভকেই যদি আমি লক্ষ্য কৰি লওঁ, তেনেহলে আমাৰ সকলোবোৰ মানৱীয় সম্পৰ্কৰ মাজত আউল লাগিব। কিন্তু এই কথাষাৰৰ পৰা আমি এইটো বুজিব নেলাগিব যে আমাক জ্ঞানৰ প্ৰয়োজন নাই! আছে। আপোন সত্তাই কেতিয়াও মনটোক অনুসৰণ কৰিব নেলাগিব; মনটোৱেহে আপোন সত্তাক অনুসৰণ কৰিব। আমাৰ জ্ঞান লাভৰ অৰ্থ এনেকুৱা হব লাগিব যে আমি নজনাটো জানিবই লাগিব, আমাৰ আশা-আকাংক্ষা, আমাৰ কৰ্ম সম্পৰ্কে আমি জ্ঞান লভিবই লাগিব। সকলো জ্ঞানেই আমাক লাগিব। কিন্তু আমি নজনাটোৰ সীমা অতিক্ৰম কৰাৰ পূৰ্বেই আমাৰ জ্ঞান হব লাগিব যে সকলো জ্ঞানেই আমাক লাগিব। অৰ্থাৎ আমি সৰ্বজ্ঞ হোৱাৰ পূৰ্বেই আমি সকলো বিলাক জ্ঞান লাভ কৰিব লাগিব। কিন্তু তেতিয়াও, লৰেন্সে বিশ্বাস কৰিছিল যে, জ্ঞান লাভে মানুহক আপোন সত্তাৰ (self) সীমাবদ্ধতাৰ উপলব্ধিটোহে কেৱল দিয়ে আৰু নিজৰ সত্তাৰ লগত নিজকে জড়িত কৰিবলৈ সহায় কৰে।

**লৰেন্সৰ এনে ধাৰণাৰ পৰা বুজা যায় যে, তেওঁ জ্ঞান লাভৰ বিৰোধী নাছিল। পিছে যান্ত্ৰিক জ্ঞান লাভৰ প্ৰতি তেওঁৰ কোনো সম্ভাৱ নাছিল। স্ব-ব্যক্তি সত্তাৰ লগত নিজকে জড়িত কৰিবলৈ কৰা জ্ঞান লাভৰ অধ্যৱসায়হে তেওঁৰ মতে প্ৰশংসনীয়। সেই জ্ঞান এনেকুৱা হ'ব লাগিব য'ত মনটোৱে তাৰ লগত আবেগ-অনুভূতিৰ ভাৰসাম্যক (balance) মহীয়ান কৰি তুলিবলৈ সম্পূৰ্ণৰূপে এৰি দিব পাৰে। গতিকে দেখা যায়, মন আৰু শৰীৰৰ মাজৰ এটা মধুৰ সম্পৰ্কক মহিমামণ্ডিত কৰি তুলিব পৰা জ্ঞানকহে লৰেন্সে প্ৰকৃত জ্ঞান বুলি বিশ্বাস কৰিছিল। এই অৰ্থতে কব পৰা যায়, বহুতেই অভিযোগ কৰাৰ দৰে, লৰেন্স কেতিয়াও ধী-শক্তিৰ বিৰোধী নাছিল অথবা তেওঁ কেৱল অৱচেতনৰহে সমৰ্থক**

OKDISCD

আছিল। উভয়ৰে মাজত এটা বিৰোধহীন অৱস্থাৰ কল্পনাহে তেওঁ কৰিছিল। ইয়াৰ সহজ অৰ্থ এটাই: জ্ঞান লাভক আমি কেৱল আমাৰ মনৰ মাজত অনুভৱ কৰিলেই নহ'ব; সি আমাৰ তেজৰ ধাৰাতো প্ৰবাহিত হৈ উভয়ৰ মাজতে এটা বিৰোধহীন অৱস্থাৰ সৃষ্টি কৰিব পাৰিব লাগিব। সেয়াহে মানুহৰ যথাৰ্থ জ্ঞান। এনে সাৰ্থক জ্ঞানৰ জৰিয়তেহে ব্যক্তিয়ে তাৰ পাৰিপাৰ্শ্বিক জগতৰ লগত এটা সুসমন্বয় স্থাপন কৰিবলৈ সক্ষম হ'ব পাৰিব।

লৰেন্সৰ জীৱন জিজ্ঞাসাৰ আন দুটা প্ৰধান বিষয় আছিল ব্যক্তিৰ যৌন-অৱদমন (Sexual suppression) আৰু মন আৰু শৰীৰৰ দাবীৰ সমতা স্থাপনত 'নকল অনুভূতি'ৰ (counterfeit emotion) বিনষ্টকাৰী ভূমিকা। ধাৰণা হয়, মানৱ সভ্যতাৰ জটিলতাৰ ৰহস্য উদ্‌ঘাটনত দুয়ো দিশৰ অৱদানেই যুগান্তকাৰী।

মানুহৰ যৌন-জীৱন (Sex life) সম্পৰ্কত লৰেন্সৰ চিন্তা অতিশয় চমকপ্ৰদ আৰু ভাবোদ্দীপক। লৰেন্সে এই দিশত এক বিপ্লৱৰ সূচনা কৰিলে বুলিও প্ৰায় সকলোৱেই স্বীকাৰ কৰে। সন্দেহ নাই, মানুহৰ যৌন জীৱনৰ অভাৱ পূৰণৰ ক্ষেত্ৰত লৰেন্সৰ অৱদানৰ কোনো তুলনা পাবলৈ নাই। পোন প্ৰথমেই আমি মনত ৰখা ভাল হ'ব যে শ্লীলতাহীন যৌনতাৰ (Pornography) লগত লৰেন্সৰ যৌন চিন্তাৰ কোনো সম্পৰ্ক নাই। যিহেতু লৰেন্সে যৌন জীৱন সম্পৰ্কত স্পষ্টবাদিতাৰ বাবেই যথেষ্ট 'প্ৰসিদ্ধি' আৰু 'জনপ্ৰিয়তা' লাভ কৰিবলৈ সক্ষম হৈছিল, তাৰ প্ৰকৃত জ্ঞানৰ অভাৱ তথা নানান ভ্ৰান্ত ধাৰণাৰ ফলতেই আমাৰ ৰক্ষণশীল ভদ্ৰ সমাজৰ বেছিভাগটেই লৰেন্স এতিয়াও নিষিদ্ধ বস্তু। নতুনক গ্ৰহণ কৰিব নজনা, অথচ আধুনিক সমাজৰ 'লিবাৰেল' অভিভাবকে প্ৰদান কৰা Progressive স্বাধীনতাই যে হিন্দী-ইংৰাজী উভয়বিধ বজৰুৱা চিনেমাৰ যৌনকাৰ্যৰ সন্মোহনজনক দৃশ্য বা অশ্লীল যৌনতাৰ কথাছবিৰ (Blue film) প্ৰাণঘাতী (Pernicious) মৰ্মহে পৰিপাক কৰাত আমাৰ উঠি অহা বহুতো যুৱক-যুৱতীক সহায় কৰিছে; তাৰ বিপৰীতে যৌন শক্তিৰ আদিম দৈৱী মহিমা উপলব্ধি কৰাত সহায়তা কৰা নাই – তালৈ হয়তো আমাৰ ভ্ৰূক্ষেপ নাই। আনফালে লৰেন্স অধ্যয়নত উৎসাহ নিদিয়াত অথবা লৰেন্স প্ৰেমীক উপলুঙা কৰাত আমি কিন্তু সদায়েই সিদ্ধহস্ত। আনহাতে বাস্তৱ অভিজ্ঞতাই আমাক বাৰুকৈয়ে শিকাইছে যে বিভিন্ন পৰিবেশত, আজৰি পৰত হোৱা আমোদ-প্ৰমোদৰ আলোচনাত, দিনটোৰ এটা নহয় আনটো সময়ত অধিকাংশ পুৰুষ-নাৰীৰ বন্ধুচক্ৰত, ল'ৰাৰ পৰা বুঢ়ালৈকে, যৌন সম্পৰ্কীয় আলোচনা আংশিক ভাবে হলেও থাকিবই থাকিব। তেনে পৰিস্থিতিৰ অধ্যয়নে আমাক ততালিকে লৰেন্সলৈ মনত পেলাই দিয়ে: কপটীয়া মানুহবোৰ তেনেহলে সকলোৱেই বিড়াল-তপস্বী! (Phallic worshipers! (ক্ষমা কৰিব এইটো মোৰ ব্যক্তিগত আৰোপ নহয়!) লৰেন্সৰ ধাৰণা আৰু আত্মপ্ৰত্যয়ে তেতিয়া আমাক আচৰিত কৰি তোলে। এই সৰু-সুৰা পৰিস্থিতিবোৰৰো হয়তো সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া থাকিব পাৰে। আৰু আমি তেতিয়া তেওঁৰ সম্পৰ্কত কৰা –'The one persistent purpose of Lawrence's life was to revolutionise our attitude towards sex' অথবা তেওঁ নিজে কোৱা কথা – 'I want men and women to be able to think sex fully, completely, honestly and clearly' – ইত্যাদি তাৎপৰ্যপূৰ্ণ উক্তিৰ মৰ্ম উপলব্ধি কৰিবলৈ চেষ্টা কৰো। লৰেন্সৰ বহু কথা আমি তলে তলে, গোপনে গ্ৰহণ কৰিছো, কিন্তু তাকে খুলি কোৱাতহে আমাৰ আপত্তি। আমাৰ পুৰণি নীতিবোধে আমাক এতিয়াও সংস্কাৰৰ বন্দীশালত আটক কৰি ৰাখিছে আৰু বহুতেই যুক্তি দিব, সেইটোৱেই আমাৰ কাম্য। সামাজিক ন্যায়ৰ স্বাৰ্থত, লয় নোপোৱা মূল্যবোধৰ স্বাৰ্থত এনে যুক্তি অতিশয় মানৱীয়; কিন্তু অপ্ৰতিৰোধ্য নতুনত্বৰ প্ৰভাৱত গোপন জীৱনৰ ভণ্ডামিও কাম্য নে? অস্বীকাৰ কৰাৰ উপাই নাই যে ক'লাবজাৰ আৰু ক'লা ধনৰ এৰাব নোৱৰা প্ৰভাৱৰ দৰেই এখন ক'লা-সংসাৰো আমাৰ জীৱন প্ৰণালীৰ লগত ওত-প্ৰোত ভাবে জড়িত হৈ পৰিছে। এইখন ক'লা-সংসাৰৰ লগত সমাজৰ প্ৰত্যেক ব্যক্তিয়েই প্ৰত্যক্ষ বা পৰোক্ষ ভাবে হলেও জড়িত। অথচ তাৰ কোনো সামাজিক স্বীকৃতি নাই। মুকুট-বিহীন সম্ৰাট এই ক'লা-সংসাৰখনক আমাৰ জীৱন প্ৰণালীৰ পৰা বিচ্ছিন্ন কৰি পেলোৱাৰ কিবা উপায় আছে নে? ধাৰণা দৃঢ় হবই লাগিছে যে তাৰ পৰা হাত সৰাৰ আমাৰ কোনো উপায় নাই। কিন্তু সেইবোৰ সমস্যাৰ খোলা সমাধানৰ আঁচনি লবলৈ আমাৰ লাজ লাগে, আমি সংকোচ বোধ কৰো। 'টু' এটা শব্দৰ উচ্চাৰণতেই মহাভাৰত অশুদ্ধ হ'ব বুলি আমি ভয় কৰো। লৰেন্সৰ দৰে সেয়ে ময়ো বিশ্বাস কৰিবলৈ ধৰিছো যে খোলা স্বীকৃতিৰ অভাৱত আমাৰ স্বাভাৱিক, সহজাত নিষ্ঠাবান (Honest) জীৱন আৰু প্ৰতিভাৰ বিকাশ যে চিৰন্তন ভাবে বাধা প্ৰাপ্ত হৈ থাকিব, সেই সত্য অৱধাৰিত। এনেকি, সমাজ আৰু সভ্যতাৰ জড়াগ্ৰস্ততাও এই সমস্যাই ক্ৰমাগতভাবে বৃদ্ধি কৰিব। ইয়াৰ অৰ্থ এনেকুৱা নহয় যে আমাক মুক্ত যৌনতা (open sex) অথবা যৌন স্বাধীনতা (Freedom of sex) লাগে; আনকি লৰেন্সেও কেতিয়াও সেই কথা কোৱা নাই। লৰেন্সে প্ৰকৃততে কি কৈ গৈছে, আমি যেতিয়া পঢ়িবলৈ ইচ্ছুকেই নহয়, তেওঁক ভুল বুজাৰ অধিকাৰ আমি ক'ৰ পৰা পালো? আমি বহুতেই নেজানো – 'To Lawrence associating sex with undecency is a blasphemy and a denial and abosement of the central fire of life!'

যৌনতাৰ নাম শুনিলেই দুৱাৰ বন্ধ কৰা আমাৰ সমাজৰ অভিভাৱক সকলৰ সংস্কাৰ আৰু নীতিবোধৰ পৰম্পৰাৰ মাজতো তাৰ বৈচিত্ৰ্যপূৰ্ণ ইতিহাস জানো কেৱল সুস্থ, সবল মানসিক-আবেগিক স্বাস্থ্যৰ (emotional health) প্ৰতিভাৰেই সমুজ্জ্বল? মুঠেই নহয়।

স্বাভাৱিকতেই প্ৰশ্ন উঠে, মানৱজাতিৰ কল্যাণৰ কথা চিন্তা কৰোতে সামাজিক ভাবে গোপনীয় বা অশ্লীল (obscene) এই যৌনতাৰ প্ৰসংগটো লৰেন্সে অগতানুগতিক দৃঢ়তাৰে কিয় উত্থাপন কৰিব লগাত পৰিল? ধাৰণা কৰিব পাৰি যে যুগৰ পৰিবৰ্তনৰ লগে লগে যেতিয়াই মানুহৰ স্বাভাৱিক প্ৰবৃত্তিগত সৰলতা, সহজাত আন্তৰিকতা, প্ৰেম তথা মানৱীয় সহানুভূতিৰে সম্ভাৱনাপূৰ্ণ মানৱীয় সামাজিক সম্পৰ্কৰ অপমৃত্যু ঘটিল আৰু সেইবোৰৰ অভাৱে যেতিয়া সঁচা, অকৃত্ৰিম শিল্পীক যান্ত্ৰণাদগ্ধ কৰি তুলিলে, মানৱ প্ৰেমী শিল্পীয়ে ভাবিবলৈ বাধ্য হ'ল – তেনে ৰোগগ্ৰস্ততাৰ প্ৰকৃত কাৰণ কি? মানুহৰ সহজাত আবেগ-অনুভূতিৰ চিৰন্তন অকৃত্ৰিম অস্তিত্বৰ স্বৰূপ কি, যাক কোনো পৰিবৰ্তনেও টলাব নোৱাৰে? আধুনিক সভ্যতাৰ জড়াগ্ৰস্ততাৰ মাজত, সম্ভৱতঃ এনে গুৰুত্বপূৰ্ণ সমস্যাৰ নিৰসন বিচাৰিয়েই লৰেন্সে ধাৰণা কৰিছিল যে মানুহৰ সৃষ্টিৰ মূলত থকা যৌন শক্তিৰ আদিম দৈৱী মহিমাই হ'ল মানুহৰ স্বাভাৱিক সহজাত আবেগৰ কেন্দ্ৰ বিন্দু (central fire of life) আৰু সেই অনুভূতিয়েই একমাত্ৰ নিৰ্ভেজাল স্বৰ্গীয় অনুভূতি। অনুভূতিৰ সেই বিশুদ্ধ ৰূপৰ মানৱীয় কল্পনাৰ দায়তেই হয়তো লৰেন্সে সেয়েহে সকলোবোৰ মৌলিক মানৱীয় সমস্যাতেই প্ৰধানকৈ তাৰ জৰিয়তে অভাৱবোৰৰ কাৰণ অনুসৰণ কৰিছিল অথবা তাৰ পোহৰত সমস্যাবোৰ জুকিয়াই চাইছিল আৰু মানৱজাতিৰ কল্যাণৰ হকে গভীৰ ভাবে চিন্তা কৰিছিল। পৰিবৰ্তিত পৰিস্থিতিত অথবা পৰম্পৰাগত সংস্কাৰ তথা নীতিবোধৰ তাড়নাত সম্প্ৰতি সেইবোৰ আমি গ্ৰহণ কৰো বা নকৰো সি সুকীয়া কথা। কিন্তু তাৰ সত্যতা অস্বীকাৰ কৰাৰ সাহস বোধহয় আমাৰ কাৰোৱেই নাই।



কিয়নো সৎ আৰু সুন্দৰ জীৱনৰ কল্পনাত অন্তৰ জীৱনত হয়তো কোনো ব্যক্তিয়েই সেই অকৃত্ৰিম দৈৱী শক্তিৰ বিচিত্ৰ প্ৰতিক্ৰিয়াৰ লীলায়িত গতি অনুভৱ নকৰাকৈ নেথাকে। এই প্ৰসংগতে, বাস্তৱ কাৰণত তাৰ বিপৰীত দানবীয় প্ৰতিক্ৰিয়াও সম্ভৱ। তেনেই সাধাৰণ জ্ঞানেৰেও মানুহে বুজি পায় যে পুৰুষ-নাৰীৰ যৌন-জীৱনৰ ব্যৰ্থতাই মানৱজাতিৰ কি সৰ্বনাশ মাতি আনিব পাৰে। তাৰ সৰ্বাত্মক ব্যৰ্থতা বা অপব্যৱহাৰে মানৱ সভ্যতাকেই এখন মৰিশালিলৈ পৰিবৰ্তিত নকৰিবনে? চমুকৈ কবলৈ হ'লে, এনে কাৰণতেই হয়তো অনুভূতিৰ অকৃত্ৰিম ৰূপ যৌন শক্তিৰ মহিমাই লৰেন্সৰ সকলো প্ৰধান বিশ্বাসৰেই ভিত্তি ৰচনা কৰিছে। সমস্যাৰ নিৰসনত কেতিয়াবা হয়তো যৌন চিন্তাক তেওঁ প্ৰত্যক্ষ ভাবে জড়িত কৰিছে; অথবা কেতিয়াবা পৰোক্ষ ভাবে তাৰ পোহৰতহে সমস্যাবোৰ চালি-জাৰি চাই তাৰ কাৰণ অনুসন্ধান কৰিছে। আমি মনত ৰখা উচিত হ'ব যে আবেগ-অনুভূতিৰ জীৱনত সুস্থিৰ ব্যক্তিয়ে সমাজলৈ অৰিহণা যোগাব পাৰে; সমাজৰ কৰ্তৃত্বই ব্যক্তিৰ জীৱনলৈ কিন্তু আবেগিক সুস্থিৰতা ঘূৰাই আনিব নোৱাৰিবও পাৰে। এনে কাৰণতে, সামাজিক দায়বদ্ধতা (social conciousness) নহয়, আবেগিক সুস্থিৰতাহে (Emotional security) সমাজ আৰু সভ্যতাৰ প্ৰয়োজনত ব্যক্তিৰ প্ৰতিভা বিকাশৰ পূৰ্বচৰ্ত। একে অৰ্থতে, মাৰ্ক্সবাদী দৃষ্টিত, বস্তুৰ অভাৱেও (শোষণৰ জৰিয়তে) মানুহৰ জীৱনৰ আবেগিক সুস্থিৰতা কাঢ়ি নিব পাৰে; কিন্তু বস্তুৰ সমৃদ্ধিয়ে ব্যক্তিৰ জীৱনলৈ আবেগিক সুস্থিৰতা ঘূৰাই আনিব নোৱাৰিবও পাৰে।

'Nothing is more staggering than emotional swindling' –এই কথাষাৰেই লৰেন্সৰ 'নকল অনুভূতি'ৰ (Counterfeit emotion) ধাৰণাৰ সাৰবস্তু। এই ধাৰণাটোৰ লগত ব্যক্তিৰ স্ব-ব্যক্তিসত্তাৰ পতনৰ (the fall of the individual) ধাৰণাটোও বিশেষভাবে জড়িত। এই সম্পৰ্কীয় চিন্তাই আনহাতে ব্যক্তিৰ সামাজিক সচেতনতা (Social conciousness) তথা স্বব্যক্তিসত্তাৰ সচেতনতাৰ (Individual conciouness) মাজৰ দ্বন্দ্বটোৰো ব্যাখ্যা আগবঢ়ায়। প্ৰসংগতে কৈ থোৱা ভাল হ'ব যে মোৰ আৰু এটা ধাৰণা নতুনকৈ শিপাইছে যে মনুষ্যত্বৰ সাধনাত ব্যক্তিগত হা-হুতাহৰ পৰিবৰ্তে যি আত্মত্যাগৰ (self-sacrifice) প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধা থাকিব লাগে, তাৰ লগতো লৰেন্সৰ এনে মনোভাব ওত-প্ৰোতভাবে জড়িত। খুব বেছি বিজ্ঞান সন্মত ভাবে ব্যাখ্যা সম্ভৱ নহয় বুলি তাক আমি এৰাই চলিব পাৰো।

নকল অনুভূতিৰ বিপৰীতে প্ৰকৃত অকৃত্ৰিম অনুভূতিৰ (Vital and sincere emotion) বিশুদ্ধ ৰূপ এটা হৃদয়ংগম কৰিবলৈ লৰেন্সে পুনৰ যৌন-জীৱনলৈকে উভতি চাব লগাত পৰিছে। তেওঁ কৈছে যে যৌন ক্ৰীড়াৰ পৰিতৃপ্তিয়ে ব্যক্তিৰ জীৱনত যি অফুৰন্ত, নিৰ্ভেজাল অনুভূতিৰ ভাব সঞ্চাৰ কৰিব পাৰে তাৰ কোনো তুলনা নাই। সেয়ে হয়তো তেওঁ বিশ্বাস কৰিছিল যে যৌনতাই সকলো বৈশিষ্ট্যহীন নকল অনুভূতি পুৰি নাশ কৰিব পাৰে (sex burns all stereotyped counterfeit emotion)। মোৰ অন্য এখন অপ্ৰকাশিত ৰচনাত ('জড়াগ্ৰস্ত বুৰ্জোৱা সভ্যতাত সবল আশাবাদৰ স্বৰূপ') মই এনে নকল অনুভূতিৰ জন্ম কাহিনী অনুসন্ধান কৰিবলৈ চেষ্টা কৰিছো। সেই ৰচনাৰ জৰিয়তে প্ৰবৃত্ত হোৱা ধাৰণা অনুসৰি, সামাজিক সচেতনতাৰ জৰুৰী প্ৰয়োজনতে ব্যক্তিৰ স্ব-ব্যক্তিসত্তাৰ সচেতনতাৰ পতন অৱশ্যম্ভাৱী হৈ উঠিল বুলিও কবৰ প্ৰয়াস কৰিছো। সেই ধাৰণা মতে, সমাজ বিবৰ্তনৰ অনিবাৰ্য পৰিণতি স্বৰূপে যেতিয়া ব্যক্তিৰ স্ব-ব্যক্তিসত্তা আৰু সামাজিক সত্তাৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সমন্বয়ৰ সংকট বাঢ়িবলৈ ধৰিলে, তেতিয়া ব্যক্তিৰ আপোন সত্তাও বিদ্ৰোহী হৈ উঠিল। আৰু এনে বিদ্ৰোহেই সম্ভৱতঃ মানুহৰ সহজাত সৰলতা (Innocence and naivete) তথা মানৱীয় প্ৰবৃত্তিৰ ঠাইত ক্ৰমাগত ৰূপত প্ৰতিষ্ঠা কৰিলে তাৰ 'ছদ্মবেশী' মানৱীয় প্ৰবৃত্তি সমূহক। সমাজ-জীৱনৰ দাবীত, তাৰ অপ্ৰতিহত পৰিবৰ্তনৰ কাষত অসহায় সামাজিক ব্যক্তিয়ে সেয়ে তাৰ স্বাভাৱিক স্ব-ব্যক্তিসত্তাৰ প্ৰয়োজনীয় আবেগ-অনুভূতি তথা প্ৰাণ প্ৰাচুৰ্যৰ (Vital and sincere emotion) মুখা বা বৰ্ম হিচাপে সৃষ্টি কৰিলে নকল অনুভূতিৰ (counterfeit emotion)। অন্য ভাষাত, ব্যক্তিয়ে তাৰ স্বাভাৱিক আপোন সত্তাৰ পতন (the fall of the individual) নিজেই মাতি আনিলে। মানুহ হৈ উঠিল এক ৰহস্যময়ী প্ৰাণী। কিন্তু তাতোকৈয়ো দুৰ্ভাগ্যজনক বিষয়টো হ'ল যে নকল অনুভূতিৰ ছদ্মবেশেৰে সজ্জিত হৈ মানুহে আনকি তাৰ 'দানবীয়' প্ৰবৃত্তিৰো মুখা হিচাপে ব্যৱহাৰ কৰিবলৈ ললে, তাৰ 'নকল মানৱীয় অনুভূতি'ক। মূল লৰেন্সীয় ধাৰণাৰ সহায়ত বিকশিত হোৱা এনে দৃষ্টিকোণ বা পদ্ধতি সমাজ-সাহিত্য সমালোচনাত নিশ্চয় প্ৰয়োগ কৰিব পাৰি। মনস্তত্ত্ববিদ কাৰ্ল য়ুঙে (Karl Jung) ১৯৩০ চনতে লিখা 'Psychology and Literature' নামৰ ৰচনাখনত যদিও কৈছিল যে – 'human psyche is the womb of all sciences and arts', তথাপিতো মনস্তাত্ত্বিক বিজ্ঞানৰ মন্থৰ বিকাশলৈ লক্ষ্য ৰাখি তেওঁ এনে পদ্ধতি সমাজ-সাহিত্য সমালোচনাত ব্যাপকভাবে ব্যৱহাৰ কৰিব নোৱাৰি বুলিও সকীয়াই দিছিল। কিন্তু কিমান দিনলৈ আমি সেইবোৰক 'Complicated psychic activity'ৰ বলে নোৱৰা শিল বুলি আঁতৰি থাকিম? আনুষ্ঠানিক ধৰ্ম, প্ৰগতিশীল মাৰ্ক্সবাদ আৰু তাৰ মাজত দোদুল্যমান ব্যক্তিৰ সুৰক্ষিত মনস্তত্ত্বৰ সামাজিক প্ৰতিক্ৰিয়াৰ ওপৰত নতুন অৱলোকনৰ জৰিয়তে চিন্তা কৰাৰ অৱসৰ হয়তো নাইকিয়া হৈ যোৱা নাই। নে সমাজ আৰু সংস্কৃতিৰ লগত ব্যক্তিৰ মনোজগতৰ সম্পৰ্কই বৃহত্তৰ পটভূমিত (collective field) নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব নোৱাৰে? মানুহৰ ইচ্ছাকৃত তথা সজ্ঞানে সৃষ্ট (intentional and conciously shaped) সৃষ্টি সমূহৰ মাজৰ পৰা আমি তেতিয়াহলে প্ৰকৃত অনুভূতি আৰু নকল অনুভূতিৰ পাৰ্থক্য চিনি পোৱাটো সম্ভৱ নহয় নেকি? জন গেলচ্‌ৱৰ্ডিৰ উপন্যাসৰ লৰেন্সে এই পদ্ধতিৰে কৰা সমালোচনা তেতিয়াহলে সঠিক সমালোচনা নহয় নেকি? আমাৰ সাম্প্ৰতিক জাতীয় পৰিস্থিতিত হয়তো এনে বিচাৰ অকল্পনীয়। কিন্তু সামাজিক জড়াগ্ৰস্ততাৰ একমাত্ৰ পৰিত্ৰাণ যদি ধৰ্ম নহয়, সি যদি মাৰ্ক্সবাদো নহয়, তেনেহলে সামাজিক ব্যাধিৰ সমালোচনাৰ ভিত্তি কি হ'ব?

সাহিত্য সমালোচনাৰ বাবে এই পদ্ধতি গুৰুতৰ দৈন্যেৰে অসফল বুলি বহুতে আপত্তি তুলিলেও, মই বিশ্বাস কৰো যে পৰিস্থিতি আজি ইয়াতো তাৰ বাবে বাস্তৱায়িত হ'ব লাগিছে। তাৰ প্ৰতি যথাৰ্থ কৌতূহলেহে ধৰ্মৰ প্ৰভাৱ, বিপৰীতে মাৰ্ক্সবাদৰ অনিবাৰ্য প্ৰতিফলনৰ দিশত মানৱীয় কল্পনাক নতুন পথৰ সন্ধান দিব পাৰিব। কিয়নো ব্যক্তিৰ স্বাভাৱিক প্ৰতিভাৰ প্ৰাচুৰ্য বিকাশৰ বাবে যি ধৰণৰ জীৱন-প্ৰণালীৰ প্ৰয়োজন, এনে পদ্ধতিয়ে তেনে জীৱন প্ৰণালীৰ প্ৰতিহে অনুকূল দৃষ্টিভংগী গ্ৰহণ কৰে। অন্য কথাত সামাজিক প্ৰয়োজনৰ স্বাৰ্থতেই সামাজিক সত্তাৰ বিকৃতিও আমাৰ কাম্য নহয়। মোৰ আৰু এটা ধাৰণা প্ৰবল যে সামাজিক সচেতনতাৰ (social conciousness) অত্যধিক হেঁচাত ব্যক্তিৰ স্ব-ব্যক্তিসত্তাৰ সচেতনতাই (Instinctive conciousness) আপোচ কৰিবলগীয়া হোৱা বাবেই আধুনিক সভ্যতাৰ বস্তুবাদী সমৃদ্ধিৰ (Material progress) মাজতো সামাজিক অসাম্য, বৈষম্য তথা বিশৃংখলাই গা কৰি উঠিছে। এনেকুৱা চিন্তাত অৱশ্যে কেতিয়াবা লৰেন্সৰ আপোচবিহীন 'বিশুদ্ধতা'ৰ ধাৰণাতকৈ, যুগ



OKDISCD

সচেতন কাৰ্যকাৰিতাৰ দায়ত, স্ব-ব্যক্তিসত্তাৰ অনুভূতিৰ বৰ্ম হিচাপে 'মানৱীয়' আৰু তাৰ বিপৰীতে 'দানৱীয়' অনুভূতিৰ অনুকূল দ্বান্দ্বিক পদ্ধতিৰ ব্যৱহাৰো সাহিত্য সমালোচনাত আমাৰ নতুন কৌতূহল হোৱা উচিত বুলিও ধাৰণা হয়। তাৰো পূৰ্বচৰ্ত কিন্তু লৰেন্সীয় আধ্যাত্মিকতাৰ বিশুদ্ধতাহে। আশা ৰাখিছো, ভাবাদৰ্শগত কল্পনা সাহিত্যত resolve কৰিব নোৱৰাৰ বাবে যি নতুন বস্তু সংযোগৰ কথা লৰেন্স প্ৰসংগত এই লানি ৰচনাৰ প্ৰথমটোত অৱতাৰণা কৰা হৈছিল, তাৰ উত্তৰ উল্লিখিত পিছৰ মন্তব্যত হয়তো বিচাৰি পোৱা যাব পাৰে।

## উপসংহাৰঃ

সভ্যতাৰ জড়াগ্ৰস্ততাৰ মাজত অৱস্থান কৰি, মনত প্ৰায়েই ভাব হয় সকলো নিৰ্যাতিত মানুহৰ কৰুণ অৱস্থাৰ এটা নিষ্ঠাবান (sincere) অনুভূতি সম্পন্ন বিচাৰৰ পৰা যেন আমি ক্ৰমান্বয়ে আঁতৰি আহিব ধৰিছো। নিতান্তই জড়বাদী দৃষ্টিভংগীৰেহে আমি যেন মানুহৰ প্ৰয়োজন তথা চাহিদাৰ ভিত্তিত সমাজতাত্ত্বিক বিশ্লেষণত আগ্ৰহী হৈছো। মানুহৰ বুদ্ধি আৰু চিন্তাৰ বিভিন্ন প্ৰচাৰ মাধ্যমবোৰেও যেন এনে জড়বাদী দৃষ্টিভংগীকহে ক্ৰমবৰ্দ্ধমান ৰূপত উৎসাহ উদ্দীপনা যোগাব ধৰিছে। মানুহৰ অন্তৰ্জগতৰ অনুভূতিৰ সমস্যাবোৰৰ প্ৰতি সহানুভূতিশীল হোৱাটো যেন তাত কোনো 'অব্যৱহাৰিক' দৃষ্টিকোণৰ প্ৰতি ভ্ৰান্ত আস্থাহে!

সামাজিক মূল্যবোধ তথা নীতিবোধৰ বেলিকাও অনুৰূপ যান্ত্ৰিকতা আহি পৰিছে। জড়বাদী দৃষ্টিভংগীৰেই যেন আমি বৈচিত্ৰ্যহীন ব্যস্ততাৰেহে সময়ৰ লগত খোজ মিলাই আগবাঢ়িছো বুলি ভাবিবলৈ ধৰিছো। তাৰ ফলত কিন্তু আমাৰ সমস্যা কমা নাই; বৰং আমাৰ হাহাকাৰ আৰু সংশয় বাঢ়িবহে লাগিছে। সময়ে প্ৰমাণ কৰিছে যে এই হাহাকাৰৰ পৰা মুক্তিৰ উপায় নিশ্চয় ধৰ্ম নহয়; তাৰ পৰা মুক্তিৰ অনুসন্ধান বিশ্বাসযোগ্যভাবে মাৰ্ক্সবাদৰ জৰিয়তেহে সম্ভৱপৰ। এই কথাটোও বোধহয় নিশ্চিত যে কেৱল শিল্প সৃষ্টিৰ আধ্যাত্মিকতায়ো মানুহক তেনে মুক্তিৰ সন্ধান দিব নোৱাৰে। ধৰ্ম আৰু সাহিত্যই প্ৰদৰ্শাব নোৱৰা মানৱ মুক্তিৰ পথ একমাত্ৰ মাৰ্ক্সবাদী আদৰ্শইহে দেখুৱাব পাৰে। কিন্তু যুক্তিৰ সেই একমাত্ৰ পথ নিষ্কণ্টক নোহোৱাই নহয়; বৰং নানান সামাজিক জটিলতাই, মূলতঃ সভ্যতাৰ বিকৃত বিকাশে ইতিমধ্যে সেইআশাতো চেঁচা পানী ঢালিব লাগিছে। বিশ্বাসৰ কোনো আশ্ৰয়েই যেন বাচি থকা নাই! বহুতৰে অন্তপ্ৰাণিত ধৰ্ম-বিশ্বাসেই এখন কাল্পনিক জগতত হয়তো মানুহক কিছু সান্ত্বনা দিব পাৰিছে। কিহৰ বাবে এনেকুৱা হৈছে? এনেকুৱা নানান আহুকলীয়া চিন্তাই হয়তো আমাক লৰেন্সৰ আধ্যাত্মিক চিন্তাৰ সামাজিক তাৎপৰ্যৰ প্ৰশ্নলৈ টানি আনিব পাৰে। সেই অনৰুক্তিয়ে জানো মাৰ্ক্সবাদ খণ্ডন কৰিব পাৰে? প্ৰকৃত মুক্তিৰ পথত সৃষ্টি হোৱা অন্তৰায়ৰ ব্যাখ্যাতহে সেয়েহে লৰেন্স আমাৰ বাবে গ্ৰহণীয়, তাৰ উৰ্ধ্বত নহয়। এনেকুৱা বিশেষাৰ্থতহে হয়তো লৰেন্সৰ প্ৰাসংগিকতাৰ প্ৰতি আমি আকৰ্ষিত হ'ব পাৰো।

প্ৰকৃত মুক্তিৰ আকাংক্ষাত নানান সামাজিক অসুস্থতাৰ বৰ্দ্ধিত জটিলতাৰ মাজত তাৰ প্ৰকৃত কাৰণ বিচাৰি উলিওৱা সঁচাই কঠিন কাম। মাৰ্ক্সবাদী সমাজতাত্ত্বিক সকলে বস্তুবাদী বৈজ্ঞানিক দৃষ্টিকোণেৰে বৃহত্তৰ জীৱনৰ পটভূমিত (collective life) তাৰ আৰ্থ-সামাজিক কাৰণ বিচাৰি উলিয়াইছে। কিন্তু বহু সময়ত, ব্যক্তিৰ জীৱনৰ সুস্থিৰতাৰ কাৰণ যে আৰ্থ-সামাজিক নহবও পাৰে, তাৰ নিষ্ঠাবান ব্যাখ্যা দাঙি ধৰাত যেন তেওঁলোক সিমান উদ্যোগী নহয়। এই কথাই এইটো নুবুজায় যে মাৰ্ক্সবাদী ব্যাখ্যাত তেনে কোনো কথাই কোৱা হোৱা নাই। 'People's conciousness is always social in character. It is a social product and remains as such as long as people exist. But while stressing the social character of conciousness, historical materialism does not nagate the individual peculiarities of human thingking and psyche, i.e. the specific features of individual psychology.' (Historical Materialism, Basic Problems, pp. 258)। এই কথা মানি লোৱাৰ পিছতো মাৰ্ক্সবাদী চিন্তাৰ দৃঢ়তা এনেকুৱাওঃ 'Marxism holds that there is no social conciousness independent of its concrete vehicles, or living individuals. It is impossible to imagine social conciousness as a sort of a mythical being hovering over society in the form of 'universal conciosness.....' (ঐ গ্ৰন্থ, ঐ পৃষ্ঠা)। পুনশ্চঃ Individual conciousness is the spiritual world of a personality, the views, concepts and moods of a given individual, which are formed under the influence of personal life or conditions in which a personality is moulded and brought up **and also of individual peculiarities.** But it cannot be limited by the spiritual world of an individual and in its ideological content is an expression of the social, class conciousness' (ঐ গ্ৰন্থ, পৃষ্ঠা ২৫৯ – উদ্ধৃতিৰ মাজৰ emphasis লেখকৰ নিজৰ)। এই দীঘলীয়া উদ্ধৃতিৰ জৰিয়তে মই এই কথাটো প্ৰত্যক্ষ কৰিব বিচাৰিছো যে উক্ত সমাজতাত্ত্বিক দৃষ্টিকোণত ব্যক্তিসত্তাৰ নিজস্ব স্বতন্ত্ৰ বৈশিষ্ট্যৰ (individual peculiarities) ফলত উদ্ভৱ হ'ব পৰা সমস্যাৰ নিৰসন সমাজতাত্ত্বিক সকলে কেৱল মাত্ৰ সামাজিক ভিত্তি উদ্ঘাটনৰ মাজতহে সম্ভৱ বুলি ভাবে। মোৰ আপত্তিটো হ'ল, যদি সেয়েই সত্য, তেনেহলে পৃথিৱীৰ সকলো দেশতে নাইবা পৰিস্থিতিৰে সম্ভাৱনাময় অনুকূল দেশবোৰত অতদিনে সমাজতন্ত্ৰ প্ৰতিষ্ঠা নহ'ল কিয়? আনকি সমাজতান্ত্ৰিক দেশতো দেখা দিয়া সমস্যা তথা বিচ্যুতিয়ে কি ইংগিত কৰে? এনেকুৱা যুক্তি-তৰ্কত সুস্থ বিতৰ্কৰ অৱকাশ মই কেতিয়াও নুই নকৰো। আনকি লৰেন্সৰ উপন্যাসতো আমি তেওঁৰ ধাৰণা সমূহৰ বিতৰ্কমূলক সমালোচনা লক্ষ্য কৰিব পাৰো।

আধুনিক সভ্যতাত এফালে ব্যক্তিৰ অমানৱীয় আশা-আকাংক্ষা তথা অত্যধিক বস্তুবাদী দুৰাকাংক্ষা; আনফালে গৰিষ্ঠ সংখ্যকৰ বঞ্চনা আৰু নিপীড়নৰ সমাধান সামাজিক বিপ্লৱ তথা ৰূপান্তৰত আছে বুলি প্ৰত্যয় জন্মিলেও সেইটোৱেই ব্যক্তিৰ অন্তৰ্জগতৰ সমস্যাবোৰৰ সমাধানৰো একমাত্ৰ পথ বুলি কিন্তু বিশ্বাস নহয়। মোৰ ধাৰণা যে, ব্যক্তিৰ আৰ্থসামাজিক মুক্তিৰ লগে লগে সমান্তৰাল ভাবে আমি তেওঁৰ অন্তৰ্জগতৰ অভাৱবোৰ লৈকো মনকাণ দিব লাগিব। ব্যাখ্যা জটিল আৰু কষ্টসাধ্য হলেও ব্যক্তিৰ অন্তৰ্জগতৰ অৱস্থাইয়ো অন্য সকলো সমস্যাৰ সমাধান আচলতে প্ৰভাবিত কৰিব পাৰে, সেই কথাত আমি বোধহয় একেবাৰেই গুৰুত্ব নিদিওঁ। অৰ্থাৎ সামাজিক ব্যক্তি হিচাপে সকলো ক্ষেত্ৰতে আমাৰ বিশ্লেষণৰ ভিত্তি সদায়েই সমূহীয়া জীৱনৰ (collective life) ওপৰতহে নিৰ্ভৰশীল; তাত প্ৰত্যেক ব্যক্তিৰেই ব্যক্তি সত্তাক বেলেগে বেলেগে স্থান দিব পৰা নেযায়, কিয়নো সেইটো বাস্তৱত সম্ভৱ নহয়। তেতিয়াহলে লৰেন্সে আমাৰ পৰা বেছি আশা কৰিছে নেকি বাৰু?

এইখিনিতে বিখ্যাত মনস্তত্ত্ববিদ কাৰ্ল যুঙৰ (Karl Jung) আৰু এযাৰ মন্তব্য বিশেষভাৱে প্ৰণিধানযোগ্য হ'বঃ 'The secret of artistic creation and of the effectiveness of art is to be found in a return to the state of participation mystique — to that level of experience at which it is man who lives, and not the individual, and at which the weal or woe of the single human being does not count, but only human existence. This is why every great work of art is objective and impersonal, but none the less profoundly moves us each and all, And this is also why the personal life of the poet cannot be held essential to his art — but at most a help or a hindrance to his creative task. He may go the way of a philistine, a good citizen, a neurotic, a fool or a criminal. His personal career may be inevitable and interesting, but it does not explain the poet.' কাৰ্ল যুঙৰ এই ইংগিতটো এনে ধৰণৰ যে স্ব-ব্যক্তিসত্তাৰ সচেতনতাৰ প্ৰতিকূলতাই (উদাহৰণ স্বৰূপে ব্যক্তিৰ আৱেগিক অস্থিৰতাকে লোৱা যাওক) মানুহৰ সৃষ্টিশীলতাৰ বাটত সদায়েই বাধা দিব নোৱাৰিবও পাৰে। ইয়াৰ অন্য অৰ্থ হ'ব – সৃষ্টিৰ অথবা বাস্তৱ কৰ্মৰ দ্বাৰাহে স্ৰষ্টাৰ, অথবা প্ৰাত্যহিক জীৱনত সংগ্ৰামী ব্যক্তিৰ ব্যক্তি সত্তাৰ সম্যক বিচাৰ বিজ্ঞান সন্মত; সৃষ্টি প্ৰক্ৰিয়াত ৰত থাকি অন্তৰ্জীৱন মন্থনত তেওঁ কি পালে বা নেপালে, ভাল কৰিলে নে বেয়া কৰিলে, তেনেবোৰৰ বিচাৰ নিতান্তই মামুলি ধৰণৰ অথবা অপ্ৰাসংগিক। সৃষ্টিশীলতাৰ বিকাশৰ এটা বিশেষ অৰ্থত সেয়ে হয়তো কাৰ্ল যুঙৰ কথাই সঁচা। লৰেন্সৰ ক্ষেত্ৰতো তেওঁৰ অসাধাৰণ প্ৰতিভাৰ উজ্জ্বল জ্যোতিৰ সন্মুখত তেওঁৰ ব্যক্তিগত সুস্থিৰতাৰ অসামাজিক কাৰ্য (যেনে, ফ্ৰিডাৰ লগত প্ৰেম-বিবাহ) তেনেই নিষ্প্ৰভ। তেনে ব্যক্তিগত আৱেগিক সুস্থিৰতাৰ অসামাজিকতাই শিল্পী লৰেন্সক explain নকৰে; তেওঁৰ বিকশিত বাস্তৱ প্ৰতিভাইহে তেওঁক explain কৰে। কালান্তৰত যি ব্যক্তি অমৰ হৈ ৰব তেওঁ ফ্ৰিডা নামৰ 'ব্যাভিচাৰিণী'ৰ স্বামীজন নহয়, তেওঁ হ'ল প্ৰকৃত স্ৰষ্টা শিল্পীজনহে। কিন্তু এই কথা মানি ললেও, স্বাভাৱিকতেই সন্দেহ ৰৈ যায় যে যুঙৰ ধাৰণাৰো কিছুমান সীমাবদ্ধতা আছে; তেওঁৰ ধাৰণা অমোঘ সত্য নহয়, চৰ্ত-সাপেক্ষহে। মনত ৰাখিব লাগিব যে Individual peculiaritiesৰ সম্পূৰ্ণ ব্যাখ্যা আৰ্থ-সামাজিক, ঐতিহাসিক দৃষ্টিকোণে দিয়া নাই। প্ৰকাশ্য যুক্তিৰ লগতে অপ্ৰকাশ্য (অযৌক্তিক নহয়!) যুক্তিৰ অৱশ্যম্ভাবিতাও হয়তো অৱধাৰিত।

এনে কথা এই বাবেও সত্য যে, মানৱ সভ্যতাৰ সাম্প্ৰতিক ৰুগ্ন বিকাশলৈ মন কৰিলে ভাব হয় যেন উল্লিখিত যি অপ্ৰতিৰোধ্য চিৰন্তন, বিশ্বজনীন, মানৱীয় সৃষ্টিশক্তিয়ে সংসাৰ তৰিছে বুলি কোৱা হয়, সেই সৃষ্টিশীল সক্ৰিয়তা হয় সম্পূৰ্ণ নহয়, নহয় সি মহান মানৱীয় কল্পনাৰ ব্যৱহাৰিকতাৰ দিশত কেৱল গৌণ (passive) ভূমিকাহে পালন কৰে। তথাপিতো, সন্দেহ নাই এই সৃষ্টিশীল সক্ৰিয়তাৰ 'অদৃশ্য' (?) প্ৰভাৱতেই, নানান খেলিমেলিৰ মাজতো আমাৰ সভ্যতা এতিয়ালৈকে বাচি আছে। কাৰ্ল যুঙ অথবা মাৰ্ক্সবাদীৰ বহুলভাবে সমৰ্থিত চিন্তাৰ সীমাবদ্ধতাৰ বাহিৰত অৱস্থান কৰা প্ৰতিকূলতাৰ অশুভ প্ৰভাবে মানৱ সভ্যতাত গভীৰ প্ৰভাৱ পেলাব পৰাটোও কিন্তু 'ৰহস্যজনক' ভাবে আমাৰ বাস্তৱ অভিজ্ঞতা। মোৰ ধাৰণা যে সমূহীয়া ব্যক্তি সচেতনতাই (collective conciousness) যদি সকলো সামাজিক সমস্যা সমাধানৰ একমাত্ৰ বিজ্ঞান সন্মত, বাস্তৱ ভিত্তি, তেতিয়াহলে, সৎ আৰু সুন্দৰ সমাজৰ ধাৰণা কেতিয়াও সম্পূৰ্ণৰূপত বাস্তৱায়িত হোৱাৰ আশা নাই।

সেয়ে অন্তৰ্জগতৰ প্ৰতিকূলতাই অপ্ৰতিৰোধ্য বাস্তৱ সৃষ্টিশীলতাৰ সক্ৰিয়তাক বাধা দিব নোৱাৰে বুলি বিশ্বাস ৰাখিলেও, তেনে প্ৰতিকূলতাই বিপৰীতে সমাজৰ সামগ্ৰিক, পূৰ্ণাংগ প্ৰতিভাৰ ক্ষেত্ৰত কৰিব পৰা হানিৰ হিচাপ এই বাবেই প্ৰয়োজন হৈ পৰিছে যে সেই সৃষ্টিশীলতাৰ সক্ৰিয়তাৰ অসহায় সীমাবদ্ধতাই 'সম্পূৰ্ণ সক্ৰিয় মানৱ সত্তা'ৰ কল্পনাত এতিয়াও প্ৰয়োজনীয় বিকাশ লাভ কৰিবলৈ অৰিহণা যোগাব পৰা নাই। বৰং সেই শক্তিক, তেনে আত্মত্যাগী জীৱনবোধক সামগ্ৰিক সমাজৰ হেজাৰটো দুৰাগ্ৰহে সদায়েই উপহাসহে কৰিব লাগিছে। বোধহয় এই উদ্বেগজনক সভ্যতাত (Age of enxiety) লৰেন্সৰ ধাৰণাৰ 'পূৰ্ণাংগ সক্ৰিয় মানৱ সত্তা'ৰ কল্পনা সম্পূৰ্ণ ক্ৰিয়াশীলতাৰে বাস্তৱায়িত হোৱাৰ কোনো আশা নাই। একে কাৰণতে 'পূৰ্ণাংগ সৃষ্টিশীল মানৱ সত্তাৰ সক্ৰিয়তা' সমাজ জীৱনৰ একমাত্ৰ জীৱন-প্ৰদায়িনী মহৎ শক্তি ৰূপে বাস্তৱায়িত নোহোৱালৈকে মানৱ সভ্যতা অনন্ত ৰূপত বাচি থকাৰো কোনো আশা নাই। এইবাবেই খ্ৰীষ্ট ধৰ্মৰ প্ৰতি কবি এলিয়টৰ আনুগত্যতকৈ, লৰেন্সীয় আধ্যাত্মিকাৰ অধ্যয়ন তথা সামাজিক ব্যৱহাৰিকতাৰ তাৎপৰ্য বিচাৰেই মোৰ দৃষ্টিত অধিক গুৰুত্বপূৰ্ণ বিষয়। পৰিবৰ্তিত পৰিস্থিতিত, আমাৰ সমাজতাত্ত্বিক চিন্তাতো লৰেন্সৰ বিশ্বাস সমূহে নতুন পোহৰ পেলাব পাৰে। এনে বিতৰ্কৰ সূত্ৰপাত ঘটাব পৰা মন্তব্যৰ সম্ভাব্য ধাৰণাটো আছে ব্যক্তিৰ অন্তৰ্জগতৰ 'চিৰন্তন, অপৰিবৰ্তনীয় সত্য'ৰ অস্তিত্বৰ পৰা। এনে সত্যৰ অস্তিত্বক যদি স্ব-ব্যক্তিসত্তাৰ স্বতন্ত্ৰ বৈশিষ্ট্যৰ লগত জড়িত কৰিব পাৰি, তেনেহলে সেই চিৰপ্ৰবহমান সৃষ্টিশীল সক্ৰিয়তাৰ অনুভূতিৰ পৰা অনিবাৰ্যভাবে বিকশিত কোনো সমাজ ব্যৱস্থাতে, ব্যক্তি মাত্ৰেই তাৰ পৰা হাত সৰাৰ কোনো উপায় নাই। মোৰ ধাৰণা, এনেবোৰ কাৰণতেই আমাৰ বাস্তৱ পৰিস্থিতিতো লৰেন্স একেবাৰে অপ্ৰাসংগিক হৈ পৰা নাই। মাৰ্ক্সবাদীৰ লগত এনে ধাৰণাৰ শত্ৰুতা সৰ্বজনবিদিত।

*[এই প্ৰবন্ধটো ৰচনা কৰোতে বিশেষভাবে সহায় লোৱা, দিল্লীৰ ইন্দ্ৰপ্ৰস্থ কলেজৰ অধ্যাপিকা ডঃ অৰুণা চৌতেহৰ গৱেষণামূলক গ্ৰন্থখনৰ নাম হ'ল 'The Crusader as Critic']*

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া ৰৰঙণিঃ ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া ৰৰঙণিঃ ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ ৰৰঙণি ডিমাণ্ড ড্ৰাফট অথবা চেক যোগে পূৰৱী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ,
পানবজাৰ, গুৱাহাটী-৭৮১০০১

## শক্তিৰ বিকল্প উৎসঃ

# জলজ উদ্ভিদৰ পৰা ইন্ধন

ড০ কুশল কুমাৰ বৰুৱা

শক্তিৰ প্ৰধান উৎস তেল আৰু কয়লা বিলোপ হোৱাৰ উপক্ৰম হোৱাৰ বাবে শক্তিৰ বিকল্প উৎসৰ ওপৰত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা আৰু গৱেষণা চলি আছে। শক্তিৰ বিভিন্ন বিকল্প উৎসবোৰৰ ভিতৰত সৌৰ শক্তিৰ ব্যৱহাৰেই প্ৰধান। সৌৰ শক্তি তিনিটা প্ৰধান পন্থাৰে ব্যৱহাৰ কৰিব পাৰি। দুটা হৈছে সৌৰ শক্তিৰ প্ৰত্যক্ষ (direct) ব্যৱহাৰ, যেনে সৌৰ উষ্মীয় (photothermal) আৰু সৌৰ ভল্টীয় (photovoltaic)। তৃতীয়টো হৈছে পৰোক্ষ (indirect) ব্যৱহাৰ যিটো জীৱাত্মক (biological) আৰু সালোক সংশ্লেষণৰ দ্বাৰা পোৱা যায়। এতেকে উদ্ভিদবোৰেই হ'ল সৌৰ শক্তিৰ পৰোক্ষ ব্যৱহাৰৰ প্ৰধান উৎস। এই ধৰণে উদ্ভিদৰ সহায়ত ব্যৱহাৰ কৰা শক্তি নৱীকৰণীয় (renewable) সম্পদ। এই নৱীকৰণীয় সম্পদ আমি উদ্ভিদৰ পৰা গ্ৰহণ কৰি শক্তিলৈ ৰূপান্তৰ কৰিব লাগে আৰু জীৱাশ্ম ইন্ধনবোৰ শক্তিৰ পুঁজি হিচাপে সংৰক্ষণ কৰিব লাগে। পৃথিৱীৰ বিভিন্ন জলৰাশিত থকা জলজ উদ্ভিদবোৰ শক্তিৰ প্ৰধান উৎস হিচাপে পৰিগণিত হৈছে। শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পৰা জলজ উদ্ভিদবোৰ তিনি ভাগত ভাগ কৰা হৈছে – (১) অলৱণ জল (fresh water) উদ্ভিদ, (২) অলাগতিয়াল পানীৰ (sewage) শেলুৱৈ জৈৱদম আৰু (৩) সাগৰীয় উদ্ভিদ।

(১) পানীৰ সুঁতি, নদী, নলা, পুখুৰী আৰু পিতনিত হোৱা জলজ তৃণ, যেনে – পানীমেটেকা, ডাকউইড, চালভিনিয়া, হাইড্ৰিলা ইত্যাদি আৱৰ্জনা হিচাপেহে গণ্য কৰা হৈ আহিছে। এইবোৰ উদ্ভিদে নদীত ভেটাৰ সৃষ্টি কৰে, নলা বন্ধ কৰে, যাতায়াতত (পানীৰ) বাধাৰ সৃষ্টি কৰে, পানী যোগান ধৰা নলা বন্ধ কৰে, জলবিদ্যুৎ উৎপাদনত বাধা দিয়ে আৰু পানীত জন্ম হোৱা ৰোগৰ বীজাণু বৃদ্ধি কৰাৰ উপৰিও অন্যান্য ধৰণৰ ব্যাঘাত জন্মায়। সময়ে সময়ে যান্ত্ৰিক তথা নানা ৰাসায়নিক পদ্ধতিৰে এই জলজ উদ্ভিদবোৰ আঁতৰোৱাৰ ব্যৱস্হা কৰা হৈছে। বৰ্তমান এই উদ্ভিদবোৰৰ পৰা নানা ধৰণৰ ৰাসায়নিক কেঁচা দ্ৰব্য উৎপাদনৰ তথ্য প্ৰকাশ পাইছে। এই উদ্ভিদবোৰ বৃদ্ধি কৰিবৰ বাবে কোনো পদ্ধতি, সাৰ বা বীজৰ প্ৰয়োজন নাই। জীৱ-জন্তু আৰু মাছক এই উদ্ভিদবোৰ খাদ্য হিচাপে যোগান ধৰি পৰোক্ষভাবে মানুহৰ খাদ্য হিচাপেও উদ্ভিদবোৰ ব্যৱহাৰ কৰিব পাৰি। এই উদ্ভিদবোৰ ইন্ধন হিচাপে ব্যৱহাৰ কৰিবৰ বাবে বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলি আছে আৰু ইয়াত কৃতকাৰ্যতাও লাভ কৰিব পৰা গৈছে।

বিভিন্ন জলজ উদ্ভিদৰ পৰা জৈৱ গেছ মিথেন উৎপাদন কৰিব পাৰি। জলজ তৃণবোৰ সংগ্ৰহ কৰি টুকুৰাকৈ কটাৰ পাছত ভাঙি গুৰি কৰা হয় আৰু বেকটেৰিয়াজনিত কিন্বন কৰা হয়। এই জলজ উদ্ভিদবোৰৰ কোষত প্ৰচুৰ পৰিমাণৰ পানী থকা বাবে কিন্বন আৰু বেকটেৰিয়াৰ বৃদ্ধিত সহায় হয়। এক হেক্টৰ মাটিৰ পৰা আহৰণ কৰা পানীমেটেকাৰ পৰা ৭০,০০০ কিউবিক মিটাৰ জৈৱ গেছ উৎপাদন হ'ব বুলি ঠিৰাং কৰা হৈছে। শুকান ওজনৰ ভিত্তিত প্ৰতি কিলো উদ্ভিদৰ পৰা ৩৭০ লিটাৰ জৈৱ গেছ উৎপাদন হয় আৰু ইয়াত শতকৰা ৬৯ ভাগ মিথেন থাকে যাৰ কেল'ৰিফিক মাত্ৰা ২২০০০ $kJm^3$। কিন্বন পদ্ধতিত মিথেন উৎপাদনৰ বাবে কাৰ্বন আঁতৰ কৰা হয় আৰু অন্যান্য মৌলিক উপাদানবোৰ অৱশিষ্ট অংশত থাকি যায় আৰু সেই বাবেই অৱশিষ্ট অংশ সাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই পদ্ধতিত অবায়ুক এটা পৰিবেশৰ লগতে ৩২-৩৬ ডিগ্ৰী চেঃ গ্ৰেঃ তাপমাত্ৰা আৰু অনৰ্গল ঘোটন দি থকা প্ৰয়োজন।

জলজ উদ্ভিদ বা তৃণবোৰ আৱৰ্জনাপূৰ্ণ পানীত ডাঙৰ হৈ ই শিপাৰ দ্বাৰা ৰাসায়নিক বিষময় পদাৰ্থবোৰ আহৰণ কৰে। পানীমেটেকা পেলনীয়া গৰম পানীৰ নলীত ডাঙৰ হলে ইয়াৰ উৎপাদন প্ৰতিদিনে প্ৰতি একৰত ৮-১৬ টন পৰ্যন্ত হয়। এই গোটেইখিনি জৈৱদমৰ পৰাই মিথেন উৎপাদন কৰিব পাৰি। এক একৰ অলাগতিয়াল পানীত ৪০০-৮০০ কিলোগ্ৰাম (শুকান) পানীমেটেকা উৎপাদন কৰিব পৰাকৈ পোষক থাকে যাৰ পৰা ৩৫০০-৭০০০ কিউবিক ফুট মিথেন আৰু ০.৫ টন সাৰ প্ৰত্যেক দিনাই জৈৱ পৰিবৰ্তনৰ সহায়ত উৎপাদন কৰা হয়। ইয়াৰউপৰি জলজ তৃণবোৰে পানী শোধন কৰে। দুৰ্গাপুৰৰ যান্ত্ৰিক অভিযান্ত্ৰিক গৱেষণা প্ৰতিষ্ঠানত আৰু নতুন দিল্লীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত পানীমেটেকাৰ পৰা মিথেন তৈয়াৰ কৰা পদ্ধতি উদ্ভাৱন হৈছে। প্ৰতিকিলো বিশুদ্ধ পানীমেটেকাৰ পৰা, পানীমেটেকা + গোবৰৰ পৰা আৰু পানীমেটেকা + গোবৰ + শেলুৱৈৰ পৰা উৎপাদন হোৱা মিথেন গেছৰ পৰিমাণ ক্ৰমান্বয়ে ২২৫.১, ৪০৭.১ আৰু ৪৬৮.১ কিউবিক মিটাৰ আৰু ক্ৰমান্বয়ে ৬৬%, ৭২% আৰু ৭৫% মিথেন প্ৰত্যেকতে পোৱা-যায়, কিন্তু ই অৰ্থনৈতিক ভাবে কিমানদূৰ সুচল হয় এতিয়াও ঠাৱৰ কৰিব পৰা হোৱা নাই।

(২) শৈলুৱৈ মানুহৰ খাদ্য, জীৱ-জন্তুৰ খাদ্য, সাৰ আৰু মাটি আবাদিকৰণৰ কামত উপকূলীয় অঞ্চলত ব্যৱহাৰ হৈ আহিছে। খাদ্য (শস্য) উৎপাদনৰ প্ৰধান সীমাকাৰক হৈছে পানী আৰু শক্তি। সেই বাবে পেলনীয়া পানী আৰু সৌৰ শক্তি কিদৰে বহুলভাবে ব্যৱহাৰ কৰিব পাৰি সি এটা গৱেষণাৰ প্ৰধান বিষয় হৈ পৰিছে।

শেলুৱৈবোৰ সৌৰ শক্তিৰ প্ৰধান ব্যৱহাৰক আৰু এটা নবীকৰণীয় উৎস। মানুহৰ খাদ্য হিচাপে বিশ্বৰ বিভিন্ন ঠাইত ব্যৱহাৰ হোৱা শেলুৱৈবোৰ হৈছে, Porphyra, Laminaria, Undaria, Hijikia আৰু Rhodymenia। জীৱ-জন্তুৰ খাদ্য আৰু সাৰ হিচাপে ব্যৱহাৰ হোৱাবোৰৰ ভিতৰত Ascophyllum, Laminaria Macrocystis, Nereocystis আৰু Sargassum প্ৰধান। ইউৰোপ আৰু উত্তৰ আমেৰিকাত Ascophyllum, Macrocystis আৰু Laminariaৰ জল অপঘটন ঘটাই তৰল সাৰ তৈয়াৰ কৰে। ভাৰতবৰ্ষৰ কোনো কোনো গৱেষণা প্ৰতিষ্ঠানত পাৰি-পাৰ্শ্বিকতাত বিশেষ প্ৰভাব নেপেলোৱাকৈ অলাগতিয়াল পানীৰ সম্পূৰ্ণ ব্যৱহাৰ, শেলুৱৈৰ কৰ্ষণ, মৎস্য পালন আৰু পানী যোগানৰ বিশেষ প্ৰযুক্তি বিদ্যা উদ্ভাৱনৰ গৱেষণাই প্ৰধান স্হান পাইছে। জৈৱিক পদাৰ্থৰ পৰা অনুজৈৱিক পৰিবৰ্তন কৰি মিথেন গেছ উৎপাদন কৰা এটা উন্নত প্ৰযুক্তিবিদ্যা। প্ৰথমবাৰৰ বাবে উত্তৰ প্ৰদেশত মিউনিচিপেলিটিৰ পেলনীয়া বস্তুৰ পৰা কিন্বন প্ৰক্ৰিয়া কৃতকাৰ্যতাৰে সফল কৰি পানী পৰিষ্কাৰ কৰা হৈছে। উত্তৰ প্ৰদেশ পানী নিগমে জৈৱ গেছ উৎপাদনৰ পাইলট পৰিকল্পনা কৰি কৃতকাৰ্যতা লাভ কৰিছে। এই পৰিকল্পনাত ০.৫ নিযুত লিটাৰ পেলনীয়া পানী কামত খটুৱাব পৰা ক্ষমতা আছে। ইয়াৰ পৰা উৎপাদন হোৱা জৈৱ গেছত ৭৬-৮৪% মিথেন গেছ থাকে যাৰ কেল'ৰিফিক মাত্ৰা ৭০০ BTU। জৈৱ গেছ উৎপাদনত তাপমাত্ৰা এটা অতি প্ৰয়োজনীয় ঘটক। ২০ ডিগ্ৰী চেঃ গ্ৰেঃৰ তলত কিন্বনৰ মাত্ৰা কমি যায় আৰু ৪০ ডিগ্ৰী চেঃ গ্ৰেঃত পৰিমাণ বেছি হয়। জৈৱ গেছ উৎপাদন হোৱাৰ পাছত যিবোৰ অৱশিষ্ট থাকে তাৰ পৰা ১.৫০% নাইট্ৰজেন, ০.৯৩% পটাচিয়াম, ০.৮৯% ফচ্‌ফৰাচ পোৱা যায়। এই অৱশিষ্ট অংশ ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।

সালোক সংশ্লেষণ পদ্ধতিৰ সহায়ত সৌৰশক্তি আহৰণ কৰি সঞ্চয় কৰাত শেলুৱৈ বৰ উৎকৃষ্ট। সেই বাবেই এই জলজ জৈৱদমবোৰ শক্তিৰ আহৰণ আৰু ৰূপান্তৰৰ এটা প্ৰধান উৎস হিচাপে পৰিগণিত হৈছে। তদুপৰি শৈলুৱৈ single cell proteinৰ প্ৰধান ভাণ্ডাৰ। শেলুৱৈৰ অধিক সালোক সংশ্লেষণীয় ক্ষমতা, অধিক প্ৰটিন আৰু ক্ষিপ্ৰ উৎপাদন ক্ষমতা থকাৰ বাবে জীৱ বিজ্ঞানী তথা শক্তি বিজ্ঞানী সকলৰ প্ৰধান আকৰ্ষণৰ বস্তু হৈ পৰিছে। যোৱা ৩০ বছৰত সেউজীয়া শেলুৱৈ Scenedesmus আৰু Chlorellaৰ বহল কৰ্ষণৰ বাবে পৰীক্ষা-নিৰীক্ষা চলি আছে। এই শেলুৱৈবোৰ চপোৱাৰ ক্ষেত্ৰত অৰ্থনৈতিক আৰু প্ৰযুক্তি সম্পৰ্কীয় সমস্যাবোৰ প্ৰধান অন্তৰায় হৈ পৰিছে। Scenedesmus আৰু Chlorellaৰ বিজ্ঞান সন্মত কৰ্ষণ পদ্ধতি উন্নয়নশীল দেশবোৰত প্ৰচলিত হৈছে। ১৯৬০ চনৰ পাছত বহুকোষীয়, সূত্ৰাভ ধীৰ প্লৱিক, নীলা সেউজ শেলুৱৈ Spirulinaৰ ওপৰত বিশেষ মনোযোগ দিয়া হৈছে। এই শেলুৱৈবিধ ক্ষাৰ যুক্ত (Alkaline) হ্ৰদ আৰু পুখুৰী য'ত কাৰ্বনেট, বাইকাৰ্বনেট, ক্লৰাইড আৰু চালফেট্ জাতীয় লৱণ থাকে তাত সুন্দৰভাবে বৃদ্ধি হয়। এই Spirulina নামৰ শেলুৱৈবিধ মধ্য আফ্ৰিকা আৰু মেক্সিকোৰ জনজাতীয় লোক সকলে খাদ্য হিচাপে ব্যৱহাৰ কৰে। Single cell proteinৰ বাবে এই শেলুৱৈবোৰ বিশেষ আকৰ্ষণীয় আৰু ডাঙৰ কোষীয় সূত্ৰ থকা বাবে কাপোৰৰ সহায়ত পৰিস্ৰুত কৰিব পাৰি। আফ্ৰিকাৰ প্ৰাকৃতিক পৰিবেশত বৃদ্ধি হোৱা এই শেলুৱৈবোৰত (শুকান ওজনৰ ভিত্তিত) ৭০% Crude প্ৰটিন থাকে। খাদ্য হিচাপে Spirulinaত যথেষ্ট পৰিমাণৰ ভিটামিন, ফেট, শৰ্কৰা আৰু লৱণ থাকে। খাদ্যৰ মূল্যৰ ওপৰত ভিত্তি কৰি আৰু চপোৱাৰ সুবিধাৰ বাবে Spirulina কৰ্ষণৰ পাইলট কাৰ্যক্ৰম ফ্ৰান্স, আলজেৰিয়া, মেক্সিকো, ইজৰাইল আৰু টাৱাইনত আৰম্ভ হৈছে।

Fox নামৰ এজন ফৰাচী বিজ্ঞানীয়ে ভাৰতবৰ্ষতো Spirulina কৰ্ষণৰ কাম হাতত লৈছিল। এই শেলুৱৈবিধ ১৯৭৩ চনত প্ৰথমতে নাভাচাৰীত আৰু ১৯৭৮ চনত ৱাৰ্ধাত কৃত্ৰিম মাধ্যমত কৰ্ষণ কৰা হৈছিল। এই অধ্যয়নৰ ওপৰতে ভিত্তি কৰি Fox-এ ১৯৮০ চনত গ্ৰাম্য স্বাস্থ্য পদ্ধতি এটাৰ উপদেশ দিছিল। মহীশূৰৰ কেন্দ্ৰীয় খাদ্য প্ৰযুক্তি বিদ্যা গৱেষণা প্ৰতিষ্ঠানত Spirulina কৰ্ষণৰ কাৰ্যক্ৰম হাতত লোৱা হৈছে। এই শেলুৱৈবোৰ কৃত্ৰিম মাধ্যমত PVC আৰু চিমেন্ট কংক্ৰিটৰ পুখুৰীত কৰ্ষণ কৰা হয়। উৎপাদনৰ খৰচ কমাবৰ বাবে পেলনীয়া বস্তু যেনে মলমূত্ৰ, গোবৰ, জীৱ-জন্তুৰ হাড় ইত্যাদি মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ চেষ্টাও চলি আছে। মদ্ৰাজৰ মুৰগাপ্পা চেট্টিয়াৰ গৱেষণা প্ৰতিষ্ঠানত ১৯৭৭ চনৰ পৰাই Spirulina কৰ্ষণ আৰম্ভ হৈছে। পৰিষ্কাৰ পানীত Spirulina কৰ্ষণ কৰাতকৈ পেলনীয়া পানীত কৰ্ষণ কৰাটোহে বেছি আকৰ্ষণীয়। কাৰণ এনে কৰিলে পেলনীয়া পানীত থকা পোষকবোৰ পুনৰাবৰ্তনীয় কৰা হয়, লগতে শেলুৱৈৰ প্ৰটিন সংশ্লেষণ আৰু পানী আবাদিকৰণো হয়। অলাগতিয়াল পানীত Spirulina কৰ্ষণ কৰিব পৰা এটা কম ব্যয়বহুল প্ৰযুক্তিবিদ্যা ভাৰতৰ ৰাষ্ট্ৰীয় উদ্ভিদ গৱেষণা প্ৰতিষ্ঠানে উদ্ভাৱন কৰিছে। ১৯৮০ চনৰ নবেম্বৰ মাহৰ পৰাই উক্ত প্ৰতিষ্ঠানত ৪৫০ বৰ্গমিটাৰ কালিৰ এটা পাইলট প্ৰকল্প কামত লগোৱা হৈছে। এই প্ৰকল্পৰ লগতে মাছ পালন কৰাৰ ব্যৱস্থাও আছে। শেলুৱৈৰ কোষবোৰ গঠনত সুবিধা হ'ব পৰাকৈ এই প্ৰকল্পৰ উৎপাদন কুঠৰীবোৰ ৪টা ভাগ ভাগ কৰা বেৰেৰে গঠিত। এই প্ৰকল্পৰ সকলোবোৰ কুঠৰীৰ সৈতে ৬০,০০০ লিটাৰ পেলনীয়া পানী ১৫ চেঃ মিঃ গভীৰতাত সংৰক্ষণ কৰিব পৰা ক্ষমতা আছে। কুঠৰীবোৰত শেলুৱৈৰ বৃদ্ধি বেছি কৰিবৰ বাবে ফুটা থকা কিছুমান পাইপেদি সম্পীড়িত বায়ু (compressed air) বলাই দিয়া হয়। Spirulina প্ৰটিনত বীজাণু জনিত কোনো বেক্টেৰীয়া বা এমিবা নাথাকে বুলি কেন্দ্ৰীয় ঔষধ গৱেষণা প্ৰতিষ্ঠানে প্ৰকাশ কৰিছে। সেইবাবে পেলনীয়া পানীত কৰ্ষণ কৰা Spirulina হাঁহ-কুকুৰাৰ উৎকৃষ্ট খাদ্য। প্ৰচুৰ পৰিমাণৰ কেৰটিনয়ড থকা বাবে এই খাদ্যই কণীৰ বৰণ হালধীয়া কৰে। উক্ত প্ৰকল্পত ২৬০ বৰ্গমিটাৰ আকাৰৰ পুখুৰী যুটি দিয়া হৈছে যাতে অলাগতিয়াল পানীত বৃদ্ধি হোৱা Spirulina মাছৰো খাদ্য হিচাপে ব্যৱহৃত হয়।

(৩) সাগৰীয় তৃণৰ ব্যৱহাৰ মানৱ জাতিৰ বাবে নতুন কথা নহয়। উপকূলীয় অঞ্চলবোৰত সাগৰীয় জৈৱদম বৃহৎ আকাৰত থাকে বাবে এইবোৰক 'Aquatic forest' হিচাপে গণ্য কৰা হয় যিবোৰ Laminariaceae আৰু Sargassaceae গোত্ৰৰ দ্বাৰা গঠিত। খাদ্য হিচাপে ব্যৱহাৰ হোৱা সাগৰীয় তৃণ প্ৰচুৰ পৰিমাণে কৰ্ষণ কৰা দেশবোৰ হৈছে জাপান, কোৰীয়া গণৰাজ্য আৰু চীন। এই তৃণবোৰ হৈছে Porphyra, Monostroma, Enteromorpha, Undaria, Laminaria আৰু Nemacystus। খাদ্য হিচাপে ব্যৱহাৰ কৰিব পৰাৰ উপৰিও প্ৰাকতিক গেছ (মিথেন), তৰল ইন্ধন, বৈদ্যুতিক শক্তি, সাৰ, প্লাষ্টিক আৰু লুব্ৰিকেটিং তেল ইত্যাদি তৈয়াৰ কৰিব পাৰি। খাদ্যৰ উপৰিও প্ৰতি একৰ সাগৰীয় পামৰ পৰা প্ৰতি বছৰে ১৬০ নিযুত BTU মিথেন গেছ উৎপাদন কৰিব পৰা হয়। Wilcoxৰ মতে যুক্ত ৰাজ্যৰ খাদ্য আৰু প্ৰাকৃতিক গেছৰ প্ৰয়োজনীয়তা ৪৭০ বৰ্গমাইল সাগৰীয় পামৰ পৰা পোৱা যায়।

সাগৰীয় উদ্ভিদৰ পৰা খাদ্য, মিথেন গেছ আৰু অন্যান্য উপজাত দ্ৰব্য প্ৰস্তুত কৰাৰ বাবে কম তাপমাত্ৰা, কম ছাপ আৰু অবায়বীয় পাচন প্ৰযুক্তি বিদ্যাৰ প্ৰয়োজন

তথা বৃহৎ মূলধন আৰু শক্তিৰ প্ৰয়োজন কম। Wilcox-য়ে ১৯৭৬ চনত জৈৱ পৰিবৰ্তনৰ পদ্ধতি প্ৰকাশ কৰিছে। কিন্তু সাগৰৰ ওপৰভাগ 'জীৱ মৰুভূমি' হিচাপে পৰিগণিত হোৱাৰ কাৰণ – ইয়াত উদ্ভিদৰ বিকাশৰ বাবে লাগতিয়াল উপাদান নাইট্ৰেট আৰু ফচফেট নাথাকে, যদিও ১00ৰ পৰা ২00 মিটাৰ গভীৰতাত এই উপাদানবোৰ পোৱা যায়। সাগৰৰ ওপৰ অংশত সাগৰীয় উদ্ভিদ বৃদ্ধি কৰিবলৈ হলে কৃত্ৰিম পোষকৰ প্ৰয়োজন হ'ব আৰু সেই বাবে সাগৰৰ গভীৰ অংশৰ পোষক সমৃদ্ধ পানী ওপৰলৈ অনা প্ৰযুক্তিবিদ্যা উদ্ভাৱন কৰাটো নিতান্ত প্ৰয়োজনীয় যাতে সাগৰীয় তৃণবোৰ সহজতে বৃদ্ধি কৰিব পাৰি। বৃহৎ সাগৰীয় সম্পদ মানৱ জাতিৰ কল্যাণত লগাবলৈ হলে নবীকৰণীয় শক্তিৰ উৎস উদ্ভাৱন কৰিব পৰা সাগৰীয় উদ্ভিদ কৰ্ষণ কৰাত বিশেষ গুৰুত্ব দিব লাগিব। ভব নগৰৰ কেন্দ্ৰীয় লৱণ আৰু সাগৰীয় ৰাসায়নিক দ্ৰব্য গৱেষণা প্ৰতিষ্ঠানে সাগৰীয় উদ্ভিদৰ কৰ্ষণ আৰু সাগৰীয় তৃণৰ পৰা ৰাসায়নিক দ্ৰব্য, সাৰ আৰু জৈৱ গেছ উৎপাদনত কৃতকাৰ্যতা লাভ কৰিছে। gracilaria edulis, Gelidiella acerosa আৰু Sargassum ইত্যাদিৰ পৰা বিভিন্ন পদাৰ্থ তৈয়াৰ হৈছে। Glacileria, Amphiora আৰু Helimedaৰ দৰে সাগৰীয় তৃণৰ পৰা আহাৰ তৈয়াৰ হয় আৰু এইবোৰ হাঁহ-কুকুৰাৰ খাদ্য হিচাপেও ব্যৱহাৰ কৰিব পাৰি। Sargassumৰ পৰা প্ৰস্তুত কৰা এবিধ জুলীয়া সাৰ শস্যত প্ৰয়োগ কৰিব পৰাৰ ওপৰত গৱেষণা চলি আছে।

## শেলুৱৈৰ পৰা হাইড্ৰকাৰ্বনঃ

অষ্ট্ৰেলিয়াৰ পৰা প্ৰকাশিত এটা সমীক্ষাত Botryococcus braunii নামৰ এবিধ শেলুৱৈত ৭0% হাইড্ৰকাৰ্বন থকা বুলি কোৱা হৈছে আৰু এইবোৰ অশোধিত তেলৰ সৈতে একেই। এই শেলুৱৈ এন্ডিজৰ ত্ৰিতিকাকা হ্ৰদ আৰু ছোভিয়েত কাজাখাস্তানৰ ব্ৰেকিচ হ্ৰদত পোৱা যায়। এই শেলুৱৈবিধৰ বৃদ্ধি খুব লাহে লাহে হয় কিন্তু হঠাতে এটা সময়ত বৃদ্ধিৰ হাৰ বাঢ়ি যায়। কি ঘটকৰ বাবে এনে ধৰণৰ বৃদ্ধি হয় সেইটো পৰীক্ষাৰ বিষয়। Largeau আৰু তেওঁৰ সহযোগী সকলে ১৯৮0 চনত এইবিধ শেলুৱৈত ১৫%ৰ পৰা ৭৫% (শুকান ওজনৰ ভিত্তিত) হাইড্ৰকাৰ্বন থকা বুলি আৰু হাইড্ৰকাৰ্বনৰ উৎপাদনৰ এটা প্ৰত্যক্ষ উৎস বুলি কৈছে। এইবিধ শেলুৱৈৰ বাহিৰে অন্য জৈৱদমৰ দহন উষ্মা কম আৰু তাপ অপঘটন বা কিন্বন কৰিহে ইহঁতক পৰিবৰ্তন কৰিব পাৰি। এইবিধ শেলুৱৈত হাইড্ৰকাৰ্বনবোৰ গোলাকাৰ আকাৰত বাহিৰৰ কোষবোৰত আৰু চাইটপ্লাজমত গোট খাই থাকে। ৯৫% হাইড্ৰকাৰ্বন কোষবেৰত আৰু মাত্ৰ 0.৭% কোষৰ ভিতৰত থাকে। হাইড্ৰকাৰ্বনখিনি নিষ্কৰ্ষণ কৰাৰ পাছত জৈৱদমখিনি পুনৰ কৰ্ষণ কৰিব পাৰি। বাহিৰৰ কোষবোৰত হাইড্ৰকাৰ্বনৰ সংশ্লেষণ আৰু ইয়াৰ উৎস সম্পৰ্কে এতিয়াও গৱেষণা চলি আছে। প্ৰতি হেক্টৰত প্ৰতি বছৰে ৮.৫ টন জৈৱদম 0.২ মিটাৰ পানীৰ গভীৰতাত উৎপাদন হয় বুলি নিশ্চিত হৈছে। প্ৰত্যক্ষ দহনৰ বাবে এই শেলুৱৈবোৰ কাঠ আৰু অন্যান্য জৈৱদমৰ তুলনাত দুৰ্বল ইন্ধন। এই শেলুৱৈবোৰত প্ৰটিন, শৰ্কৰা আৰু লিপিড বিভিন্ন পৰিমাণত থকা বাবে হাইড্ৰকাৰ্বনৰ এটা উচ্চ-শ্ৰেণীৰ উৎস যাক অন্য শ্ৰেণীৰ পদাৰ্থৰ সৈতে মিহলি কৰি শোধন কৰাৰ পাছত পেট্ৰ'লিয়াম হিচাপে ব্যৱহাৰ কৰিব পৰা যাব। চিন আৰু এনজেন নামৰ দুজন বিজ্ঞানীয়ে ১৯৮১ চনত পেনচিলভিনিয়া বিশ্ববিদ্যালয়ত Chlorella pyrenoidosa নামৰ এটা অলৱণজাতীয় শেলুৱৈৰ পৰা অণুঘটকৰ সহায়ত হাইড্ৰজেন যোগকৰণ কৰি তেললৈ পৰিবৰ্তন কৰাৰ পদ্ধতি উদ্ভাৱন কৰিছে। কয়লা হাইড্ৰজেন যোগকৰণ কৰাতকৈ সহজ ভাবে এইবিধ শেলুৱৈক হাইড্ৰকাৰ্বন ভান্ডাৰলৈ ৰূপান্তৰ কৰিব পাৰি। বিশেষভাবে নিৰ্মিত Stainless Steelৰ এটা অটক্লেভ বিকাৰকত ৪00 ডিগ্ৰী চেঃ গ্ৰেঃ তাপমাত্ৰাৰ ওপৰত, ১২00 PSIG হাইড্ৰজেনৰ ছাপত কবাল্ট মলিবদেট হাইড্ৰজেন যোগকৰণ অণুঘটক আৰু এটা খনিজ তেল দ্ৰাবক হিচাপে লৈ হাইড্ৰজেন যোগকৰণ কৰা হয়। উচ্চ তাপ আৰু ছাপৰ ফলত উক্ত উদ্ভিদৰ মিশ্ৰণবোৰ ডাঠ জুলীয়া আলকাতাৰ নিচিনা পদাৰ্থলৈ ৰূপান্তৰ হয়। যেতিয়া ইয়াৰ মাজেদি হাইড্ৰজেন যাবলৈ দিয়া হয় তেতিয়া তেল, এমনিয়াম কাৰ্বনেট স্ফটিক, গেছ আৰু পানীৰ উৎপাদন হয়। গোটেই পদ্ধতিটোত এঘন্টাতকৈয়ো কম সময় লাগে। পৰীক্ষাৰ সহায়ত দেখা গৈছে যে শেলুৱৈৰ জৈৱদমৰ শতকৰা ৫0 ভাগ তেললৈ পৰিবৰ্তন কৰিব পাৰি আৰু উপজাত দ্ৰব্য হিচাপে ১২-১৪% এমনিয়াম কাৰ্বনেট পোৱা যায়। শেলুৱৈৰ পৰা উৎপাদন হোৱা তেল শাক-পাচলিৰ গোন্ধ থকা সোণালী ৰঙৰ এটা তৰল পদাৰ্থ আৰু ইয়াক তৰল গেছীয় ইন্ধনৰ সৈতে মিহলি কৰি শোধনাগাৰত পুনৰ পৰিবৰ্তন কৰা হয়।

২00 বৰ্গমাইল শেলুৱৈ পামৰ পৰা এটা মধ্যম শ্ৰেণীৰ শোধনাগাৰ চলাবলৈ যথেষ্ট পেট্ৰলিয়ামজাত পদাৰ্থ (৩0,000 বেৰেল প্ৰতি দিনে) পোৱা যাব বুলি অনুমান কৰা হৈছে। এইবিধ শেলুৱৈৰ ওপৰত কৰা গৱেষণাই শক্তিৰ বিকল্প উৎসৰ গৱেষণাত আশাৰ সঞ্চাৰ কৰিছে। বৃহৎ অলৱণ বা লৱণ জলৰাশিত, অব্যৱহৃত সাগৰীয় উপকূল বা জলাহত শেলুৱৈৰ খেতি কৰি যান্ত্ৰিক পদ্ধতিৰে চপাই পাইপ লাইনেদি শোধনাগাৰলৈ পঠাই তেল উৎপাদন কৰিব পৰা যাব।

## শেলুৱৈৰ পৰা জৈৱিক সাৰঃ

ভাৰতবৰ্ষৰ নিচিনা দেশৰ বাবে শস্য উৎপাদন বৃদ্ধিৰ প্ৰধান অন্তৰায় হৈছে ৰাসায়নিক সাৰ আৰু সাৰৰ যোগান। তদুপৰি ৰাসায়নিক সাৰৰ উৎপাদন অনবিকৰণীয় জীবাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীল। সেই বাবে পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰই বায়লজিকেল নাইট্ৰজেন স্থিৰী-কৰণৰ ওপৰত অধিক গুৰুত্ব দিছে, যাতে বায়ুমন্ডলত থকা মুক্ত নাইট্ৰজেন উদ্ভিদে প্ৰত্যক্ষ বা পৰোক্ষভাবে ব্যৱহাৰ কৰিব পাৰে। নীলা সেউজ জলজ জেলুৱৈ Anabaena, Cylindospermum, Tolypothrix, Nostoc ইত্যাদিয়ে বায়ুমন্ডলৰ পৰা নাইট্ৰজেন আহৰণ কৰে আৰু শেলুৱৈবোৰ অপঘটন হৈ মাটি নাইট্ৰজেন সমৃদ্ধ কৰে। ফলস্বৰূপে শস্যৰ উৎপাদন বৃদ্ধি হয়। সেই বাবে নীলা সেউজ শেলুৱৈবোৰ জৈৱিক সাৰ হিচাপে পথাৰত ব্যৱহাৰ কৰা হয়। এইদৰে নীলা সেউজ শেলুৱৈবোৰে যদি নাইট্ৰজেনৰ পৰিমাণ মাটিত বৃদ্ধি কৰি শস্যৰ উৎপাদন বৃদ্ধি কৰাত সম্পূৰ্ণ কৃতকাৰ্যতা লাভ কৰে তেতিয়া নাইট্ৰজেন জাতীয় ৰাসায়নিক সাৰৰ উৎপাদনত খৰচ হোৱা ইন্ধন সংৰক্ষণ কৰিব পৰা যাব – এতেকে এই শেলুৱৈবোৰো প্ৰত্যক্ষ শক্তিৰ উৎস হিচাপে পৰিগণিত হৈছে।

জলজ উদ্ভিদৰ কৰ্ষণে মানুহ তথা জীৱ-জন্তুৰ খাদ্য, মাটিৰ উৰ্বৰতা বৃদ্ধি, শক্তি তথা বিভিন্ন ৰাসায়নিক কেঁচা দ্ৰব্য উৎপাদনত বিশ্বত এক নতুন বৈজ্ঞানিক বিপ্লৱৰ সূচনা কৰিছে। □□□





# ছমাহত ৩৩ লাখ লিটাৰ বিলাতীমদ গিলা অসমীয়াক আল্‌ফাই প্ৰতাৰণা কৰিলে'নেকি?

অতনু ভূঞা

জুলাই মাহৰ দ্বিতীয় পষেকৰ ঘটনা। গুৱাহাটীৰ বাতৰি কাকতবোৰৰ কাৰ্যালয়লৈ এটা বিবৃতি আহিল– সংযুক্ত মুক্তি বাহিনী, অসমৰ। বিবৃতিত স্বাক্ষৰ কৰিছিল আল্‌ফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সচিব অনুপ চেতিয়াই। বিবৃতিটোত আল্‌ফাই স্পষ্টভাবে সুৰা আৰু ড্ৰাগছৰ ব্যৱসায়ী তথা খাওঁতা সকলক সকীয়াই দিছিল। সুৰা আৰু ড্ৰাগছে কি দৰে আজিৰ যুৱ সমাজক পংগু কৰিছে তাক আল্‌ফাই অতি সূক্ষ্ম ভাষাত বিবৃতিটোত বৰ্ণনা দিছিল। লগতে ৰাজ্যখনৰ সমূহ দেশী আৰু বিদেশী সুৰাৰ দোকানৰ স্বত্তাধিকাৰীক ৩১ জুলাইৰ ভিতৰত ব্যৱসায় বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।

সুৰা ব্যৱসায়ী সকলে যদি আল্‌ফাৰ নিৰ্দেশ অমান্য কৰে, তেন্তে জন স্বাৰ্থৰ খাতিৰতেই সংগঠনে কঠোৰ শাস্তি বিহিবলৈ বাধ্য হব। ৰাইজেও যাতে এই ক্ষেত্ৰত আল্‌ফাক সহায় কৰে। এয়া আল্‌ফাৰ সভাপতি ৰাজখোৱা আৰু সচিব চেতিয়াৰ বক্তব্য।

পণ বন্দীৰ সমস্যাটোক কেন্দ্ৰ কৰি বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা 'গৰম' হৈ থকা অৱস্থাত হঠাতে প্ৰকাশিত আল্‌ফাৰ এই সামাজিক সংস্কাৰমূলক নিৰ্দেশত স্বাভাৱিকতেই ৰাজ্যখনৰ সচেতন মহলে উৎফুল্লিত হৈ উঠিছিল। সঁচাই আল্‌ফাই সুৰাৰ ব্যৱসায় বন্ধ কৰিব পাৰিবনে? মহাবিদ্যালয় সপ্তাহ, দুৰ্গা পূজাৰ পৰা আৰম্ভ কৰি সন্ধিয়া চলি থকা ডেকা ডেকা ল'ৰাবোৰৰ মদৰ আড্ডা সঁচাকৈয়েই শেষ হব নে?

আমাৰ যিমান দূৰ মনত পৰে আল্‌ফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সচিব অনুপ চেতিয়াই যুটীয়াভাবে প্ৰথমবাৰৰ বাতৰি কাকতত বিবৃতি পঠিয়াইছিল– সুৰা ব্যৱসায়ীক কৰা এই সতৰ্কৰ জৰিয়তে। যিটো সময়ত ভাৰতবৰ্ষৰ অন্যান্য উগ্ৰপন্থী সংগঠনে অস্ত্ৰ প্ৰশিক্ষণৰ বিনিময়ত বিদেশী ৰাষ্ট্ৰৰ লগত ড্ৰাগছৰ আদান-প্ৰদান কৰাৰ অভিযোগ উঠিছে, সেইটো সময়তেই উগ্ৰপন্থী সংগঠন আল্‌ফাই ৰাজ্যখনত ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্য প্ৰচলনৰ বিৰোধিতা কৰাটো স্বাভাৱিকতেই তাৎপৰ্যপূৰ্ণ। বিদেশী সুৰা প্ৰচলন বন্ধ নকৰাৰ যুক্তিযুক্ততা যিমানেই নাথাকক কিয়, সঁচা কথাটো হ'ল অসমৰ সাধাৰণ ৰাইজে আল্‌ফাৰ এই ঘোষণাক সন্মান জনাইছিল।

ইয়াৰ পিছত কেইবাটাও দিন পাৰ হৈ গ'ল। মদ বেচোতা তথা কিনোতা দুয়োটা পক্ষই বিৰাট চিন্তান্বিত। দুই এজনেতো সামৰিক বাহিনীৰ বিষয়াৰ লগতো যোগাযোগ কৰিলে। তেওঁলোকক যেন 'আৰ্মীৰ চাপ্লাই' দি থকা হয়।

উজনি অসমৰ পৰা এটা খবৰ পালো। জনৈক বিলাতী মদৰ মালিকে অনুজ্ঞাপত্ৰ চৰকাৰক ঘূৰাই দিছে। আল্‌ফাৰ আহ্বানক বোলে তেওঁ পূৰ্ণ সমৰ্থন জনাইছে। দিছপুৰৰ সচিবালয়ৰ আবকাৰী বিভাগৰ এজন বিষয়াই ক'লে, 'বিলাতী মদৰ দোকান আমি উপাই নাপালে আবকাৰী বিভাগৰ হতুৱাই চলাম'।

তেজপুৰ, লক্ষ্মীমপুৰ আদিত পূৰ্বে হেনো আল্‌ফাই সুৰা ব্যৱসায়ীক এনে নিৰ্দেশ দিছিল। সেইবোৰ কিছুদিন আবকাৰী বিভাগে চলোৱাৰ পিছত সকলো ঠিকঠাক হৈ গ'ল। পিছত মালিকে নিজেই দোকান চলায়। আল্‌ফাই একো নকয়। বোধহয় সেইবোৰ ঠাইত আল্‌ফাই তেওঁলোকে দিয়া ভাবুকিৰ কথা পিছলৈ পাহৰি পেলাইছিল!

কিন্তু সমগ্ৰ জুলাই মাহত ৰাজ্যখনৰ বাবে বলবৎ হোৱাকৈ ৰাজখোৱা-চেতিয়াৰ ভাবুকিয়ে কিন্তু যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ৩0 জুলাইৰ নিশা পান বজাৰত বিলাতী মদৰ দোকানৰ সন্মুখত থিয় হৈ হতভম্ব হৈছিলো। বিলাতী মদ কিনিবলৈ কি যে মস্ত শাৰী। বোধহয় শেষবাৰৰ বাবে মদ খাবলৈকে এই ভিৰ!

কিন্তু সকলো ফুটুকাৰ ফেন। ৩১ জুলাইত বাতৰি কাকতৰ কাৰ্যালয়ত আৰু এটা বিবৃতি পালো। আল্‌ফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা স্বাক্ষৰিত বিবৃতিটোত কোৱা হৈছে পূৰ্বৰ বিবৃতিটোত তাৰিখ ভুল হ'ল। মদ বন্ধৰ অন্তিম তাৰিখ ৩১ জুলাই নহয়, বৰঞ্চ আৰু কেইমাহ মানৰ পিছলৈহে। অৰ্থাৎ এই কেইদিন মদ বিক্ৰী কৰিলে আল্‌ফাই বাধা নিদিয়ে।

এনে নাভূত-নাশ্ৰুত বিবৃতি পঢ়ি আমি হতভম্ব। ঘটনাটো কি? অবিশ্বাস্য হ'লেও সত্য গুৱাহাটীৰ প্ৰায় কেইখন দৈনিক কাকতৰ সাংবাদিকে ৰাজখোৱাৰ এই বিবৃতিটো ভুৱা বুলিহে প্ৰথমে সন্দেহ কৰিছিল।

ৰাজ্যখনত সাম্প্ৰতিক সময়ছোৱাত বিলাতী মদৰ দোকানৰ সংখ্যা অভাৱনীয় ভাবে বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত যুৱ সমাজ কি দৰে ধ্বংস হৈছে তাক নক'লেও হব। মহানগৰীত এনে এটা ছাত্ৰাবাস নাই য'ত সুৰাৰ আড্ডা নচলে। অথচ আপোচবিহীন আল্‌ফাই বিলাতী মদৰ দোকানীৰ সৈতে আপোচ কৰিলে?

এইটো অনস্বীকাৰ্য যে, অগপ চৰকাৰৰ দিনত অপ্ৰয়োজনীয় ভাবে বিলাতী মদৰ অনুজ্ঞাপত্ৰ দিয়াৰ ফলত আজি যুৱ সমাজ পংগু হৈ পৰিছে। প্ৰাপ্ত তথ্য মতে, ১৯৮৫ চনত ৰাজ্যখনত বিলাতী মদৰ দোকান আছিল ৫৫খন। বিয়েৰ বাৰ আছিল মাত্ৰ ১৫খন। কিন্তু অগপ চৰকাৰৰ দিনত নতুনকৈ আৰ ৩৮খন বিলাতী মদৰ আৰু ২৭খন বিয়েৰ বাৰৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়া হয়। ফলত বৰ্তমান ৰাজ্যখনত বিলাতী মদ আৰু বিয়েৰ বাৰৰ সংখ্যা হৈ পৰিছে

ক্ৰমে ৯৩ আৰু ৪৪খন।

আবকাৰী বিভাগৰ নিয়ম অনুসৰি দহ হাজাৰ বা তাতোধিক জনসংখ্যা থকা অঞ্চলত একোখনকৈ বিলাতী মদৰ দোকান খুলিবলৈ অনুমতি দিয়াৰ নিয়ম আছে। কিন্তু 'সোণৰ অসম' গঢ়াৰ প্ৰতিশ্ৰুতি দিয়া ডেকা মন্ত্ৰীৰ চৰকাৰ অগপ-ই এই নীতি উলংঘা কৰি লাগ ভাগ নোহোৱাকৈ অসম আন্দোলনত নিৰ্যাতিতৰ নাম লোৱা এচাম যুৱকক অনুজ্ঞাপত্ৰ দিলে।

গুৱাহাটী মহানগৰীৰ কথাকে কোৱা যাওক। ১৯৮৫ চনৰ আগলৈকে মহানগৰীত থকা বিদেশী মদ আৰু বিয়েৰৰ দোকানৰ সংখ্যা আছিল ক্ৰমে চাৰি আৰু পাঁচখন। এতিয়া এই সংখ্যা বাঢ়ি হ'ল গৈ ৩৮খন।

এইখিনিতে আন এক মজাৰ তথ্য লিখাৰ লোভ সামৰিব নোৱাৰিলো। '৮৫-ত সৰ্বমুঠ বিলাতী মদ( বিয়েৰ সহ) বিক্ৰী হৈছিল ৩১,৪৯,৭১৩ দশমিক ১০৩ লিটাৰ। কিন্তু চলিত বছৰৰ প্ৰথম বছৰতে অসমৰ মানুহে বিলাতী মদ গিলিলে ৩২,৭৯,৬৮৪ দশমিক ৬২৮ লিটাৰ। অৰ্থাৎ '৮৫-ত এবছৰত যিমান মদ খোৱা হৈছিল তাৰ তুলনাত '৯১-ত ছমাহতে আমি অসমীয়াবোৰে বেছি মদ খালো। পাঁচ বছৰতে ইমান মদাহী বাঢ়িল কেনেকৈ? জগৰীয়ানো কোন?

এই সূক্ষ্ম কথাবোৰ চিন্তাৰ বিষয় হৈ পৰিছে। যুৱ সমাজ ধ্বংস কৰা এই মদৰ প্ৰচলন বন্ধ কৰাত আলফাই কিয় আপোচ কৰিলে সিও ৰহস্যৰ বিষয়। কলিকতাৰ পৰা প্ৰকাশিত 'দি ষ্টেটচ্‌মেন' (Statemen) কাকতৰ ভিতৰৰ পৃষ্ঠাত মাজতে এটা বাতৰি প্ৰকাশ পাইছিল। বাতৰিটো কলিকতাৰ কাকতখনৰ ষ্টাফ ৰিপৰ্টাৰৰ। বাতৰিটোৰ মতে, আলফাই বিলাতী মদ ব্যৱসায়ী সংস্থাৰ পৰ কেইবা কোটি টকা দাবী কৰিছিল। সংস্থাই ধন দিবলৈ অমান্তি হোৱাত আলফাই সুৰা ব্যৱসায়ীক ভাবুকি দিছিল। পিছত আলফাক সংস্থাৰ ফালৰ পৰা ধন আদায় কৰা হয়। লগে লগে আলফাই ভাবুকি প্ৰত্যাহাৰ কৰে। 'ষ্টেটচ্‌মেন' কাকতৰ বাতৰি এইটো।

আলফই এতিয়ালৈকে এই বাতৰিৰ স্পষ্টীকৰণ দিয়া নাই। ফলত জনসাধাৰণেও কলিকতীয়া কাকতখনৰ বাতৰিটো বিশ্বাস কৰিবলৈ বাধ্য হৈছে। প্ৰকৃতাৰ্থত আলফাই যদিহে সঁচাই এনেকাম কৰিছে তেন্তে ই অতিকৈয়েই নিন্দনীয়। এনে ধৰণে অসমৰ জনসাধাৰণক প্ৰতাৰণা কৰাৰ অধিকাৰ নিশ্চয় 'বিপ্লৱী' সংগঠনটোৰ নাই। ■

# "আছুক নালাগে, কাক লাগে?"

সীমান্ত কুমাৰ দাস

সুস্থ চিন্তাধাৰাৰ বাবে কেৱল সৎ সাহসেই নহয়, নিৰপেক্ষ বিচাৰ, বিশ্লেষণাত্মক দৃষ্টিভংগী আৰু সংগঠনাত্মক চিন্তাৰ প্ৰয়োজনীয়তা আছে। কেৱল একক সিদ্ধান্ত আৰু অন্ধ আনুগত্যই সামাজিক সংস্থা সমূহলৈ বিপৰ্যয় আনিব পাৰে। আছুৰ সমালোচনা বুদ্ধিজীৱীৰ সস্তীয়া চিন্তা বিলাস নহয়। যিহেতু আছু বুলিলে সমগ্ৰ অসমৰ যুৱ মানসিকতাৰ প্ৰতিভূ বুলি ধৰা হয় সেই হেতুকে আছুৰ প্ৰতিটো পদক্ষেপ এক যুক্তিনিষ্ঠ বিচাৰৰ জৰিয়তে আগবঢ়োৱাটো উচিত বুলি ভাবো।

আছু ফেচিষ্ট সংগঠন নহ'লেও বৰ্তমান অসমৰ বহু আছু নেতাৰ ফেচিষ্ট মানসিকতা অন্ধ আনুগত্য থাকিলে অস্বীকাৰ কৰিব পাৰি, কিন্তু সচেতন হ'লেই নোৱাৰি। আছুৰ ল'ৰা-ছোৱালীবোৰৰ প্ৰতি লুইতৰ পাৰৰ মানুহবোৰৰ মনোভাব একেই আছে নেকি? যোৱা পাঁচোটা বছৰৰ পটভূমিত কথাষাৰ প্ৰত্যক্ষ ভাবে ক'লে এনে হয় – নাই। এনেকি আছুৰ বহু সক্ৰিয় কৰ্মীৰ মানসিকতাতো ভাঙোন দেখা দিছে। কিয়? কিয়ৰ উত্তৰত এটাই কথাঃ আছুৰ নৈতিক দায়িত্ববোধৰ অভাৱ। বিদেশী বহিষ্কাৰ আন্দোলনৰ ব্যৰ্থতাৰ বাবে আছু বহুলাংশে দায়ী। কিন্তু বৰ্তমান আছুৱে এই দায়িত্ব স্বীকাৰ নকৰে।

আছুক 'ফ্ৰেংকেনষ্টেইন' সজোৱাৰ বাবে নিৰ্দিষ্টকৈ কাৰোবাক দায়ী কৰাৰ বিপৰীতে অসমবাসীৰ যুক্তি-বিৰোধী আবেগৰ প্ৰাবল্যকহে দায়ী কৰিব লাগিব। "জাতীয় অস্তিত্ব"ৰ এটা আবেগিক প্ৰশ্নই তোলপাৰ লগোৱা অসমীয়া মানসিকতাত আছু আছিল ত্ৰাণকৰ্তা স্বৰূপ। সেয়ে আছুৰ প্ৰতি নিৰ্ভৰশীলতাৰ সুযোগত লাহে লাহে সাৰ পাইছিল আছুৰ ফেচিষ্ট মানসিকতা।


আছুৱে সামাজিক সংগ্ৰাম ক্ষেত্ৰৰ পৰা আঁতৰি নোযোৱাকৈও শিক্ষা ব্যৱস্থাৰ লগত জড়িত থাকিবলৈ আছুৰ কাৰ্য ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিব লাগিব। অসমৰ দ্ৰুত পৰিবৰ্তিত আৰ্থ-সামাজিক ৰাজনৈতিক পৰিস্থিতিৰ লগত খাপ খোৱাকৈ নিজকে গঢ়ি তুলিবলৈ আছু প্ৰস্তুত হওক। তাৰ বাবে বায়বীয় ধাৰণা সমূহৰ পৰা মুক্ত হৈ তেওঁলোক সুনিৰ্দিষ্ট প্ৰগতিশীল মতাদৰ্শত দীক্ষিত আৰু শিক্ষিত হওক। অকল সেয়ে নহয়। সম্পূৰ্ণ আছু-নিৰ্ভৰতাৰ বিপৰীতে সচেতন প্ৰতিজন অসমবাসী ছাত্ৰই দেশৰ সমস্যাৰাজিৰ ওপৰত যুক্তিনিষ্ঠ আলোকপাত কৰক। সম্ভৱ ক্ষেত্ৰত সমস্যা সমাধান বা পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত যুক্তিনিষ্ঠ আৰু আবেগ-বিবৰ্জিত যিকোনো মত গ্ৰহণ কৰক।

"যদি আছুক নালাগে তেন্তে কাক লাগে? কিছু চিন্তা-সৰৱে আৰু একে লগে"– শীৰ্ষক প্ৰবন্ধটিৰ প্ৰবন্ধকাৰে আছুৰ নেতিবাচক দিশ সমূহ সুকৌশলেৰে বাদ দি প্ৰকাৰান্তৰে আছুৰ অহিত সাধনহে কৰিছে। অন্ততঃ বৰ্তমান সময়ত কিছুমান সঁচা কথা প্ৰত্যক্ষ ভাবে কোৱাৰ সাহস থাকিব লাগে। আছু অপ্ৰয়োজনীয় নহয়। কিন্তু আছুৰ ভিত্তি লৰিছে বুলি কিয় ভবা হৈছে তাৰ কাৰণ বিশ্লেষণ কৰোতে অন্ততঃ উল্লিখিত সাধাৰণ দৃষ্টান্ত কেইটাৰ প্ৰতি দৃষ্টি ৰাখিবই লাগিব। আৰু "নিৰ্মোহ বিশ্লেষণ" অবিহনে আছুৰ কাৰ্য ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আন্তৰিক বিক্ষোভ থাকি যাব। আছুৰ দোষ সমূহৰ এনে বিশ্লেষণৰ অৰ্থ বিকল্প সন্ধান নহয়। আৰু এই আলোচনা ওপৰে ওপৰে কৰা হোৱা নাই। আমাৰ সিদ্ধান্তবোৰ জনতাৰ সাধাৰণ উপলব্ধিৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। ■



# অগল্প

পদ্মপাণি



প্ৰতি বাৰতেই আমাৰ গাড়ীৰ চকা তাৰ গাত উঠো উঠো হওঁতেই, শেষ মুহূৰ্তত, বড়োৱে ষ্টিয়েৰিংডাল ঘূৰাই দিয়ে।

মোৰ বৰ খং উঠিল। বড়োক গালি পাৰি ক'লো– "তয়ো একেবাৰে হ'পলেছ ড্ৰাইভাৰ দে। আগে আগে দৌৰি থকা শহাটোকে চেপি মাৰিব নোৱাৰিলি, কিটোনো গাড়ী চলাব জান?"

শহাটো মাৰি গুৱাহাটীত ভালদৰে এসাজ খামগৈ বুলি ভাবিছিলো। পিছে অকৰ্মণ্য বড়োটোৰ পৰা সেয়াও হৈ নুঠাত খং উঠিল।

"গালি পাৰিলেও পাৰক, চাৰ। উপায় নাই। ইমান চেষ্টা কৰিলো, পিছে.......। আচল কথা কি জানে, চাৰ। এই ড্ৰাইভাৰৰ চিটটোত বহিলেই মনটো কি হয় জানো, জী থকা জীৱ এটাৰ কথাতো দূৰতে থাকক, মৰা প্ৰাণী এটাৰ ওপৰেদিও দেখোন চকা কেইটা নিবলৈ ষ্টিয়েৰিংডাল ঘূৰাব নোৱাৰো।"

বড়োৰ কথাখিনিয়ে প্ৰায় সাত বছৰৰ আগৰ ঘটনা এটালৈ মনত পেলাই দিলে। আন্দোলনৰ ভৰপক তেতিয়া। এদিন চৰকাৰী কামত সহকৰ্মী ড০ নীলকান্ত মহন্তৰ লগত গুৱাহাটীৰ ওচৰৰ ঠাই এখনলৈ গৈছিলো। ড্ৰাইভাৰ অন্য এজন আছিল। সংখ্যালঘু অধ্যুষিত অঞ্চল এটাৰ মাজেদি তীব্ৰ গতিৰে গৈ থকা আমাৰ গাড়ীখনৰ আগত ক'ৰ পৰা জানো, নঙঠা ল'ৰা এটা দৌৰি আহি পৰিল। আমাৰ গাড়ীৰ চকা তাৰ অকণমানি শৰীৰটোৰ ওপৰেদি পাৰ হৈ যোৱাৰ নিৰ্মম দৃশ্য দেখাৰ আশংকাত মই চকু মুদি আৰ্তনাদ কৰি উঠিলো। বিকট শব্দ কৰি আমাৰ গাড়ীখন ৰৈ গ'ল। ভয়ে ভয়ে চকু মেলি দেখিলো, ল'ৰাটো দৌৰি ৰাস্তাৰ ইটো কাষত থকা তাৰ মাকৰ দুই আঠুৰ মাজত মূৰ গুজি সোমাইছেগৈ। নিশ্চিত মৃত্যুৰ পৰা ল'ৰাটো বচাৰ বাবে স্বস্তিৰ নিশ্বাস এৰিলো। কিন্তু পিছ মুহূৰ্ততেই ড০ মহন্তৰ মন্তব্য এটা শুনিহে হতভম্ব হৈ পৰিলো।

সম্পূৰ্ণ নিৰুদ্বেগচিত্তে ড০ মহন্তই ক'লে– "নমৰিল নেকি? পিছে এইবোৰ সাপৰ পোৱালি যিমানেই মৰে, সিমানেই মংগল।"

আজিৰ এই 'মাল খাই' গাড়ী চলোৱা, অশিক্ষিত বড়োৰ উক্তি আৰু সেই দিনাৰ উচ্চ পদবীধাৰী, উচ্চ শিক্ষিত ড০ মহন্তৰ সেই উক্তিৰ মাজত কিমান পাৰ্থক্য!

দিনে দিনে সমাজত বাঢ়ি অহা অমানৱীয় কাৰ্য-কলাপ দেখি সেয়েহে ভাবো, বড়ো ড্ৰাইভাৰৰ দৰে আমি সকলো সদায় অশিক্ষিত হৈ থকাই ভাল আছিল নেকি?

তেতিয়া অন্ততঃ মানুহ হৈ থাকিব পাৰিলোহেঁতেন। ■


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮-বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেক্স ক্লিনিক

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# “বন-বননি, গছ-বিৰিখ সংৰক্ষণ কৰক”

মানৱ সমাজৰ প্ৰগতিৰ বাবে উত্তৰ পুৰুষৰ নিৰাপত্তাৰ বাবে
বন-বননি প্ৰকৃতিৰ অমূল্য সম্পদ।

বন-বননি, গছ-বিৰিখ সংৰক্ষণ কৰা মানেই
মানৱ সমাজ জীৱ জগত আৰু
প্ৰকৃতিৰ ৰক্ষণা বেক্ষণ কৰা।

সেউজী সম্পদ বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰ কৰি
মানৱ সমাজ সভ্যতা আৰু সংস্কৃতিক জীয়াই ৰাখক।

এজাক বৰষুণৰ পানীতেই পাহাৰৰ মাটি খহি নানান বিপৰ্য্যয়ৰ সৃষ্টি কৰাটো আপুনি বাৰু বন্ধ কৰিব নিবিচাৰেনে? যদি বিচাৰে–আপোনাৰ এনেয়ে পৰি থকা মাটি খিনিত গছ ৰোৱক।

প্ৰতি বছৰে হৈ থকা বানপানীৰ প্ৰধান কাৰণ বাৰু কি হব পাৰে? নদীৰ উন্মুক্ত অৱবাহিকা অঞ্চলেই নহয়নে? গছ-ৰুই এই অৱবাহিকা অঞ্চলৰ পানী ধাৰণৰ ক্ষমতা বঢ়াওক আৰু বানপানীৰ প্ৰকোপ কমোৱাৰ সহায় কৰক।

বনভূমিক কাঠ যোগানৰ উৎস হিচাপে নধৰি পাৰিপাশ্বিকতা ৰক্ষাৰ আহিলা হিচাপে গণ্য কৰক। মনত ৰাখিব গছ-থাকিলেহে মানুহ থাকিব, সময়ৰ আহ্বানৰ লগত সুৰ মিলাই নিজৰ তথা দহৰ ও এখন দেশৰ সৰ্বতো প্ৰকাৰে মংগলৰ বাবে প্ৰত্যেক পৰিয়ালৰ প্ৰতি ব্যক্তিয়ে এজোপাকৈ বৃক্ষ-ৰোপণ কৰক।

বন বিভাগঃ অসম চৰকাৰ




# পূৰ্ব-ধাৰণা, সাম্প্ৰদায়িকতাবাদ আৰু বুৰঞ্জী চৰ্চা

যতীন্দ্ৰকুমাৰ বৰগোহাঞি

পানীৰ তলত লুকাই থাকিব পৰা বিদ্যা নিজৰ আয়ত্তৰ ভিতৰত থকা সত্ত্বেও দুৰ্যোধন দ্বৈপায়নৰ গৰ্ভত লুকাই থকা নাছিল। আপোন দুৰ্বুদ্ধিৰ বাবেই পানীৰ তলৰ পৰা ওলাই আহি স্বৰূপ প্ৰদৰ্শন কৰিছিল। ‘সূত্ৰধাৰ’ৰ পাতত বুৰঞ্জী চৰ্চাৰ মহান উদ্দেশ্যৰ পানীৰ তলত লুকাই থকা শ্ৰীলক্ষ্মী তামুলীৰ ‘লেবেল এক্সপাৰ্ট’ চৰিত্ৰৰ ৰঙটো ওলাই আহক বুলি আশা কৰিয়েই মই শ্ৰীতামুলীক ‘ওৰণি তলৰ সাম্প্ৰদায়িকতাবাদী’ বুলি কৈছিলো। মোৰ উদ্দেশ্য সফল হৈছে। যোৱা সংখ্যা (১-১৫ ছেপ্তেম্বৰ) সূত্ৰধাৰত শ্ৰীতামুলীয়ে মোৰ বিৰুদ্ধে হনা নিৰৰ্থক আক্ৰমণাত্মক বাক্যবিলাক বাদ দিলে তেওঁৰ বক্তব্যৰ সাৰমৰ্ম ওলাই পৰে, যি মৰ্ম কৌশলী সাম্প্ৰদায়িকতাবাদৰ আৰ্যীকৃত ৰূপ মাত্ৰ।।

তেওঁৰ বক্তব্যৰ সাৰমৰ্ম, নিজৰ ভাষাত, তলত দিয়া ধৰণৰঃ

“চুকাফাই গৃহ-কন্দলত তিষ্ঠিব নোৱাৰি পলাই অহা প্ৰব্ৰজনকাৰী আৰু সৌমাৰত আশ্ৰয় প্ৰাৰ্থীহে আছিল, সেই কথা মই ওপৰত উল্লেখ কৰা তথ্যৰ উৎসতে বিচাৰি পোৱা যাব। আক্ৰমণকাৰী নোহোৱাৰ বাবেই সৌমাৰত স্থানীয় বাসিন্দাৰ বাবে চুকাফা আৰু তেওঁৰ সতীৰ্থ সকল অধিক গ্ৰহণীয় আছিল। স্থানীয় বিৰোধ এৰাই চলাৰ অপূৰ্ব ৰাজনৈতিক দূৰদৰ্শিতাৰ প্ৰমাণ দিয়াৰ কাৰণেই উজনি অসমত ইতিমধ্যে আৰ্যীকৰণৰ প্ৰভাৱত গঢ়লৈ উঠা অসমীয়া ভাষা-সংস্কৃতিক চুকাফা আৰু তেওঁৰ সতীৰ্থ সকলে গ্ৰহণ কৰাৰ আগ্ৰহ তাগিদা বৃদ্ধি পাইছিল। এনে পাৰস্পৰিক সহিষ্ণুতা আৰু সহযোগিতাৰ জলবায়ুতে আৰ্যীকৰণৰ লগত অবিচ্ছেদ্য ভাবে থকা সামন্ত আৰ্হিৰ শাসন-ব্যৱস্থা প্ৰতিষ্ঠা কৰাত চুকাফা আৰু তেওঁৰ পৰৱৰ্তী বংশধৰ সকলৰ বাবে সুগম আৰু সহজসাধ্য হৈ পৰিছিল, কিয়নো চুকাফাইও সামন্তীয় আৰ্হিৰ এক সমৃদ্ধ সংস্কৃতি বহণ কৰি আনিছিল।’ (সূত্ৰধাৰ, ১-১৫ ছেপ্টেম্বৰ)

শ্ৰীতামুলীৰ এনে ধাৰণা সমূহৰ কোনো ঐতিহাসিক ভিত্তি নাই। প্ৰথম কথাটো অদৰকাৰী কুতৰ্ক এৰাই চলাৰ উদ্দেশ্যে বাৰু মানি ললো যে চুকাফাই আৰু তেওঁৰ সেনাবাহিনীয়ে ঘৰ-জোঁৱাই হিচাপে থাকি সৌমাৰত পাম পাতিলে। এনে এটা ধাৰণাকে ভদ্ৰ ভাষাত আমাৰ পাঠ্য-পুথি সমূহত দিয়াই হৈছে। কিন্তু কাৰ আশ্ৰয় চুকাফাই প্ৰাৰ্থনা কৰিছিল সেইটো নজনাটোহে দুৰ্ভাগ্যৰ কথা।

এইখিনি কথাৰ বাহিৰেও শ্ৰীতামুলীৰ বক্তব্যৰ সাৰমৰ্মত বুৰঞ্জীৰ ‘বু’টো নাই, আছে কিছুমান পূৰ্বধাৰণা প্ৰসূত কথা। তেওঁৰ মতে–

১। অসমলৈ চুকাফা অহাৰ আগতেই (তেওঁ ‘ইতিমধ্যে’ বুলি কৈছে) উজনি অসমত আৰ্যীকৰণৰ প্ৰভাৱত ‘অসমীয়া ভাষা কৃষ্টি’ৰ বিকাশ হৈছিল। উক্ত অসমীয়া ভাষাৰ (তেৰ শতিকাৰ আগৰ) ৰূপ কি আছিল তাৰ একো প্ৰমাণ নাই।

২। এই আৰ্যীকৃত অসমীয়া ভাষা-কৃষ্টিৰ অবিচ্ছেদ্য অংগ হিচাপে আৰ্যীকৃত বা আৰ্য সভ্যতাৰ অবিচ্ছেদ্য অংগ সামন্তবাদ অসমত আছিল।

৩। আগৰে পৰাই আৰ্যীকৃত সামন্ত আৰ্হি থকা বাবেই চুকাফাই লগত লৈ অহা ‘সামন্তীয় আৰ্হিৰ সমৃদ্ধ সংস্কৃতি’ উজনি অসমত প্ৰতিষ্ঠা কৰাটো সম্ভৱ হৈছিল। ‘আগৰে পৰা’ নাথাকিলে চুকাফাৰ বাবে বা বংশধৰ সকলৰ বাবে সম্ভৱ নহ’লহেঁতেন!

৪। চুকাফা আৰু তেওঁৰ বংশধৰ সকলৰ বাবে সামন্ত আৰ্হি প্ৰতিষ্ঠা কৰা ‘সুগম আৰু সহজসাধ্য’ আছিল। সংঘাত বা বিৰোধ হোৱা নাছিল।

চুকাফাই উন্নত সামন্তবাদ প্ৰতিষ্ঠা কৰিবলৈ সক্ষমো হোৱা নাছিল আৰু অসমত বিশেষ ৰাজ্য বিস্তাৰো কৰা নাছিল। নগাসকলৰ কিছুমান গাওঁ যুদ্ধত জয় কৰাৰ পিছত, ছলেৰে আৰু বুদ্ধিৰে সৌমাৰৰ একাংশত কেৱল ভেটি প্ৰতিষ্ঠা কৰিবলৈহে সক্ষম হৈছিল। চুকাফাৰ বংশধৰ সকলৰ বাবেও নিজৰ ৰাজ্য বিস্তাৰৰ পথ ‘সুগম’ নাছিল। বিশেষকৈ চুতীয়া আৰু কছাৰী সকলে তেওঁলোকৰ ৰাজ্য ৰক্ষা কৰিবৰ বাবে সুদীৰ্ঘকাল ধৰি যুঁজত লিপ্ত হৈছিল। সমগ্ৰ উজনি অসম দখল কৰিবলৈ প্ৰচেষ্টা কৰোতেই চুকাফাৰ বংশধৰ সকলৰ কেইবাটাও পুৰুষ পাৰ হৈ গৈছিল। প্ৰতাপ সিংহৰ দিনতহে ‘সামন্তবাদ’ প্ৰতিষ্ঠাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছিলগৈ।

শ্ৰীতামুলীয়ে উল্লেখ কৰা আৰ্যীকৃত অসমীয়া ভাষা-কৃষ্টি চুকাফাৰ আগৰে পৰা থকাটো এটা উদ্ভট ধাৰণা। উপকথাত এনে ধাৰণা সমূহ ভৰি আছে। অসমীয়া ভাষা-কৃষ্টিৰ বিকাশৰ গতিপথ উপকথাৰ দ্বাৰা নিৰ্ণীত হোৱা নাই। নিৰ্ণীত হৈছে জন-জাতি সমূহৰ মাজত হোৱা আৰ্থিক বিনিময় (বস্তু বিনিময় —Barter exchange) আৰু সীমিত পৰিমাণৰ মৌদ্ৰিক বিনিময়, সামাজিক আদান-প্ৰদান, সাংস্কৃতিক আদান-প্ৰদান আৰু ধৰ্মীয় সম্প্ৰসাৰণৰ দ্বাৰা। এই বিভিন্ন ধৰণৰ আদান-প্ৰদান এটা ‘তুলনামূলক সুস্থিৰ’ আৰু সীমাৰ মাজত থকা ব্যৱস্থাত কেইশ মান বছৰ চলাৰ পাছত অসমত এটা কথিত ভাষা গঢ় গৈছিল, এই কথিত ভাষাটোক লিখিত ৰূপ দিওঁতে আহোম ৰাজতন্ত্ৰৰ ভিতৰত – চুকাফাৰ পিছত কেইবাশও বছৰ পাৰ হৈ গৈছিল। আনহাতে ধৰ্মীয় আৰু সাংস্কৃতিক আদান-প্ৰদান বিস্তৃত ৰূপত অসমত হওঁতে চুকাফাৰ বংশধৰ সকলৰ প্ৰায় আধা ভাগৰ জীৱনকাল পাৰ হৈ গৈছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ কালৰ ভাষা ব্ৰজবুলি। ভাওনা, সবাহ, গীত-মাত আদিয়ে এই নৱ-বৈষ্ণৱ যুগত অসমীয়া ভাষাক ৰূপ দিয়াত গভীৰ আৰু ব্যাপক প্ৰভাৱ বিস্তাৰ কৰি গৈছে। বুৰঞ্জী তথা ভাষাতত্ত্বই এইবোৰ কথা পৰ্যালোচনা আৰু প্ৰমাণ কৰাৰ বাবে সমল যোগান ধৰিব পাৰিব। চুকাফাৰ আগতে এই ঘটনাবোৰ হোৱা নাছিল।

শ্ৰীতামুলীয়ে চুকাফাৰ পূৰ্বতেই অসমত চলা অসমীয়া ভাষা-কৃষ্টিৰ কথা কৈয়েই ক্ষান্ত থকা নাই। তেওঁ এটা আৰ্যীকৃত সামন্তবাদী আৰ্হিৰ কথাও কৈছে। এই আৰ্হিটো কেনে আছিল, কোন কোন ৰাজ্যত প্ৰতিষ্ঠা হৈছিল আৰু তাৰ মূল চালিকা শক্তি কেনে ধৰণৰ আছিল, সেই সম্পৰ্কে কোনবোৰ ইতিহাসত অধ্যয়ন কৰিবলৈ পোৱা যাব আমাক জানিবলৈ দিলে ভাল

OKDISCD

হয়। বিশেষকৈ উজনি অসমত থকা আহোমপূৰ্ব যুগৰ সামন্তবাদ সম্পৰ্কে কত তথ্য-পাতি পোৱা যায় – জনা হলে মোৰ যথেষ্ট উপকাৰ হ'লহেঁতেন। সেয়ে শ্ৰীতামুলীয়ে চুকাফাৰ আগতে, চুকাফা আহি ৰাজ্য বিস্তাৰ কৰা অঞ্চলত আৰ্য-কৃষ্টি সভ্যতা তথা সামন্তবাদৰ প্ৰসাৰ ঘটোৱা ৰজা, সম্প্ৰদায় তথা তন্ত্ৰৰ এটা বিবৰণ কোনো আধাৰ থকা বুৰঞ্জী কিম্বা আধাৰ থকা সমলৰ ভিত্তিত দাঙি ধৰিলে ভাল হয়।

শ্ৰীতামুলীয়ে ব্যক্তিগত যুঁজ এখন বুৰঞ্জীৰ বিশ্লেষণৰ লগতে চলাই গৈছে। তেওঁৰ মতে মোক লগ পালেই গম পায় যে মোৰ গাটো আহোমৰ তেজ থকা আহোমৰ তেজ থকা গোন্ধায়। চুকাফাই তিনি গৰাকী ৰাণী লগত অনা কথাটো উল্লেখ কৰাটো বোলে 'বিশুদ্ধ তেজ'ৰ ধাৰণাৰ বশবৰ্তী হৈহে কৰিলো! বাকী বেলবেলনি বিলাকৰ উত্তৰ দিয়াৰ প্ৰয়োজন মই বোধ কৰা নাই। তেজৰ বিশুদ্ধতাত বিশ্বাসী সকলৰ ধ্যান-ধাৰণা অনুসৰি নিজ নিজ বংশৰ ৰজা সকলৰ তথা ৰাজতন্ত্ৰৰ কোনো ভ্ৰান্তি নাই, সেইবোৰ শোষণ কেন্দ্ৰিক নহয়! মই সেইদৰে নাভাবো। প্ৰতিটো ৰাজতন্ত্ৰই কম-বেছি পৰিমাণে শোষণ-কেন্দ্ৰিক। পাৰ্থক্য মাত্ৰাৰহে। আহোম ৰাজতন্ত্ৰৰ শোষণ-কেন্দ্ৰিক আৰ্থ-সামাজিক ৰূপটোহে মই বিশ্লেষণ কৰিছো – তাৰ বাবে আহোম সকলৰ বীৰত্ব, মহানুভবতা আৰু দূৰ-দৃষ্টিকো কথাই অকথাই আঘাত হানিব লাগিব বুলি মই ভবা নাই। কিন্তু 'আৰ্যীকৃত' ভাষা-কৃষ্টি তথা সভ্যতাক অতি উচ্চ পৰ্যায়ৰ বুলি প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা কৰা সকল নিজে এক 'বিশুদ্ধতা'ৰ ৰোগত দীৰ্ঘম্যাদী ভাবে ভুগিছে। তেওঁলোকে আহোম ৰাজতন্ত্ৰৰ বস্তুগত আৰু সাংস্কৃতিক অৱদানক হেয় প্ৰতিপন্ন কৰিবৰ বাবে প্ৰচেষ্টা কৰিছে আৰু ফলস্বৰূপে বস্তুনিষ্ঠ আলোচনাৰ ভেটি দিনে দিনে টুটি আহিছে। তেজৰ বিশুদ্ধতাৰ এই ভ্ৰান্ত পথিক সকলে নিজকে শুধৰোৱা ভাল। তথাকথিত 'অনাৰ্য'ক হেয় কৰিবলৈ এটা অৰ্থ-আৰ্হি বিচাৰি ফুৰাৰ কোনো প্ৰয়োজন বৰ্তমান নাই।

অসমৰ অৰ্থনৈতিক ইতিহাসত মই উত্থাপন কৰা বক্তব্য শ্ৰীতামুলীৰ মত-পাৰ্থক্যৰ বাবেই মই পৰিহাৰ নকৰো। শ্ৰীতামুলীৰ শব্দৰ আৰু বাক্যৰ আঁহফলা বিশ্লেষণত দক্ষতা আছে; কিন্তু সীমাবদ্ধ পৰিসৰৰ মাজত কৰা কাম এটাৰ মূল্যায়ন কৰোতে, কৰোতাজনে কোনবোৰ সীমা নিজে স্বীকাৰ কৰি লৈছে সেইটোও গুৰুত্ব সহকাৰে লোৱা দৰকাৰ। তথ্য-পাতি সম্পৰ্কীয় খেলিমেলি আৰু কিছুমান বুৰঞ্জীৰ সংগতিহীন বক্তব্য সমূহৰ বিষয়ে মই নিজে অজ্ঞাত নহয়। সেই দিশটো মই পৰ্যালোচনা কৰা নাই। মই তথ্য-পাতিৰ সত্যতাও গভীৰ ভাবে পৰীক্ষা কৰাৰ দৰকাৰ আছে বুলি ভাবো। কিন্তু কিছুমান বুৰঞ্জী ভ্ৰান্ত বুলি বা কিছুলোকৰ কথা সম্পূৰ্ণ মনে সজা আৰু আধাৰহীন বুলি মই ক'ব নোখোজো। তাৰ অৰ্থ এইটো নহয় যে সকলোবোৰ কথাকে সত্য বুলি গ্ৰহণ কৰিব লাগিব।

অসমৰ ভাষা-কৃষ্টিৰ ইতিহাস সম্পৰ্কে শ্ৰীতামুলীৰ বক্তব্য (ওপৰত উদ্ধৃত) মই শুদ্ধ বুলি নাভাবো। বুৰঞ্জীমূলক বুলিও নাভাবো। অসমৰ সীমা সম্পৰ্কে তথা ইংৰাজৰ দিনত গঢ় লোৱা অসম সম্পৰ্কে মোৰ দৃষ্টি-ভংগী তেওঁৰ লগত মিলে বুলি নাভাবো। বিবৰ্তনৰ পথেদি অসমীয়া ভাষা-কৃষ্টি তথা জাতীয়তাৰ আৰোহণ প্ৰক্ৰিয়াত তথাকথিত 'বিশুদ্ধ তেজ'ৰ আৰ্য কিম্বা আৰ্যীকৃত আৰু মংগোলীয়ৰ অৱদান ক'তো বিশুদ্ধ হৈ থকাৰ কথা বুৰঞ্জীয়ে প্ৰমাণ নকৰে। সমন্বয়ৰ মাজেদি ইয়াৰ বিকাশ হৈছে। এই সমন্বয়ৰ এটা ঢাপ আহোম ৰাজতন্ত্ৰই প্ৰথম চাৰিশ বছৰ মানতহে অতিক্ৰম কৰিছিল। হঠাৎ, চুকাফাৰ দিনতে সেইটো সম্ভৱ হোৱা নাছিল।

প্ৰকৃত অৰ্থত 'বিশুদ্ধ তেজ'ৰ ধাৰণাটোৱেই অবৈজ্ঞানিক আৰু মূৰ্খামিৰ পৰিচায়ক। আহোমে আহোমক বিয়া কৰালে বিশুদ্ধ তেজৰ হ'ব, অনা-আহোম বিয়া কৰালে অশুদ্ধ হ'ব বা জাত-কুল গুচিব তেনে ধাৰণা সাম্প্ৰদায়িক সকলৰ মনৰ মাজত গভীৰ ভাবে শিপাই আছে।

আনহাতে, ইংৰাজৰ দিনত গঢ় লোৱা মধ্যবিত্ত সুলভ চিন্তাৰ যুগটোত অসম আৰু অসমীয়া ভাষা-কৃষ্টিয়ে যিটো ৰূপ পৰিগ্ৰহ কৰিলে, সেই ৰূপটোৰ আৱয়বিক সীমাটোৰ পৰা আমাৰ বেছিভাগৰে বৌদ্ধিক দৃষ্টি ভংগী মুক্ত নহয়। তাৰ ফল স্বৰূপে আমি 'অসমীয়া' আৰু 'অসম' বুলি কওঁতে বিমূৰ্ত, দুৰ্বোধ্য কিবা এটাৰ অন্বেষণত হামৰাও কাঢ়ি মৰিছো। মই আগৰ লেখাতে ইয়াৰে ইংগিত দাঙি ধৰিছো।

মই ভবাৰ ওপৰত এই কথাবোৰ নিৰ্ভৰ কৰা নাই। আহোম ৰাজতন্ত্ৰৰ বাহিৰত থকা (দীৰ্ঘকালৰ বাবে) উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহ তথা পাৰ্বত্য অঞ্চল সমূহ, কোচবিহাৰক কেন্দ্ৰ কৰি সভ্যতা-সংস্কৃতিৰ এক উচ্চ সৌধ গঢ়ি তোলা কোঁচ ৰাজ্য, জন-জাতি প্ৰধান ভূটানৰ সীমান্ত অঞ্চল –আদিক ১২২৬-ৰ পৰা ১৮২৬ খৃঃ-ৰ ভিতৰৰ অসমত সুমুৱাই লোৱাৰ পক্ষপাতী মই নহয়। এইবোৰৰ ক্ষেত্ৰত সুকীয়া বিশ্লেষণ দৰকাৰ।

মই এইটোও কোৱা নাই যে 'অসমৰ অৰ্থনৈতিক ইতিহাস'ত মই ব্যৱহাৰ কৰা তথ্য-পাতিৰ সকলোখিনি শুদ্ধ, পৰীক্ষিত। পুনৰ অধ্যয়নৰ জৰিয়তে ইয়াৰ অসম্পূৰ্ণতা মই দূৰ কৰিবলৈ প্ৰচেষ্টা কৰিছো আৰু দ্বিতীয় সংস্কৰণত সেয়া প্ৰকাশ পাব। উক্ত গ্ৰন্থত থকা মোৰ বক্তব্য মানি লবলৈ মই কাকো জোৰ দিয়াও নাই, মাত্ৰ মোৰ নিজা বক্তব্য হিচাপেহে তুলি ধৰিছো।

এই প্ৰসংগত উল্লেখ কৰি থোৱা ভাল হ'ব যে 'তেজৰ বিশুদ্ধতাত' বিশ্বাসী সকলৰ বিৰুদ্ধে, মোৰ সীমিত জ্ঞানেৰে, মোৰ আন এখন গ্ৰন্থত কেইবা বছৰো আগতে বহল ভাবে আলোচনা কৰিছো। তাক দোহৰাৰ প্ৰয়োজন বোধ কৰা নাই।

মই 'আৰ্যবাদী' আৰু 'মংগোলীয়বাদী' এই দুয়ো ধৰণৰ চিন্তাই বাদ দিয়া উচিত বুলি বিবেচনা কৰো। প্ৰতিটো কথাকে 'আৰ্যীকৃত' ৰূপ এটা দি বিকৃত কৰাৰ প্ৰয়াসে আমাক ইতিমধ্যে ধ্বংস কৰিলে। শেহতীয়া ভাবে শ্ৰীতামুলীও এই আৰ্যবাদী বিশুদ্ধ তেজৰ আমদানি কৰোতা সকলৰ সমৰ্থক হৈ পৰিছে বুলি মোৰ সন্দেহ ঘনীভূত হৈছে। চুকাফা অহাৰ আগতেই উজনি অসমত আৰ্যীকৃত অসমীয়া ভাষা-কৃষ্টিৰ উমান পোৱাটো তাৰেই প্ৰমাণ বুলি কোৱাৰ থল আছে।

এনে বিকৃত চিন্তাবিলাকৰ প্ৰতিক্ৰিয়া হিচাপে যে মংগোলীয়বাদী চিন্তা নোলাব সেই কথা কোৱাৰ পৰা মই বিৰত থকাই উচিত বিবেচনা কৰিলো। কাৰণ সেই মতবাদটোও মই সমৰ্থন নকৰো। মংগোলীয়বাদী আৰু আৰ্যবাদী সকলৰ তাত্ত্বিক আৰু বাহুবলভিত্তিক এখন সংঘাতৰ থলী ইতিমধ্যে অসমৰ মাটিত গঢ়লৈ উঠিছে। তাত শ্ৰীতামুলীৰ দৰে ইতিহাসবিদে এটা সমন্বয়মুখী ধাৰা প্ৰবাহিত কৰিব পাৰিলেহে সকলোৰে মংগল হ'ব। প্ৰতিটো কথাতে অধিক মাত্ৰাত আৰ্যীকৃত ৰূপ দিবলৈ কৰা প্ৰচেষ্টাই বৰং প্ৰতিক্ৰিয়া বঢ়াবহে, সমন্বয় বঢ়োৱাত সহায় নকৰে।□


*(এই বিতৰ্কৰ ইমানতে সামৰণি মৰা হ'ল। এই সম্পৰ্কে আৰু কোনো বাদানুবাদ প্ৰকাশ কৰা নহ'ব। সম্পাদক, সূত্ৰধাৰ)*





# 'অশান্ত প্ৰহৰ'– এখন উপভোগ্য ছবি

শিৱ প্ৰসাদ ঠাকুৰ পৰিচালিত আৰু নিজৰা ঠাকুৰ আৰু লীনা ডেকা প্ৰযোজিত ছবি 'অশান্ত প্ৰহৰ'ৰ প্ৰিমিয়াৰ শ্ব' চালো। কাঞ্চন বৰুৱাৰ একে নামৰ বহু পঠিত উপন্যাসখনৰে চিত্ৰ ৰূপ আছিল 'অশান্ত প্ৰহৰ'। বহুদিনৰ পিছত সুস্থ দৃষ্টিভংগীৰ অসমীয়া ছবি এখন উপভোগ কৰাৰ প্ৰশান্তি অনুভৱ কৰিও অলপ খেদ যেন মনত ৰৈ গ'ল। ছবিখনে কোনো স্পষ্ট মেছেজ দাঙি নধৰিলে। জ্যোতিৰ মৃত্যুৰ লগে লগে ছবিখন এনেভাবে শেষ হ'ল যেন ছবিখন জ্যোতিৰ জীৱনী চিত্ৰহে। তদুপৰি আৰম্ভণীতে দেখুওৱা হিংসা আৰু অহিংসাৰ মাজৰ দ্বন্দ্বই ছবিৰ শেষত কোনো পৰিণতি লাভ নকৰিলে। আচলতে কাৰ জয় হ'ল– অহিংস জ্যোতিৰ নে হিংসাশ্ৰয়ী মুকুলহঁতৰ, মুকুলহঁতে শেষত জ্যোতিৰ পথকে গ্ৰহণ কৰিলে নেকি– আদি প্ৰশ্নবোৰে স্বাভাৱিকতে ইয়াৰ উত্তৰ ছবিখনৰ পৰা নাপায়। ছবিখনত স্বাধীনতা সংগ্ৰাম, জ্যোতি-মুকুলহঁতৰ আদৰ্শৰ সংঘাত অথবা জ্যোতি-অহল্যাৰ প্ৰেম-বিৰহ– এই আটাইবোৰ যেন কিছু বিক্ষিপ্ত ভাবে উপস্থাপিত হ'ল। যি অদৃশ্য সূত্ৰই এইবোৰ উপাদানক ধৰি ৰাখিব লাগিছিল, সেই সূত্ৰডালেই যেন পৰিচালকে হেৰুৱাই পেলালে। কাহিনীৰ গতিও প্ৰথম ছোৱাৰ তুলনাত শেষৰ ফালে দ্ৰুত হ'ল। পৰিচালক ঠাকুৰে কাঞ্চন বৰুৱাৰ উপন্যাসখনৰ অবিকল চিত্ৰৰূপ নিদি চলচ্চিত্ৰায়নৰ প্ৰয়োজনত চিত্ৰনাট্যৰ পৰিবৰ্ধন আৰু কিছু পৰিবৰ্তন ঘটালে অধিক সফল ছবি এখন আমাক উপহাৰ দিব পাৰিলেহেঁতেন বুলি আমি ভাবো।



*'অশান্ত প্ৰহৰ'ৰ এটা মুহূৰ্তত পূৰবী শৰ্মা ভট্টাচাৰ্য আৰু কাশ্মিৰী শইকীয়া বৰুৱা*

থূলমূলকৈ ছবিখনৰ কাহিনীটো এনে– স্বাধীনতা সংগ্ৰামৰ যুগৰ ডেকা জ্যোতি, মুকুল, চিৰাজহঁতো স্বাধীনতা সংগ্ৰামৰ অংশীদাৰ হ'ল। কিন্তু সকলো ঠাইতে হোৱাৰ দৰে জ্যোতি-মুকুলহঁতৰ মাজতো পন্থাৰ মতভেদে দেখা দিলে। জ্যোতিৰ অহিংসাৰ আদৰ্শ চিৰাজহঁতে মানি নল'লে। জ্যোতিয়ে মুকুল-চিৰাজহঁতক বুজাবলৈ চেষ্টা কৰি বিফল হ'ল। এদিন আৰ্মি ৰেল এখন বগৰাবলৈ যোৱা মুকুলহঁতক বাধা দিবলৈ যাওঁতে ঘটনাক্ৰমে জ্যোতি গুলিবিদ্ধ হয় আৰু অহল্যাৰ ঘৰত আশ্ৰয় লবলগীয়া হয়। কলেজীয়া জীৱনতে অহল্যাৰ সৈতে জ্যোতিৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। অত্যন্ত আঢ্যবন্ত পৰিয়াল এটাৰ একমাত্ৰ জীয়ৰী, প্ৰচণ্ড অভিমানী স্বভাৱৰ অহল্যাই এটা সামান্য কথাতে জ্যোতিৰ লগত সম্পৰ্ক ছেদ কৰে। নিজৰ মনৰ সৈতে যুঁজিব লগা হোৱা সত্ত্বেও অহল্যাই জ্যোতিৰ প্ৰতি দুৰ্বলতা দেখুওৱাটো মৰ্যাদাৰ প্ৰশ্ন হিচাপে লয়। ইফালে জ্যোতিয়েও অহল্যাৰ মনৰ কথা বুজিব নোৱাৰি আৰু বেছি বেছিকৈ সামাজিক ৰাজনৈতিক কাম-কাজত জড়িত হৈ পৰা হেতুকে অহল্যাৰ কথা পাহৰিবলৈ চেষ্টা কৰে। পিছত গুলিবিদ্ধ জ্যোতিয়ে অহল্যাৰ ঘৰতে আশ্ৰয় লোৱাত অহল্যাই পূৰ্বৰ সকলো কথা পাহৰি জ্যোতিক শুশ্ৰূষা কৰে আৰু জ্যোতিৰ প্ৰতি নিজৰ মনোভাব ব্যক্ত কৰে। কিন্তু জ্যোতিয়ে নিজৰ



*'অশান্ত প্ৰহৰ'ৰ এটা দৃশ্যত চন্দ্ৰ নাৰায়ণ বৰুৱা আৰু ৰবীন ডেকা*

অনিশ্চিত ভৱিষ্যতৰ কথা ভাবি অহল্যাক অস্বীকাৰ কৰে। অপমানিত অহল্যাৰ প্ৰেমে এইবাৰ সৰ্বনাশী ৰূপ ধৰি জ্যোতিক পুলিচক ধৰাই দিয়ে। পিছত বিচাৰৰ প্ৰহসনৰ অন্তত জ্যোতিৰ ফাঁচি হয়।

কাহিনীৰ ক্ষেত্ৰত থকা অসম্পূৰ্ণতা বাদ দিলে 'অশান্ত প্ৰহৰ'ৰ চলচ্চিত্ৰায়ন প্ৰায় নিখুঁত হোৱা বুলিয়ে ক'ব লাগিব। ঐতিহাসিক প্ৰেক্ষাপটত নিৰ্মিত ছবি এখনৰ দৃশ্যাংশ, সাজ-পোছাক বা পৰিবেশ সৃষ্টি আদিৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়; পৰিচালকে এই ক্ষেত্ৰত সফলতা লাভ কৰিছে। বিজয় আনন্দ চাৱেৱালৰ চিত্ৰ গ্ৰহণ সামগ্ৰিক ভাবে সুন্দৰ। শব্দ গ্ৰহণ আঁসোৱাহপূৰ্ণ– মাজে মাজে সংলাপ অস্পষ্ট হৈ পৰিছিল। ড০ ভূপেন হাজৰিকাৰ সংগীতত আমি একো নতুনত্ব বিচাৰি নোপোৱাটোৱে আমাক হতাশ কৰিছে। সময়ৰ নে ঠিক কিহৰ অভাৱত তেওঁ পুৰণি গীত কেইটিকে ব্যৱহাৰ কৰিব লগা হ'ল নুবুজিলো। অৱশ্যে গীতৰ প্ৰয়োগ সুন্দৰ। তথাপি এই সুযোগতে আমি তেওঁৰ দ্বাৰা নতুন সৃষ্টিৰ আশা কৰিছিলো।

অভিনয়ৰ ক্ষেত্ৰত 'পুলিচ বিষয়া' ৰবীন ডেকা আৰু পূৰবী শৰ্মা ভট্টাচাৰ্যৰ অভিনয়ে মন টানি নিছিল। সমস্যা-জৰ্জৰ এগৰাকী পুলিচ বিষয়াৰ বিভিন্ন সময়ৰ বিচিত্ৰ মানসিক অৱস্থাৰ সফল প্ৰতিফলন ঘটিছে ৰবীন ডেকাৰ সুন্দৰ অভিনয়ত। আনহাতে পূৰবী শৰ্মা ভট্টাচাৰ্যইও অভিমানিনী, জেদী, ধনীৰ দুলালী এগৰাকীৰ চৰিত্ৰত বিশ্বাসযোগ্য অভিনয় কৰিছে। বিশেষকৈ অন্তৰংগ দৃশ্য সমূহত পূৰবী শৰ্মা ভট্টাচাৰ্য বিশেষভাৱে সফল হৈছে। বিজু ফুকন, দুৰ্গেশ্বৰ বৰঠাকুৰ, কাশ্মিৰী শইকীয়া, চন্দ্ৰ নাৰায়ণ বৰুৱা আদিয়ে নিজ নিজ চৰিত্ৰ দক্ষতাৰে ফুটাই তুলিছে। বিজু ফুকনে অংশ গ্ৰহণ কৰা গানৰ দৃশ্যটো (স্নেহে আমাৰ ............) অতি প্ৰাণবন্ত হৈছে। বিজু ফুকনৰ ওঁঠ আৰু ডিঙিৰ মুভমেন্ট লক্ষ্য কৰিলে এনে লাগে যেন গীতটো তেঁৱেই গাইছে। অন্যান্য সৰু বৰ প্ৰায় আটাইবোৰ চৰিত্ৰৰে অভিনেতা অভিনেত্ৰীসকলে চৰিত্ৰানুগ অভিনয় কৰিছে।

সু-অভিনীত আৰু উপভোগ্য ছবি এখন উপহাৰ দিয়াৰ বাবে শিৱ প্ৰসাদ ঠাকুৰ ধন্যবাদাৰ্হ।

সবিতা লহকৰ


## এক অমূল্য সম্ভাৰ

আজিয়েই পঢ়ক! কালিলৈনো কিয়?
কোনেনো জানে? কাইলৈ কি হ'ব?

বিপ্লৱাত্মক ভাবাদৰ্শৰ বুদ্ধিজীৱী আৰু বৈজ্ঞানিক; ১৯৭৭-৭৮ চনৰ অসমৰ সৰ্বপ্ৰথম সৎ-আঞ্চলিকতাবাদ আৰু অসমৰ সৎ-জাতীয়তাবাদী বিশ্ববিশ্ৰুত আলোড়নৰ প্ৰতিষ্ঠাতা তথা বাটকটীয়া সু-চিকিৎসক ৰূপে অসম বিখ্যাত ডাঃ **নেছাৰ আহমেদ দেৱৰ** নিৰ্ভেজাল খাটী জাতীয়তাবাদী কলমেৰে নিগৰি ওলোৱা সু-স্বাদু অমৃতসম অসম প্ৰেম আৰু অসমৰ নতুন পুৰুষলৈ জনোৱা আহ্বান সম্বলিত গীতি-কবিতাৰ এক অমূল্য আৰু অনন্য সম্ভাৰ –আটকধুনীয়া বেটুপাতেৰে প্ৰকাশ পালে।

১। মোৰ মন সমুদ্ৰৰ ঢৌ – বেচ ১৩.00 টকা
২। আল-কোৰআনৰ অসমীয়া ভাঙনি – খনে ১৫ টকা (১ম আৰু ২য় খণ্ড)
৩। পঞ্জছুৰাৰ অসমীয়া ভাঙনি – খনে ৫.00 টকা

**পোৱা ঠাই সমূহ :**– ষ্টুডেন্টছ লাইব্ৰেৰী, কল্পনা বুক ষ্টল, শৰ্মা বুক হাউছ, শৰ্মা বাতৰি প্ৰতিষ্ঠান পানবজাৰ, মহন্ত বুকষ্টল পল্টনবজাৰ, অৰুণোদয়, আমবাৰী, এন্টাৰপ্ৰাইজ কিতাপঘৰ শিলপুখুৰী, দি বি এন্টাৰপ্ৰাইজ চান্দমাৰী, তদুপৰি দিছপুৰ, বশিষ্ঠ, বেলতলা, বামুনী ময়দান, ভৰলুমুখ, মাছখোৱা আদি।

জোলজালাল জেলিকাদ প্ৰকাশন
মাৰফৎ– জেউতি ক্লিনিকছ বিল্ডিং
কুমাৰপাৰা, এফ এ পথ, গুৱাহাটী
পিন-৭৮১00৯






# বৃদ্ধ বয়সৰ দিনবোৰ

নিজৰা ভৰালী

বয়সৰ লগত সামাজিক আৰু মানসিক দুয়োটা সমস্যাৰে নিবিড় সম্বন্ধ আছে। বৃদ্ধ বয়স পোৱাৰ লগে লগে এই সমস্যা দুটাই বেছিভাগ মানুহকে আৰু বেছি ধৰণে আৱৰি ধৰে। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে বয়সৰ লগত তাল মিলাই চলিব জানিলে জীৱনতো উপভোগ কৰাটো আনন্দ আছে।

বিদেশত বৃদ্ধ বয়সৰ বাবে মানুহ বেছ চিন্তিত হোৱা দেখা যায়। সমাজৰ পৰিবৰ্তনৰ বাবে যুটীয়া পৰিয়ালবোৰ ভাগি গৈছে আৰু এই সমস্যাটোৱে আৰু জটিল ৰূপ ধাৰণ কৰিছে। সেই বাবে সকলো ঠাইতে 'হোম' স্থাপিত হৈছে। আমাৰ অসমত তেনেকুৱা অৱস্থা এটা পোৱাহি নাই যদিও বুঢ়া মানুহক লৈ আন নানা ধৰণৰ সমস্যাৰ সৃষ্টি হোৱা দেখা গৈছে।

আজিৰ এই ব্যস্ততাৰ যুগত ল'ৰা-ছোৱালী বা নাতিহঁতৰ ককাক আইতাকৰ লগত বহি মেল মাৰি সাধু শুনি থাকিবৰো সময় নাইকিয়া হ'ল। সকলোৱে নিজ নিজ কাম যন্ত্ৰৰ দৰে কৰি নাথাকিলে জীৱন নিৰ্বাহ কৰা অসম্ভৱ হৈ পৰিছে। কিন্তু তাৰ মাজতে বয়সিয়াল লোকসকলে এষাৰ মৰমৰ মাত বা আদৰ যত্ন আশা কৰে। দৰাচলতে এয়া প্ৰাপ্যও। কাৰণ তেওঁলোকৰ জীৱনৰ শ্ৰেষ্ঠ সময়খিনি ল'ৰা-ছোৱালী কেনেকৈ ভৱিষ্যত জীৱনৰ বাবে উপযুক্ত কৰি তুলিব তাৰ চেষ্টাতেই পাৰ কৰি দিয়ে।

বয়সিয়াল লোকসকলক শ্ৰদ্ধা কৰা আৰু তেখেতসকলৰ অভিজ্ঞতাক মূল্য দিয়াটো আজিকালি একেবাৰে কমি গৈছে। আজিৰ ল'ৰা-ছোৱালীয়ে বৃদ্ধলোক সকলক আগৰ দৰে সন্মান দিয়াত একেবাৰে অনিচ্ছুক। আমি সকলোৱে জানো যে বয়স বঢ়াৰ লগে লগে মানুহৰ কৰ্মক্ষমতা যিদৰে কমি যায়, সেইদৰে স্মৰণ শক্তিও বহুতখিনি কমি যায়। বহুতো ক্ষেত্ৰত সৰু ল'ৰা-ছোৱালীৰ দৰে অবুজ হৈ পৰে বাবেই বৃদ্ধ বয়সটোক দ্বিতীয় শৈশৱ বুলি কোৱা হয়। কিন্তু সকলোৱে এই কথাটো মানি লবলৈ টান পায়। তাৰ ফলতে নানা সমস্যাৰ সৃষ্টি হয়। দেখাত যদিও এইটো একো ডাঙৰ সমস্যা নহয় যেন লাগে তথাপিও ইয়াৰ ভিতৰতে বহুতো লোকৰ দুখ কষ্ট আশা নিৰাশা লুকাই থাকে। সেই বাবে দুই পক্ষই উদাৰ মনেৰে সকলো কথা মানি ললে ঘৰলৈ শান্তি অহা সম্ভৱ।

প্ৰথমে আমি সকলোৱে মনত ৰাখিব লাগিব যে আমি সকলোৱে এদিন বুঢ়া হম। আমি এই বয়সত পৰিয়ালৰ পৰা যিটো আদৰ সাদৰ বিচাৰো বা আনকো দিওঁ বৃদ্ধ সকলেও নিশ্চয় সেইটো আশা কৰে। কোনো কোনো কথাত তেওঁলোক অবুজ হ'লেও আমি বুজাই বঢ়াই তেখেত সকলক মান্তি কৰাব লাগিব বা ক্ষমা কৰিব লাগিব। বয়সস্থ লোকৰ চাকৰি বা পদ-মৰ্যাদালৈ নাচাই তেখেতৰ বয়সকহে আমি সন্মান কৰিবলৈ শিকিলে আমাৰ চিন্তাধাৰা বহুত সলনি হব। বৃদ্ধলোক সকলে নিজকে এনেয়ে অসমৰ্থ পৰিয়ালৰ একো কামত নলগা বুলি মনতে ভাবি থাকে। তেখেত সকলে কৰিব পৰা সৰু সুৰা কাম থাকিলে কৰিবলৈ দি মনত উৎসাহ দিব লাগে। তেখেত সকলে যে আমাৰ সংসাৰৰ বাবে কিমান প্ৰয়োজনীয় তাক আমি আমাৰ কামৰ মাজেদি তেখেত সকলৰ মনত সুমুৱাই দিব পাৰিব লাগিব। সৰু ল'ৰা-ছোৱালীৰ দোষ ত্ৰুটিবোৰ যিদৰে আমি চকু নিদিওঁ সেইদৰে আমি বয়সস্থ লোককো চাব পাৰিব লাগে। এটা পৰিয়ালত বয়সিয়াল লোকৰ কিমান প্ৰয়োজন তাক সকলোৱে টানে আপদেহে ভালদৰে বুজি পায়। তেখেত সকলে সংসাৰখন একতাৰ ডোলেৰে বান্ধি ৰাখে। মাক দেউতাক দুয়ো চাকৰি কৰিলে ককাক আইতাক থাকিলে কোনো চিন্তা নাই। অকলশৰীয়া পৰিয়ালত কেঁচুৱা ল'ৰা-ছোৱালীক থৈ কামলৈ ওলাই যোৱাটো এটা ডাঙৰ চিন্তা। বহুতো কম দৰ্মহাত পোৱা সৰু ছোৱালীৰ লগত কেঁচুৱা থৈ যাবলৈ বাধ্য হয়। কিন্তু সৰু ছোৱালীৰ লগত কেঁচুৱা থৈ যোৱা যে কিমান বিপদজনক তাক ভুক্তভোগীয়েহে জানে। আজিকালি বহুতে মাক শাহুৱেক সকলক ল'ৰা-ছোৱালী ৰখা আয়াৰ দৰে ব্যৱহাৰ কৰা হয় বুলি অভিযোগ কৰে। দুই ফালৰ পৰা বুজা বুজিৰ মাজত চলিলে সেই ভাবটো কাৰো মনলৈ নাহে। মাক-দেউতাক সকলেও ল'ৰা-ছোৱালীৰ দায়িত্ব সম্পূৰ্ণভাবে ককাক আইতাকৰ হাতত নিদি, বাহিৰত ব্যস্ত থাকিলেও সংসাৰ আৰু ল'ৰা-ছোৱালীৰ প্ৰতি ভালদৰে চকু ৰাখিব পাৰিব লাগে। যিবিলাক পৰিয়ালত ককাক আইতাক থাকে, সেইবোৰ ল'ৰা-ছোৱালীয়ে বহুতো কথা শিকিব পাৰে। কাৰণ আজিৰ এই ব্যস্ততাৰ যুগত মাক-দেউতাকে ল'ৰা-ছোৱালীৰে বেছি কথা পাতিবৰ সময় নাপায় বা ইচ্ছাও নকৰে। আইতাক ককাকহঁতে নাতিহঁতৰ নানা প্ৰশ্নৰ উত্তৰ ধৈৰ্য ধৰি দি থাকিব পাৰে। আমি বয়সিয়াল লোকৰ প্ৰতি যি আচৰণ কৰো আমাৰ ল'ৰা-ছোৱালীয়েও তাকে শিকিব। সেইবাবে বয়সিয়াল লোকক সন্মান কৰা, বাছে মটৰে বহিবলৈ সুবিধা কৰি দিয়া ইত্যাদি আমি তেওঁলোকক সৰুৰে পৰা শিকাব লাগিব।

বয়সস্থ লোক সকলেও সেইদৰে বয়স হৈছে বাবে জীৱনটো শেষ হ'ল বুলি ভাবিলে নচলিব। কোন কিমান দিন জীয়াই থাকিব কোনেও ক'ব নোৱাৰে। থকা দিন কেইটা শাৰীৰিক আৰু মানসিক ভাবে শান্তিৰে থাকিবলৈ সকলোৱে চেষ্টা কৰা উচিত। চাকৰি জীৱনৰ পৰা অৱসৰ পোৱাৰ পিছত কৰিবলৈ একো কাম নাইকিয়া হয়। মহিলা সকলেও ল'ৰা-ছোৱালীৰ বিয়া বাৰু পতাৰ পিছত সংসাৰত বিশেষ লেঠা নাথাকে। সেই বাবে এই বয়সত ল'ৰা-ছোৱালী বা ঘৰৰ নানা ধৰণৰ সৰু সুৰা দোষ ত্ৰুটিবোৰ বেছিকৈ চকুত পৰে। এইবোৰ কথাত মন নিদি নিজকে আন কামত ব্যস্ত ৰাখিব লাগে। গাত কৰিব পৰা শক্তি থাকিলে একে বয়সৰ মানুহৰ লগ লাগি সামাজিক উন্নয়নমূলক কাম, সাহিত্য চৰ্চা বা নিজে কৰি ভাল লগা কোনো কামত লাগিব লাগে। নিজৰ ঘৰতো সৰু সুৰা কাম কৰি থাকিলে নিজকে অকলশৰীয়া বা অৱহেলিত বুলি ভাব মনলৈ কেতিয়াও নাহে। বয়সৰ লগে লগে ধৰ্মৰ প্ৰতিও আমাৰ মানুহ বেছিকৈ আকৃষ্ট হয়। মন ভালে ৰখা আৰু সময় কটোৱা এইটো এটা ডাঙৰ উপায়।

আজিকালি বেছিভাগ মানুহেই গাইগুটীয়াকৈ থাকিবলৈ বিচাৰে বা থাকিবলৈ বাধ্য হয়। ল'ৰা-ছোৱালী আঁতৰি গ'ল বুলি মনত বেজাৰ কৰি লাভ নাই। যাৰ যেনেকৈ থাকিলে সুবিধা হয় সেই মতে থাকিবলৈ মনত অসন্তোষ নকৰাকৈ দিব


OKDISCD

লাগে। চাব লাগে যাতে সম্পৰ্কটো সদায় মধুৰ হয় আৰু টানে আপদে ইজনে সিজনক পাব পাৰে। মাজে সময়ে আমাৰ সমাজত এনে কিছুমান বয়সীয়া মানুহ লগ পাব যাৰ জীয়েক জোৱায়েকৰ সংসাৰত থাকিলে সন্মানত লাগে, অথচ অকলে সংসাৰ চম্ভালিব নোৱাৰে। তাৰ ফলত জীয়েকে দুই সংসাৰ চম্ভালিব লগা হয়।

আচল সমস্যা হৈছে একো কৰিব নোৱৰা একেবাৰে বৃদ্ধ বয়সৰ লোকক লৈহে। এই বয়সত কিছুমানৰ স্মৃতিপ্ৰজ্ঞা হয়, কিছুমানে নিজে একো কৰিব নোৱাৰি বিছনাৰ আশ্ৰয় লব লগা হয়। ঘৰৰ পুৰুষ মহিলা দুইজনেই চাকৰি কৰিবলৈ ওলাই গ'লে চোৱা চিতা কৰাটো এটা ডাঙৰ কাম হৈ পৰে। যাৰ সামাৰ্থ্য আছে ভালদৰে চাব চিতিবৰ বাবে উপযুক্ত মানুহ বা নাৰ্চ ৰাখিব পাৰে কিন্তু পইছা দিলেও উপযুক্ত মানুহ পোৱা টান। চোৱা মানুহ থাকিলেও ঘৰৰ মানুহে মাজে সময়ে শুশ্ৰূষা কৰিলে বৃদ্ধলোকে মানসিক শান্তি পায় আৰু অনেক সময়ত বেমাৰ ভাল হোৱা দেখা যায়। কামটো ঘৰৰ যিজনে ভালদৰে পাৰে তেওঁৰ ওপৰত সম্পূৰ্ণ এৰি নিদি সকলোৱে পালপাতি কৰিব লাগে। পালপাতি কাম কৰিলে আমনি নালাগে, বৰঞ্চ মনটো ভালহে লাগিব। মাদাৰ টেৰেচাই বৃদ্ধ বা অনাথ মানুহক শুশ্ৰূষা কৰি অনাবিল আনন্দ পায়। মিছনেৰী সকলেও দুখীয়া অনাথ লোকক যিদৰে সহায় কৰি ভাল পায় আমাৰো সেইদৰে সেই কামত মনোনিবেশ কৰিলে কিছু মানসিক আনন্দ লাগিব।

সেই বাবে আমাৰ সমাজত এনেকুৱা এটা সংস্থাৰ প্ৰয়োজন যেয়ে সকলো শ্ৰেণীৰ বয়সস্থ লোকৰ সমস্যা সমাধানৰ চেষ্টা কৰিব। আমাৰ দেশত বিদেশৰ দৰে বয়সীয়া লোক গৃহত আমাৰ আপোন বৃদ্ধলোকক থোৱা কথাটো ভাবিবলৈ টান লাগে। ভাৰতৰ কিছুমান ঠাইত এনেকুৱা 'হোম' স্থাপিত হৈছে। অসুস্থ বয়সীয়া লোক সকলৰ বাবে সমাজ সচেতন বা অৱসৰপ্ৰাপ্ত লোকসকলে চিন্তা কৰি এনেকুৱা এটা অনুষ্ঠান গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব যি তেওঁলোকৰ সেৱা শুশ্ৰূষা কৰি মনত শান্তি দিব বা অনাথ সকলক আশ্ৰয় দিব। এনেকুৱা অনুষ্ঠান খুলিব পাৰিলে বহুতো লোকৰ কৰ্ম সংস্থান হব। অনাথ মহিলা বা কম বয়সীয়া মহিলাই এনেকুৱা এটা সংস্থাত কাম পালে ঘৰ এখনো পাব। সূ



প্ৰাত্যহিক

# অ', আ'ৰ পাঠশালা

**গৰিমা হাজৰিকা**

অকণমানি এখন নদী। তাৰ কাষতে এখন সৰু পৰিষ্কাৰ আম বাগান। আম বাগানখনৰ মাজতে এটা অকণমানি খেৰী ঘৰ। খেৰী ঘৰটো ইমান ধুনীয়া– কাষে কাষে ৰঙা হালধীয়া ফুলৰ মেলা। ঘৰটোৰ বেৰবোৰত বগা আল্পনা। লাহে লাহে গৈ ঘৰটোৰ খিৰিকিৰ ফুটাৰে জুমি চালো– এয়াচোন এটা স্কুল। ৰঙা নীলা ফুল থকা সৰু সৰু বেঞ্চবোৰত এইবোৰ কোনে বহি গান গায় আছে বাৰু? ভালদৰে চাই দেখিলো, এইবোৰতো ল'ৰা-ছোৱালী নহয়–আটাইবোৰ 'অ'-ফলাৰ আখৰৰ 'আ'-কাৰ 'ই'-কাৰ'। মাষ্টৰজন দেখোন ডাঙৰ গোফেৰে এটা 'ম'। 'আকাৰ' 'ইকাৰ'বোৰেনো কি গান গাইছে শুনোচোন–

অঃ- আমি হ'লো অ-আ-ই-ঈ
আখৰ শিকাৰ প্ৰথম পাঠ,
আঃ- আমাক নেজানিলে কিন্তু,
মইনাহঁত।
ভৱিষ্যৎ হব অন্ধকাৰ।
ওঃ- আমাৰ কাম ভাগে ভাগে
যদিও জানে সকলোৱে,
তথাপিও উচ্চাৰণত কৰে গন্ডগোল কৰে
গন্ডগোল
ঈঃ আমাক দেখি অকণিহঁতে প্ৰথমে
বৰ ভাল পায়
আমাক চিনি পোৱাৰ পৰত
চৰ, কিল, দাবি খায়,
হিঃ হিঃ হিঃ হিঃ

মাষ্টৰৰ এক ধমকত তাহাঁতৰ হাঁহি বন্ধ হৈ গ'ল। অলপ পাছত দেখিলো 'ও'-কাৰ আমন জিমনকৈ আহি দুৱাৰ মুখত থিয় হ'ল।

'ও'-কাৰঃ চাৰ সোমাওঁ?

মাষ্টৰঃ তই আজি এসপ্তাহ কিয় স্কুললৈ অহা নাই?

'ও'-কাৰঃ চাৰ মোক চাৰ 'উ-কাৰে' চাৰ আহিবলৈ মানা কৰিছে। 'উ-কাৰে' কৈছে মোক হেনো প্ৰায় ভাগ অসমীয়া মানুহৰ ল'ৰা-ছোৱালীয়ে চিনি নেপায়। আৰু সি কৈছে মোক হেনো অসমীয়া ভাষাৰ পৰা খেদি উলিয়াই দিছে। মোৰ হেনো এতিয়া একো কাম নাই বৰ্ণমালাৰ পৰাও উলিয়াই পঠিয়াব।

মাষ্টৰঃ 'উ-কাৰ' তই এইবোৰ কথা কৈছ?

'উ-কাৰ': হয় চাৰ, একেবাৰে সঁচা কথা। আজিকালি ল'ৰা-ছোৱালীবোৰে 'ও-কাৰৰ' উচ্চাৰণ নাজানেই। যিবোৰ শব্দত সি থাকে সেই সকলোবোৰতে মোক লগাই কথাও কয় আৰু লিখোতেও লিখে।

মাষ্টৰঃ ঠিক আছে বাৰু স্কুল ছুটীৰ পাছত তই কোৱা কথাবোৰ সঁচা নে মিছা খবৰ লম। 'ও'-কাৰ আৰু 'উ'-কাৰ মোৰ লগত ওলাবি, বুজিছ।

মই মাষ্টৰে কোৱা কথাবোৰ শুনি থাকোতেই দেখিলো সকলোৱে এক মনে কিবা কিবি লেখিবলৈ লৈছে। কিনো লিখিছে মই চাবলৈ বৰ যত্ন কৰিলো– কিন্তু নেদেখিলো। তথাপিও মই খিৰিকিখনৰ পৰা আঁতৰা নাই। অলপ পাছত মাষ্টৰে কোৱা শুনিলো–

মাষ্টৰঃ হব আৰু আজিলৈ ছুটী– এতিয়া তইঁত যা– 'ও'-কাৰ আৰু 'উ'-কাৰ তইঁত মোৰ লগত ওলা।

মাষ্টৰ, উ-কাৰ আৰু ও-কাৰৰ পাছে পাছে ময়ো যাবলৈ ধৰিলো। এজাক সৰু সৰু ল'ৰা-ছোৱালীয়ে জুৰি এটাৰ পাৰত বনভোজ খাই চিঞৰ-বাখৰ কৰি খেলি থকা দেখি 'উ-কাৰ' থমকি ৰ'ল। ময়ো গছজোপাৰ আঁৰত লুকাই চাই থাকিলো। 'উ-কাৰে' মাষ্টৰক কোৱা শুনিলো–

'উ-কাৰ'ঃ চাৰ, চাৰ শুনক ল'ৰা-ছোৱালীবোৰৰ কথা।

"নমি মই ভাই আৰু নেখেলু দেই তুমালুকে খেলা। মুৰ চুলাত গুটেই বুকা লাগিছে।" "এই ৰবিন কমলে নেখেলে, আমি চুৰ পুলিচ খেলু আহা।" "সকলু আহা।"

মাষ্টৰঃ 'উ-কাৰ' তই ঠিকেই কৈছিলি।

'উ-কাৰ'ঃ চাৰ সৌ পাহাৰৰ ওপৰত থকা পকি স্কুলখনলৈ যাওঁ বলকচোন, তাত খেলি থকা ছোৱালীবোৰৰ কথা কোৱা ধৰণ আকৌ অলপ বেলেগ।

মাষ্টৰঃ বল বল কিনো কয় শুনো গৈ।

ময়ো তাহাঁতৰ লগে লগে গ'লো।

'উ-কাৰ'ঃ চাৰ মন দি শুনক তাহাঁতে কথা পাতিছে।

"অনুপমা। তুমাৰ জুতা যুৰৰ colour-টু ইমান sweet. মুৰ uncle-এ আনি দিছে 'দেলিৰ পৰা"। "এই পান্জাবী তুমি Friday-ত ঘৰত থাকিবা? আমি shopping-অত জ্জাম হা।" "মই জ্জাব নুৱাৰিম জ্জানা।" মুৰ আজি ইমান Stomach pain কৰিছে জ্জানা।"

'উ-কাৰ'ঃ চাৰ এতিয়া এইফালে আহক– এই হোটেলটোত বহি চাহ খাই থকা চেঙেলিয়া ল'ৰা কেইটাৰ কথা শুনক। "নাই বে মুৰ হাতত একদম্ প'ইছা নাই।" "হ্য চালা তই শাইছবে মুক half দেনা।" "আৰে কথা হ'ল নেকি- তুৰ কথা কুনে বুজি পাব? ইমান জল্দি জল্দি কৈছ।"

মাষ্টৰঃ উহঃ আৰু নোৱাৰি শুনি থাকিবলৈ। 'ও'-কাৰ তই কি কৰি আছ?

'ও'-কাৰঃ মই কি কৰিম চাৰ– মই ক'ত ক'ত থাকো আৰু মই থাকিলে সেই শব্দটোৰ উচ্চাৰণ কেনে হব লাগে, সেই সকলোবোৰ দেখোন পঢ়া কিতাপত আছেই। শিক্ষকেও নিশ্চয় শিকায়। মই থাকিলে উচ্চাৰণ কেনে ধৰণৰ হব।

'উ-কাৰ'ঃ চাৰ চাৰ এইফালে অকণমান আহকচোন কলেজৰ ছোৱালী কিছুমানে গানৰ আখৰা কৰিছে শুনো আহক। ৰূপকোঁৱৰৰ গান।

তুৰে মুৰে আলুকৰে যাত্ৰা অব্যৰ্থ
আমি পালু জীৱনৰ অৰ্থ অভিনৱ.....

মাষ্টাৰঃ নাই নাই আৰু নোৱাৰি। ৰূপকোঁৱৰৰ গীতৰ এই দুৰৱস্থা শুনি থাকিব নোৱাৰি।

'উ-কাৰ'ঃ চাৰ আপুনিহে শুনি থাকিবলৈ বেয়া পাইছে! এনেকুৱা উচ্চাৰণৰ গীত গাই ক'তই পুৰস্কাৰ পায়েই আছে– প্ৰতিযোগিতাবোৰত।

মাষ্টৰঃ এনেকুৱা ভুল উচ্চাৰণৰে গীত গালে বিচাৰক সকলে পুৰস্কাৰ দিবই নেলাগে।

'ও-কাৰ'ঃ প্ৰতিযোগী দল সমূহৰ যদি সকলোৰে ভুল উচ্চাৰণ হয় তেতিয়া হ'লে বিচাৰক সকলে কি কৰিব?

মাষ্টৰঃ কি কৰিব মানে? কাকো পুৰস্কাৰ দিবই নেলাগে, আৰু কৈ দিব লাগে যে এই, এই কাৰণত কাকো পুৰস্কৃত কৰা নহ'ল।

'উ-কাৰ'ঃ চাৰ সৌফালে চাওক কোন আহিছে। বাপ্ৰে ইয়াৰ আজিকালি ইমান বাহাদুৰি হৈছে। আমাক একো বুলিয়েই নধৰা হ'ল।

মাষ্টৰঃ তই 'বনাম' নহয়নে?

'বনাম'ঃ হয় চাৰ।

মাষ্টৰঃ এইটোনো কি অদ্ভূত সাজ পিন্ধিছ? মূৰত সূত্ৰধাৰী পাগ, কায়দাৰে চিলোৱা খদ্দৰ কুৰ্টা, ডিঙিত ফুলাম গামোচা, জিন্চৰ পটলুং, ভৰিত পাৱাৰৰ জোতা।

'উ-কাৰ'ঃ আজিকালি ইয়াৰ কথাই বেলেগ। সৰ্বসাধাৰণ মানুহে ইয়াক কথাই কথাইটো ব্যৱহাৰ কৰেই– তাৰ উপৰিও শিল্পী সাহিত্যিক আৰু বুদ্ধিজীৱী সকলেও কথাত, লেখাত ইয়াক ব্যৱহাৰ কৰিবলৈ লৈছে।

ময়ো মনে মনে কথাটো ভাবিলো। 'উ-কাৰে'তো ঠিকেই কৈছে– ভাত বনালো, চাহ বনালো, কেক্ বনালো, ঘৰ বনালো, পোছাক বনালো, ঢোল-খোল বনালো, আলি পদূলি বান্ধ বনালো– আৰু নো ক'ত কি 'বনাওঁ' তাৰ শেষ নাই। আমি যদি সকলোতে 'বনালো' শব্দটো প্ৰয়োগ কৰো, তেনেহ'লে চোন ৰান্ধিলো, সাজিলো, বান্ধিলো, কৰিলো ইত্যাদি শব্দৰ ব্যৱহাৰেই দেখোন পাহৰি যাম। বুদ্ধিজীৱী, সাহিত্যিক সকলেই যেতিয়া 'বনাব' শব্দটো ব্যৱহাৰ কৰে তেতিয়া আমি ধৰি লব লাগিব 'বনাম' ব্যৱহাৰত কোনো ভুল নহয়। কিন্তু আমাৰ ভাষাত যেতিয়া 'বনাম'ৰ সলনি আন ভাল ভাল খাপ খোৱা শব্দ আছেই তাক ব্যৱহাৰ কৰিলে ভাল নহব জানো? সাজিলো, বান্ধিলো, ৰান্ধিলো শব্দবোৰ শুনিবলৈকো শুৱলা। আইতাহঁতৰ দিনততো 'বনালো' শব্দৰ ব্যৱহাৰেই নাছিল। হঠাৎ 'উ-কাৰ'ৰ চিঞৰত মোৰ ভাবৰ খেলি মেলি হৈ গ'ল।


'উ-কাৰ'ঃ চাৰ চাৰ মই এটা গান লেখিছো– শুনিবনে?

মাষ্টৰঃ শুনিম, কিয় নুশুনিম– সৌ শিলটোৰ ওপৰত বহি লওঁগৈ ব'ল।

মই তাহাঁতৰ লগ এৰা নাই- ময়ো শিলে শিলে জঁপিয়াই ডাঙৰ শিল এটাৰ আঁৰত আৰামকৈ বহি ল'লো 'উ-কাৰৰ' গান শুনিবলৈ।


'উ-কাৰ'ঃ
অ' অসমীয়া
কিয় বেছি ভাগেই,
'ও-কাৰ'ৰ উচ্চাৰণ;
'উ-কাৰে'ৰে কৰে।
জুতা, মুজা, চুলা, লুতা
সুন, জুন, তুৰ, মুৰ
নকৰু, নুৱাৰু আৰু
কৰিলু, বুজিলু, বুৰ।
অসমীয়া নেজানিলে কোনো খেদ নাই
ইংৰাজী নোৱাৰিলে কৰে হায় হায়।
গোলামীৰ তেজ বয় শিৰাই শিৰাই
মাতৃ ভাষা উদ্ধাৰ কেনেকৈনো হয়।
বনালু-খালু-মাছৰ জুল
কৰিলু, সাজিলু মিঠাই বুৰ।

তিনিওটাই ইমান জোৰে হা হা কৈ হাঁহিলে– মই জাঁপ মাৰি সাৰ পাই গ'লো। ঘড়ীটো চালো আবেলি চাৰিটা। কিন্তু কি অদ্ভূত সপোন। এইমাত্ৰ সপোনত দেখা কথাবোৰটো মই কেতিয়াও ভবা নাই। ভাবিলো উচ্চাৰণ বেয়া হোৱাৰ কাৰণে দায়ী কোন? আমি অভিভাৱকবোৰ নে, শিক্ষক নে, সাহিত্যিকসকল? নে ল'ৰা-ছোৱালীবোৰ? ল'ৰা-ছোৱালী বোৰ কেতিয়াও নহয়। তেন্তে দোষ শিক্ষক আৰু অভিভাৱকৰ? এনেতে ভনীজনীয়ে চাহ একাপ দি ক'লে– "বাইদেউ চাহ 'খুৱা'– এয়া লুচিও 'বনাই' আনিছো।" মোৰ কাণত তৎক্ষণাত 'খুৱা' আৰু 'বনালো' শব্দটো বাজি উঠিল। ঠিকেই অভিভাৱকৰ গাত দোষ, শিক্ষকৰ গাত দোষ আৰু সাহিত্যিক সকলৰ গাতো দোষ। আমি ডাঙৰবোৰেই যদি উঠি অহা সৰু ল'ৰা-ছোৱালীক ভুলটো শিকাব নোৱাৰো– তেনেহ'লে ল'ৰা-ছোৱালীক দোষ দি লাভ নাই। ল'ৰা-ছোৱালীবোৰে 'ও-কাৰ' 'উ-কাৰ'ৰ পাৰ্থক্য ধৰিব নোৱাৰিব পাৰে কিন্তু জনাজনে শুধৰাই দিলে তাহাঁতে নিশ্চয় শিকিব। ভুল শুধৰাই দিয়াৰ দায়িত্ব হব শিক্ষকৰ, অভিভাৱক আৰু শিল্পী সাহিত্যিকৰ। নহ'লে '৯-কাৰ' দৰে 'ও-কাৰো' নাইকিয়া হৈ যাব। ৰান্ধিলো, সাজিলো, বান্ধিলো, কৰিলোৰ ঠাই 'বনামে' লব। ভাষা যায় দেশ যায় বুলি চিঞৰিলেই নহব। নিজৰ মাতৃভাষা শুদ্ধকৈ কোৱাতহে জোৰ দিয়া উচিত। মই নিজে ঠিক কৰি পেলালো আগতে মোৰ ভনীজনীৰ উচ্চাৰণ ঠিক কৰো তাৰ পাছতহে আনৰ। সূ



## বাপুজীৰ কল্পনাৰ

# ভৱিষ্যত বিশ্বখন



"আমাৰ ভৱিষ্যতৰ বিশ্বত সমাজখন হ'ব – হ'বই লাগিব অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত। এইটোৱেই হ'ল প্ৰথম সূত্ৰ; ইয়াৰ পৰাই বাকী সকলোবোৰ শুভাশীষ নিঃসৰিত হ'ব।

সকলো ব্যক্তি, জনগোষ্ঠী আৰু ৰাষ্ট্ৰই অহিংসাৰ পথ অৱলম্বন কৰিব লাগিব – প্ৰেমৰ পথ ল'ব লাগিব। সেয়ে হৈ উঠিলে, মই ক'ব পাৰো যে আমাৰ ভৱিষ্যতৰ বিশ্বখনত দৰিদ্ৰতা নেথাকিব, বিপ্লৱ নেথাকিব আৰু নেথাকিব ৰক্তপাত।"

## শান্তিপূৰ্ণ পৰিবৰ্ত্তনেৰে প্ৰগতি সাধন

c3.09: 387

OKDISCD